# আলোচনী

১৯৯৭-৯৮ বৰ্ষ

১৯৯৮-৯৯ বৰ্ষ

## কামপুৰ মহাবিদ্যালয়

"তমসো মা জ্যোতির্গময়"

**সম্পাদক দ্বয় ঃ**

শ্রীসঞ্জীৱ শইকীয়া

শ্রীমতী বৰ্ণালী মজুমদাৰ

# কামপুৰ মহাবিদ্যালয় আলোচনী

১৯৯৭-৯৮ বৰ্ষ

১৯৯৮-৯৯ বৰ্ষ

## তত্বাৱধানত

অধ্যাপক হেমচন্দ্ৰ লস্কৰ

## সম্পাদনাত

শ্ৰীসঞ্জীৱ শইকীয়া

শ্ৰীমতী বৰ্ণালী মজুমদাৰ

# কামপুৰ মহাবিদ্যালয় আলোচনী

১৯৯৭-৯৮ বৰ্ষ

১৯৯৮-৯৯ বৰ্ষ

**সম্পাদকদ্বয় ঃ**

শ্ৰীসঞ্জীৱ শইকীয়া

শ্ৰীমতী বৰ্ণালী মজুমদাৰ

**তত্বাৱধায়ক ঃ**

অধ্যাপক হেমচন্দ্ৰ লস্কৰ

**বেটুপাত ঃ**

শ্ৰীহেমন্ত কুমাৰ শৰ্মা (প্ৰাক্তন ছাত্ৰ)

**মুদ্ৰণ ঃ**

কম্পিউটাৰ ৱৰ্ল্ড

ৰাজগড় ৰোড

গুৱাহাটী - ৩

ফোন নং - ৪৫৩৭৭৬, ৪৫৫৩৮৯

# —ঃ উছৰ্গা ঃ—

যি সকল ব্যক্তিৰ
আশাশুধীয়া প্ৰচেষ্টা,
আৰ্থিক, কায়িক আৰু
মানসিক শ্ৰমৰ বিনিময়ত
কামপুৰ মহাবিদ্যালয়ে জন্ম লাভ কৰিলে,
সেইসকলৰ উদ্দেশ্যে
আলোচনীখনি উছৰ্গা কৰা হ'ল।

—সম্পাদনা সমিতি

# অশ্ৰু অঞ্জলী



কামপুৰ মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা ঘনিষ্ঠভাৱে জড়িত হৈ অনুষ্ঠানটিলৈ অমূল্য বৰঙণি আগবঢ়োৱা সকলৰ যি সকলে ইতিমধ্যে ইহসংসাৰ ত্যাগ কৰিছে আৰু মহাবিদ্যালয়খনিৰ যি সকল শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰী অকালতে চিৰদিনৰ কাৰণে আমাৰ মাজৰ পৰা হেৰাই গ'ল, সেইসকলৰ পূণ্যাত্মাক আমি শ্ৰদ্ধাৰে সোঁৱৰিছোঁ।

—সম্পাদনা সমিতি

## ১৯৯৭-৯৮ বৰ্ষ
# কামপুৰ মহাবিদ্যালয় আলোচনী
## সম্পাদনা সমিতি

| | | | |
|---|---|---|---|
| (১) | সভাপতি | ঃ | ভাৰপ্ৰাপ্ত অধ্যক্ষ তৰুণ চন্দ্ৰ শইকীয়া |
| (২) | তত্ত্বৱধায়ক অধ্যাপক | ঃ | হেম চন্দ্ৰ লস্কৰ |
| (৩) | সদস্য অধ্যাপক | ঃ | ভানু শইকীয়া |
| (৪) | সদস্য অধ্যাপক | ঃ | পদুম কাকতি |
| (৫) | সদস্য অধ্যাপক | ঃ | ড° ললাটেন্দু চাহু |
| (৬) | সদস্য অধ্যাপক | ঃ | মিনি দেৱী |
| (৭) | সদস্য অধ্যাপক | ঃ | মহেন্দ্ৰ নাথ হাজৰিকা |
| (৮) | আলোচনী সম্পাদক | ঃ | সঞ্জীৱ শইকীয়া |

## ১৯৯৮ - ৯৯ বৰ্ষ
# কামপুৰ মহাবিদ্যালয় আলোচনী
## সম্পাদনা সমিতি

| | | | |
|---|---|---|---|
| (১) | সভাপতি | ঃ | ভাৰপ্ৰাপ্ত অধ্যক্ষ সভাৰাম মজুমদাৰ |
| (২) | তত্ত্বৱধায়ক | ঃ | অধ্যাপক হেমচন্দ্ৰ লস্কৰ |
| (৩) | সদস্য | ঃ | ভানু শইকীয়া |
| (৪) | সদস্য | ঃ | মহেন্দ্ৰ নাথ হাজৰিকা |
| (৫) | সদস্য | ঃ | ড° অৰুণ কুমাৰ চাউত ৰয় |
| (৬) | আলোচনী সম্পাদক | ঃ | বৰ্ণালী মজুমদাৰ |




বুজা নুবুজা অলেখ ভাবেৰে পাৰ কৰিছিলো আমাৰ শৈশৱ। জোনাক নিশা চোতালত বহি বহি পৰীৰ সাধু শুনি শুনি জোনৰ বুকুত থকা তুলসী গছজোপা চাইছিলো। আবেলিৰ আকাশাত দেউকা কোবাই দিগন্ত প্ৰসাৰী জাক জাক বগলী দেখি আপ্লুত হৈছিলোঁ। শৰৎ,বসন্তৰ পৰশে উতলা কৰা প্ৰকৃতিৰ বিনন্দীয়া ৰূপ ৰ লাগি চাই ৰৈছিলোঁ। দুচকু মুদিলেই ভাঁহি উঠিছিল সপোন সপোন লগা বিশাল আকাশখনি।

এতিয়া কিন্তু এইবোৰ একোৱেই নেদেখোঁ। হয়তু শৈশৱ আৰু যৌৱনৰ পাৰ্থক্য তাতেই । এটা চৰকাৰী পদবীৰ বাবে ঘৰখনৰ শেষ সম্বল ভেটিটোও বিক্ৰী কৰি দিয়া টকাখিনি তুলি লওঁতে বিষয়া জনৰ বাৰু কেনেকুৱা লাগে? আপোন ভগ্নীৰ, ভাতৃৰ সমানজনক হত্যা কৰিবলৈ পিষ্টল টোঁৱাওতে সেই মানৱীৰূপী চিকাৰীজনৰ বাৰু এবাৰো হৃদয় নকঁপেনে?

এইখন সমাজ আমাৰ প্ৰত্যেকৰে সমাজ। এই সমাজত সামাজিক প্ৰাণী হিচাপে জীয়াই থাকিবলৈ আশা-আকাংখ্যা কামনা বাসনা সকলোৰে আছে। সেয়ে এই সমাজ সম্পৰ্কে প্ৰত্যেক ব্যক্তিৰ গভীৰ দায়িত্ববোধো নিশ্চয় আছে। সেয়ে নহ'লে সমাজ এখন কেতিয়াও সুস্থিৰ হ'ব নোৱাৰে।

আমি সকলোৱে নৈতিকতাৰপৰা আতঁৰি এই সমাজখনক যেন এক গভীৰ গহ্বৰৰ মাজলৈ ঠেলি লৈ গৈ আছো। ভোকাতুৰ ৰিক্সাচালকজনে দুটা টকা বেছিকৈ বিচাৰিলে আমি সৰৱ হৈ প্ৰতিবাদ কৰি উঠো, কিন্তু আমাৰেই পুত্ৰ, আমাৰেই ভাতৃ সন্ত্ৰাসবাদী জনক সৎ পথলৈ আনিবলৈ মাতৃ হৃদয়ত দোলনি নুঠি অন্ধভাৱে সমৰ্থন কৰিছোঁ। এইবোৰ বিষবাষ্পক নিষ্ক্ৰিয় নকৰিলে সি ভৱিষ্যৎ প্ৰজন্মক আৰু অন্ধকাৰ মহাৰণ্যত বন্দী কৰিব।

এতিয়া প্ৰয়োজন সূক্ষ্ম আত্মসমালোচনাৰ, গভীৰ আত্মবিশ্বাসৰ আৰু মানুহক ভালপাব পৰা এটা সৰল মনৰ। নতুন প্ৰজন্মক শিক্ষা দিব লাগিব গভীৰ নৈতিকতাবোধৰ। আজিৰ সমাজত উচ্চ শিক্ষাধাৰী, বহু ডাঙৰ ডাঙৰ বিষয়া আছে, কিন্তু মনুষ্যত্ব জ্ঞানেৰে জ্ঞানী হয়তু আঙুলিৰ মূৰত লিখিব পৰা হ'ব। সেয়ে প্ৰত্যেক ব্যক্তিয়ে ইজনে সিজনক ভালপাব পৰাকৈ মানৱতাবোধৰ বিকাশ হ'ব পৰাকৈ শিক্ষা প্ৰৱৰ্ত্তন হ'লেহে আমাৰ সমাজত শান্তি প্ৰতিস্থা হ'ব। অন্যথা ভৱিষ্যৎ প্ৰজন্মইও আমাক ক্ষমা নকৰিব।

*শ্ৰী বৰ্ণালী মজুমদাৰ*
সম্পাদিকা, কামপুৰ মহাবিদ্যালয়
আলোচনী।
১৯৯৮-১৯৯৯ বৰ্ষ।


সম্পাদকীয়

বুজা নুবুজা অলেখ ভাবেৰে পাৰ কৰিছিলো আমাৰ শৈশৱ। জোনাক নিশা চোতালত বহি বহি পৰীৰ সাধুশুনিশুনি জোনৰ বুকুত থকা তুলসী গছজোপা চাইছিলো। আবেলিৰ আকাশাত দেউকা কোবাই দিগন্ত প্ৰসাৰী জাকজাকবগলী দেখি আপ্লুত হৈছিলোঁ। শৰৎ,বসন্তৰ পৰশে উতলা কৰা প্ৰকৃতিৰ বিনন্দীয়া ৰূপ ৰ লাগি চাই ৰৈছিলোঁ। দুচকু মুদিলেই ভাঁহি উঠিছিল সপোন সপোন লগা বিশাল আকাশখনি।

এতিয়া কিন্তু এইবোৰ একোৱেই নেদেখোঁ। হয়তু শৈশৱ আৰু যৌৱনৰ পাৰ্থক্য তাতেই । এটা চৰকাৰী পদবীৰ বাবে ঘৰখনৰ শেষ সম্বল ভেটিটোও বিক্ৰী কৰি দিয়া টকাখিনি তুলি লওঁতে বিষয়া জনৰ বাৰু কেনেকুৱা লাগে? আপোন ভগ্নীৰ, ভাতৃৰ সমানজনক হত্যা কৰিবলৈ পিষ্টল টোঁৱাওতে সেই মানৱীৰূপী চিকাৰীজনৰ বাৰু এবাৰো হৃদয় নকঁপেনে?

এইখন সমাজআমাৰ প্ৰত্যেকৰে সমাজ। এই সমাজত সামাজিক প্ৰাণী হিচাপে জীয়াই থাকিবলৈ আশা-আকাংখ্যা কামনা বাসনা সকলোৰে আছে। সেয়ে এই সমাজ সম্পৰ্কে প্ৰত্যেক ব্যক্তিৰ গভীৰ দায়িত্ববোধো নিশ্চয় আছে। সেয়ে নহ'লে সমাজ এখন কেতিয়াও সুস্থিৰ হ'ব নোৱাৰে।

আমি সকলোৱে নৈতিকতাৰপৰা আতঁৰি এই সমাজখনক যেন এক গভীৰ গহ্বৰৰ মাজলৈ ঠেলি লৈ গৈ আছো। ভোকাতুৰ ৰিক্সাচালকজনে দুটা টকা বেছিকৈ বিচাৰিলে আমি সৰৱ হৈ প্ৰতিবাদ কৰি উঠো, কিন্তু আমাৰেই পুত্ৰ, আমাৰেই ভাতৃ সন্ত্ৰাসবাদী জনক সৎ পথলৈ আনিবলৈ মাতৃ হৃদয়ত দোলনি নুঠিঅন্ধভাৱে সমৰ্থন কৰিছোঁ। এইবোৰ বিষবাষ্পক নিষ্ক্ৰিয় নকৰিলে সি ভৱিষ্যৎ প্ৰজন্মক আৰু অন্ধকাৰ মহাৰণ্যত বন্দী কৰিব।

এতিয়া প্ৰয়োজন সূক্ষ্ম আত্মসমালোচনাৰ, গভীৰ আত্মবিশ্বাসৰ আৰু মানুহক ভালপাব পৰা এটা সৰল মনৰ। নতুন প্ৰজন্মক শিক্ষা দিব লাগিব গভীৰ নৈতিকতাবোধৰ। আজিৰ সমাজত উচ্চ শিক্ষাধাৰী, বহু ডাঙৰ ডাঙৰ বিষয়া আছে, কিন্তু মনুষ্যত্ব জ্ঞানেৰে জ্ঞানী হয়তু আঙুলিৰ মূৰত লিখিব পৰা হ'ব। সেয়ে প্ৰত্যেক ব্যক্তিয়ে ইজনে সিজনক ভালপাব পৰাকৈ মানৱতাবোধৰ বিকাশ হ'ব পৰাকৈ শিক্ষা প্ৰৱৰ্ত্তন হ'লেহে আমাৰ সমাজত শান্তি প্ৰতিস্থা হ'ব। অন্যথা ভৱিষ্যৎ প্ৰজন্মইও আমাক ক্ষমা নকৰিব।

*শ্ৰী বৰ্ণালী মজুমদাৰ*
সম্পাদিকা, কামপুৰ মহাবিদ্যালয়
আলোচনী।



আলোচনী তত্ত্বাবধায়ক, অধ্যাপক হেমচন্দ্ৰ লস্কৰ



# অধ্যক্ষৰ একাষাৰ

**সভাৰাম মজুমদাৰ**

মহাবিদ্যালয় এখনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ এটা অতি জঞ্জালেৰে ভাৰাক্ৰান্ত পদবী। এই পদত থকা লোকজনে বিশ্ববিদ্যালয়ৰ উচ্চতম ডিগ্ৰীধাৰী আৰু গৱেষক বুদ্ধিজীৱি এচাম সহকৰ্মীৰ পৰা কাম আদায় কৰাৰ চেষ্টাত ব্ৰত থাকিব লগীয়া হয়। আনহাতে শ শ চঞ্চল, প্ৰাণৱন্ত কিন্তু উদণ্ড বয়সন্ধিৰ দোমোজাত পৰি উচিত অনুচিত বিচাৰৰ বাহিৰৰ ৰণুৱা ঘোঁৰাৰ বলেৰে বলীয়ান ডেকা গাভৰু হঁতক শৃঙ্খলাবদ্ধভাৱে ৰাখি পাঠদান আৰু পাঠগ্ৰহণ নিয়াৰিকৈ সমাপন কৰা, পৰীক্ষা পৰিচালনা কৰা আদি কঠিন কামেৰে ভাৰাক্ৰান্ত এই পদবী।

ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্য্যালয় পৰিচালনা কৰা, হিচাপ নিকাচৰ জোৰামৰা, সৰু চহৰ বা গাওঁলীয়া অঞ্চলৰ হ'লে সভা সমিতি গাই ফুৰাৰ উপৰিও বিশ্ববিদ্যালয়, ডি.পি.আই অফিচ, কাউন্সিল, সচিবালয়, বিশ্ববিদ্যালয় অনুদান আয়োগৰ কাৰ্য্যালয় আদিৰ কামত বেছিভাগ সময় কটাবলগীয়া হয়। অন্যহাতে কলেজৰ দৈনন্দিন কামকাজ আৰু নিয়ম শৃঙ্খলাৰ কাম আছেই। ছাত্ৰসভাৰ নিৰ্বাচন, বিষয়ববীয়া সকলৰ টকা পইচা খেলিমেলি কৰাৰ ক্ৰমবৰ্দ্ধমান মনোভাৱ আদি জঞ্জালে সদায় মূৰ গৰম কৰি ৰাখে। তাতে আকৌ নিয়মমতে অন্য প্ৰৱক্তাসকলৰ দৰে সমানেই শ্ৰেণীটো পাঠদান কৰিব লাগে। এনেকৈ এশ-এবুৰি সমস্যাৰ মুখামুখী হৈ থাকিব লাগে। কিন্তু তেওঁলোকে মাহেকত লাভ কৰে মাত্ৰ (১০০-৬০)= ৪০.০০ টকীয়া ভাট্টা। সৰু কলেজ সমূহত গাননিকৰ পদো মঞ্জুৰ কৰা নহয়। মাত্ৰ দুজনহে কাৰ্য্যালয় সহায়ক পোৱা যায়, ইয়াৰে কোনোবা এজনৰ কিবা হ'লে সমস্ত দায়িত্ব ভাৰপ্ৰাপ্ত অধ্যক্ষৰ ওপৰতে পৰে। প্ৰায় ১৫/২০ খন কেচবুক লিখা আৰু অতি কমেও ৫/৬ লাখ টকাৰ প্ৰতিমাহে নিয়মীয়া হিচাব ৰখাৰ দায়িত্বও পালন কৰিব লগা হয়।

অসমত উচ্চশিক্ষাৰ সম্প্ৰসাৰণ দ্ৰুতগতিত বাঢ়িল, প্ৰতি অঞ্চলতে মহাবিদ্যালয় পৰ্যন্ত গঢ়ি উঠিল। ফলত উচ্চশিক্ষাৰ মানদণ্ডও দ্ৰুতগতিত অৱনমিত হ'ল। মানদণ্ডউন্নত কৰাৰ বাবে বহুত আয়োগ, দৰমহা গাঠনিৰ সংশোধন, নানা আলোচনা, পৰামৰ্শ আদি দিনে প্ৰতিদিনে হৈয়ে আছে। কিন্তু উচ্চ শিক্ষাৰ দুটা মুল কেৰোন(১) প্ৰশাসনীয়া শিথিলতা আৰু (২) ভুলেৰে ভৰা সহায়িকা পুথিৰ অবাধ প্ৰচলনৰ বিষয়ে কোনেও গুৰুত্ব দিয়া দেখা নাযায়। মহাবিদ্যালয় সমূহত নিয়মীয়াকৈ শ্ৰেণীসমূহ নবহে বুলি কোৱা বহুচৰ্চিত কথাষাৰৰ

সমাধানৰ উপায় হিচাপে কেৱল কলেজ সমূহৰ প্ৰশাসন সবল কৰা প্ৰয়োজন। উপাধ্যক্ষ সকলক ভাৰপ্ৰাপ্ত কৰি নাৰাখি অধ্যক্ষৰ খালি পদত নিয়মীয়া নিযুক্তি দিব লাগে। অধ্যক্ষ পদত নিযুক্তিৰ বাবে মাজে সময়ে চলাই থকা বাছনি ব্যৱস্থাত উপাধ্যক্ষ সকলৰ কাৰ্য্যকালৰ অভিজ্ঞতাৰ মৰ্যাদা প্ৰদান কৰি বয়স আৰু অৰ্হতাৰ অন্যান্য দিশ শিথিল কৰি অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা কৰা প্ৰয়োজন।

বৰ্তমান চৰকাৰে ভাৰপ্ৰাপ্ত অধ্যক্ষ (উপাধ্যক্ষ) সকলক স্থায়ী অধ্যক্ষ নিয়োগ কৰাৰ ব্যৱস্থা নকৰি মঞ্জুৰি কটাৰহে ভাবুকি দিয়া দেখা যায়। অসমৰ মহাবিদ্যালয় সমুহ চৰকাৰে প্ৰতিষ্ঠা কৰা নাই। ৰাইজৰ নিজা উদ্যোগত ৰাইজৰ দান বৰঙনিৰে গঢ়ি উঠিছে। ইয়াতে আৰম্ভনিৰে পৰা অতি কম দৰমহাতে ৰাইজৰ অনুৰোধত কাম কৰি অহা প্ৰতিষ্ঠাপক শিক্ষক সকলেই পিছলৈ ভাৰপ্ৰাপ্ত অধ্যক্ষ হৈ কাৰ্য্যনিৰ্বাহ কৰি আহিছে। এই প্ৰতিষ্ঠাপক শিক্ষক সকলৰ কষ্ট আৰু ত্যাগৰ কথা চৰকাৰী আমোলাই অনুভৱ কৰিব নোৱাৰে। প্ৰায়েই অতি কামেও ১০/১২ বছৰ এই প্ৰতিষ্ঠাপক শিক্ষকসকলে কৰি অহা ত্যাগ আৰু কষ্টৰ বিনিময়ত এখন মহাবিদ্যালয়ে ঘাটি মঞ্জুৰী পাবলৈ সক্ষম হয়। এই সময়ৰ নীতিমতে অৰ্হতা থকা শিক্ষকসকলে বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰিখমতে দৰমহা পাবলৈ সক্ষম হয়। এই অৰ্হতা থকা শিক্ষক সকলেই জেষ্ঠ্যতা অনুসৰি স্থায়ী অধ্যক্ষ হিচাপে নিয়োগৰ বাবে অধ্যক্ষ নিৰ্বাচনৰ সুবিধা দিয়াৰ ব্যৱস্থা কৰিব লাগে। যিটো নেকি প্ৰতিষ্ঠাপক অধ্যক্ষ সকলৰ ক্ষেত্ৰত কৰা হৈছে, তাকে নকৰি তেওঁলোকক এই সুবিধাৰ পৰা বঞ্চিত কৰি অন্যালোকক অধ্যক্ষ পদত নিযুক্তি দি ভাৰপ্ৰাপ্তসকলৰ সন্মান লাঘৱ কৰিবলৈহে বিচৰা হয়। তাৰ পৰিনতি কলেজসমূহে ভোগ কৰিব লগা হয় আৰু উচচ শিক্ষা জগতত অচলাৱস্থা সৃষ্টি কৰাৰ সম্ভাৱনা থাকে। ভাৰপ্ৰাপ্ত অধ্যক্ষসকলৰ বাবে মহাবিদ্যালয় সমূহৰ শৈক্ষিক আৰু প্ৰশাসনীয় ব্যৱস্থা অধোগামী হোৱা বুলি কিছু সমালোচনা পোৱা যায়। মহাবিদ্যালয়খনি প্ৰতিষ্ঠা কৰা দিনৰ পৰা কাম কৰি থকা জ্যেষ্ঠ-শিক্ষক ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাবে থাকি বহুক্ষেত্ৰত অন্য স্থায়ী অধ্যক্ষতকৈ অধিক সুন্দৰভাৱে শৈক্ষিক পৰিৱেশ অটুট ৰাখি কলেজসমূহ পৰিচালনা কৰা পোৱা যায়। যোৱা অগপ চৰকাৰে প্ৰায় ৩৩ জন ভাৰপ্ৰাপ্ত অধ্যক্ষক স্থায়ী অধ্যক্ষৰ পদলৈ উন্নীত কৰাৰ ব্যৱস্থা কৰি দিছে। এই বিষয়টো ৰাজনৈতিক পক্ষপাতিত্বমূলক হোৱাটো উচিত নহয় আৰু সকলোৰে ক্ষেত্ৰত একে নিয়ম হ'ব লাগে। ভাৰপ্ৰাপ্ত অধ্যক্ষসকলে চিলেকচন গ্ৰেডৰ নিৰিখৰ দৰমহা পোৱাত স্থায়ী অধ্যক্ষ পদত মকৰল কৰিলে চৰকাৰৰ আৰ্থিক ক্ষতিও নহয়। ভাৰপ্ৰাপ্ত অধ্যক্ষসকলে স্থায়ী অধ্যক্ষ নিয়োজিত হ'লে এটা স্বীকৃতি পোৱাহে হয় আৰু সন্মান লাঘৱ হোৱাৰ পৰা ৰক্ষা পৰে আৰু সমাজত হেয় প্ৰতিপন্ন হ'ব লগা নহয়।

***************

# অনুক্ৰমনিকা

## প্ৰবন্ধমালা


| | | | পৃষ্ঠা সংখ্যা |
|---|---|---|---|
| ১। | পৰিবেশ সংৰক্ষণৰ প্ৰাসঙ্গিকতা | শ্ৰীৰিজু লস্কৰ | ১ |
| ২। | সম্প্ৰতিক কালত অঙ্কীয়া নাটৰ প্ৰাসঙ্গিকতা | শ্ৰী বৰ্ণালী মজুমদাৰ | ৪ |
| ৩। | আধুনিক অসমীয়া সংগীতত লোক সংগীত আৰু বৰগীতৰ প্ৰভাৱ | শ্ৰীঅৰবিন্দ দেৱ নাথ | ৬ |
| ৪। | ড° ভবেন্দ্ৰ নাথ শইকীয়া জীৱন আৰু অন্যান্য | শ্ৰীঅৰ্পনা বৰা | ১০ |
| ৫। | অসম আৰু অসমীয়া সংস্কৃতি | শ্ৰী লক্ষী শইকীয়া | ১২ |
| ৬। | অসমৰ জলবায়ু ঃ এটি চমু সমীক্ষা | শ্ৰী হীৰেণ শৰ্মা | ১৫ |
| ৭। | সংস্কৃতি বনাম যুৱমানসিকতা | শ্ৰী জলি গোঁহাই | ১৭ |
| ৮। | আন এবিধ অভিশপ্ত ব্যাধি (এইড্‌ছ) | শ্ৰী জাহ্নৱী গোস্বামী | ১৯ |
| ৯। | অৰ্কিড | শ্ৰী দিগন্ত কুমাৰ বৰা | ২২ |
| ১০। | অসমীয়া সাহিত্যৰ বেদীত 'জ্যোতি'ৰ অঞ্জলি | শ্ৰী জোনালী লস্কৰ | ২৪ |
| ১১। | কুৰি শতিকাৰ বিজ্ঞান আৰু অন্ধবিশ্বাস | শ্ৰী উজ্বল ফুকন | ২৭ |
| ১২। | মনালিছা, তোমাৰ হাঁহিৰ নাই তুলনা | শ্ৰী জলি গোঁহাই | ৩১ |
| ১৩। | চুটি গল্প ঃ এটি আলোচন | শ্ৰী মীনাক্ষি শইকীয়া | ৩৫ |
| ❖ | কৌতুক | | ৩৮ |
| ❖❖ | কুইজ | শ্ৰী মামনি ভূঞা | ৩৯ |


## কবিতামালা


| | | | |
|---|---|---|---|
| ১। | নৃশংস বাস্তৱ | জোন হাজৰিকা | ৪১ |
| ২। | স্মৃতি | বৰ্ণালী মজুমদাৰ | ৪২ |
| ৩। | মই আকৌ আহিছো | মিতালী লস্কৰ | ৪২ |
| ৪। | ধনীৰাম দাইটিড | অনিত্য শইকীয়া | ৪৩ |
| ৫। | প্ৰেমৰ তৃষ্ণাত | প্ৰকাশ বৰুৱা | ৪৩ |
| ৬। | বিদায় পৰত | প্ৰাঞ্জল লস্কৰ | ৪৪ |

| | | |
|---|---|---|
| ৭। বিনিতাৰ চকুপানী | বৰ্ণালী লস্কৰ | ৪৪ |
| ৮। প্ৰেয়সী | মণি লস্কৰ | ৪৫ |
| ৯। শ'ৱদেহ | জোনমণি বৰা | ৪৫ |
| ১০। আকস্মিক 'সুখ' | অনন্ত কুমাৰ নাথ | ৪৬ |
| ১১। বেলচিত প্ৰেম | অনিত্য শইকীয়া | ৪৬ |
| ১৩। গন-সংগ্ৰাম | ধ্ৰুৱ কাকতি | ৪৭ |
| ১৪। শ্ৰদ্ধাঞ্জলী | তুলিকা শইকীয়া | ৪৭ |
| ১৫। শুনা মোৰ প্ৰাণৰ সখা | জোন মণি বৰা | ৪৮ |
| ১৬। মাদাৰ টেৰেছাৰ স্মৃতিত | শৰৎ কুমাৰ নাথ | ৪৮ |


## গল্প


| | | |
|---|---|---|
| ১। অসহায় | জবা শইকীয়া | ৪৯ |
| ২। অপেক্ষা | অনিতা দেৱী | ৫৩ |
| ৩। হৃদয় দাপোণত তোমাৰ ছবি | জোন হাজৰিকা | ৫৯ |
| ৪। সপোন ছাঁয়া | নীলম জ্যোতি বৰদলৈ | ৬৭ |
| ৫। অপ্ৰত্যাশিত বাস্তৱ | মিংকুল মজুমদাৰ | ৬৯ |
| ৬। মাধুৰীৰ জৰ্জৰিত জীৱন | মৃদুস্মীতা গগৈ | ৭২ |


## English Section


| | | |
|---|---|---|
| 1. G-8'S ECONOMIC BLOCKADE AND INDIA'S STAND ON IT | Deep Kalita | ৭৭ |
| 2. MENTAL UNREST AMONG THE YOUTHS OF THE NORTH- EASTERN REGION IN INDIA | Karam Ibunghan Singha | ৮১ |
| 3. COMPUTER AND ITS USE IN MODERN WORLD | Ratul Ch. Nath | ৮৭ |
| 4. RAGGING-THE MENACE IN EDUCATIONAL INSTITUTION | Shahjahan Ahmed | ৯৭ |
| সাধাৰণ সম্পাদকৰ প্ৰতিবেদন - ১৯৯৭-৯৮ | | ১০০ |
| সাধাৰণ সম্পাদকৰ প্ৰতিৱেদন - ১৯৯৮-৯৯ | | ১০৩ |


প্রবন্ধ

প্ৰবন্ধ

# পৰিৱেশ সংৰক্ষণৰ প্ৰাসঙ্গিকতা

প্ৰবক্তা ঃ শ্ৰীৰিজু লস্কৰ
ভূগোল বিভাগ

পৰিৱেশৰ ধাৰণা কম বেছি পৰিমানে সকলোৰে আছে। আমাৰ চাৰিওফালে থকা ভূ-ভাগ, জলভাগ, বায়ু আৰু জীৱৰ সমষ্টিয়েই আমাৰ পৰিৱেশ। এটা অঞ্চলৰ ভৌগোলিক অৱস্থান, মাটি, নদ-নদী, জলবায়ু, উদ্ভিদ, প্ৰাণী, প্ৰাকৃতিক সম্পদ আদি উপকৰণ সমূহেই একত্ৰিত ভাৱে প্ৰাকৃতিক পৰিৱেশ। আনহাতে জনসংখ্যা, জাতি, ধৰ্ম, চৰকাৰ আৰু মানুহৰ শাৰিৰীক মানসিক বৈশিষ্ট আদি মানৱ পৰিৱেশৰ উপকৰণ। প্ৰাকৃতিক পৰিৱেশৰ উপকৰণ সমূহৰ এটাৰ অভাৱ বা কোনো ব্যতিক্ৰম হলেই সমগ্ৰ প্ৰকৃতিৰ ওপৰত কু-প্ৰভাৱ পৰি প্ৰকৃতিৰ ভাৰসাম্যতা নষ্ট হয়। ফলত পৰোক্ষভাৱে মানুহৰ জীৱন যাপনত নানা ধৰণৰ আহুকালৰ সৃষ্টি হয় আৰু মানৱ পৰিৱেশ বিঘ্নিত হয়।

জীৱৰ উন্মেষ বা অংকুৰণৰ প্ৰথম চৰ্তই হৈছে অনুকূল পৰিৱেশ। সুস্থ জীৱন ধাৰণৰ বাবে সুস্থ পৰিৱেশৰ বিকল্প নাই। সুস্থ পৰিৱেশৰ বাবে প্ৰাকৃতিক ভাৰসাম্যতা অটুট ৰখাৰ বাবে লোৱা ব্যৱস্থাকে পৰিৱেশ সংৰক্ষণ ব্যৱস্থা বুলি কোৱা হয়। পৰিৱেশ সংৰক্ষণৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ আগতে পৰিৱেশ বিনষ্ট হোৱাৰ কাৰণ সমূহ বিশ্লেষণ কৰাটো প্ৰয়োজনীয়।

একোটা অঞ্চলৰ পাৰিপাৰ্শ্বিকতা বৰ্তাই ৰাখিবলৈ হ'লে অঞ্চলটোৰ প্ৰাকৃতিক পৰিৱেশ আৰু মানৱ পৰিৱেশৰ সমন্বয় সুৰক্ষিত কৰিব লাগে। পৰিৱেশ সংৰক্ষণৰ মূল উৎস হ'ল উদ্ভিদজগত। প্ৰধানকৈ উদ্ভিদ জগতেই পৰিৱেশ নিয়ন্ত্ৰণ কৰে। উদ্ভিদজগত অবিহনে জীৱ জন্তু বা মানুহ জীয়াই থকাটো অসম্ভৱ। বিপদজনক কথাটো হৈছে মানুহেই উদ্ভিদজগতৰ এই গুৰুত্বক উলাই কৰি বিভিন্ন উদেশ্যেৰে উদ্ভিদ সমূহ ধ্বংস কৰি মানুহৰে জীৱন বিপন্ন কৰি তুলিছে। কোৱা বাহুল্য ভূ-পৃষ্ঠত প্ৰতিবছৰে প্ৰায় দুই নিযুত হেক্টৰ মাটি মৰুভূমি বন্ধ্যাভূমিলৈ পৰিণত হৈ আহিছে। ভাৰতবৰ্ষৰ মৰুভূমি ৯.৪ ভাগৰ পৰা ২৬.৩ শতাংশ ভাগলৈ বৃদ্ধি পাইছে। উদ্ভিদ ধ্বংসৰ ফলতেই ভূমিস্খলন আৰু ভূমিস্খলনৰ ফলত নদীৰ তলিৰ উচ্চতা বাঢ়ি বানপানীৰ তাণ্ডৱলীলা বাঢ়িছে। ৰাষ্ট্ৰসংঘৰ পৰিৱেশ সম্পৰ্কীয় কাৰ্য্যসূচী (UNEP) ৰ তথ্য অনুসৰি কৃষিযোগ্য মাটি কমি অহাৰ হাৰ হ'ল এনেধৰণৰ— মৰুভৱনৰ জৰিয়তে ২ নিযুত হেক্টৰ, ভূমিস্খলনৰ জৰিয়তে ৮ নিযত হেক্টৰ আৰু বিভিন্ন কাৰ্য্যৰ দ্বাৰা ৩ নিযুত হেক্টৰ। আৰু অন্যান্য ২ নিযুত হেক্টৰ। সৰ্বমুঠ ১৫ নিযুত হেক্টৰ। ভূমি সম্পদৰ এনে সংকোচন অব্যাহত থাকিলে ভৱিষ্যত প্ৰজন্মই এক ভয়ানক পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব।

বৰ্তমান প্ৰকৃতিৰ ওপৰত মানুহে অযথা হস্তক্ষেপ

কৰাৰ বাবে জলবায়ুৰ যথেষ্ট পৰিবৰ্তন ঘটিছে। পৃথিবীৰ উষ্ণতা ক্ৰমাগতভাবে বৃদ্ধি পাব ধৰিছে। পৃথিবীৰ বৰ্ধিত উষ্ণতাই প্ৰাণীজগতৰ বাবেই এক ভয়ংকৰ ইংগিত বহন কৰিছে। বায়ুমণ্ডলত সেউজ গৃহৰ গেছ সমূহ কাৰ্বন-ডাই-অক্সাইড, মিথেইল, নাইট্ৰাছ অক্সাইড, ক্ল'ৰ'ফ্লু'ৰ কাৰ্বন শ্ৰেণীৰ গেছসমূহে পৃথিবীৰ উষ্ণতা বৃদ্ধিত প্ৰভাৱ পেলাইছে। ইয়াৰ ভিতৰত আটাইতকৈ বৃহৎ পৰিমানে ওলোৱা গ্ৰীন হাউচ গেছ হ'ল কাৰ্বনডাই-অক্সাইড। ১৯৯৮ চনত আটাইতকৈ বেছি গৰম আছিল। ভূপৃষ্ঠৰ বায়ুৰ উষ্ণতা ০.৩ ৰ পৰা ০.৬ ডিগ্ৰী চেন্টিগ্ৰেডলৈ বৃদ্ধি পাইছে। সাগৰ পৃষ্ঠ ১০ ৰ পৰা ২৫ চেন্টিগ্ৰেড পৰ্য্যন্ত ওপৰলৈ উঠিছে। ৩.৬ ছেঃ তাপ বাঢ়িলে দক্ষিন মেৰুৰ বৰফ গলিব আৰু পৃথিবীৰ বহু অঞ্চল পানীত ডুব যাব। অত্যাধুনিক বৈজ্ঞানিক প্ৰযুক্তিৰ দ্বাৰা কল-কাৰখানাত নিৰ্গত গেছবোৰৰ পৰিশোধন, কল-কাৰখানাত আৰু যান-বাহনত বিকল্প ইন্ধন যেনে— সৌৰশক্তি, বিজুলী শক্তিৰ আদিৰ ব্যৱহাৰ, বিস্তৃত বনানিকৰণ আদিৰ দ্বাৰা ক্ৰমবৰ্দ্ধমান বায়ু মণ্ডলৰ উষ্ণতা, কাৰ্বন ডাই-অক্সাইডৰ মাত্ৰা হ্ৰাস কৰিব পৰা যায়।

ইয়াৰোপৰি কল-কাৰখানাবোৰৰ পৰা ওলোৱা আবৰ্জনা বিভিন্ন ঠাইত নদীলৈ বোৱাই দিয়াৰ ফলত নদ-নদী আৰু সাগৰৰ পানী প্ৰদূষিত হৈছে। পৃথিবীৰ নানা ঠাইৰ মানুহে আজি বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হৈছে। পানীৰ প্ৰদূষণ ৰোধ কৰিবৰ বাবে কল-কাৰখানাৰ পৰা নিৰ্গত আবৰ্জনাবোৰ নদীৰ পানীলৈ বোৱাই নিদি ইয়াক বিজুলী শক্তি উৎপাদনত ইন্ধন হিচাপে ব্যৱহাৰ কৰিব পৰা যায়।

বৰ্তমান মানুহে কৃষিকাৰ্য্যত উৎপাদন বৃদ্ধি কৰিবলৈ মাটিত বিভিন্ন ৰাসায়ানিক সাৰ আৰু কীটনাশক দ্ৰব্যৰ ব্যৱহাৰ কৰে। কিন্তু কৃষক সকলৰ অজ্ঞতাৰ কাৰণে সাৰ আৰু কীটনাশক দ্ৰব্যৰ উপযুক্ত মাত্ৰাত উপযুক্ত ক্ষেত্ৰত ব্যৱহাৰ নহয়। অবৈজ্ঞানিক ভাবে প্ৰয়োগ কৰা সাৰ আৰু কীটনাশক দ্ৰব্যই মাটিৰ জৈৱিক গুণাগুণ ধ্বংস কৰাৰ লগতে মানৱ দেহৰো ক্ষতি সাধন কৰে। বিশ্ব স্বাস্থ্য সংস্থাৰ এক সমীক্ষাত কোৱা হৈছে যে প্ৰতিবছৰে লক্ষাধিক মানুহ কীটনাশকৰ দ্বাৰা আক্ৰান্ত হয় আৰু ইয়াৰে দহ শতাংশৰ মৃত্যু হয়। গতিকে বৈজ্ঞানিক পদ্ধতিৰে বিশেষজ্ঞৰ পৰামৰ্শ লৈহে সাৱধানেৰে সাৰ আৰু কীটনাশক দ্ৰব্যৰ কৃষিকাৰ্য্যত ব্যৱহাৰ কৰা উচিত। ইয়াৰ ফলত মাটিৰ প্ৰদূষণ কিছু পৰিমানে ৰোধ কৰিব পৰা যায়।

বৰ্তমান যুগৰ পৰিবেশ বিনষ্টকাৰী এবিধ সামগ্ৰী হ'ল পলিথিন। পলিথিনৰ সামগ্ৰীবোৰে মাটিত, পানীত পেলাই দিয়াৰ বহু বছৰৰ পিছলৈ সেইবোৰ একেধৰণে থাকি মাটি আৰু পানীৰ অনিষ্ট কৰে। দেখা গৈছে বিভিন্ন ঠাইত পলিথিনৰ পৰা হোৱা প্ৰদূষণ প্ৰতিৰোধ কৰিবলৈ ইয়াৰ ব্যৱহাৰ নিষিদ্ধ কৰি দিয়া হৈছে। সেয়ে যিকোনো পলিথিনৰ সামগ্ৰী সততে ব্যৱহাৰ কৰাৰ পৰা আতৰি থকা উচিত। কেতিয়াবা ব্যৱহাৰ কৰিব লগা হ'লেও য'তে ত'তে নেপেলাই একেঠাইতে গোটাই মুখত কাপোৰ বান্ধি জ্বলাই নিঃশেষ কৰি দিব লাগে। অৱশ্যে অলপতে চীনদেশত সোনকালে মাটি পানীত লীন যাব পৰা ধৰণৰ পলিথিনৰ উদ্ভাৱন কৰিছে। ইয়াৰ ফলত পলিথিনৰ পৰা হ'ব পৰা প্ৰদূষণ বহু পৰিমানে কমি যাব বুলি আশা কৰিব পাৰি। ৰিচাইক্লিংৰ মাধ্যমত পৰিত্যক্ত প্লাষ্টিকক নতুন কোনো দ্ৰব্যত পৰিণত কৰিব পাৰিলে এনে সংকটৰ পৰা মুক্তি পোৱা যাব। জাপানত প্লাষ্টিকৰ পৰা ইন্ধন আৰু সাজ-পোছাক আদি তৈয়াৰ কৰা হৈছে আৰু ৰিচাইক্লিং বাধ্যতামূলক কৰা হৈছে।

জনস্বাস্থ্যৰ বাবে ক্ষতিকাৰক আৰু এবিধ প্ৰদূষণে বৰ্তমান ভয়াবহ ৰূপ ধাৰণ কৰিছে; যাক শব্দ প্ৰদূষণ বুলি কোৱা হয়। কল-কাৰখানা, যান-বাহন, টেপ, ৰেডিঅ', ডেক, লাউড স্পীকাৰ, মানুহৰ উচ্চ স্বৰত কোৱা মাত কথা ইত্যাদি শব্দৰ অস্বাভাৱিক মাত্ৰাই বা ধ্বনি প্ৰদূষণে প্ৰাকৃতিক ভাৰসাম্যতা নষ্ট কৰিছে। শব্দ প্ৰদূষণৰ পৰা নানা জটিল ৰোগ যেনে— উচ্চ ৰক্তচাপ, আলচাৰ, অনবৰতে ভাগৰ লাগি থকা, খিং খিঙীয়া স্বভাৱ, মূৰৰ বিষ আদিয়ে দেখা দিয়ে। ঘৰুৱা পৰিবেশত কথা বতৰা, ৰেডিঅ-ডেক-টিভি আদিৰ শব্দ নিয়ন্ত্ৰণত ৰাখি, নগৰ চহৰ সমূহত যান-বাহন, কল-কাৰখানাৰ শব্দ নিয়ন্ত্ৰণ কৰি শব্দ প্ৰদূষণ কমাব পৰা যায়।

শেহতীয়াকৈ বিজ্ঞানীসকলে বিশ্ববাসীৰ প্ৰতি সাৱধানবানী শুনাইছে যে যদি পৰিবেশ সংৰক্ষনৰ ক্ষেত্ৰত এতিয়াই সাৱধান নহয় অহা শতাব্দীত তাৰ মূল্য মানুহেই

দিব লাগিব। বিভিন্ন ধৰণৰ পৰিবেশ প্ৰদূষণৰ মূলতেই হ'ল মানুহ। ইয়াৰ ভয়াবহ পৰিনামৰ সন্মুখীন হৈছে সমগ্ৰ প্ৰাণীজগত। গতিকে পৰিবেশ প্ৰদূষণৰ ভয়াবহতাৰ পৰা নিজকে ৰক্ষা কৰিবৰ হ'লে জীৱশ্ৰেষ্ঠ মানুহেই প্ৰদূষণ প্ৰতিৰোধ কৰিব লাগিব। বৰ্তমান প্ৰতিবছৰে বিশ্বপৰিবেশ দিৱসৰ দৰে আনুষ্ঠানিক ব্যৱস্থাৰে পৰিবেশ সংৰক্ষণ সচেতনতা আনিবৰ চেষ্টা কৰা হৈছে যদিও বাস্তৱিকতে ই সকলো পৰ্য্যায়তে সফলতা লাভ কৰিব পৰা নাই। এইবোৰ সমস্যা সমাধান কৰিবলৈ অকল চৰকাৰে বা কোনো বিশেষ সংস্থাই আইন কানুন প্ৰচলন কৰিলেই নহয়। ইয়াৰ বাবে লাগে জনসাধাৰণৰ আন্তৰিক আৰু নিঃস্বাৰ্থ সহযোগ। উদাহৰণ স্বৰূপে ক'ব পাৰি বায়ু প্ৰদূষণ হ্ৰাস কৰিবলৈ বৃক্ষৰোপনৰ দৰে কাৰ্য্যৰ দ্বাৰা পৃথিৱীখন সেউজীয়া কৰি ৰাখিব লাগিব। ১ হেক্টৰ বনভূমিয়ে ১৮ ঘন্টাৰ ভিতৰত ৬০০ ৰ পৰা ৬৫০ কিলো অক্সিজেন এৰি দিয়ে আৰু ৯০০ কিলো কাৰ্বনডাই অক্সাইড গ্ৰহণ কৰে। সাধাৰণ এজোপা গছে বছৰত ১০০০ কিলো অক্সিজেন উৎপন্ন কৰে। ইয়াৰ মূল্য ৫০০০.০০ টকা। এজোপা গছে এইদৰে ১০ বছৰত ৫০,০০০.০০ টকাৰ অক্সিজেন যোগান ধৰে। কল-কাৰখানাত, কয়লা তেল আদি ইন্ধন দহনৰ পৰিবৰ্তে সৌৰশক্তি, বায়ুশক্তি, জলশক্তি, পৰমানু শক্তি আদি উৎসজাত শক্তি ব্যৱহাৰ কৰিব লাগিব। এইক্ষেত্ৰত প্ৰতিজন ব্যক্তিয়ে সহযোগ আগবঢ়ালেহে এই ব্যৱস্থাসমূহ সম্পূৰ্ণৰূপে সফল হ'ব।

দেখা যায়, পৰিবেশ সংৰক্ষণৰ গুৰুত্বই জনসাধাৰণৰ মনত স্থায়ী সাঁচ বহুৱাব পৰাকৈ প্ৰচাৰ লাভ কৰা নাই। অসমৰ দৰে পিচপৰা অঞ্চলত নিৰক্ষৰতা, দৰিদ্ৰতা, নানান সমস্যাৰ বিষয়ে অজ্ঞতা, অক্ষমতা শিক্ষিত সকলৰ আত্মকেন্দ্ৰিকতা আদিয়ে পৰিবেশৰ সমস্যা আৰু জটিল কৰি তুলিছে। আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত সজাগতা আহিলেও আমি আমাৰ মাজতে সজাগতা বৃদ্ধি ঘটাব পৰা নাই। প্ৰতিজন ব্যক্তিয়েই যদি এই ভয়াবহ সমস্যাটোৰ বিষয়ে সচেতন আৰু ইয়াক প্ৰতিৰোধ কৰিবলৈ তৎপৰ হওঁ তেন্তে প্ৰাকৃতিক পৰিবেশৰ ভাৰসাম্য ঘূৰাই অনাটো অসম্ভৱ নহ'ব। জলবায়ু, মাটিৰ সংৰক্ষণ, বানপানী প্ৰতিৰোধ, মৰুভূমি বৃদ্ধি ৰোধ আৰু প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰিবলৈ হ'লে সামাজিক বনানিকৰণত প্ৰত্যেকজন ব্যক্তিয়ে সহযোগিতা আগবঢ়োৱাটো একান্ত প্ৰয়োজন। শেহতীয়াকৈ অসমৰ খানাপাবাৰ মৃগাপাম ৰক্ষাৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত যি সচেতনতা দেখা গৈছে সঁচাকৈয়ে অসমৰ কাৰণে ই অতি শুভলক্ষণ।

আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত ৰাষ্ট্ৰসংঘই যিদৰে বিশ্বপৰিবেশ দিৱসৰ যোগেদি পৰিবেশ সংৰক্ষণৰ দৰে মহান কৰ্তব্যৰ প্ৰতি সচেতন হৈছে আৰু পদক্ষেপ লৈছে, থিক সেইদৰে অসমতো অসম বিজ্ঞান সমিতিয়ে এই মহান কৰ্তব্যৰ প্ৰতি সহাৰি জনাই অসমৰ জনসাধাৰণৰ মাজত সচেতনতা বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। অসম বিজ্ঞান সমিতিৰ বিভিন্ন শাখা সমূহে বিশ্বপৰিবেশ দিৱসৰ আয়োজন কৰি বৃক্ষৰোপনৰ লগতে বিভিন্ন আলোচনা চক্ৰ, ছাত্ৰ-ছাত্ৰী তথা জনসাধাৰণৰ মাজত অনুষ্ঠিত কৰি সচেতনতা বৃদ্ধি কৰিবলৈ প্ৰচেষ্টা হাতত লৈছে। অসমত পৰিবেশ সংৰক্ষণৰ উদ্দেশ্য আগত ৰাখি ৰাইজ আৰু বিভিন্ন চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠানৰ সহযোগত বিভিন্ন কাৰ্য্যসূচী পালন কৰিবলৈ লৈছে। অসম বিজ্ঞান সমিতি আৰু অন্যান্য অনুষ্ঠান সমূহৰ পৰিবেশ সংৰক্ষণৰ বাবে কৰা প্ৰচেষ্টাক আমি প্ৰত্যেকজন ব্যক্তিয়ে আন্তৰিক সহযোগ আগবঢ়োৱা উচিত। প্ৰতিগৰাকী শিক্ষিত ব্যক্তি, ছাত্ৰ-ছাত্ৰীয়ে ঘৰখনত বা সমাজখনত সুস্থ পৰিবেশ বৰ্তাই ৰাখিবলৈ পাৰিপাৰ্শ্বিক শিক্ষাৰ প্ৰসাৰতাৰ প্ৰতি মনোযোগ দিব লাগে। বৃক্ষৰোপনৰ উদ্দেশ্য সৰু সৰু ল'ৰা-ছোৱালীৰ মাজত ব্যাখ্যা কৰি ইয়াক অভ্যাসত পৰিণত কৰিব লাগে। তেতিয়াহে গাঁওখন, চহৰখন সেউজ হৈ থাকিব আৰু আমাৰ পৰিবেশৰ ভাৰসাম্যতা অক্ষুন্ন হৈ থাকিব। ইয়াৰোপৰি অন্যান্য পৰিবেশ বিনষ্টকাৰী কাৰণ সমূহো দূৰ কৰিবৰ কাৰণে সচেতন হ'ব লাগে আৰু আনকো সচেতন কৰিব লাগে। আহক আমি সকলোৱে পৰিবেশ সংৰক্ষণৰ এই মহান দায়িত্বৰ অংশীদাৰ হওঁ।

প্ৰবন্ধ

# সাম্প্ৰতিক কালত অঙ্কীয়া নাটৰ প্ৰাসঙ্গিকতা

শ্ৰীবৰ্ণালী মজুমদাৰ
স্নাতক দ্বিতীয় বাৰ্ষিক

অসমীয়া নাট্য সাহিত্যৰ জনক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে পোন প্ৰথমেই ভাৰতীয় প্ৰান্তীয় ভাষাত নাট ৰচনা কৰে। চৰিত পুথি মতে শঙ্কৰদেৱে ছয়খন অঙ্কীয়া নাট ৰচনা কৰাৰ পূৰ্বে 'চিহ্নযাত্ৰা' নামৰ নাটখনি ৰচনা কৰিছিল। ছয়খন নাটৰ ভিতৰত সম্ভৱত ঃ 'পত্নী প্ৰসাদ' নাটখনেই প্ৰথম ৰচনা। ভাৰতবৰ্ষত পোনতে ভৰত মুনিয়ে সংস্কৃত ভাষাত নাটক ৰচনা কৰাৰ সম্ভেদ পোৱা যায়। শঙ্কৰদেৱে সংস্কৃত নাটৰ আৰ্হিতেই নাট ৰচনা কৰিছিল যদিও সেইবোৰত স্থানীয় উপাদান যেনে— ওজাপালি, পুতলা নাচ, ঢুলীয়া ভাওনা, পচতি উৎসৱ আৰু আন আন বহুতো উৎসৱ সমল বিদ্যমান। তেৰাৰ নাটকৰ উপস্থাপন পদ্ধতি আৰু প্ৰয়োগৰীতি সুকীয়া। সেইবোৰত এটি মাত্ৰ অংক থকা বাবে অঙ্কীয়া নাট বোলা হয়। সংস্কৃত নাটকৰ মূল বৈশিষ্ট হ'ল অৱসৰ বিনোদন, কাব্যোপলব্ধি আৰু ৰসাস্বাদন— উদ্দেশ্য কেৱল আনন্দ দান। আনহাতে শঙ্কৰদেৱৰ অঙ্কীয়া নাটত এইবোৰৰ উপৰি শিক্ষাদান দিয়াটো অন্যতম বৈশিষ্ট্য। অঙ্কীয়া নাটসমূহ শ্লোক, গীত, কথা-সূত্ৰ আৰু চৰিত্ৰৰ সংলাপ এই কেইটা উপাদানৰ সমষ্টি। নাট সমূহত কথিত ভাষা প্ৰয়োগ নকৰি ব্ৰজাৱলী ভাষা প্ৰয়োগ কৰাৰ উদ্দেশ্য হ'ল নাটৰ গাম্ভীৰ্য্য বঢ়োৱা আৰু সমাজখনক আকৰ্ষন কৰা।

শঙ্কৰদেৱৰ ধৰ্ম প্ৰচাৰৰ সময়ত তেওঁৰ ৰচনাৱলী আৰু তেওঁৰ অনুৰক্ত মাধৱদেৱ, অনন্ত কন্দলি, ৰাম সৰস্বতী আদিৰ পদপুথি আৰু নাট গীতে সেই সময়ৰ অনাক্ষৰী সমাজখনত এক প্ৰধান মাধ্যমৰূপে কাম কৰিছিল। অনেক লোককে গীত পদৰ মাধুৰ্য্য আৰু নাট অভিনয়ৰ উল্লাসপূৰ্ণ সৌন্দৰ্য্যই আকৰ্ষণ কৰি ভক্তি ধৰ্ম্মৰ সোঁতত উজান দিছিল। মহাপুৰুষ শঙ্কৰদেৱে খোল তাল বজাই, নাচি ৰং বিৰঙৰ পট আঁকি নানান সূক্ষ্ম কলা চৰ্চি সচ্ছিদানন্দ ৰূপ দেখুৱাই অনেক লীলা কৰি সত্যম্ শিৱম্ সুন্দৰমৰ সন্ধান দিলে। ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ ভাষাত— "মহাপুৰুষ শঙ্কৰদেৱে নাচ, ওজাপালি, চিহ্নযাত্ৰা, অভিনয় এই সকলো অঙ্গকে সামৰি সম্পূৰ্ণ অন্বয়ৰ নাট আৰু ভাওনাৰ সৃষ্টি কৰিলে। শঙ্কৰদেৱৰ অঙ্গীয়া নাটসমূহ ভাৰতীয় সাহিত্যিতে অনিৰ্বচনীয় দান।" ড° সত্যেন্দ্ৰনাথ শৰ্ম্মাৰ মতে, "ঈশ্বৰ তত্ত্ব ব্যাখ্যাত যুগাৱতাৰ, সাহিত্যৰ ওজা, কাব্যত কবিৰাজ, নাটত অভিনেতা— নৃত্য-গীত-মাত বাদ্যত আধুনিক মঞ্চৰ অগ্ৰগণী সূচনাকাৰী শ্ৰীমন্ত শঙ্কৰদেৱ আছিল অপ্ৰতিদ্ব নব্য অসম স্ৰষ্ঠা দ্ৰষ্টা।" এই নাট্যানুস্থান সমূহ বিশেষতঃ ভক্তিধৰ্মৰ সোঁত প্ৰৱাহিত কৰাত ধৰ্ম্মপ্ৰচাৰৰ বাহক হয়। মহাপুৰুষ শঙ্কৰদেৱৰ এই নাটসমূহে অসমীয়া সাহিত্য-সংস্কৃতিৰ ভঁৰালো টনকিয়াল কৰি থৈ গৈছে। স্বৰ্গীয় পৰাগধৰ চলিহাৰ ভাষাত, "শ্ৰীমন্ত শঙ্কৰদেৱে বান্ধি দিয়া অসমৰ সংস্কৃতিৰ মেটমৰা ভঁৰালৰ চৌহদত সোমালেই অনেক সম্বলৰ সম্ভেদ পাওঁ। তেৰাই অঙ্কীয়া ভাওনাৰে অসমীয়া জাতিটোৰ প্ৰতিজনকে স্বৰূপতে গায়ক, ভাৱৰীয়া, নাট-নটুৱা কৰি থৈ গ'ল।" ভাওনাৰ সৰ্ব্বপ্ৰথম অঙ্গ হ'ল গায়ন বায়ন। গায়ন বায়নে 'বচোৱাল' নামৰ এবিধ সাজপাৰ পৰিধান কৰে, বগা পাগুৰি মাৰে। গায়ন-বায়নে চাহেনী, নাট-ধেমালি, ৰাগ-ধেমালি, বৰ-ধেমালি, সৰু-ধেমালি, দেৱ-ধেমালি, ৰাগ, ছোঁ-ধেমালি আদিৰে পূৰ্ব্বৰঙ্গৰ

কাম সমাধা কৰে। সেইদৰে সূত্ৰধাৰে বগা হাত দীঘল চোলা, পাগুৰি, ঘুৰঘুৰি পিন্ধাৰ নিয়ম। হাতত গামখাৰু, ভৰিত জুনুকা, মণিমুকুতা আৰু কঁকালত টঙালি বান্ধিব লাগে। সূত্ৰধাৰৰ পোচাক জোৰাই প্ৰকৃতি পুৰুষকে বুজায় জড় চৈতন্যৰ সমাহাৰ। মহাপুৰুষৰ সূত্ৰধাৰে নাটখনিৰ আঁত ধৰি চলাই নি থাকে। প্ৰতিটো দৃশ্যৰ আগে আগে সূত্ৰধাৰে দৃশ্যটিত কি দেখুওৱা হ'ব তাৰ সমস্ত বিৱৰণ 'সূত্ৰ'ৰ সহায়ত দাঙি ধৰে। ড° বাণীকান্ত কাকতিৰ মতে,— "এই সূত্ৰধাৰজন নাটকৰ প্ৰতিপাদ্য বিষয় আৰু দৰ্শক মণ্ডলীৰ ভিতৰত মধ্যৱৰ্ত্তী লোক। নাটৰ ঘটনাৱলীৰ সকলো অৰ্থ উদ্ধাৰ কৰি সূত্ৰধাৰে 'আহে সামাজিক লোক' বুলি দৰ্শকক বুজাই দিয়ে। গোটেই ভাওনাখন যেনিবা বেৰত আঁৰি থোৱা ছবিৰ মানচিত্ৰ।"

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে আধ্যাত্মিক ভাৱধাৰাক কৃষ্ণ ভক্তিৰূপত প্ৰকাশ কৰি জন সাধাৰণৰ মাজত প্ৰচাৰৰ অৰ্থে গীত-মাতৰ উপৰিও গ্ৰহণ কৰিলে নৃত্য আৰু অভিনয়ৰ মাধ্যম। মানুহৰ মন সহজে আৰু সোনকালে আকৰ্ষণ কৰিব পাৰে গীত, নৃত্য আৰু অভিনয়ে। এই তিনিওটাৰে সমন্বয় ঘটাই মহাপুৰুষজনাই বিশ্বৰ ভিতৰতে এক অনবদ্য, অভিনৱ কৌশলেৰে সৃষ্টি কৰিলে অঙ্কীয়া ভাওনা। যাক অসমীয়া ভাওনাও বোলা হয়। যি সময়ত আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উমঘামেই নাছিল সেই পঞ্চদশ শতিকাতে শ্ৰীমন্ত শঙ্কৰদেৱে অভিনৱ কৌশলেৰে 'চিহ্নযাত্ৰা' ভাওনা প্ৰদৰ্শন কৰি দৰ্শকক মন্ত্ৰমুগ্ধ কৰি ৰাখিছিল দিনে ৰাতিয়ে।

"নাজানিলে সভাসদে কিবা ৰাত্ৰি দিন।
দেখি বৈকুণ্ঠক হেন পাপ ভৈল ক্ষীন।।"

ড° পূৰ্ণানন্দ শইকীয়াৰ ভাষাত— "যেতিয়া ধৰ্মৰ নামত অধৰ্মৰ, সংস্কৃতিৰ নামত দুষ্কৃতিৰ, সেৱাৰ নামত ঘৃণাৰ, পূজাৰ নামত বলি বিধানৰ, মানৱৰ মৰ্য্যদাৰ ঠাইত দাসত্বৰ প্ৰভূত্বই গা কৰি উঠি সমাজত খিলিঙ্কাৰৰ সৃষ্টি কৰিলে, তেতিয়া মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে মানৱ মুক্তি, মানৱ সেৱা আৰু মানৱৰ সমাজত মানৱীয় মৰ্য্যদাৰে মানৱৰ কল্যাণ সাধনৰ অৰ্থে গীতা ভাগৱতৰ শ্বাশ্বত পৰম সত্যাশ্ৰয়ী ধৰ্ম আৰু দৰ্শন উদ্ধাৰ কৰি গাই-বাই নাচি-মেলি কীৰ্ত্তন কৰি, নাট খেলি, ভাওনা কৰি সমাজ পৰিশোধনৰ শিক্ষা দিবৰ কাৰণে অহোপুৰুষাৰ্থ কৰিলে।" কোনো মঞ্চসজ্জা নোহোৱাকৈয়ে দৰ্শকৰ মাজৰ খালী ঠাই এডোখৰতে নৃত্য গীত প্ৰধান সুমধুৰ ব্ৰজাৱলী ভাষাত ৰচিত 'পত্নীপ্ৰসাদ', 'ৰুক্মিনী হৰণ', 'কালিয় দমন', 'পাৰিজাত হৰণ', 'কেলি গোপাল' আৰু 'ৰাম বিজয়' অংকীয়া নাটৰ ভাওনা কৰি মহাপুৰুষজনাই দেখুৱাই থৈ গ'ল মহান ভাৰতীয় সংস্কৃতিৰ সৈতে থকা অসমীয়া সংস্কৃতিৰ যোগসূত্ৰ। দুৰ্ভাগ্যৰ কথা যে এই মহান নাট্য পৰম্পৰা আজি অৱহেলিত। অসমীয়া ভাওনা সংস্কৃতিৰ পয়ালগা ৰূপ এটাহে বৰ্তমান গাঁৱলীয়া সমাজত কোনোমতে জীয়াই আছে আৰু সীমাবদ্ধ ৰূপত প্ৰবৰ্তিত হৈ আছে সত্ৰ সমূহত।

ড° পূৰ্ণানন্দ শইকীয়াৰ ভাষাত,— "বৰ্তমান জগতত যি অধৰ্ম, অমানৱীয়, নাৰকীয় বিভৎস কাণ্ড চলিব ধৰিছে আৰু মানৱ সমাজ যি দ্ৰুতগতিত ধ্বংসৰ মুখলৈ অগ্ৰসৰ হৈছে তাৰ পৰিপ্ৰেক্ষিতত শ্ৰীমন্ত শঙ্কৰদেৱৰ ভক্তি ধৰ্ম দৰ্শন, আদৰ্শ, সংস্কৃতি, পৃথিৱীৰ ধনী-দুখীয়া, শিক্ষিত-অশিক্ষিত, পুৰুষ-মহিলা, উচ্চ-নীচ, ব্ৰাহ্মণ-চণ্ডাল, পণ্ডিত-মূৰ্খ, ৰজা-প্ৰজা, বালক-বৃদ্ধ সকলোৰে বাবে অতি প্ৰয়োজনীয় হৈ পৰিছে।"

আজিৰ চলচিত্ৰ, দূৰদৰ্শন, ভি চি আৰ আদিৰ ধামখুমীয়াৰ যুগত প্ৰাচীন কৌশলেৰে অসমীয়া ভাওনা উপস্থাপন কৰিলে মানুহ আকৰ্ষিত নোহোৱাটো স্বাভাৱিক। আধুনিক বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই প্ৰদান কৰা সুবিধাবোৰ প্ৰয়োজন অনুসাৰে গ্ৰহণ কৰি নিজস্ব বৈশিষ্ট্য অক্ষত ৰাখি যুগ সাপেক্ষ ৰূপত অংকীয়া ভাওনাক উপস্থাপন কৰিব পাৰিলে অসমৰ লগতে ভাৰতৰ আন ৰাজ্যৰ লোকেও ইয়াক গ্ৰহণ কৰিব বুলি বিশ্বাস। মহাপুৰুষ শঙ্কৰদেৱে দি থৈ যোৱা গীত-মাত, অংকীয়া নাটৰ বিলাপ, পয়াৰ, লেছাৰী, মধ্যাৱলী, পীতাম্বৰী, ভটিমা আদি শাস্ত্ৰীয় ৰাগ তালৰ দিশটো বৰগীতৰ লগতে অংকীয়া নাটৰ গীতসমূহৰ স্বকীয় বৈশিষ্ট অটুট ৰাখি তাক যুগৰ লগত খাপ খুৱাকৈ খোল তালৰ লগতে প্ৰয়োজন অনুসৰি আধুনিক বাদ্যযন্ত্ৰৰে সংগত কৰি পৰিৱেশন কৰিব পাৰিলে নিশ্চয় আজিৰ মানুহেও সিবোৰক আদৰি ল'ব। তেহে সম্প্ৰীতি সংহতিৰ কাৰক আৰু গুৰুজনাৰ প্ৰধান উদেশ্য ভক্তি তত্ব প্ৰচাৰো সম্ভৱ হ'ব।

প্ৰবন্ধ

# আধুনিক অসমীয়া সংগীতত লোক সংগীত আৰু বৰগীতৰ প্ৰভাৱ

শ্ৰীঅৰবিন্দ দেৱ নাথ
প্ৰবক্তা, বানিজ্য বিভাগ

জ্যোতিপ্ৰসাদ আগৰৱালা দেৱে "শোনিত কুঁৱৰী"ৰ পাতনিত অসমীয়া থলুৱাগীত সম্পৰ্কত এনেদৰে উল্লেখ কৰে ঃ "......... এদিন বান থিয়েটাৰত শোনিত কুঁৱৰী নাটৰ আখৰা কৰি আহি ঘৰ সোমাই শুনিলো পিতৃদেৱে কীৰ্তনৰ "কৃষ্ণৰ বিক্ৰম দেখি ঋক্ষৰাজ পৰম বিস্ময় মনে" এই পদ যতি লগাই অৰ্গেনৰ সৈতে গাই আছে। হঠাৎ মনৰ ভিতৰত এটা বিজুলিৰ সঞ্চাৰ হ'ল। অসমীয়া পদ অৰ্গেনত বজাই গোৱা আগেয়ে শুনা নাছিলো। তাৰ পিছত দেউতাই আকৌ গালে— "তুলসীৰ তলে, মৃগপহু চৰে, তাকে দেখি ৰামচন্দ্ৰ, শৰধনু ধৰে" সেইদিনা ৰাতি আৰু ভালকৈ টোপনি নাহিল। ...... পুৱা বেগাবেগিকৈ গলো মঞ্চলৈ। চোঁঘৰত কেইজন মান উৎসাহী ডেকাই অভিনয় আখৰা কৰিছেহি পুৱা বেলাতেই। মই এচুকত হাৰমনিয়ামটো লৈ বহিলো "গছে গছে পাতি দিলে ফুলৰে শৰাই" গীতটিত অসমীয়া নামৰ সুৰ দিবলৈ। সুৰ লগাই গালো নামৰ সুৰতেই। গীতটোৰ অন্তৰাটো ৰচনা কৰি গাই চালো। অভিনৱ এটি উত্তেজনা প্ৰাণটোৱে ইচাটি বিচাটি কৰিবলৈ ধৰিলে।"

অসমীয়া থলুৱা সুৰৰ আধাৰত আধুনিক গীত ৰচনা কৰাৰ সুত্ৰপাত হয় এইদৰেই। অৱশ্যে ইয়াৰ পূৰ্বে থলুৱা গীতৰ ব্যৱহাৰ নুই কৰিব নোৱাৰি। পদ্মধৰ চলিহাৰ "ফুলনি"ৰ গীত অসমীয়া থলুৱা সুৰৰ আধাৰত ৰচিত। লক্ষ্মীনাথ বেজবৰুৱাৰ নাটবোৰৰ গীত হিন্দুস্থানী ৰাগ সংগীতৰ সহায় ললেও "শ্যাম বৰনীয়া কেতেকী ধুনীয়া" আৰ্হি কেইটামান গীতত অসমীয়া নামৰ সুৰৰ ছাপ দেখিবলৈ পোৱা যায়। কীৰ্ত্তিনাথ বৰদলৈ দেৱে দুৰ্গাবৰী, টোকাৰি, দেহবিচাৰৰ, বিয়ানাম আদি থলুৱা সুৰৰ উপৰিও বড়ো, ৰাভা আদি জনজাতিয় ৰাইজৰ মাজত

প্ৰচলিত সুৰৰ বহুমুখী প্ৰভাব প্ৰয়োগ কৰিছিল। জ্যোতি প্ৰসাদৰ "গছে গছে পাতি দিলে" গীতটি বিয়ানামৰ সুৰৰ ভেটিত ৰচনা কৰা। সেইদৰে "লুইতৰে পানী যাবি অ' বৈ" গীতটি নিচুকনি গীত আৰু বিয়ানামৰ সুন্দৰ সংযোগ। "লুইতৰ পাৰৰে আমি ডেকা ল'ৰা" দেশপ্ৰেমমুলক গীতটি শংকৰদেৱৰ শুণ শুণ ৰে বৈৰী প্ৰমানা" বৰগীতৰ সুৰৰ আভাস পোৱা যায়। ইয়াৰ উপৰিও ১৯৩৩ চনতে বৰদোৱা, নিকামুল, দক্ষিণপাট আদি সত্ৰত প্ৰচলিত বৰযতি, সৰুযতি, মানযতি, ধৰম যতি, দহবাৰী, বৰবিষম, সৰুবিষম, বৰ আটালি, মগনি আদি ভালেমান তাল শিল্পী গৰাকীয়ে সংগ্ৰহ কৰে।

লক্ষ্মীনাথ বেজবৰুৱাই "টকা পেঁপা ঢোল" গীতটি হুঁচৰি ঠাচঁত ৰচনা কৰিছিল। অসমীয়া অতি পুৰণি কাহিনীগীতৰ প্ৰভাব "ধনবৰ আৰু ৰতনী"ৰ ৰচনাত প্ৰকাশ পাইছে। চক্ৰধ্বজ সিংহ নাটকত এটি দৃশ্যত নটীয়ে ৰচিদ খাঁৰ আগত গোৱা গীত "সোন বৰণীয়া কেতেকী ধুনীয়া, গোন্ধতে আমোল মোল"ত থলুৱা সুৰ সংযোজন কৰে। থোৰতে জয়মতী কুঁৱৰী নাটকৰ নগা গাভৰু ডালিমীৰ মুখৰ সহজ সৰল কথা-বতৰা আৰু থলুৱা সুৰৰ গীতে বেজবৰুৱাৰ থলুৱা গীত-মাতৰ প্ৰতি থকা প্ৰানটোৰ কথাকে সূচায়।

নিমাতি কইনা ৰূপে অভিহিত কৰা জ্যোতি প্ৰসাদৰ সেই নিমাতি সদৃশ নিৰক্ষৰ জনগণৰ মৃটি লোক-সংগীতৰ হেমাংগ বিশ্বাস এজন আগশাৰীৰ গৱেষক। তেখেতৰ লোক-সংগীত বিষয়ক গৱেষণা গ্ৰন্থ "লোক-সংগীত সমীক্ষা ঃ বাংলাত আসাম" ইয়াৰ স্বাক্ষৰ। অসম বা বাংলাতেই নহয় সমগ্ৰ ভাৰতৰ ভিতৰতেই এখন বিজ্ঞান সন্মত লোক-সংগীতৰ গৱেষণা গ্ৰন্থ।

১৯৪৮ চনত গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত শাস্ত্ৰীয় সংগীতজ্ঞ স্বৰ্গীয় বীৰেন্দ্ৰ কুমাৰ ফুকনৰ সৈতে পুৰুষোত্তম দাসৰ মিলনক এক প্ৰকাৰে "মনি কাঞ্চন" সংযোগ বুলিব পাৰি। পুৰুষোত্তম দাসে বীৰেন্দ্ৰ কুমাৰ ফুকন আৰু দিলীপ শৰ্মাৰ সহযোগত ৰচনা কৰা "ত্ৰিবেনী' (১৯৫০) এখন বৈশিষ্ট্য পূৰ্ণ গীতৰ পুথি। পুথিখনত ধ্ৰুপদ, খেয়াল, ঠুংৰী, ৰাগ প্ৰধান গীতৰ লগতে আধুনিক আৰু লোকগীত সুৰীয়া গীতো সন্নিবিষ্ট কৰা হৈছে। পুৰুষোত্তম দাসৰ আকাশবানীত থকা কালৰ দুটা গুৰুত্বপূৰ্ণ কামৰ প্ৰথমটো হ'ল— লাহে লাহে লোপ পাবলৈ ধৰা বৰগীতৰ পুনৰ উদ্ধাৰ আৰু জনপ্ৰিয় কৰণৰ প্ৰচেষ্টা। বীৰেন্দ্ৰ কুমাৰ ফুকনৰ সহযোগত প্ৰথমে অসমৰ বৈষ্ণৱ সত্ৰ সমূহত প্ৰচলিত বৰগীতৰ বিভিন্ন ধাৰাৰ ওজা গুৰু সকলৰ মুখৰ পৰা বৰগীত বাণীবদ্ধ কৰিছিল আৰু আকাশবানীৰ যোগে প্ৰচাৰ কৰিছিল। সমান্তৰাল গতিত গুৰুসকলৰ জৰিয়তে কিছুসংখ্যক উদীয়মান সুকণ্ঠ শিল্পীক বৰগীতৰ প্ৰশিক্ষন দিয়াইছিল। দুয়োজনে অসম সংগীত নাটক একাডেমিৰ পৃষ্ঠপোষকতাত বৈজ্ঞানিক ভিত্তিত প্ৰনালীবদ্ধ ভাৱে গবেষনাৰ কামো আৰম্ভ কৰিছিল। ড° মহেশ্বৰ নেওগৰ দ্বাৰা সম্পাদিত "স্বৰৰেখাত বৰগীত (১৯৫৮) নামৰ গ্ৰন্থ তাৰ এক সুন্দৰ নিদৰ্শন। পুৰুষোত্তম দাসৰ দ্বিতীয়টো কাম হ'ল সাংগীতিক দৃষ্টি ভংগীৰে অসমীয়া লোকগীতৰ প্ৰাথমিক বৰ্গীকৰণ আৰু শিক্ষিত সমাজত সেই সমূহ গীতক মৰ্যদাৰ আসন প্ৰদান। তেখেতৰ প্ৰচেষ্টাতে কামৰূপী লোকগীত আৰু গোৱালপৰীয়া লোকগীতে অসমীয়া লোকগীতৰ দুটা সুকীয়া মূল হিচাপে প্ৰতিষ্ঠা লাভ কৰিলে। তদুপৰি অসমীয়া জিকিৰ জাৰি, চিয়াগীত, মালচীগীত ইত্যাদি আৰু তুলনামূলক ভাৱে কম জনাজাত বহুতো জনজাতীয় গীত মাতো অসমীয়া সমাজত সমাদৰ লাভ কৰিলে পুৰুষোত্তম দাসৰ অশেষ প্ৰচেষ্টাৰ ফলতেই। বীৰেন্দ্ৰ কুমাৰ ফুকন এগৰাকী প্ৰখ্যাত শাস্ত্ৰীয় সঙ্গীতজ্ঞ। আধুনিক গীততো তেখেতে সুৰ সংযোজন কৰিছিল। ষাঠীৰ দশকতে এটা মিজো সুৰৰ আধাৰত সুৰ কৰা তেখেতৰ "কিনো নাচোন নাচে" গীতটোৱে ড° বীৰেন্দ্ৰ নাথ দত্তৰ কণ্ঠত প্ৰচুৰ সমাদৰ লাভ কৰিছিল। ড° বীৰেন্দ্ৰ নাথ দত্তই যদিও বীৰেন্দ্ৰ কুমাৰ ফুকনৰ ওচৰত শাস্ত্ৰীয় সংগীতৰ প্ৰশিক্ষণ লৈছিল তথাপি তেখেতৰ গীতত তাৰ প্ৰভাৱ অতি সামান্য। পৰম্পৰা বা ঐতিহ্যৰ অনুৰাগী ড° দত্তই বৰগীতৰ গুৰু দয়াল চন্দ্ৰ সূত্ৰধাৰ, গন্ধোৰাম বায়ন আৰু গিৰিকান্ত মহন্তৰ পৰা শ্ৰদ্ধাৰে বৰগীত শিকিছিল।। লোক সংস্কৃতিৰ গৱেষক আৰু অধ্যাপক ড°

দত্তৰ সুৰৰ মাজত লোকগীতৰ ধ্বনি প্ৰতিধ্বনিত শুনিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে ড° দত্ত আৰু নৱকান্ত বৰুৱাৰ যুটিয়া প্ৰচেষ্টাত "সৌ পথাৰৰ কহুৱা বন", "আহিনক কোনে আনে", "ধুন ধুন ধুনীয়া মোৰ ভন্টিজনী", "বগলী ঐ বগা ফোঁট দি যা", আদি গীতৰ কথা উল্লেখ কৰিব পাৰি। ঐতিহ্যৰ অনুৰাগী ড° দত্তই আমাৰ পুৰণি সংগীতকাৰ অম্বিকাগিৰী ৰায়চৌধুৰী, উমেশ চন্দ্ৰ চৌধাৰী, কীৰ্তিনাথ শৰ্মা বৰদলৈ আদিৰ ৰচনা সমূহলৈ শ্ৰদ্ধাৰে উভতি চাইছে আৰু বৰ্ত্তমান কালৰ সংগীতকলৈ প্ৰচেষ্টা চলাইছে। ইতিমধ্যে গুৱাহাটীৰ বিশিষ্ট সাংস্কৃতিক অনুষ্ঠান "সুৰ তীৰ্থৰ উদ্যোগত আৰু ড° দত্তৰ পৰিচালিত অম্বিকাগিৰী ৰায়চৌধুৰী আৰু উমেশ চন্দ্ৰ চৌধাৰীৰ কিছু সংখ্যক গীত বাণীবদ্ধ কৰি গ্ৰামোফোন ৰেকৰ্ড আৰু কেমেৰাৰ ৰূপত উলিওৱা হৈছে। ড° দত্তই "অসমীয়া সংগীতৰ ঐতিহ্য" নামেৰে এখন পুথিও ৰচনা কৰিছে।

শিৱ সাগৰৰ পৰাগধৰ চলিহাই" পঞ্চাছ দশকতে উজনি অসমৰ থলুৱা সুৰৰ আধাৰত কিছুমান সুন্দৰ সুৰৰ গীত ৰচনা কৰিছিল। বাউলীৰ গীতিকাৰ নগাওঁৰ কমলানন্দ ভট্টাচাৰ্য্যয়ো থলুৱা সুৰৰ আধাৰত কেইটামান ভাল সুৰ ৰচনা কৰিছিল। তেখেতৰ "বিলত তিৰেবিৰায় পদুমৰ পাহি ঐ" গীতটো তাৰ এক আভাস। ৰমেন বৰুৱাৰ সুৰৰ "মুকুতা" বোলছবিৰ "হে প্ৰান গোপাল" গীতত লোকগীতৰ সুৰ সংযোজনৰ পৰা আৰম্ভ কৰি "যোগ-বিয়োগ" আৰু "তৰামাই"ৰ দৰে কেইবাখনো কথাছবিত বিহুগীতৰ সুৰৰ প্ৰাধান্য দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে "ড° বেজবৰুৱা" কথাছবিত "কি নাম দি মাতিম, মাতিম তোমাক" গীতটি আঙুলিয়াব পাৰি। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত অসমীয়া লোক-সাহিত্য আৰু লোক-সংগীতৰ নিজা সুৰটো সজীৱ হৈ উঠে। যেনে "তেজীমলা"ত হাতো নেমেলিবি। ফুলো নিছিঙিবি। ক'ৰে নাৱৰীয়া তই। মানুহে ফুলৰ কি জানে আদৰ। তেজীমলাহে মই। পাৰতীপ্ৰসাদ বৰুৱাই বৰাগী বা টোকাৰী গীতৰ গঢ়েৰে সফলভাৱে নতুন গীতি কবিতা ৰচনা কৰিছিল। স্বাভাবিকতে কবিতাৰ মুলভাৱ যুক্ত ধ্বনি ব্যৱহাৰ নকৰাকৈ কোমল শব্দৰেই প্ৰকাশ কৰা হৈছিল। কাৰণ তাত অসমীয়া লোকগীতৰ ঠাঁচটোৱে প্ৰাধান্য লাভ কৰিছিল। বিশেষকৈ উজনি অসমৰ লোকগীতৰ সুৰৰ আধাৰত ৰচিত তেখেতৰ সুৰবোৰ বৰ শুৱলা আৰু সহজ সৰল ঘৰুৱা ভাষাত লিখাৰ লগত খাপ খাইছিল। তাৰোপৰি বনগীতৰ সুৰৰ আভাস পোৱা তেখেতৰ "আহিন মহীয়া শেৱালী সৰিলে নিয়ৰত তিতিলে বন" আৰু নাৱৰীয়া গীত আৰু বনগীতৰ উভয়ৰ সুৰৰ সংযোজন কৰা লুইতৰ চাপৰিত কৰে নাৱৰীয়া বালিত ভাতে ৰান্ধি খায়", গৰখীয়া গীতৰ সুৰ থকা "গৰখীয়া হেৰ গৰখীয়া কি সুৰ বজালি" উল্লেখযোগ্য। অসমৰ বৰাক উপত্যকাৰ জিতেন দেৱৰ সুৰত লোক সংগীতৰ প্ৰভাৱ পোৱা যায়। উদাহৰণ স্বৰূপে দীপালী বৰঠাকুৰৰ কণ্ঠত " ডালে ডালে গায় কুলি বুলবুলি," তুলিকা দাসৰ কণ্ঠত " সন্ধিয়াৰ আকাশত বগলী উৰে আৰু চিঠি পালো পঢ়ি চালো" গীত উল্লেখ কৰিব পাৰি। হেমেন হাজৰিকই সুৰ দিয়া দীপালী বৰঠাকুৰ কণ্ঠৰ " কাচোন মতী নদীখন নাচি নাচি যায়," ৰুণুমী ঠাকুৰৰ কণ্ঠত " অ চিকুন বিহুটি, সাজি কাচি আজি নাহিবি," খগেন মহন্তৰ কণ্ঠত " এজাৰ ফুলা দেখি বেজাৰ কিয় কৰে " শান্তা উজীৰৰ কণ্ঠত " আই আছিল নামতী " আদি উল্লেখযোগ্য গীত। বিহুগীত ৰচনাত সুৰৰ প্ৰভাৱ থকা হেমেন হাজৰিকাৰ চহকী ভৰাঁলটোৰ পৰা অলপ সাল সলনি কৰি তেখেতে কিছুমান বৰ জনপ্ৰিয় বিহু গীতো সজাই দিছিল। ড° ভূপেন হাজৰিকাই ক্ৰমে ৰুণুমী ভট্টচাৰ্য্য (ঠাকুৰ) আৰু অনিমা ভট্টচাৰ্য্যৰ সৈতে তেনে কেইটামান গীত গ্ৰামোফোন ৰেকৰ্ডত বাণীবদ্ধ কৰিছিল। মুকুল বৰুৱা সম্পৰ্কত কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ আৰু মহিমাময়ী কবি নলিনীবালা দেৱীৰ নাতিয়েক আছিল। মুকুল বৰুৱাই গীতিকাৰ আৰু সুৰকাৰ নবীন বৰদলৈ আৰু বাংলাগীত, বৰগীত, কীৰ্তন, নামঘোষা গাব পৰা আইতাক নলিনীবালা দেৱীৰ দ্বাৰা এটা সংগীত সুখৰ পৰিবেশ পাইছিল। লোক-সংগীতৰ সুৰৰ প্ৰভাৱ থকা তেখেতৰ " আই তোক কিহেৰে পুজিমে," " ছৈ দিয়া গৰুৰ গাড়ীত কাৰ বিয়া যায়," " ইৰিকটি মিৰিকটি বাহঁৰ

শলা,” “ লুইতৰ বুকুতে লহৰী কঁপিলে” আদি গীত উল্লেখযোগ্য। ড° ভূপেন হাজৰিকাৰ “দোলা হে দোলা” গীতটিত বিহুগীত আৰু বনগীতৰ প্ৰভাব পৰিলক্ষিত হয়। বিশেষকৈ “শুকুলা চোঁৱৰ আগ”, “ওখকৈ পাহাৰৰ.......”, “ৰজা মহাৰজাৰ দোলা” আদি শাৰীবোৰত বনগীতৰ ভংগীৰ ওচৰ চাপা। “নতুন নাগনী তুমি কাল নাগিনী” গীতটিৰ দ্বিতীয় ফাকিটোত কামৰূপী লোকগীতৰ (হে মাই যশোৱা ঐ, মাই হেৰ যশোৱা) দ্বিতীয় ফাকিৰ (কাঠ বাজী বুলি জগতে হাসয়) সুৰ বৰ কৌশলেৰে ব্যৱহাৰ কৰিছে। প্ৰসংগক্ৰমে এই পৰম্পৰা লোক-সংগীত “গীতাৱলী”ত ভূপেন হাজৰিকাই ৰচনা কৰা গীত হিচাপে ঠাই পাইছে। বোধহয় হাজৰিকাদেৱৰ কণ্ঠত বিখ্যাত হোৱা হেতু সংগ্ৰাহকে প্ৰমাদবশতঃ ঠাই দিছে। জালুকবাৰীত গুৱাহাটী বিশ্ববিদ্যালয় উদ্বোধনী গীত হিচাপে ৰচনা কৰা “জিলিকাব লুইতৰে পাৰ” গীতটিৰ প্ৰথম ফাকি নাম প্ৰসংগৰ দ্বিতীয় ফাকি (সাচিপাতে ভাষা দিব, চিফুঙে আশা দিব, ৰংঘৰে মেলিব দুৱাৰ) “দেউতাৰ পদুলিত গোন্ধাইছে মাধুৰীৰ” দৰে বিহু হুচৰিৰ সুৰ, তৃতীয় ফাকিৰ তিনিশাৰীত (অজ্ঞান চাকনৈয়া / এফলীয়া কৰি থৈ / মাৰি যাওঁ জীৱনৰ ডাঁৰ) বৰগীতৰ আভাষ থকা সুৰ নাৰবীয়াৰ গীতৰ ঠাঁচৰ ব্যৱহাৰ পোৱা যায়। সেইদৰে “আন্ধাৰৰ ভেঁটা ভাঙি / প্ৰাগজ্যোতিষত বয় / জেউতি নিজৰাৰে পাৰ” শাৰীত নাম প্ৰসংগৰ শেষত গোৱা “ৰাম ৰাম হৰি ৰাম ৰা... ম ৰাম ৰাম” সুৰৰ প্ৰভাব পৰিছে।

সংগীত ওজা লক্ষ্মীৰাম বৰুৱাই খেদ কৰি কৈছিল “আমাৰ কিছুমান মানুহৰ এটা ভুল ধাৰণা আছে যে অসমীয়া ভাষাৰে গান ৰচনা হ’ব নোৱাৰে। বঙালী লোক সকলে সেইদৰে বঙলা ভাষাৰে গান হ’ব নোৱাৰে বুলি এটা ধাৰনা আছিল আৰু ভাবিছিল যে হিন্দী ভাষা নহলে ভাল গান ৰচনা হ’ব নোৱাৰে।............ কিন্তু কিছুদিন পিচত যেতিয়া ব্ৰাহ্ম সমাজৰ পৰা বঙলা ভাষাৰে সুন্দৰ গান ৰচনা হৈ ওলাল তেতিয়াৰ পৰা বংগদেশত তাৰ আগ্ৰহ বাঢ়িল। ...... আমাৰ তেনেকৈ এইবিলাক কু-সংস্কাৰ এৰিবৰ হৈছে। আমাৰ ভাষাত গান ৰচিবৰ বাবে সুন্দৰ সুন্দৰ শব্দৰ অভাব নাই। মাথো উপযুক্ত মানুহে এলাহ আমনি এৰি লেখনী হাতত ললেই হ’ল।”

ৰুচ বেলে পটিয়সী আনা পাভ্‌লচাৰ নৃত্যত মুগ্ধ হৈ বিষ্ণু ৰাভাই তেখেতৰ পৰা নাচ শিকিবলৈ গৈছিল। আনাই তেওঁক শিকাবলৈ অঙ্গীকাৰ কৰি সোঁৱৰাই দিছিল ভাৰতৰ মন্দিৰৰ মূৰ্তিয়ে মূৰ্তিয়ে ছবিয়ে ছবিয়ে সিঁচৰিত হৈ থকা নৃত্যৰ চহকী ঐতিহ্যৰ কথা। আনাৰ বানীক সৰোগত কৰিয়েই তাণ্ডৱ নচাৰ উপৰিও ওজাপালিৰ দৰে অসমীয়া লোক নৃত্যৰ ঐতিহ্যক পোহৰলৈ আনিছিল। (প্ৰসংগ ক্ৰমে উল্লেখযোগ্য যে সংগীত শব্দই গীত, বাদ্য আৰু নৃত্য তিনিওটাকে সামৰি লয়)। নৃত্যৰ ওপৰি ৰাভাৰ “গুৰু মোৰ শংকৰ তৰিবৰে কিনো উপায়” গীতত ভাটিয়ালি, বিলতে হালিছে ধুনীয়া পদুমি, ফুলনিত ফুলিছে ফুল গীতত বনগীত, “অ’ অ’ পূজাৰী আদৰি / দিলো এই বৰন শৰাই” গীতৰ মাজৰ কলি “হৰি নাম ভকতি / হৰি নাম ৰকতি / হৰি নাম মুকুতি পায়”ত বৰগীতৰ আভাস পোৱা যায়। ভূপেন হাজৰিকাৰ ভাষাত “বৰগীতৰ বিষয়ে ডক্তৰেট কৰিলে বৰগীতৰ জ্ঞানটোহে থাকিব, বৰগীত কিন্তু মৰি যাব।” অৰ্থাৎ বৰগীতক নিজৰ কণ্ঠৰে জন সাধাৰণৰ মাজত প্ৰচাৰ আৰু মঞ্চস্থ, গৱেষনাৰ সৈতে সমান্তৰাল ভাবে কৰিব পাৰিলে, জীয়াই ৰাখিব পাৰি।

## সহায় লোৱা প্ৰবন্ধ ও গ্ৰন্থ সমূহ ঃ

১। জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৱলী।
২। সাংগীতিকী ঃ স্বৰ্গীয় বীৰেন্দ্ৰ কুমাৰ ফুকন।
৩। গন সংগীতৰ জীৱন্ত কিম্বদন্তী পিট চাগাৰ ঃ দেৱব্ৰত শৰ্মা।
৪। পুৰুষদাৰ কথা ঃ তফজ্জুল আলি।
৫। হেমাংগ বিশ্বাস আৰু অসম ঃ শশী শৰ্মা।
৬। আধুনিক অসমীয়া সংগীত ঃ তফজ্জুল আলি।
৭। অসমীয়া গীতি কবিতা আৰু পাৰ্বতী প্ৰসাদ বৰুৱা ঃ ললিত কুমাৰ বৰুৱা।
৮। কামৰূপীয়া লোকগীত সম্পৰ্কে আষাৰ চেৰেক ঃ জয়কান্ত গন্ধীয়া।
৯। কৃষ্টিৰ পথাৰে পথাৰে ঃ ড° ভূপেন হাজৰিকা।

প্ৰবন্ধ

# ড° ভবেন্দ্ৰ নাথ শইকীয়া জীৱন আৰু অন্যান্য

শ্ৰীঅৰ্পনা বৰা
স্নাতক তৃতীয় বৰ্ষ

*"বৃত্ত এটা আঁকিলে যেতিয়া বৃত্তটো সম্পূৰ্ণ হ'বৰ হয়, তেতিয়া ৰেখা ডালৰ ভ্ৰমন কৰি থকা মূৰটো এৰি থৈ অহা মূৰটোৰ ওচৰ চাপি আহে। এনেকুৱা লাগে যেন ভ্ৰমন শেষ হৈ অহাৰ লগে লগে ৰেখাডালৰ শেষ মূৰটোৱে প্ৰথম মূৰটো দেখিবলৈ আৰম্ভ কৰিছে।"*

*"জীৱনটোৰ নক্সাটোক বৃত্তৰ লগত তুলনা কৰিলে এটা বয়সত নিজৰ কথা ভাবিবলৈ ললেই প্ৰথমে শৈশৱৰ কথাই মনলৈ আহে। যেন এডাল ৰেখাৰ শেষ মূৰটোৰ, সেই তাহানিয়েই এৰি থৈ অহা প্ৰথম মূৰটোৰ ওচৰ চাপি যোৱাৰ বাহিৰে গত্যন্তৰ নাই।" (প্ৰান্তিক)*

প্ৰান্তিকৰ পাতত নিয়মিত ভাবে "শেষপৃষ্ঠা" লিখি অহা সূক্ষ্মদৃষ্টিৰ অসাধাৰণ মানুহজনে নিজৰ "জীৱনবৃত্ত" লিখিবলৈ আৰম্ভ কৰিছে। য'ত বৰ্ণিত হৈছে শৈশৱৰ কিছুমান বিশেষ মূহুৰ্ত; সেই তাহানিৰ কিছুমান সৰু সৰু, নগন্য মানুহৰ কথা। যাৰ পৰা শিকা কিছুমান দৰকাৰী কথাই তেওঁক বহুত সহায় কৰিছিল।সেই সময়ত সেই কথাবোৰ তেওঁ হয়তো ইমান প্ৰয়োজন হ'ব বুলি ভবাই নাছিল; কিন্তু এতিয়া সেইবোৰ কথা তেওঁৰ বাবে আটাইতকৈ বেছি মূল্যবান।

এটি দৰিদ্ৰ চুবুৰীৰ, এটা দৰিদ্ৰ পৰিয়াল ত জন্ম হোৱাৰ কাৰণে তেওঁ কেতিয়াও আক্ষেপ কৰা নাই। London University ৰ অধীনত Imperiat College of Science and Technology ত "Electron diffraction study of thin metal films condensed from vapour in vacuum" বিষয়ত গৱেষনা কৰি তেওঁ ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। জীৱনৰ প্ৰতিটো পদক্ষেপতে সফলতা লাভ কৰি তেওঁ ক্ৰমান্বয়ে ওখ হৈ গৈ আছে। যি উচ্চতাত গৈ তেওঁ উপনীত হৈছে সেয়া সকলোৰে জীৱনত সম্ভৱ নহয়, তথাপি তেওঁ সেই একেজন নম্ৰ, শান্ত, ধীৰস্থিৰ, প্ৰতিটো কামতে অতি নিখুট পৰিপাটি আৰু লগ পোৱা প্ৰতিজন লোকৰে তেওঁ প্ৰিয় ব্যক্তি।।

শৈশৱৰ দৰিদ্ৰ চুবুৰীটোৰ দৰিদ্ৰ মানুহৰৰ ওচৰত আৰু তেওঁৰ ধনহীনপিতাকৰ ওচৰত চিৰকৃজ্ঞ হৈ থকাৰ কথা "জীৱনবৃত্তৰ" চতুৰ্থ খণ্ডত তেওঁ উল্লেখ কৰিছে— "দৰিদ্ৰ চুবুৰীটোত বাল্যকাল সমৃদ্ধ কৰিবলৈ ঠিক পিতাইৰ নিচিনা ধনহীন, মাটিৰ লগত গভীৰ সম্পৰ্ক থকা, ক্লাছ ছেভেনলৈকে পঢ়া "পণ্ডিত" মানুহ এজনৰেই প্ৰয়োজন আছিল। সেই মানুহজন ধনৰ দুখীয়া নোহোৱা হ'লে পাছলৈ মই বহুত বস্তুৰ দুখীয়া হলোহেঁতেন।"

এই শতিকাৰ ষষ্ঠ দশকৰ আৰম্ভনিতে আত্মপ্ৰকাশ কৰা ড° ভবেন্দ্ৰ নাথ শইকীয়া এগৰাকী সৰ্বশ্ৰেষ্ঠ অসমীয়া গল্প লেখক। "তেওঁৰ সকলোবোৰ গল্পৰ বৰ্ণনা গোট খুৱালে ভৱিষ্যতে এটা যুগৰ এডোখৰ ঠাইৰ সমাজতাত্বিক এখণ্ড অধ্যয়ণ ৰূপে বিবেচিত হ'ব পাৰিব" বুলি ভাষা সাহিত্যৰ গৱেষক ড° মহেশ্বৰ নেওগে মন্তব্য কৰি গৈছে। কেৱল গল্প লেখক হিচাপেই নহয় বিভিন্ন ক্ষেত্ৰত বিভিন্ন অবদানেৰে তেওঁ সমৃদ্ধ কৰিছে সাহিত্য সংস্কৃতিৰ ভঁড়াল। বোলছবি পৰিচালক, আলোচনী সম্পাদক, ঔপন্যাসিক, লেখক, নাট্যকাৰ আদি সকলো ক্ষেত্ৰতে তেওঁ অসাধাৰণ প্ৰতিভাৰ চিনাকী দিছে। জীৱনৰ সমস্যা, দুখ যন্ত্ৰনাবোৰৰ পৰা শিক্ষা লৈ তেওঁ জীৱনক চোৱাৰ প্ৰয়াস কৰে। সেয়ে সমস্যাবোৰে তেওঁক কেতিয়াও বিচলিত কৰা নাই। এইবোৰক অতিক্ৰম কৰিব পৰা মানসিক দৃঢ়তা আৰু প্ৰচুৰ মেধাশক্তিৰ বাবেই তেওঁ জীৱনৰ সকলোক্ষেত্ৰতে সফলতা লাভ কৰিছে।

বিশেষ প্ৰকৃতিৰ প্ৰকাশভঙ্গীৰে এক নিজস্ব শৈলীৰে তাৰ প্ৰচুৰ সম্ভাৱনা আগত ৰাখি নতুন কাৰিকৰি কৌশল বা technique ঘোষণা নকৰা কৈয়ে প্ৰায় চিৰাচৰিত গল্প ৰচনা পদ্ধতিৰ মাজতে তেওঁৰ জীৱন বীক্ষা পাঠকলৈ আগবঢ়ায়। নিম্ন মধ্যবিত্ত জীৱনৰ সীমিত পৰিধিৰ ভিতৰৰ পৰা আমাৰ অতি চিনাকী আপোন চিত্ৰ তেওঁ গল্পত দাঙি ধৰে। তাৰ ভাষাও আমাৰ দৈনন্দিন জীৱনৰ লগত জড়িত চিনাকী ভাষা। কিন্তু এই দুয়োটা সীমাবদ্ধতাৰ মাজতেই এক বিচিত্ৰতা আৰু জীৱনৰ গাঢ় পৰিচয় অভিনৱ ৰূপ ধৰি বিৰিঙি উঠে। তেওঁৰ গল্পৰ আঁৰৰ ঘটনাবোৰে বৈচিত্ৰহীন ভাৱে সহজ জীৱনৰ গতিত আগবাঢ়ে যদিও কাহিনীবোৰ গল্পকাৰৰ নিজস্ব নিয়ত অভিজ্ঞতা আৰু সূক্ষ্ম পৰ্য্যবেক্ষনেৰে সমৃদ্ধ। এই বিষয়ে তেওঁ নিজেই কৈছে— "এইখন পৃথিৱীৰ যিসকল মানুহক মই অতি নিবিড় আৰু ঘনিষ্ঠভাৱে লগ পাইছোঁ, তেওঁলোকক লৈয়েই মই লিখা মেলা কৰিছোঁ। যদি তেওঁলোক মধ্যবিত্ত তেনেহ'লে তেওঁলোকৰ মাজতে মোৰ জীৱনৰ বহু সময় গৈছে। তেওঁলোকেই মোৰ সম্বল।"

ভবেন্দ্ৰ নাথ শইকীয়াৰ প্ৰায়বোৰ চৰিত্ৰই সঁচা জীৱনৰ পৰা বুটলি অনা মানুহ; হা-হুতাশ, শূন্যতাৰে ভৰা নিঃস্ব সৰল মানুহৰ ক্ষুদ্ৰ জীৱনৰ কাহিনীবোৰ গভীৰ অৰ্থপূৰ্ণ আৰু মৰ্মস্পৰ্শী ৰূপত তেওঁৰ প্ৰায়বোৰ গল্পতে ফুটি উঠিছে। অনাড়ম্বৰ, পোনপটীয়া, বস্তু নিৰপেক্ষ ভাষাৰে বৰ্ণনা কৰিলেও প্ৰতিটো বাক্যৰ পৰা যেন নিৰ্গত হৈছে গভীৰ অৰ্থ, তেওঁৰ ভাষাত শব্দবোৰৰ যেন নিজস্ব এক গতি শক্তি আছে।

জীৱনত মাথো দুৰ্ভাগ্যকে গোটাই থকা ভাগ্যৱতী নামৰ সৰল মানুহগৰাকী, যি আৰ্থিক অভাৱ অনাটন, দুখ কষ্টক নীৰৱে গ্ৰহণ কৰিবলৈ শিকিছিল; মাতৃত্বৰ পৰা বঞ্চিত কৰি ভাগ্যই যাক নিৰ্মম ভাৱে প্ৰতাৰণা কৰিলে, সেই সৰল তিৰোতাগৰাকীক ভাগ্যৱতী বোলাৰ কাৰণে ভাগ্যই যেন কঠিন এক পৰিহাসৰ হাঁহি মাৰিছে। ভবেন্দ্ৰ নাথ শইকীয়াৰ শব্দ বাছনিত এক স্বাভাৱিক মায়া বৰ্তি আছে যি আনকি গল্পবোৰৰ নাম পৰ্য্যন্ত বিস্তাৰিত হৈ পৰিছে। খন্তেক ৰৈ উপলব্ধি নকৰিলে এই নামাকৰণ বোৰৰ মূল্য সাধাৰণতে ওলাই নাহে।

দুৰ্গৰ অংকৰ সমাধান উলিয়াব নোৱাৰি অসহায় হৈ পৰা ৰজনী মাষ্টৰে জীৱনৰ জটিল সমস্যাবোৰৰ ওচৰতো অসহায়, বোবা হৈ থাকিল। শেষ পৰ্য্যন্ত তেওঁ এজন নিৰুপায় সম্বলহীন "প্ৰহৰী" হৈ থকাৰ বাহিৰে আন একো কৰিব নোৱাৰিলে।

দিবাকৰ নামৰ ল'ৰাটোৱে মৃত নিশাৰ মুদ খোৱা চকুযোৰলৈ চাওঁতে যেন দেখিলে এটা ক'লা মণিৰ ভিতৰত এখন সৰু খিৰিকী, তাৰ ভিতৰেদি বহুত দূৰৈত অকনমান ৰঙা বেলি এটা বুৰ গ'ল। সেই ৰঙা বেলিটো আছিল দিবাকৰৰ প্ৰেম আৰু আশাৰ প্ৰতীক।

চমক লগোৱা শব্দাৱলীৰে তেওঁ কোনো প্ৰকাৰ অভিনৱত্ব সৃষ্টি কৰিবলৈ প্ৰয়াস নকৰাকৈ সাধাৰণ ভাষাৰেই জীৱনৰ সূক্ষ্ম পৰিচয়বোৰ আঁকিছে। তেওঁ জীৱনক যেনেকৈ পাইছে, চাইছে আৰু দেখিছে, বুজিছে এক বৈজ্ঞানিক বস্তুনিৰপেক্ষ নিৰ্মমতাৰে তেনেকৈয়ে তাৰ অভিলেখ সৃষ্টি কৰিছে।

"মই যদি এগৰাহ ভাত কমকৈ খাওঁ, আনকি আধাখোৱাকৈ যদি ভাতৰ পাতৰ পৰা উঠিও যাওঁ, তথাপি— "এ কি হ'ল! তৰকাৰী-চৰকাৰী বেয়া হ'ল নেকি?" — ইত্যাদি বুলি আন্তৰিকতাৰে ব্যস্ত হৈ উঠা মানুহ মোৰ কোনো নাছিল। একালত যেতিয়া মা আছিল, তেতিয়া মোৰ আগত ভাতৰ কাঁহী তৰকাৰীৰ বাটি থৈ মই খাবলৈ আৰম্ভ কৰাৰ আগতেই মাই কান্দো-কান্দো কৰিছিল। উঠি অহা ল'ৰা এটাক সদায় সদায় কচু-ঢেকীয়া বনৰীয়া শাক একোসোপা সিজাই, খাবলৈ আগবঢ়াই দিবলৈ এজনী মাকৰ বুকুত এক অসাধাৰণ শক্তি থাকিব লাগে। দুৰ্ভাগ্যৰ হাতেৰে খেপিয়াই-খেপিয়াই মাই তিলতিলকৈ সেই শক্তি গোটাই লৈছিল আৰু বুকুৰ ভাৰ পাতলাবলৈ লুকুৱাই লুকুৱাই কান্দিছিল। কেতিয়াবা কেতিয়াবা মই আধাখোৱাকৈ উঠি আহিলে মাই "খা-খা" কৈ অস্থিৰ হৈ উঠিছিল। কিন্তু মই উঠোঁ বুলিয়েই উঠি আহিছিলো। কচু-ঢেকীয়া, বনৰীয়া শাকৰ দুখত নহয়; — সেইবোৰ দিনত মই কিবা এটা চেলু লৈ কাঁহীত ভাত এৰি নাহিলে মা লঘোনে থাকিব বুলি জানিছিলো; সেইকাৰণে।"

(মিনতি)

জীৱনৰ প্ৰতি বিশেষ ভাৱে স্থিৰীকৃত দৃষ্টিভংগীৰ পৰা তেওঁৰ ছবি বোৰ সৃষ্টি হোৱা নাই। কিন্তু তাৰ মাজতেই জীৱনৰ মৃদু পৰিহাস বোৰ যেন স্বাভাৱিক ভাৱেই প্ৰকট হৈ উঠিছে। পাঠকক গম নিদিয়াকৈয়ে তেওঁ অত্যন্ত সূক্ষ্মভাৱে নিজৰ কাৰিকৰি কৌশল প্ৰয়োগ কৰাৰ প্ৰয়াস কৰে। এক গভীৰ আৰু সূক্ষ্মজীৱনবোধ সমৃদ্ধ ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ সেয়াই বিশেষত্ব আৰু সেই বিশেষত্বৰেই তেওঁ আধুনিক জীৱনৰ ভাষ্যকাৰ।

('সহায় লৈ')

# প্ৰবন্ধ অসম আৰু অসমীয়া সংস্কৃতি

*শ্ৰীলক্ষ্মী শইকীয়া*
*স্নাতক দ্বিতীয় বৰ্ষ (কলা)*

আহোম সকল যেতিয়া অসমলৈ আহিছিল তাৰ পিচৰ পৰা পুৰনি কামৰূপৰ নাম 'অসম' হয়। ১২২৯ চনৰ আঘোন মাহৰ দিন, সেই সময়ত সোনতলী পথাৰত সোনগুটি ধানৰ উজ্বল ঠোকে তিৰবিৰাই উঠিছিল। সোনবৰণীয়া সৰিয়হঁৰ ফুলবোৰে বতাহত নাচি বাগি আছিল সেই লুইতৰ পাৰত। সেউজীয়া গছপাতবোৰ সূৰ্য্যৰ উজ্বল ৰশ্মিত কেঁচা সোনবৰণীয়া হৈ সৰি পৰিছিল; হেমন্তৰ শীতল হিমে ধোঁৱা গোটেই পৰিবেশটোৱেই সোন সোন লাগিছিল। ঠিক তেনে এটা কমনীয় মুহূৰ্ততেই পাটকাই পৰ্ব্বত পাৰ হৈ আহিছিল এজন ৰজা আৰু এদল মানুহ। চকুত উজ্বল আশা, বুকুত বিজয়ৰ বিপুল বাসনা আৰু দেহত অসীম শকতি লৈ আহি লুইতৰ কেঁচা মাটিত চিৰদিনৰ বাবে তেওঁলোক বন্দী হৈ ৰ'ল। চাৰিওফালে সোনেৰে উপচি পৰা এই দেশখনক তেওঁলোকে নাম দিছিল 'মুংডুন চুনখাম'— সোনেৰে উপচা দেশ, সোনৰ বাগিছাৰে ভৰা দেশ। এই দেশখনতেই সেই নৱাগত লোকসকলে পাতনি মেলালে গাওঁৰ নগৰৰ, ৰাজ্যৰ আৰু সাম্ৰাজ্যৰ। সেই লোকসকলে প্ৰথমতে নিজকে 'খাম টাই' বুলি পৰিচয় দিছিল আৰু সময়ৰ সোঁতত গৈ গৈ তেওঁলোক আহোম বুলি জনাজাত হ'ল। আহোম সকলক বিভিন্ন গ্ৰন্থত বিভিন্ন নামেৰে অভিহিত কৰা দেখা যায়, সেইবোৰ হ'ল— 'আসাম' 'অসম' 'আচম' আদি। মোগল সকলে আহোম সকলক 'আশ্যাম' নাম 'আশ্যান' নামেৰে অভিহিত কৰিছিল। ১৮৭৪ চনত ইংৰাজসকলে যেতিয়া সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকা লৈ দেশখন গঠন কৰে তেতিয়া গোটেই দেশখনকেই 'অসম' বোলা হৈছিল। দেশখনৰ নাম হ'ল 'অসম' আৰু ইয়াৰ বিজেতাসকলৰ নাম হ'ল 'আহোম'।

অসমীয়া বুলি কোনো নিৰ্দিষ্ট জনজাতিয়ে প্ৰতিনিধিত্ব কৰিব নোৱাৰে কাৰণ বিভিন্ন সময়ত বিভিন্ন ভাষা-ভাষী মানুহ এই অসমলৈ আহিছিল আৰু অসমৰ বৈশিষ্টৰ লগত নিজকে খাপ খোৱাই লৈছিল, বৰ্তমান তেওঁলোকেই হৈছে অসমীয়া। আজিৰ অসমীয়াৰ গাত পৃথিৱীৰ মূল জনগোষ্ঠী আটাইকেইটাৰে তেজৰ সংমিশ্ৰন হৈ আছে আৰু সকলো মানুহ একগোট হৈ এই নতুন জাতিটোৰ জন্ম দিছে।

অসমীয়া সংস্কৃতি ভাৰতীয় সংস্কৃতিৰ এটা উপকৰণ মাত্ৰ। ভাৰতীয় সংস্কৃতি যথাৰ্থতে সমন্বয়ৰ সংস্কৃতি। সময়ৰ অগ্ৰগতি আৰু সমন্বয়ৰ ধৰ্মলৈ সংস্কৃতিয়ে আগবাঢ়ি যায়। অসমীয়া সংস্কৃতিও এই নিয়মৰ কোনো ব্যতিক্ৰম নহয়। প্ৰাগৈতিহাসিক যুগত গঢ় লৈ উঠা সেই অনামী সংস্কৃতিয়ে বহুতো স্তৰ গছকি আধুনিক যুগত থিয় দিছেহি। আহোম যুগত এই সংস্কৃতিয়ে নাম লয় অসমীয়া সংস্কৃতি।

সংস্কৃতি বিকাশৰ এটা মূল বস্তু হ'ল ধৰ্ম। মহাপুৰুষ শ্ৰীশংকৰদেৱে অসমীয়া সংস্কৃতিৰ ভঁৰাল চহকী কৰিবলৈ নানান ধৰণৰ গীত-মাত ৰচনা কৰিছিল। বৰগীত আৰু অংকীয়া নাট অসমীয়া সংস্কৃতিৰ এটা বিশেষ অৱদান। শংকৰ দেৱে অসমীয়া সংস্কৃতি শুৱনি কৰিবলৈ গীত নাট পৰিবেশনৰ অংগ স্বৰূপে খোল, তাল, ডবা, কাঁহ, শঙ্খ,

মৃদঙ্গ আদিৰ সৃষ্টি কৰে। প্ৰাচীন অসমীয়া সংস্কৃতিত যিবোৰ নীতি-নিয়ম আছিল বৰ্তমান অসমীয়া সংস্কৃতিত সেইবোৰ নীতি নিয়ম নাইকিয়া হ'ল। প্ৰাচীন অসমীয়া সংস্কৃতি পৰিবৰ্তন কৰিছে তিনিটা বস্তুৱে। সেইকেইটা হ'ল— (ক) আধুনিক শিক্ষা (খ) নগৰমুখীতা (গ) উদ্যোগ মুখিতা। বনপোৰা জুইৰ দৰে আধুনিক শিক্ষাই মানুহৰ মনৰ মতি গতি কম বেছি পৰিমানে সলনি কৰিলে। পিন্ধন-উৰন, খাৱন-বোৱন আদিত নতুন ৰীতি-নীতি সোমালে।। দ্বিতীয়তে, এই যুগটোত এখন এখনকৈ নগৰ স্থাপন হ'বলৈ ধৰিলে। আহোম যুগৰ নগৰৰ জীৱন-ধাৰণৰ পদ্ধতি আছিল গ্ৰাম্য আৰ্হিৰ। কিন্তু নতুন নগৰত আমোলাতান্ত্ৰিক গোন্ধ ভাপলৈ আমোলা পট্ৰি বহিল আৰু গ্ৰাম্য জীৱনৰ পৰা নগৰীয়া জীৱন বিচ্ছিন্ন হৈ পৰিল। বৰ্তমান অসমীয়া প্ৰাচীন সংস্কৃতিৰ পৰা বহুত দূৰৈত। তৃতীয়তে একালৰ কৃষিমুখী অসম লাহে লাহে উদ্যোগমুখী হ'বলৈ ধৰিলে। উদ্যোগমুখীতাই পুৰণি অসমীয়া কুঁহিয়াৰ শাল, ঢেঁকীশাল, তাঁতশালৰ স্বৰূপ সলনি কৰিছে আৰু চিৰ বিদায় দিছে। ফলত কোনো কোনো অঞ্চলত মানুহে কুঁহিয়াৰশাল, ঢেঁকীশাল, তাঁতশাল আদি দেখায়েই নাই। প্ৰাচীন অসমীয়া সংস্কৃতি আছিল গাঁওমুখী কিন্তু আধুনিক অসমীয়া সংস্কৃতি হ'ল নগৰমুখী।

আধুনিক নাটকৰ নাটক ৰংগমঞ্চ-সংগীতৰ মৌলিক পৰিৱৰ্তন লক্ষ্য কৰিবলগীয়া। জোনাকী যুগৰ লগে লগেই প্ৰাচীন পৰম্পৰা দলিয়াই থৈ পাশ্চাত্য আৰ্হিৰ নাটক ৰচনা আৰু প্ৰয়োজনা আৰম্ভ হয়। অংকীয়া নাটৰ লগত আধুনিক নাটকৰ কোনো যোগসূত্ৰ নাইকিয়া হ'ল। অসমীয়া সংস্কৃতিত কথাছবি সংযোজিত হ'ল। বিহুৰ মুকলি প্ৰচাৰ আৰু জনপ্ৰিয়তা এই যুগৰ সৰাটোকৈ তাৎপৰ্য্যপূৰ্ণ কথা, কিন্তু ইয়াৰ জনপ্ৰিয়তা সাংস্কৃতিক নহয়, যৌন অভিব্যক্তিহে বিহুৰ মুলতে গাঁওমুখী কৃষিমুখী উৎসৱ কিন্তু আধুনিক বিহু নগৰমুখী হৈছে। প্ৰাচীন কালত জনসাধাৰণে গছৰতল, পথাৰ, নৈপাৰ আদিত বিহু উপভোগ কৰিছিল কিন্তু বৰ্তমান বিহুৱে গছতল, পথাৰ, নৈপাৰ এৰি চহৰীয়া মঞ্চত উঠিছেহি আৰু তাকেই চাবলৈ গাঁওৰ মানুহ চহৰলৈ ঢাপলি মেলিছে। কুৰি শতিকাৰ আগ ভাগত বিহুনাম গোৱা আৰু বিহুনাচ নচাটো অশ্লীল বুলি পৰিগণিত হৈছিল কিন্তু আজিকালি অতি সম্ভ্ৰান্ত ঘৰৰ ছোৱালীয়েও বিহুনাচ নাচে।

অসমীয়া সংস্কৃতিত বস্ত্ৰশিল্পৰ প্ৰাধান্য মন কৰিবলগীয়া। যোৱা এশ বছৰৰ ভিতৰত অসমীয়া বস্ত্ৰ শিল্পৰো পৰিৱৰ্তন ঘটিছে। মুগা আৰু পাটৰ জনপ্ৰিয়তা থাকিলেও কৃষিমুখী সমাজত অতি কম প্ৰচলন হয়। অসমীয়া সমাজত আজিকালি ৰিহা-মেখেলাৰ আদৰো কমি আহিছে কিয়নো আজিকালি অসমীয়া সমাজত বোৱাৰীসকলে ৰিহা-মেখেলা পিন্ধিবলৈ এৰি দিছে। তাৰ পৰিৱৰ্তে তেওঁলোকে ব্যৱহাৰ কৰিছে নানান ধৰণৰ শাৰী, চুইদাৰ, মেক্সি আদি। আজিকালি সমাজত বোৱাৰী সকলে শহু-শাহুয়েকৰ আগতে চুইদাৰ পিন্ধিবলৈ ল'লে। অতীজৰ সকলো সংস্কৃতি পাহৰি গ'ল।

অসমৰ সাম্প্ৰতিক ৰাজনীতিয়ে ৰাজ্যখনক সাংস্কৃতিক দিশত দিনক দিনে দেৱলীয়া কৰি নিছে। শিক্ষাৰ ক্ষেত্ৰতো একেই কথা। প্ৰাচীন অসমীয়া শিক্ষা ব্যৱস্থাৰ পৱিত্ৰতা এতিয়া আৰু নাইকিয়া হ'ল। সমাজ, ধৰ্ম, শিক্ষা, সংগীত আদি সকলোতে নতুনৰ সোঁত বলিছে আৰু সেই সোঁতে পুৰণি সুঁতিত বালিচাপৰি পাতি নতুন সুঁতিটো দিনক দিনে কোবাল কৰি তুলিছে। এই সুঁতিত কেৱল বৰলুইত, ধনশিৰি, সোৱনশিৰীৰ পানীয়েই অহা নাই; গংগা-যমুনা, শতদ্ৰু আদি পানীও মিহলি হৈছে। ফলত বৰলুইত, ধনশিৰি, সোঁৱণশিৰীৰ পানীয়ে নিজৰ ৰং হেৰুৱাৰ উপক্ৰম হৈছে। আজিৰ অসমীয়া নিজৰ অতীজৰ সংস্কৃতি পাহৰি গ'ল আৰু আনৰ সংস্কৃতিক আকোঁৱালী লৈছে। এই আধুনিক অসমীয়াই নিজৰ সংস্কৃতিক অৰ্থাৎ যি সংস্কৃতিয়ে এসময়ত আমাৰ দেশৰ নাম উজ্বল কৰি তুলিছিল সেই সংস্কৃতিক ঠাট্টা কৰিবলৈ ল'লে। তেওঁলোকে আনৰ সংস্কৃতিক ভাল পাই আৰু আনৰ সংস্কৃতি দেখি বা শুনি

তেওঁলোক ক'ব নোৱাৰা হৈ যায়।

অৱশ্যে আমাৰ দেশত শিক্ষাইও সাংস্কৃতিক দিশটো কিছু পৰিমানে দুৰ্বল কৰি তুলিছে যদিও কিছুমান শিক্ষিতলোকে নিজৰ সংস্কৃতি কোনো কাৰণতে এৰি দিয়া নাই। তেওঁলোকে জীৱনৰ বাকী কামবোৰৰ লগতে সাংস্কৃতিক দিশতোও মানি গৈছে। কিছুমান ছাত্ৰ-ছাত্ৰী শিক্ষা লাভ কৰিবৰ কাৰণে আমাৰ দেশৰ পৰা বিদেশলৈ যাত্ৰা কৰিছে।। আন কিছুমান লোকে বিদেশত ব্যৱসায় বা চাকৰি-বাকৰি কৰি আছে। তেওঁলোক তাত দীৰ্ঘ দিন ধৰি বসবাস কৰি আছে আৰু তাৰ ফলত তেওঁলোক তাৰ সংস্কৃতিৰ প্ৰতি আকৰ্ষিত হৈ পৰিছে। ফলত নিজৰ দেশৰ অতীজৰ সংস্কৃতি পাহৰি পেলাইছে।

আমাৰ দেশত সাংস্কৃতিক অনুষ্ঠানটো দুৰ্বল কৰি তোলা আন কিছুমান কাৰণ হৈছে প্ৰাকৃতিক পৰিৱেশ, অৰ্থৰ অভাৱ আৰু সামাজিক সমস্যা। প্ৰাকৃতিক পৰিবেশে আমাৰ দেশৰ সাংস্কৃতিক দিশটোক দিনকদিনে দুৰ্বল কৰি তুলিছে। কিয়নো অসম এখন কৃষি প্ৰধান দেশ। অসমৰ প্ৰায় ৮০ শতাংশ লোকে বৰ্তমান কৃষিৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰতি বছৰে হৈ থকা বানপানীয়ে অসমৰ মানুহক দুৰ্বল কৰি তুলিছে। ফলত মানুহে সাংস্কৃতিক অনুষ্ঠান এটা পাতিবলৈ সাহায্য দিব নোৱাৰে। যিহেতু সাংস্কৃতিক অনুষ্ঠান এটা পাতিবলৈ অৰ্থৰ প্ৰয়োজন কিয়নো বৰ্তমান যুগত অৰ্থ অবিহনে কোনো কাম সফল নহয়। মানুহে সাহাৰ্য্য দিব নোৱাৰাৰ ফলত সাংস্কৃতিক অনুষ্ঠান পাতিব নোৱাৰা হৈছে আৰু তাৰ ফলত সংস্কৃতি দিশটো নাইকিয়া হৈ পৰিছে।

অসমীয়া সংস্কৃতি দুৰ্বল হোৱা আন এটা কাৰণ হৈছে সামাজিক সমস্যা। বৰ্তমান যুগত সামাজিক সমস্যা যেনে— হত্যা, লুন্ঠন, ধৰ্ষন আদিয়ে সংস্কৃতি অনুষ্ঠান আয়োজন কৰাত যথেষ্ঠ বাধাৰ সৃষ্টি কৰে। এই সমস্যা সমূহৰ ভয়ত মানুহে সাংস্কৃতিক অনুষ্ঠান পাতিবলৈ এৰি দিছে। আনহাতে কোনো কোনো ঠাইত সাংস্কৃতিক অনুষ্ঠান হলেও এই সমস্যা সমূহৰ ভয়ত দৰ্শক নহয়।

গতিকে আমি আমাৰ সংস্কৃতিৰ দিশটো উজ্বল কৰিবলৈ হলে সমাজৰ পৰা সামাজিক সমস্যা সমূহ আঁতৰ কৰিব লাগিব। লগতে সকলোৱে মিলিজুলি সাংস্কৃতিক অনুষ্ঠান সমূহ নিয়মিয়া ভাৱে পাতি যাব লাগিব। তেতিয়াহে বৰ্তমান সমাজত সংস্কৃতিৰ দিশটো উজ্বল হৈ উঠিব।

## মহৎলোকৰ বাণী

- শিক্ষা এডাল মমবাতিৰ সমান, যি নিজে গলি আনক পোহৰ দিয়ে।

  — সুভাষ চন্দ্ৰ বসু।

- প্ৰকৃত ছাত্ৰই কেতিয়াও খ্যাতি, ক্ষমতা নাইবা আমোদ নিবিচাৰে। তেওঁ বিচাৰে কেৱল জ্ঞান আৰু সত্য। সত্য আৱিস্কাৰ কৰিবৰ বাবে তেওঁ সকলো কৰিবলৈ সাজু।

  — জগদীশ চন্দ্ৰ বসু।

প্ৰবন্ধ

# অসমৰ জলবায়ুঃ এটি চমু সমীক্ষা

শ্ৰী হীৰেণ শৰ্মা
প্ৰবক্তা, ভূগোল বিভাগ,
কামপুৰ মহাবিদ্যালয়।

অসম ৰাজ্যখন ভাৰতৰ একেবাৰে পূব প্ৰান্তত অৱস্থিত। অসমৰ অৱস্থান, ভুমিৰ বন্ধুৰতা, পৰ্বত শ্ৰেণীৰ অৱস্থিতি বায়ু প্ৰবাহ আৰু বৰষুণ আদিয়ে এই ৰাজ্যখনৰ জলবায়ু নিয়ন্ত্ৰন কৰে।

অসম ৰাজ্যখনৰ একেবাৰে দক্ষিণ প্ৰান্তৰ ওপৰেদি কৰ্কটক্ৰান্তি ৰেখা যোৱা বাবে প্ৰায় গোটেই ৰাজ্যখন উত্তৰ নাতিশীতোষ্ণ মণ্ডলত অৱস্থিত। এই কাৰণেই ইয়াৰ জলবায়ু অধিক উষ্ণ নাইবা চেঁচা নহয়। ৰাজ্যখনক সাধাৰণতে দুটা প্ৰধান ভাগত ভগাব পাৰি-— পাৰ্বত্যভূমি আৰু নদী উপত্যকাৰ সমতল ক্ষেত্ৰ। ওখ পৰ্বতবোৰৰ ওপৰত জলবায়ু কিছু পৰিমানে শীত প্ৰাধান। কিন্তু পৰ্বতৰ মাজৰ উপত্যকা সমুহ গভীৰ হাবিৰে পৰিপূৰ্ণ বাবে সেই ঠাইৰ জলবায়ু আদ্ৰ আৰু অস্বাস্থ্যকৰ। অসমৰ দুটা বহল নদী ুপত্যকা হ'ল ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকা। এই উপত্যকা অঞ্চলৰ জলবায়ু জাৰ আৰু জহ কালিৰ উপত্যকাৰ পাৰ্থক্য দেখিবলৈ পোৱা যায়। বৰাক উপত্যকাৰ জলবায়ু কিছু পৰিমানে সমভাৱাপন্ন। ৰাজ্যৰ যিবোৰ অঞ্চল গভীৰ পলসেৰে গঠিত সেইবোৰ ঠাইৰ জলবায়ু কঠিন শিলেৰে গঠিত অঞ্চলবোৰতকৈ কিছু পৰিমানে সমভাৱাপন্ন।

জহকালি অসমত মৌচুমী বতাহ প্ৰবাহিত হয়। জহকালীয়া মৌচুমী বতাহ প্ৰবাহিত হৈ এই ৰাজ্যত গ্ৰীষ্মৰ প্ৰখৰতা হ্ৰাস কৰি দিয়ে। মাজে সময়ে এই ৰাজ্যৰ ওপৰেদি ধুমুহা বা প্ৰ ৱল বতাহ প্ৰবাহিত হোৱাৰ ফলত গ্ৰীষ্মৰ অসহ্য প্ৰখৰতা দুৰীভুত হোৱা বাবে উত্তাপৰ সমতা আহে।। জাৰকালি উত্তৰ পূৱ দিশৰ পৰা চেঁচা বতাহ এই ৰাজ্যৰ ওপৰেদি প্ৰবাহিত হয়। কিন্তু ওখ পৰ্বত সমুহৰ অৱস্থান হেতুকে চেঁচা বতাহে উচ্চ স্তৰেদি গতি কৰি প্ৰ ৱাহিত হৈ যায়। ফলত জাৰ কালি এই ৰাজ্যত অসহ্য শীত নপৰে। পৰ্বত সমুহৰ টিঙত অৱশ্যে সময়ত অলপমান শীত পৰে।

সাধাৰনতে জহকালি আৰু জাৰকালি মৌচুমী বায়ুয়ে এই ৰাজ্যৰ উত্তাপ আৰু বৰষুণক বিশেষকৈ প্ৰভাৱান্বিত কৰে। অসমৰ বৰাক উপত্যকাৰ কাছাৰ জিলাত প্ৰচুৰ পৰিমানে বৰষুণ হয়। অসম উপত্যকাৰ লক্ষীমপুৰ, ডিব্ৰুগড়, তিনিচুকীয়া আদি জিলাত প্ৰচুৰ পৰিমানে বৰষুণ হয়। জাৰ কলিৰ তুলনাত জহ কলি বেছি বৰষুণ হয়। আনহাতে কাৰ্বিআংলং জিলা আৰু কাষৰ নগাঁও জিলাৰ লংকা-লামডিং অংশ মেঘালয় প্ৰতিবাদত ঢালত অৱস্থিত হেতুকে বৃষ্টিচ্ছায়া অঞ্চলত পৰে বাবে ইয়াত বৰষুণৰ পৰিমান কম। বছৰি গড়ে প্ৰায় ১৫০ ছে. মি ঃ তকৈও কম হয়। তাৰোপৰি ইয়াত জিলা বিশেষে উত্তাপৰ তাৰতম্য দেখা যায়। উদাহৰণ স্বৰূপে বৰ্তমান বছৰৰ আগষ্ট মাহৰ চাৰিখন ঠাইৰ উত্তাপৰ গড় হিচাপ এনে ধৰনে দেখুৱাব পাৰি ঃ ডিব্ৰুগড়ৰ সৰ্বোচ্চ উত্তাপ ০° হিচাপে ৩৩.২°c আৰু ২৬.৯°c ; .শিলচৰৰ.৩১.৩°c আৰু ২৬. ৪°c; তেজপুৰৰ ২৯.৩°c .আৰু ২৪.২°c .আৰু ধুবুৰীৰ ৩৩.২°c আৰু ২৬. ২°c উত্তাপৰ তাৰতম্য অনুযায়ী জহকলিৰ জলবায়ু প্ৰায় সমভাৱাপন্ন হৈ থাকে। তাৰোপৰি গৰমকালি এই অঞ্চলত দক্ষিণ পশ্চিম মৌচুমী বায়ুৰ প্ৰভাৱত অধিক বৰষুণ হোৱাৰ বাবে ইয়াত গৰমৰ মাত্ৰা

ভাৰতৰ অন্যান্য অংশতকৈ কম, কিন্তু আদ্ৰতা অধিক বেছি। শীত কালতো জাৰৰ মাত্ৰা তিব্ৰ নহয়। অসমৰ জলবায়ু সাধাৰণতে উত্তৰ পশ্চিম ভাৰত আৰু বংগোপসাগৰীয় আঞ্চলত যি বিকল্প উচ্চ-চাপ আৰু নিম্নচাপ বলয়ৰ সৃষ্টি হয় তাৰ প্ৰভাৱ অসমতো পৰে। আকৌ ভাৰতবৰ্ষৰ ওপৰেদি প্ৰবাহিত দক্ষিণ-পশ্চিম মৌচুমী বায়ু আৰু উত্তৰ পূব মৌচুমী বায়ুৰ প্ৰভাবো ইয়াৰ জলবায়ুৰ ওপৰত অত্যাধিক। ইয়াৰ উপৰি এই অঞ্চল উত্তৰে পুবে আৰু দক্ষিণে পৰ্বতৰাশিৰ দ্বাৰা পৰিবেশিষ্টত বাবে ইয়াৰ জলবায়ু স্থানীয় ভাবে কিছু বেলেগ। জহকালিৰ দৰে শীতকালিও উত্তৰ-পূব ফালৰ উত্তৰ-পূব মৌচুমী বায়ু অসমৰ ফালে প্ৰবাহিত হয়। কিন্তু এই বায়ু চেঁচা, শীতল আৰু বাস্পহীন বাবে বৰষুণ দিব নোৱাৰে। সাধাৰণতে হিমালয়ৰ নামনিৰ পৰা এই শীতল বায়ুয়ে উজনি অসম স্পৰ্শ কৰেহি বাবে ইয়াত শীতৰ পৰিমাণ নামনি অসমতকৈ কিছু বেছি হয়। জলবায়ুৰ এই তাৰতম্য প্ৰধানকৈ নিৰ্ভৰ কৰে কিছুমান পৰিস্থিতিৰ ওপৰত। কিন্তু বৰ্তমান অসমৰ এই সমভাৱাপন্ন জলবায়ুৰ অনেক পৰিৱৰ্তন হোৱা দেখা গৈছে। ইয়াৰ প্ৰধান কাৰণ হ'ল বায়ু প্ৰদুষণ, গছ-গছনিৰ ধ্বংসলীলা, পৰ্বত-পাহাৰৰ মাটিৰ ক্ষয়ীকৰণ; যাৰ ফলত অসমৰ জলবায়ুৰ অনেক পৰিৱৰ্তন হোৱা দেখা যায়। ভৌগলিক দৃষ্টিকোণৰ পৰা চালে অনুমান হয় যেন অসমত বৰষুণৰ মাত্ৰা কম। সাধাৰণতে জুন, জুলাই আগষ্ট, চেপ্তেম্বৰৰ মাজভাগলৈ বৰষুণৰ পৰিমান বেছি হয়। কিন্তু মৌচুমী বায়ুৰ পলমকৈ প্ৰাবাহিত হোৱা বাবে হওক বা অন্য কিবা প্ৰাকৃতিক কাৰন বা 'গ্ৰীন হাউচ' ৰ প্ৰভাৱত অসমত বৰষুণৰ তাৰতম্য দেখা গৈছে। বতৰ বিজ্ঞানীসকলে অনুমান কৰে যেন ক্ৰমান্বয়ে অসমৰ জলবায়ু কিছু পৰিবৰ্তন হৈছে বৰষুণৰ পৰিমান কমিছে আৰু উত্তাপৰ মাত্ৰা দিনক দিনে বাঢ়িব ধৰিছে। যদিও আমি অসমক বেছি বৰষুণ হোৱা অঞ্চল বুলি ভাবো, কিন্তু বৰ্তমান মৌচুমী বায়ুৰ প্ৰভাৱত বৰষুণ কম হোৱা বুলি ক'ব পাৰো তথাপি অসমত বৰ্তমান ১ জুলাইৰ পৰা ১৩ আগষ্টৰ ভিতৰত বৰষুণ কমাৰ শতকৰা হাৰ ২৩ ভাগ। বতৰ বিজ্ঞানীসকলে অনুমান কৰে যে উত্তৰ-পূব ভাৰতত বঙ্গোপ সাগৰৰ নিম্ন-চাপৰ সৃষ্টি হৈ সাগৰৰ উত্তাপ বাঢ়ি যোৱা হেতুকে বৰষুণৰ পৰিমান কমি গৈছে। মৌচুমী বায়ুৰ সোঁত বৰ্তমান উত্তৰ সাগৰত পৰিছে ; যাৰ ফলত বাঙ্গোপ সাগৰত নিম্নচাপৰ সৃষ্টি পূবৰ দেশ সমূহত মৌচুমী বায়ুৰ সৃষ্টি হৈছে। তথাপিও আমি অনুমান কৰিব পাৰো যে অসমত বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ প্ৰধান কাৰণ হ'ল দক্ষিণ-বাংলাদেশ আৰু তাৰ ওচৰে পাজৰে ঘূৰ্ণী বতাহৰ সৃষ্টি। ডঃ সূৰ্য্য কান্ত শৰ্মাৰ মতে বৰষুণৰ এই পৰিবৰ্ত্তন ৭-১৪ বছৰ পিছত হোৱা বুলি কব পাৰি। এই পৰিৰ্বৰ্ত্তন সাময়িক পৰিবৰ্ত্তন বুলি কয় আৰু ইয়াৰ প্ৰধান কাৰণ হ'ল বায়ু প্ৰবাহৰ গতি। তাৰোপৰি অসম হাবি বননিৰে ভৰপুৰ। বৰ্তমান এই হাবি বননি কাটি ধ্বংস কৰি নাইকীয়া কৰিছে। যাৰ ফলত অসমত বৰষুনৰ পৰিমান কমি গৈছে। বৰ্তমান অসমৰ ডিব্ৰুগড়, লক্ষিমপুৰ, তিনিচুকীয়া, শিৱসাগৰ, যোৰহাটৰ, কিছু অংশ, গোলাঘাট আৰু শোণিতপুৰ, জিলাত বৰষুণ কম হৈছে। এই জিলাকেইখনক খৰাং অঞ্চল বুলি কব পাৰি।

মুঠতে কবলৈ গলে আমি জলবায়ুক অসমৰ কাৰণে সম্পদ বুলি কব পাৰো। ই সম্পদৰো কাৰক। মানুহকে আদি কৰি ই সকলো জীৱ-জন্তুৰে গতি কাৰক। ভাল জলবায়ুৰে বেছি ফলপ্ৰয়ু গতিৰ সৃষ্টি কৰে। আনহাতে কিছুমান জলবায়ুয়ে মানুহৰ গতিৰ মন্থৰ কৰে। আমাৰ মানুহে দেশৰ জলবায়ুৰ সীমাবদ্ধতা স্বীকাৰ কৰা উচিত যদিও লোক সমাজৰ সামগ্ৰিক উন্নতিৰ ক্ষেত্ৰত জলবায়ুৰ ঋণাত্মক দিশৰ বিপৰিতে কলা-কৌশলী জীৱন যাত্ৰৰে আগবাঢ়ি যাব লাগিব। তেতিয়াহে মানৱ সমাজৰ কল্যাণ হ'ব বুলি নিশ্চিত ধাৰনা এটা লব পাৰি।

# প্ৰবন্ধ

# সংস্কৃতি বনাম যুৱমানসিকতা

শ্ৰীজলি গোঁহাই
স্নাতক দ্বিতীয় বৰ্ষ

সংস্কৃতি শব্দৰ ব্যাখ্যা অতি ব্যাপক। সংস্কৃত মানে শুদ্ধাৱস্থা বা পৱিত্ৰতা। সংস্কৃতিৰ মূল বিচাৰিবলৈ গ'লে 'সম' উপসৰ্গ 'কৃ' ধাতু 'ক্তিন' প্ৰত্যয় যোগত সংস্কৃতি শব্দ সৃষ্টি হৈছে। প্ৰকৃতিৰ প্ৰেৰণা থাকিলেও যি কাম কেৱল প্ৰকৃতিৰ প্ৰেৰণাতে হোৱা নাই, মানুহে নিজৰ দেহৰ আৰু মনৰ বিকাশৰ অৰ্থে সমাজৰ কল্যানৰ অৰ্থে সৃষ্টি কৰিছে, মানি লৈছে আৰু লগে লগে উৎকৰ্ষ সাধন কৰিছে। সেয়ে সংস্কৃতি। আকৌ মানুহৰ সৃষ্টিৰ শ্ৰেষ্টতম অংশখিনিও সংস্কৃতিৰ অঙ্গ বিশেষ। য'ত নেকি শ্ৰেষ্ঠতাৰো প্ৰশ্ন থাকে আৰু নিকৃষ্টতাৰো প্ৰশ্ন থাকে; বেয়াই ভালক, আন্ধাৰে পোহৰক বেছি স্পষ্টকৈ অনুভৱ কৰোৱায়।

সংস্কৃতি হল সৎ লোকৰ সম্পত্তি। বৰ্তমানৰ পৰিস্থিতিত সংস্কৃতিৰ কথা আলোচনা কৰিবলৈ যাওঁতে বহুত বৈপৰীত্যৰ মুখামুখী হ'ব লগা হয়। আমি প্ৰথম বৈজ্ঞানীকৰ মতে জন্তু আছিলো। প্ৰথমে ডাৰউইনৰ বান্দৰটোৰ পৰা আমি মানুহ হৈছো। কিন্তু সি এক দৈহিক পৰিবৰ্তনহে। কাৰণ মানসিকতাৰে শ্ৰেষ্ঠ জীৱ মানুহ হ'বলৈ হোৱাৰ প্ৰয়াস এতিয়াওঁ বহুত বাকী। বৰ্তমান যেনিয়েই চাওঁ, তেনিয়েই দেখোন মানৱীয় গুনৰাজিৰ অৱক্ষয়, স্খলন, ভ্ৰষ্টাচাৰ আৰু সংস্কৃতিৰ প্ৰান বায়ু উৰি গৈ যেন শ'ত পৰিণত হোৱাহে দেখা পাওঁ। য'ত নেকি নাই তাত কোনো সত্য, অহিংসা, প্ৰেম, দয়া, বিশ্বাস আৰু ভাতৃত্ব। সাম্ৰাজ্যবাদৰ নিয়ন্ত্ৰণাধীন বজাৰে অৰ্থনীতিৰ প্ৰয়োজনাত পৰি সৃষ্ট সংস্কৃতিক কোলাত তুলি আনি পাহাৰে ভৈয়ামে আধিপত্য বিস্তাৰ কৰিবলৈ এৰি দিছে। এই এমুঠি শাসকৰ এনে অদূৰদৰ্শী পদক্ষেপে অতি স্বাভাৱিকভাৱেই ভাবুকিৰ সৃষ্টি কৰিছে থলুবা সংস্কৃতিৰ প্ৰতি।

বিচিত্ৰ অসম বৈচিত্ৰময় সংস্কৃতিৰ পটভূমি। কাজেই এই সংস্কৃতি বহুলাংশে অন্তসংস্কৃতি। যান্ত্ৰিক যুগত যন্ত্ৰৰ লগত লেনদেন কৰিবৰ কাৰণে আজি যুৱসমাজে বিদেশী সংস্কৃতিক আহ্বান জনাই নিজকে বৰ উন্নত বুলি ভাবিবলৈ ধৰিছে আৰু নিজৰ চিনাকী নিজে নিজে পাহৰি পেলাইছে। এই কথালৈ যেন কাৰোৱেই কাণসাৰ নাই। বিবাহ আৰু নামঘৰ যদি অসমীয়াৰ প্ৰতিকী অনুষ্ঠান হয়, তেন্তে তাত অসমীয়াৰ প্ৰতিকী পোছাক, মেখেলা-চাদৰ নিতান্ত আৱশ্যক। বৰ্তমান অসমীয়া ডেকা-ডেকেৰীসকলে সলনাসলনিকৈ পোছাক পিন্ধাটো বাৰু কিহৰ পৰিচায়ক? এইবোৰ দুষ্কৃতি নহলেও অপসংস্কৃতি।

বাক সংযম আৰু ভাষাৰ ক্ষেত্ৰতো আমাৰ বহুত অধঃপতন হ'ল। নিজৰ মাতৃক মাতৃ বুলি ক'বলৈ লজ্জাবোধ কৰি পৰৰ মাতৃৰ প্ৰতি শ্ৰদ্ধা দেখুওৱাটো শুদ্ধ বুলি কোনো জ্ঞানী সমাজে ক'ব নোৱাৰে। তেনেস্থলত কৰ্ম্মব্যস্ত দিনবোৰত এনেকুৱা এটা সুৰুঙা নাই যি ক্ষণত ল'ৰা-ছোৱালীহঁতক মাক-বাপেকে অসমীয়াৰ সংস্কৃতিৰ জ্ঞান দিব পাৰিছে।

সেয়ে সিহঁতে শংকৰদেৱ, জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভাক আজি চিনি নাপায়। বৰগীত, ৰাভাগীত, জ্যোতিগীত শুনাটো দূৰৰে কথা। এনেকুৱা লাখ লাখ ল'ৰা-ছোৱালীয়ে আজি 'চেন্ট মেৰীজ' পৰ্য্যায়ৰ স্কুলত পঢ়ি অসমীয়াৰ সংস্কৃতিৰ গোন্ধ নোপোৱাকৈয়ে হাইস্কুল দেওনা পাৰ হৈ গৈছে। বৰ্তমান গাঁৱৰ হোজা দুখীয়া মেধাৱী ল'ৰা-ছোৱালীবোৰে চহৰৰ নামজ্বলা মহাবিদ্যালয়বোৰলৈ পঢ়িবলৈ আহি এই ধনী সম্প্ৰদায়ৰ অসমীয়া সংস্কৃতি গোন্ধ নোপোৱা চামৰ লগত পৰি খোজ মিলাবলৈ গৈ নিজৰ কৃষ্টি-সংস্কৃতিকে পাহৰি পেলাইছে। ভোগ বিলাসৰ অদম্য হেপাহে দুষ্কাৰ্য্যত লিপ্ত হ'বলৈ বাধ্য কৰাইছে। আৰু যে ক'ত! সেইবোৰ যেন বৰ্ণনাতীত। এই ভয়ানক দৃশ্যবোৰ চাই যি আজি নিজকে এই বিলাক অপৰাধমূলক অবৈধ কাৰ্য্যৰ পৰা বিৰত ৰাখিব পাৰিছে তাৰে সৰহখিনিয়েই সংস্কৃতিৰ গোন্ধ নোপোৱা। তেওঁলোকে উচ্চশিক্ষা লাভ কৰি আমাৰ সমাজৰ মাজলৈ ঘূৰি আহিছে ডাঙৰ ডাঙৰ উচ্চ পদবীধাৰী, উচ্চপদস্থ চাকৰিয়াল আৰু বুদ্ধিজীৱী হৈ। তেওঁলোকে বাৰু ঘৰৰ চোতালতেই 'সত্যসাই' বাবাৰ মন্দিৰ, সৎসঙ্গ বিহাৰ নাসাজি সাজিবনে নামঘৰ? ৰক্ষা কৰিবনে সংস্কৃতি?

উচ্চ মধ্যবিত্ত শাসক শ্ৰেণীৰ ৰাজনৈতিক, সামাজিক আচৰণে এটা জাতিৰ সামগ্ৰিক সংস্কৃতিক গতি-প্ৰকৃতি নিৰ্দ্ধাৰণ কৰে। অসমৰ থলুৱা সংস্কৃতিক ৰক্ষনা-বেক্ষন দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰক চুক্তিবদ্ধ কৰোৱা মুহূৰ্ততে চুক্তি স্বাক্ষৰ কৰা আনটো পক্ষই সাম্ৰাজ্যবাদৰ ওচৰত নিজকে বিক্ৰী কৰি দিছে। নিজৰ শিশু সন্তানক বিদেশী ভাষাৰে শিক্ষিত কৰা, জাতীয়তাবাদৰ প্ৰৱক্তাসকলে অসমৰ থলুৱা ভাষা-সংস্কৃতিৰ জয়গানৰ অন্তৰালত যে গভীৰ ৰহস্য লুকাই আছে সেই কথা আজি বুজিবলৈ কাৰো বাকী নাই। বৰ্তমান অসমত বিভিন্ন জাতি-জনগোষ্ঠীয়ে নিজৰ সামাজিক ৰাজনৈতিক অধিকাৰৰ দাবীত মূৰ তুলি উঠিছে। য'ত নেকি সংস্কৃতিৰ ৰক্ষাৰ প্ৰতি কাৰোৰেই কানষাৰ নাই। নিজকলৈ নিজে ব্যস্ত। এই কথাবোৰক গুৰুত্ব নিদি যদি কোটি কোটি টকা ব্যয় কৰি কলাক্ষেত্ৰ নিৰ্মান কৰিব পাৰি কিন্তু প্ৰকৃতাৰ্থত সমন্বয় সাধন কৰিব নোৱাৰি। অসমৰ থলুৱা সংস্কৃতি মানে ৰাজ্যখনৰ সকলো জাতি-জনগোষ্ঠীৰ কৃষক ৰাইজৰ জীৱন-ধাৰণ প্ৰক্ৰিয়া। প্ৰচলিত ব্যৱস্থাই যে কৃষক ৰাইজৰ স্বাৰ্থ ৰক্ষনাবেক্ষন দিব নোৱাৰে সেই কথা ইতিমধ্যে প্ৰমাণিত হৈছে। যদি শাসক শ্ৰেণীৰ নিজৰ দাম্ভিক আচৰণ সলনি নকৰে— অসমীয়া সংস্কৃতি লুপ্ত হ'ব— সেইটো নিশ্চিত। তেতিয়া হয়তো অসমীয়া জাতিক চিনিবলৈ গৱেষক কলাক্ষেত্ৰলৈ যাব লাগিব।

●● ●●

- *সংসাৰৰ অন্য বস্তু বলেৰে বা ধনেৰে সংগ্ৰহ কৰিব পাৰি কিন্তু জ্ঞান তেনেদৰে আৰ্জি ল'ব নোৱাৰি। তাৰ বাবে অধ্যয়নৰ প্ৰয়োজন।*
- *আটাইতকৈ সহজ কামটো হৈছে আনক সমালোচনা কৰাটো, আৰু আটাইতকৈ কঠিন কামটো হৈছে নিজক সংশোধন কৰাটো।*
- *সৰস্বতী-পূজা কৰি জ্ঞানী হবলৈ যত্ন কৰাতকৈ দুখন ভাল কিতাপ পঢ়াটো ভাল, সৰস্বতী পূজাত টকা খৰছ কৰাতকৈ সেই টকাৰে গাঁৱে-ভূঞে পুথিভঁড়াল সজা ভাল।*

— হেম বৰুৱা।

প্ৰবন্ধ

# আন এবিধ অভিশপ্ত ব্যাধি (এইড্‌ছ)

শ্ৰীজাহ্নবী গোস্বামী
স্নাতক প্ৰথম বৰ্ষ (কলা)

বৰ্তমান সমাজত এইড্‌ছ শব্দটোৱে মানৱ জীৱনলৈ কঢ়িয়াই আনিছে এক ভয়াবহ স্থবিৰতা। প্ৰতিদিনে, প্ৰতিটো মুহূৰ্তত বিভিন্ন কাৰণত বহু নৰ-নাৰীৰ জীৱনলৈ নামি আহিছে এই মৃত্যু দূত। এই ব্যাধিয়ে আধুনিক চিকিৎসা বিজ্ঞানী সকলক প্ৰত্যাহ্বান জনাইছে। ভাবিলে সঁচাই আচৰিত লাগে, এনে এবিধ ৰোগ। যি দুই এবিধ ঔষধ চিকিৎসা বিজ্ঞানী সকলে পাইছে তেওঁলোকৰ পৰীক্ষাগাৰত, সেয়াও আমাৰ সৰ্ব্বসাধাৰণ লোকৰ বাবে বাওঁনা হৈ সৰগ চুবলৈ যোৱাৰ দৰে কথা। বিশ্বৰ প্ৰথম জন এইড্‌চ ৰোগী ১৯৮১ চনৰ জুন মাহত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ আটলান্টা জৰ্জিয়াৰ চেন্টাৰফ'ৰ ডিজিজ কন্টোল গৱেষণা গাৰত ধৰা পেলায়। কিন্তু এই প্ৰথম জন ভাইৰাচ বাহক আছিল এজন সমকামী লোক। ১৯৮১ চনৰ পৰা ১৯৯৯ চনলৈকে এই ৰোগীৰ সংখ্যা সমগ্ৰ বিশ্বত প্ৰায় ১৭ নিযুতৰো অধিক হ'ব বুলি ঠাৱৰ কৰিছে। ইয়াৰে প্ৰাপ্তবয়স্ক ১৬ নিযুত আৰু শিশুৰ সংখ্যা ১ নিযুত। বিশ্ব স্বাস্থ্য সংস্থাৰ (WHO) মতে প্ৰতি ছেকেণ্ডত ১ জনকৈ হলেও এই ভয়াবহ ৰোগৰ কাষ চাপি আহিছে। বিশ্ব স্বাস্থ্য সংস্থাই সমীক্ষা কৰা মতে ২০০০ চনৰ ভিতৰত এই ভাইৰাচৰ দ্বাৰা আক্ৰান্ত লোক প্ৰায় ৩০-৪০ নিযুত হ'ব পাৰে। সম্প্ৰতি উন্নয়শীল ৰাষ্ট্ৰ আৰু দেশ সমূহত এই ৰোগৰ ব্যাপকতা ইমানেই বৃদ্ধি পাইছে যে বিশ্বৰ ৯০ শতাংশ ৰোগীৰেই ভাৰ বহন কৰিব লাগিব এই দেশ সমূহে। এই সময়ত মহিলা ৰোগীৰ সংখ্যা প্ৰায় ৫-১০ নিযুত হ'বগৈ। আনহাতে আক্ৰান্ত পিতৃ-মাতৃৰ পৰা বিচিন্ন হোৱা আন ১০ নিযুত শিশুৱে অসহায় ভাৱে অন্ধকাৰৰ ভৱিষ্যতৰ সন্মুখীন হ'ব লগীয়াত পৰিব।

ভাৰতবৰ্ষতো এই ৰোগে নোচোৱাকৈ থকা নাই। ভাৰতৰ প্ৰথম জন এইড্‌চ ৰোগী ধৰা পৰে হলিউদ স্বৰূপ বোম্বাই চহৰত ১৯৮৬ চনত। এই লোকজনৰ আমেৰিকাত কৰা এক হৃদযন্ত্ৰৰ অস্ত্ৰোপচাৰত এই ৰোগ বিয়পে। দ্বিতীয় জন আছিল ভাৰতৰ এজন সমকামী লোক, এই লোক জনেও এইৰোগ কঢ়িয়াই আনিছিল সুদুৰ আমেৰিকাৰ পৰা।

বৰ্তমান উত্তৰ পূৰ্ব্বাঞ্চলতো কিন্তু এই ভয়াবহ মহাব্যাধিয়ে গা কৰি উঠিছে। এই ৰোগে অসমীয়া ডেকা-গাভৰুৰ চকুৰ টোপনি কাঢ়ি নিছে। নকৈ ফুলি উঠা সদ্য সাহিত যৌৱনটিক উৰ্চ্চগা কৰিছে এই ভয়াবহ ৰূপে গা কৰি উঠা এইড্‌চ (AIDS) ৰূপি নৰখাদকটোৱে। কিছুমানে হয়তো যৌৱনৰ আৰম্ভৰ এক তৃপ্তি পোৱাৰ হেতুকে আৰু এচামে ভুগিছে চিকিৎসকৰ দ্বাৰা ধৰ্মীয় ৰীতি-নীতিৰ দ্বাৰা। অসমত প্ৰায় এনে ৰোগীৰ সংখ্যা ২০০ জনৰো অধিক। ইয়াৰে পূৰ্ণ পয্যায়ৰ ৰোগীৰ সংখ্যা প্ৰায় ২০ জন মান হ'ব। ইয়াৰ ভিতৰত বৰ্তমানলৈকে ১০ জনৰো অধিক লোকৰ মৃত্যু হৈছে। কেনে আচৰিত কথা— এজনে এই ৰোগত ভুগিছে নিজৰ ভূলৰ বাবে, আন এজনে ভুগিছে বেলেগ এজনৰ ভূলৰ বাবে। কিন্তু দুয়োটা শ্ৰেণীয়ে একে লগে আগবাঢ়িছে মৃত্যুৰ দুৱাৰলৈ।

এইড্‌ছ (AIDS) যাক আয়ুবিজ্ঞানত কোৱা Acquired Immuno Deficiency Syndrome এইড্‌ছ বা এইচ্ আই ভি মানুহৰ দেহত বিভিন্ন ধৰণে প্ৰৱেশ কৰিব পাৰে। সেই সমূহৰ ভিতৰত বৈজ্ঞানিক সকলে

অসংযত ভাৱে যৌন সম্ভোগ কৰা লোকৰ পৰা এই ৰোগ প্ৰবাহী বুলি ঠাৱৰ কৰিছে। এই ৰোগে মানৱ দেহত ৰক্ত প্ৰবাহ তথা মাংস পেশীত অনুপ্ৰৱেশ কৰে য'ত ইইঁতৰ অকল্পনীয় ভাৱে বংশ বৃদ্ধি হয়। প্ৰধানকৈ এই ভাইৰাচ সমূহে টি লিফচাইট কোষক মূল লক্ষ্য হিচাপে লয়। এই কোষৰ সহায়কাৰী টি$_8$ কোষবিধৰ প্ৰতিহে বেছি আকৰ্ষিত হয়। অৱশ্যে শৰীৰৰ ক'লা বা পেশীত থকা মেক্ৰ'ফেজ সমূহো ইয়াৰ দ্বাৰা আক্ৰান্ত হয়। সহায়কাৰী টি$_8$ কোষ সমূহৰ কোষাবৰণত থকা চিডি$_8$ নামৰ উৎপাদন বিধৰ সহায়ত এইচ্ আই ভি ভাইৰাচ সমূহে কোষটোৰ ভিতৰত প্ৰৱেশ কৰি কোষৰ গাঠনি বিশেষ ভাৱে কোনো অনিষ্ট নকৰাকৈ একেবাৰে সুপ্ত অৱস্থাত থাকে। এনে ব্যৱধানৰ সময় প্ৰায় ৬ মাহৰ পৰা ১০ বছৰ পৰ্যন্ত হ'ব পাৰে। এটা সময়ত এইবোৰ ভাইৰাচৰ বংশ বৃদ্ধি হয়। তেতিয়াই কোষাবৰণ ফাঁটি আমাৰ দেহৰ শ্বেত কণিকা সমূহ ধ্বংস কৰি মানৱ দেহত যি কোনো ৰোগ ধৰিব পৰা প্ৰতিৰোধ ক্ষমতা লোপ পায়। এজন মানুহ এইচ্ আই ভি পজিটিভ হলেও কিন্তু এইড্চ ৰোগী নহ'ব পাৰে। এইচ্ আই ভি পজিটিভ হোৱাৰ পাছতো এজন মানুহ কমেও ১০ বছৰৰ ওপৰ সময় লাগিব পাৰে এই ৰোগত আক্ৰান্ত হ'বলৈ।

**এজন মানুহৰ এইড্চ হৈছেনে নাই গম পাবলৈ হ'লে তেওঁৰ গাত কিছুমান লক্ষনে দেখা দিয়ে, সেইবোৰ হৈছে—**

১। অস্বাভাৱিক ভাৱে দেহৰ ওজন ১০ শতাংশ কমি অহা।

২। এমাহতকৈ বেছি দিন জ্বৰ বা কাঁহত ভোগা।

৩। এমাহতকৈ বেছি দিন ডাইয়েৰিয়া হোৱা।

৪। মুখ বা ডিঙিত ফংগাচ বা ঘাঁ হোৱা।

৫। শৰীৰৰ গ্ৰন্থি সমূহ ফুলি উঠা।

৬। দেহৰ যিকোনো ঠাইত হোৱা জ্বোলা ফোটাৰ দৰে এবিধ ঘাঁ।

৭। শৰীৰত বিভিন্ন ধৰণৰ খজুৰতী বা চৰ্ম্মৰোগ হোৱা।

৮। বিভিন্ন ধৰণৰ মাৰাত্মক ৰোগে দেখা দিয়া।

৯। অধিক মূৰৰ বিষ অনুভৱ হোৱা আৰু ভাগৰ অনুভৱ হোৱা ইত্যাদি।

এই কাৰণ সমূহ হওঁতে যদি কোনো ঔষধে কাম নকৰে তেন্তে চিকিৎসক সকলে সেই সকল ৰোগীক এইচ্ আই ভি পৰীক্ষা কৰিব দিয়ে। এই পৰীক্ষা দুটা ভাগত ভাগ কৰা হৈছে— (১) এলিজা (Elisa) আৰু (২) ৱেষ্টাৰ্ন ব্লল (Western Bolt) test. এই দুয়োটা পৰীক্ষা কৰাৰ পাছত যদি Positive পায় তেনে Elisa test অক Spote test বুলিও কোৱা হয়।

এই ভাইৰাচ যেনেদৰেই মানৱ দেহত প্ৰৱেশ নকৰক কিয় তেওঁৰ এদিন এটা ভয়াবহ মৃত্যুলৈ অপেক্ষা কৰিবই লাগিব। এজন ৰোগীয়ে বিচনাত পৰাৰ পাছত তিনি বা ছয় মাহ বা তাতোকৈ অধিক প্ৰায় একবছৰ পাছতো মৃত্যু হোৱা দেখা যায়। এই শৰশয্যাৰ প্ৰতিটো মুহূৰ্ত ভাবিব নোৱাৰা কষ্টকৰ, যেন ভগৱানে পূৰ্ব জন্মৰ সকলো পাপৰ প্ৰতিশোধহে লৈছে। ভগৱানে সকলো পাপৰ প্ৰতিশোধ লৈ এদিন তিল তিলকৈ মৃত্যু পথলৈ আগবঢ়াই নি এদিন মৃত্যু হোৱা দেখা যায়।

**এইৰোগ কি কাৰণত কেনেদৰে সংক্ৰমিত হয় ঃ**

১। বহুজনৰ লগত যৌন সম্পৰ্ক ৰাখিলে।

২। বীজানু মুক্ত নকৰাকৈ এটা বেজীৰে বহুকেইজন লোকে শিৰাত নিচাযুক্ত দ্ৰব্য ব্যৱহাৰ কৰিলে।

৩। এইৰোগ আক্ৰান্ত ব্যক্তিৰ লগত যৌন সম্পৰ্ক গঢ়ি উঠালে।

৪। পৰীক্ষা নকৰাকৈ তেজ গ্ৰহণ কৰিলে।

৫। এইড্ছ আক্ৰান্ত গৰ্ভৱতী মহিলাৰ পৰা গৰ্ভস্থ সন্তানলৈ।

৬। মাতৃদুগ্ধৰ পৰা।

৭। চেলুন বা নাপিতৰ দ্বাৰা ব্যৱহাৰ কৰা খুৰ আদিৰ পৰা।

৮। ধৰ্মীয় ৰীতি-নীতিৰ দ্বাৰা এই ৰোগ বিয়পিব পাৰে।

তথাপিও ওপৰত উল্লেখ কৰা মাধ্যম সমূহৰ বাদেও আৰু বহু কাৰণ দেখা যায়। সেই মাধ্যম সমূহ বৰ্তমান বৈজ্ঞানিক সকলে পৰীক্ষা গাৰত পৰীক্ষা সমূহ চলাই আছে।

এইড্ছ ভাইৰাচ মানৱ দেহত এবাৰ প্ৰৱেশ কৰিলে কোনো প্ৰকাৰে সি বাহিৰ নোলায়। মানৱ দেহত প্ৰৱেশ কৰিয়ে বহু ধৰণৰ বেমাৰ সৃষ্টি কৰে। গোটেই শৰীৰটো

ভাইৰাচ বিধৰ দাস হৈ পৰে। এদিন এক অন্তিম পৰ্য্যায় মৃত্যু মুখত পৰে।

এইড্ছৰ একমাত্ৰ চিকিৎসা হৈছে প্ৰতিৰোধৰ বাদে এই ৰোগৰ কোনো চিকিৎসা নাই। বৈজ্ঞানিক সকলে কোনো ধৰণৰ সাফল্য মুলক চিকিৎসা বা ছিটা উলিয়াব পৰা নাই। বৈজ্ঞানিক সকলৰ মতে প্ৰতিৰোধেই একমাত্ৰ ব্যৱস্থা এই ৰোগৰ পৰা সাৰি থকা।

### এই ৰোগ কেনেদৰে প্ৰতিৰোধ কৰিব পাৰি ঃ

১। একাধিক লোকৰ লগত যৌন সম্পৰ্ক গঢ়ি নুঠাব।

২। যৌন ৰোগ সমূহত আক্ৰান্ত লোকৰ লগত যৌন সম্পৰ্ক নাৰাখিব।

৩। ক'নড'ম ব্যৱহাৰ কৰক।

৪। নিচাযুক্ত বেজীৰে বহুলোকে একেটা বেজীৰে বেজি নল'ব।

৫। বীজানুমুক্ত বেজী ব্যৱহাৰ কৰক।

৬। এইড্ছ আক্ৰান্ত মহিলা গৰ্ভধাৰণৰ পৰা বিৰত থাকক।

৭। পৰীক্ষা নকৰা তেজ ব্যৱহাৰ নকৰিব।

**এইড্ছ (AIDS) কেনেদৰে সংক্ৰমিত নহয় ঃ**

১। একেলগে ফুৰিলে বা খেলাধূলা কৰিলে।

২। কৰমৰ্দন কৰিলে।

৩। আলিঙ্গন বা চুমা খালে।

৪। কাঁহ হাঁচি আৰু কথা বতৰা পাতিলে।

৫। একোটা শৌচাগাৰ আৰু প্ৰস্ৰাৱগাৰ ব্যৱহাৰ কৰিলে।

৬। আহাৰ পানী ভগাই খালে।

৭। ৰাজহুৱা টেলিফোন ব্যৱহাৰ কৰিলে।

৮। একোটা পুখুৰীত সাঁতুৰিলে।

ওপৰোক্ত কাৰণ সমূহৰ পৰা এইৰোগ সংক্ৰমিত হ'ব পাৰে।

এইৰোগ হলে দেখা দিয়া মাৰাত্মক ৰোগ সমূহৰ ভিতৰত হৈছে— নিউম'টিষ্টিছ কাৰিনি (Pneumocystis Carini) নামৰ অনুজীৱৰ পৰা নিউমনিয়া ৰোগৰ সৃষ্টি কৰে। চাইটমেগল ভাইৰাছৰ (Cytomegle Virus) পৰা চকুৰ দৃষ্টি শক্তি ক'মা ৰোগত ভোগে। তাৰোপৰি বিভিন্ন মাৰাত্মক ৰোগে দেখা দিয়ে সেই বোৰৰ ভিতৰত হৈছে কঙ্কা, গ্ৰহনী স্নায়ুতন্ত্ৰ ৰোগ, মেনিনজাইটিছ, (Meningitis) এনকেফ্লাইটিছ, মগজুৰ ভিতৰত পূজ জমা হোৱা ৰোগ (Brain Abcess) ইত্যাদি আৰু বহুধৰণৰ মাৰাত্মক ৰোগৰ বলি হ'ব লগীয়াত পৰে।

এনে ধৰণৰ মাৰাত্মক বেমাৰৰ পৰা হাত সাৰিবলৈ বৈজ্ঞানিক চিকিৎসক সকলে সকলো ৰোগৰ মাত্ৰ এবিধ ঔষধ উলিয়াবলৈ দিনে-ৰাতিয়ে অহৰহ সময় পৰীক্ষাগাৰত পৰীক্ষা চলাই আছে। তাৰে বহু দূৰ ফলপ্ৰসু হোৱাও প্ৰমান পোৱা যায়। "জনকান থমাচ" নামৰ উদ্ভিদ বিজ্ঞানী এজনে কেমেৰুণত ভেষজ উদ্ভিদ সম্পৰ্কে পৰীক্ষা চলাই থাকোতে এবিধ গুল্ম জাতীয় উদ্ভিদ পায়। এই উদ্ভিদ ডাল আমেৰিকালৈ পথায় পৰীক্ষা কৰাত সেই লতা ডালত এইড্ছ প্ৰতিৰোধ ক্ষমতা থকা কথাৰ গম পায়। এই লতাবিধৰ গাত এইড্ আই ভি বীজানু এৰি দেখা গ'ল যে এই লতা বিধত এইড্ আই ভি বীজানুৱে কোনো ধৰণৰ প্ৰভাৱ পেলাব পৰা নাই। বৰ্তমানে এই ছিটা বিধ এন্দুৰ আৰু কুকুৰৰ গাত দি পৰীক্ষা চলাই থকা হৈছে। এই লতা বৰ্তমান কেমেৰুণৰ হাবিত দুষ্প্ৰাপ্য। বানিজ্যিক ভাৱে ইয়াৰ পৰা দৰৱ প্ৰস্তুত কৰিবলৈ হ'লে ইয়াৰ বহল ভিত্তিত খেতি নিতান্তই প্ৰয়োজন।

বৰ্তমানে বিশ্বৰ সকলোতে এইড্ছ সজাগতা দিৱস পাটি সকলো সৰ্ব সাধাৰণ লোকক এই ৰোগৰ সতৰ্কতা বিষয়ে অৱগত কৰা হৈছে। যি সকল লোকে এই মহাব্যাধিৰ ৰোগত ভুগিছে, তেওঁলোক হতাশ হোৱাৰ কাৰণ নাই। কিছু ঔষধ বৰ্তমান উন্নতশীল দেশসমূহৰ বজাৰত বিক্ৰীৰ বাবে মেলি দিছে, অৱশ্যে সেই ঔষধৰ দাম ভাৰতীয় মূল্যত বহু বেছি। ৰোগী সকলৰ মুখত হয়তো জীয়াই থকাৰ নাম মাত্ৰ পানী আহিছে। "মানুহ জন্ম হলে মৃত্যু এদিন অনিবাৰ্য্য" তথাপিও দেহটোক সদায় সচেতন কৰি ৰখা প্ৰত্যেক জন লোকৰ কৰ্তব্য। অকল এই দুৰাৰোগ্য এইড্চ (AIDS) বুলিয়েই নহয় সকলো ভয়ানক ৰোগৰ পৰা নিজকে বজাই ৰখাটোও এক কৰ্তব্য। তেতিয়াহে আমাৰ জীৱনটোক আমি এটা সাৰ্থক ৰূপ দিব পাৰিম বুলি আশা কৰিব পাৰি।

# প্ৰবন্ধ

## অৰ্কিড

শ্ৰীদিগন্ত কুমাৰ বৰা,
স্নাতক বৰ্ষ

"সমগ্ৰ পৃথিৱীৰ ৭৫০ বিধ জাতিৰ, ২০,০০০ বিধ প্ৰজাতিৰ, তাতোকৈ বহুত বেছি বৰ্ণসংকৰ প্ৰজাতিৰ অৰ্কিডৰ পৰিয়াল। পৃথিৱীৰ অন্যান্য যিকোনো উদ্ভিদতকৈ বহুত বেছি ডাঙৰ পৰিয়াল। আমাৰ কপৌফুল পাহিও এই পৰিয়ালৰেই এক অনন্য সুন্দৰ প্ৰজাতি।"

বহাগক ৰঙীয়াল কৰি তোলা এই কপৌফুল যেন অসমীয়া জাতিৰ অসমীয়া সংস্কৃতিৰ জাতীয় প্ৰতীক। বিহুৰ সৈতে, অসমীয়া সংস্কৃতিৰ সৈতে ফুলাম গামোচাখনৰ যিমান ঘনিষ্ঠ সম্পৰ্ক তাতোকৈ ঘনিষ্ঠ সম্পৰ্ক আমাৰ প্ৰাণৰো প্ৰাণৰ পাতল বেঙুনীয়া ৰঙৰ কপৌফুল পাহৰ। কপৌফুলৰ বৈজ্ঞানিক নাম ৰাইন্‌কষ্টাইলিজ ৰেটুছা। সমগ্ৰ পৃথিৱী বন্য অৱস্থাতেই ২০,০০০ বিধৰ অৰ্কিড পোৱা যায়। মেৰু আৰু মৰু দেশৰ বাহিৰে পৃথিৱীৰ এনেকুৱা এডোখৰ স্থান নাই য'ত অৰ্কিডৰ অস্তিত্ব নাই।

আমাৰ প্ৰাণৰো প্ৰাণৰ, কপৌ ফুলৰ বাহিৰে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত ৬০০ ৰো অধিক অৰ্কিড বন্য অৱস্থাত পোৱা যায়। তথাপিও, আজিও কপৌফুল তথা ৰাইন্‌কষ্টাইলিছ ৰেটুছাৰ বাহিৰে অন্য প্ৰজাতিৰ অৰ্কিডক আমি আন্তৰিকতাৰে সাবটি লোৱা নাই। অথচ আমাৰ চুবুৰীয়া ৰাজ্য মেঘালয়ত (এসময়ৰ বৰ অসমৰ অন্তৰ্গত) প্ৰচুৰ পৰিমানে পোৱা ব্লুভাণ্ডাৰ এপাহ মাত্ৰ ফুল জাৰ্মানীৰ ফুলৰ বজাৰত শতাধিক টকাত বিক্ৰী হয়। যদিও ব'হাগ বুলিলেই কপৌ ফুলপাহৰ ছবি আমাৰ মানসপটত ভাহি উঠে, তথাপি সমগ্ৰ বছৰ ধৰি অৰ্কিডৰ ফুল ফুলে। এই অৰ্কিডবোৰ গছৰ ডালত, মাটিত নাইবা পাহাৰৰ শিলত গোটেই বছৰ জুৰি ফুলি ৰয়।

অসমৰ বৰাইল পৰ্বতৰ ডামছাৰা নামৰ স্থানত বিভিন্ন জাতৰ ডেন্দ্ৰবিয়াম এৰাইডছ আৰু ৰাইন্‌কষ্টাইলিছ প্ৰজাতিৰ অৰ্কিডৰ ফুল জুন-জুলাই মাহ দুটাত সমগ্ৰ পাহাৰটো গুলপীয়া, বেঙুনীয়া ফুলেৰে ঢাকি ধৰে।

অসমৰ অন্যতম সুন্দৰ পাহাৰীয়া নগৰ হাফলঙত জুন-জুলাই-আগষ্ট এই তিনিমাহত যেন অৰ্কিডৰ এখন মেলাহে বহে।

ঠিক তেনেকৈ যোৰহাট, শিৱসাগৰ, গোলাঘাটৰ পথৰ দাঁতিৰ গছসমূহত মে'-জুন মাহত ভাণ্ডা টেৰেছা নাইবা ভাটৌ ফুলসমূহে যি এক নয়নাভিৰাম দৃশ্যৰ সৃষ্টি কৰে, সি সঁচাকৈয়ে অপূৰ্ব!

এসময়ত মেঘালয়ৰ জোৱাই অঞ্চলত প্ৰচুৰ পৰিমানে ব্লু ভাণ্ডা বা ভাণ্ডা কুৰুলিয়া নামৰ অৰ্কিড বিধ পোৱা গৈছিল। কিন্তু অৰ্কিড চিকাৰী'ৰ অবিবেচনাৰ কাৰণে তাৰ পৰিমান আজি বহুত কমি গ'ল।

ডিব্ৰুগড় জিলাৰ মৰাণ নগৰৰ আশে-পাশে থকা চাহ বাগিচাসমূহৰ মাজত থকা ওখ গছবিলাকত এতিয়াও প্ৰচুৰ পৰিমানে ডেন্দ্ৰবিয়াম নবিল নামৰ সুন্দৰ অৰ্কিড বিধ দেখা যায়।

অৰ্কিডৰ গছ নাইবা ফুল ৰপ্তানি কৰি কোটি কোটি টকাৰ বৈদেশিত মুদ্ৰা অৰ্জন কৰিব পাৰি। উত্তৰ-পূৰ্বাঞ্চলৰ তিপি আৰু শ্বিলঙত অৰ্কিড সংৰক্ষনৰ বাবে দুটা অৰ্কেডেৰিয়াম আছে। শেহতীয়াকৈ গুৱাহাটীৰ নুনমাটিত অৱস্থিত ইণ্ডিয়া কাৰ্বন লিমিটেডে সম্পূৰ্ণ ব্যৱসায়িক দৃষ্টিভংগীৰে এটা সু-বৃহৎ অৰ্কেডেৰিয়াম গঢ়ি তুলিছে। ইয়াত স্থানীয় অৰ্কিডৰ লগতে বৰ্ণসংকৰ জাতৰ কেইবা হেজাৰো অৰ্কিড ৰোপন কৰা হৈছে।

অৰ্কিডৰ সঁচ আশ্ৰিত গছৰ পৰা উভালি আনি, নাইবা নাৰ্ছাৰীৰ পৰা সংগ্ৰহ কৰি আম-কঁঠাল, বকুল, আমলখি, তামোল ইত্যাদি খহটা ছালৰ গছত চেঁকীয়াৰ শিপাৰ সৈতে আলফুলে বান্ধি দিব লাগে। অন্য ফুল গছৰ দৰে অৰ্কিডো মাটিৰ টাবত ৰুব পাৰি। টাবত ৰুবলৈ হলে টাবৰ কাষত ৮-১০ টা সৰু বিন্ধা কৰি দিব লাগে। টাবত ৰুবলৈ ইটা গুটি, এঙাৰ আৰু পচা পাতৰ এক সমপৰিমানৰ মিশ্ৰণ কৰিব লাগে। এই মিশ্ৰণ অৰ্কিডৰ কাৰণে বৰ

উৎকৃষ্ট। কিন্তু বেছিভাগ অৰ্কিডেই সূৰ্য্যৰ প্ৰখৰ তাপ সহ্য কৰিব নোৱাৰে, সেয়েহে টাবসমূহ ছাঁ পৰা স্থানত থ'ব লাগে।

অৰ্কিডৰ প্ৰতিপালন আৰু তাৰ ব্যৱসায়িক উত্তৰণৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই অৰুনাচলত পৰিবেশ আৰু বন বিভাগৰ অধিনস্থ ৰাজ্য বন গবেষণা প্ৰতিস্থানত এটা অৰ্কিড শাখা মুকলি কৰা হৈছিল। এই শাখাটো যোৱা ২৫ বছৰে অৰ্কিডৰ বৈজ্ঞানিক সংৰক্ষন কৰা প্ৰতিপালন সম্পৰ্কীয় গৱেষণাৰ লগত জড়িত হৈ আছে। দীৰ্ঘদিনীয়া গৱেষণাৰ ফলত বহুকেইবিধ সংকৰ অৰ্কিডো সম্ভৱ হৈছে। ইটানগৰৰ পৰা কিছু আঁতৰৰ টিচিত অৰ্কিড গৱেষণা আৰু উন্নয়নে কেন্দ্ৰত অৰ্কিডৰ নতুন সংকৰ সৃষ্টিৰ পিচত ছেছা অৰ্কিড অভয়াৰণ্য আৰু তিৰং কেন্দ্ৰত প্ৰতিপালন কৰা হৈছে।

প্ৰকৃতিৰ অসামান্য অৱদান অৰ্কিড আজি সমগ্ৰ বিশ্বত সমাদৃত। অৰ্কিডৰ সৌন্দৰ্য আৰু বহুদিনলৈ সজীৱ হৈ থকা গুনৰ বাবে বিশ্বৰ পুষ্প বজাৰত অৰ্কিডৰ চাহিদা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে।

উত্তৰ-পূৰ্বাঞ্চলত পোৱা অৰ্কিডৰ মুঠ প্ৰজাতিৰ সংখ্যা প্ৰায় ৭০০। আনহাতে অকল অৰুনাচল প্ৰদেশতে পোৱা যায় ৫৫০ বিধ প্ৰজাতিৰ অৰ্কিড। অৰুনাচলৰ ভৌগোলিক অৱস্থান জলবায়ু, ভূ-পৃষ্ঠৰ গুনা-গুন অৰ্কিডৰ বাবে অনুকূল। যদিও এই অঞ্চলৰ আবাসী সকলৰ নিৰ্ভৰযোগ্য খেতি ঝুম খেতি। জনগোষ্ঠীবোৰৰ ঝুমখেতিৰ ফলত বননী ধ্বংস দুগুন হাৰত হৈছে। ঝুমখেতিৰ প্ৰয়োজনত গছ-গছনি কাটি, জুই লগাই দিয়া পদ্ধতি আজিও আবাসী সকলে অনুকৰণ কৰি আহিছে। দুবছৰ বা তিনি বছৰ খেতি কৰাৰ পিচত নতুন মাটিৰ সন্ধান কৰে আবাসীসকলে। ফলত ধ্বংস এটা নিৰবচ্ছিন্ন প্ৰক্ৰিয়া হৈ পৰে। এনেদৰে খেতিৰ মাটি প্ৰস্তুত কৰণৰ নামত বছৰে বছৰে গছ-গছনি ধ্বংস কৰিলে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল পাৰিপাৰ্শ্বিক ভাৰসাম্যহীনতাৰ সন্মুখীন হ'ব। ইয়াৰ পৰা পৰিত্ৰান পাবলৈ ঝুম খেতিৰ সম্প্ৰসাৰণ ৰোধ কৰিব লাগিব। আৰু এই মুহূৰ্ত্তত ঝুমখেতিৰ বিকল্প হিচাপে গ্ৰহণ কৰিব পৰা একমাত্ৰ আৰু ফলপ্ৰসু— পন্থা হ'ল অৰ্কিডৰ প্ৰতি পালন আৰু ব্যৱসায়। বৈজ্ঞানিক পদ্ধতিৰে অৰ্কিডৰ সংৰক্ষন আৰু প্ৰতিপালন কৰি ব্যৱসায়ত আত্মনিয়োগ কৰিলে প্ৰচুৰ বিদেশী মুদ্ৰা অৰ্জন কৰিব পৰা যায়। তেনে ক্ষেত্ৰত স্থানীয় জনগোষ্ঠী সমূহে ঝুমখেতি পৰিত্যাগ কৰাত আপত্তি অথবা দ্বিধাবোধ নকৰিব। এই আটাইবোৰ দিশ পৰ্যালোচনাৰ পিচত আমি নিশ্চিত হ'ব পাৰো যে অৰ্কিড প্ৰতিপালন আৰু ব্যৱসায়ৰ দ্ৰুত উন্নয়ণৰ কেৱল পৰ্যটন বিকাশ নাইবা বিদেশী মুদ্ৰাৰ প্ৰয়োজনতে নহয়, অৰুনাচল তথা সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ পাৰিপাৰ্শ্বিক ভাৰসাম্য ৰক্ষাৰ স্বাৰ্থতো অত্যন্ত প্ৰয়োজনীয় পদক্ষেপ হিচাপে পৰিগণিত হৈছে।

বিদ্যা নাম নৰস্য ৰূপমধিকং প্ৰচ্ছন্নগুপ্তং ধনম্
বিদ্যা ভোগকাৰী যশঃ সুখকৰী বিদ্যা গুৰুনাং গুৰু।
বিদ্যা বন্ধুজনো বিদেশগমনে বিদ্যা পৰং দৈবতম্
বিদ্যা ৰাজসু পূজিতা ন তু ধনং বিদ্যাবিহীনঃ পশুঃ।।

ভৰ্ত্তৃহৰি

প্ৰবন্ধ

# অসমীয়া সাহিত্যৰ বেদীত 'জ্যোতি'ৰ অঞ্জলি

শ্ৰীজোনালী লস্কৰ
স্নাতক দ্বিতীয় বৰ্ষ

"সুন্দৰে যে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰি মাতে।
সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে।"

সুন্দৰৰ ৰূপৰ পূজাৰী, সাহিত্য সংস্কৃতিৰ উপাসক, স্বদেশ প্ৰেমিক জ্যোতি প্ৰসাদ জ্যোতিৰ প্ৰতীক। অসমীয়া সাহিত্যৰ আকাশত জ্যোতি প্ৰসাদ আগৰৱালা এক উজ্জ্বল নক্ষত্ৰ। তেওঁ আছিল এজন প্ৰগতিশীল ব্যক্তি আৰু বিপ্লৱী মনীষাৰ প্ৰতীক। নৱ নৱ সাহিত্যৰ সৃষ্টি কৰি অসমীয়া সাহিত্য জগতলৈ গৌৰৱৰ মধু সৌৰভ কঢ়িয়াই অনা বাবে এইজন প্ৰণম্য ব্যক্তিৰ ওচৰত আমি চিৰকৃতজ্ঞ।

ভাৰতবৰ্ষৰ মৰুভূমিৰ দেশ ৰাজস্থানৰ পৰা সুদূৰ অতীতত এজন মানুহ আহিছিল প্ৰকৃতিৰ মহীমাময় দেশ অসমলৈ ব্যৱসায় কৰিবলৈ। তেওঁ আছিল জ্যোতিৰ পূৰ্বপুৰুষ নৱৰঙ্গ আগৰৱালা। নৱৰঙ্গৰ তিনিজন পুতেক ক্ৰমে হৰিবিলাস, ঠানুৰাম আৰু বান্দীৰাম। নৱৰঙ্গ আগৰৱালাৰ প্ৰথম পুত্ৰ হৰিবিলাস আগৰৱালা হ'ল জ্যোতি প্ৰসাদৰ অতি মৰমৰ ককাদেউতাক। হৰিবিলাস আগৰৱালাৰ দ্বিতীয়জন পুত্ৰ চন্দ্ৰ কুমাৰ আগৰৱালা। তেখেত অসমীয়া সাহিত্যৰ এগৰাকী অগ্ৰজ শ্ৰেষ্ঠ লিখক। হৰিবিলাস আগৰৱালাৰ তৃতীয় পুত্ৰ পৰমানন্দ আগৰৱালা হ'ল জ্যোতি প্ৰসাদৰ পৰম আৰাধ্য পিতৃ দেৱতা। জ্যোতিৰ মাতৃৰ নাম হ'ল কিৰণময়ী দেৱী। পৰমানন্দ আগৰৱালাৰ পুত্ৰ পাঁচজন আৰু কন্যা দুগৰাকী। পুত্ৰ সকল ক্ৰমে জ্যোতি প্ৰসাদ, সূৰ্য্য প্ৰসাদ, কমলা প্ৰসাদ, বিবেকানন্দ আৰু হৃদয়ানন্দ। কন্যা দুগৰাকী হ'ল— নীৰা ড'ণ্ডা আৰু অন্নপূৰ্ণ বৰুৱা। জ্যোতি প্ৰসাদৰ জন্ম হয় ১৯০৩ চনৰ ১৭ জুন তাৰিখে ডিব্ৰুগড়ৰ তামোলবাৰী চাহ বাগিছাত।

পখিলাৰ দৰে দেও দি নাচি মেলি ফুৰোঁতেই জ্যোতি প্ৰসাদৰ ছটা বছৰ পাৰ হৈ গ'ল। সপ্তম বছৰত দেউতাকে জ্যোতিক বিদ্যা শিক্ষাৰ বাবে তেজপুৰ হাইস্কুলত নাম লগাই দিলে। পখিলাৰ দৰে মুক্তভাৱে প্ৰকৃতিৰ মোহনীয়া কলাক্ষেত্ৰত উমলি-জামলি নাচি স্ফূৰ্তি কৰি থকা জ্যোতিৰ স্কুলৰ চাৰিবেৰৰ মাজত বন্দীত্বৰ দৰে লগা স্কুলত মন বহা নাছিল। সেয়ে দেউতাকে জ্যোতিক চন্দ্ৰ কুমাৰ আগৰৱালা দেৱৰ লগত ডিব্ৰুগড়লৈ পঠিয়াই দিয়ে। তাতে বৰদেউতাকে জ্যোতিক ডিব্ৰুগড়ৰ চৰকাৰী স্কুলত নাম লগাই দিয়ে। ডিব্ৰুগড়ত জ্যোতিয়ে বিশিষ্ট কবি সাহিত্যিক যতীন্দ্ৰ নাথ দুৱৰা আৰু শৈলধৰ ৰাজখোৱাক লগ পায়। চন্দ্ৰ কুমাৰ আগৰৱালা দেৱৰ লগতে এই দুগৰাকী সাহিত্যিক কবিৰ সান্নিধ্যত জ্যোতিৰ সাহিত্য সংস্কৃতি জীৱনৰ চুপহি মেলাৰ অনুকূল বাতাবৰণৰ সৃষ্টি হয়। জ্ঞানীলোকৰ সান্নিধ্য পাই জ্যোতিৰ পঢ়াৰ প্ৰতি ধাউতি হয় আৰু তেতিয়া দেউতাকে তেওঁক নি তেজপুৰৰ চৰকাৰী হাইস্কুলত নাম লগাই দিয়ে। তেনে সময়তে ভাৰতবৰ্ষৰ সকলো ঠাইতে স্বাধীনতা আন্দোলনে তোলপাৰ লগায়। নিজ মাতৃভূমিৰ স্বাধীনতাৰ কাৰণে স্বদেশ প্ৰেমিক জ্যোতিয়ে পঢ়া-শুনা বাদ দি আন্দোলনত জপিয়াই পৰে। ইয়াৰ পিচত চিত্তৰঞ্জন দাস প্ৰতিষ্ঠিত বিদ্যালয়ৰ পৰা জ্যোতি প্ৰসাদে দ্বিতীয় বিভাগত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়।

বিদ্যালয়ৰ শিক্ষা সাং কৰি জ্যোতি প্ৰসাদে কলিকতাৰ নেশ্যনেল কলেজত আই. এ মহলত নাম লগায় আৰু দ্বিতীয় বাৰ্ষিকলৈ পঢ়ে। কিন্তু সেই সময়ত মহাবিদ্যালয়খন কিবা কাৰণত বন্ধ হৈ গ'ল। ফলত জ্যোতিপ্ৰসাদৰ শিক্ষা গ্ৰহণত বাধা আহি পৰিল। শিক্ষা শেষ হোৱাত জ্যোতিয়ে বৰদেউতাকৰ লগত ছপাশালৰ কামবোৰ শিকিলে। জ্যোতিয়ে নিজৰ অধ্যৱসায়, ধৈৰ্য্য আৰু দৃঢ়তাৰ সৈতে আলোচনী সম্পাদনাৰ বিষয়ে বিভিন্ন বাস্তৱ জ্ঞান আহৰণ

কৰে। সেই সময়তে জ্যোতি প্ৰসাদৰ সাহিত্য সৃষ্টিৰ দিশতো মনোযোগ আকৰ্ষিত হয়। তেনে সময়তে জ্যোতি প্ৰসাদৰ বিলাতলৈ গৈ উচ্চ শিক্ষা লোৱাৰ প্ৰবল ইচ্ছা জাগ্ৰত হয়। ১৯২৬ চনৰ ছেপ্তেম্বৰ মাহত জ্যোতি প্ৰসাদ শিক্ষাৰ বাবে বিলাতলৈ ৰাওনা হয়। তেওঁ প্ৰথমতে এডিন বৰা বিশ্ববিদ্যালয়ত মেট্ৰিকুলেচন পৰীক্ষা দিয়ে। প্ৰথম বছৰত জ্যোতি প্ৰসাদে পৰীক্ষাত কৃতকাৰ্য্য হ'ব নোৱাৰিলে। কিন্তু দ্বিতীয় বছৰ তেওঁ চৰ্ত সাপেক্ষে সংস্কৃত এম. এ পঢ়াৰ সুবিধা পায়। তেওঁ জাৰ্মানী, লণ্ডন, বাৰ্লিন আদি ঠাইত কলা-সংস্কৃতি সাহিত্য আৰু কথাছবি সম্পৰ্কে বহুতো বৰ্হিগত জ্ঞান লাভ কৰে। ১৯৩০ চনত তেওঁ মছেলি, বাগদাদ, বেবিলন; কাৰবালা আদি বিভিন্ন দেশত পৰিভ্ৰমণ কৰি শেষত ভাৰতত উপস্থিত হয়হি।

বিদেশৰ পৰা আহিয়েই তেওঁ পুনৰ ভাৰতৰ স্বাধীনতা আন্দোলনত যোগ দিয়ে। ১৯২১ চনত ভাৰত জুৰি অসহযোগ আন্দোলন আৰম্ভ হয়। জ্যোতি প্ৰসাদে স্বাধীনতা আন্দোলনত যোগ দিয়া অৱস্থাতে তেওঁৰ বিপ্লৱী ভাৱধাৰাৰ উদয় হয় আৰু নানা বিপ্লৱী গীত কবিতা আদি ৰচনা কৰে। স্বাধীনতা সংগ্ৰামৰ লগতে বিভিন্ন সংস্কৃতিমূলক কামতো তেওঁ যোগ দিয়ে। ব্যক্তিগত জীৱনত ১৯২০ চনৰ পৰা ১৯৪২ চনলৈকে স্বাধীনতা আন্দোলনৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত আছিল। মহাত্মা গান্ধীৰ ব্যক্তিগত প্ৰভাৱে জ্যোতিৰ বিপ্লৱী চিন্তাধাৰাক অধিক প্ৰাণৱন্ত কৰি তোলে। আইন অমান্য আন্দোলনৰ পিছতে জ্যোতি প্ৰসাদ তেজপুৰ কংগ্ৰেছ দলৰ অধিনায়ক হৈ পৰে। এই সময়তে ১৯৩০/৩১ চনত তেওঁ জেললৈ যাব লগা হয়।

শিল্পী আগৰৱালা পাৰিবাৰিক জীৱন আছিল বৰ কৰুণ। ১৯৩৬ চনত তেওঁ দেৱযানী ভূঞাক বিয়া কৰায়। তেওঁৰ সাতটা ল'ৰা-ছোৱালীৰ দুজন ল'ৰা আৰু পাঁচজনী ছোৱালী। ল'ৰাকেইজন চিন্ময় আৰু বিশ্বেন্দু আগৰৱালা। আৰু ছোৱালী কেইজনী— জয়শ্ৰী, জ্ঞানশ্ৰী, সত্যশ্ৰী, হেমশ্ৰী আৰু মনশ্ৰী। ঘৰুৱা জীৱনত জ্যোতি প্ৰসাদ আছিল বৰ সৰল আৰু আনন্দ প্ৰেমী। নিজৰ ল'ৰা-ছোৱালীক তেখেতে বৰ মৰম কৰিছিল আৰু সিহঁতক গান গাবলৈ, হাৰমণিয়াম বজাবলৈ, কবিতা আবৃত্তি কৰিবলৈ শিকাইছিল। দেশখন, সমাজখন সুন্দৰ হোৱাৰ লগতে তেওঁ ঘৰখনো পৰি পাটি হোৱাটো বিচাৰিছিল। ১৯৪৯ চনত ২৯ বছৰ বয়সত পৰিবাৰ দেৱযানীৰ মৃত্যু হয়। ইয়াৰ পিচত সৰু সৰু সাতোটা ল'ৰা-ছোৱালী সহ জ্যোতিৰ জীৱন বৰ দুখময় হৈ পৰে।

১৯৩০ চনত তেওঁ পৈত্তিক সম্পত্তি ভোলাগুৰি চাহ বাগিছাতে অস্থায়ী "জ্যোতি চিত্ৰবন" নিৰ্মাণ কৰে। আৰু প্ৰথম অসমীয়া বোলছবি জয়মতীৰ নিৰ্মাণ কৰে। ১৯৩৫ চনৰ ১০ মাৰ্চত জয়মতীৰ মুক্তি হয়। ১৯৩৭ চনত তেওঁ তেজপুৰত "জোনাকী" চিনেমা হল প্ৰতিষ্ঠা কৰে। ১৯৪০ চনত তেওঁ তেজপুৰত সংগীত বিদ্যালয় স্থাপন কৰে। স্বাধীনতাৰ আগে আগে তেওঁ ডিব্ৰুগড়ৰ ওচৰত তামোলবাৰী চাহ বাগিছাৰ পৰিচালকৰ দায়িত্ব লয়। আৰু পৰিচালক হৈ থকা অৱস্থাত তেওঁৰ দুৰাৰোগ্য কেন্সাৰ বেমাৰ আৰম্ভ হয়।

অসমীয়া সাহিত্য সংস্কৃতি পোহৰলৈ নিয়াৰ জীৱন জোৰা আলোকযাত্ৰী আছিল জ্যোতি প্ৰসাদ আগৰৱালা। অসমীয়া সাহিত্য সংস্কৃতি গোটেই বিশ্ব দৰবাৰত জাকত-জিলিকা হৈ উঠাটো তেওঁ বিচাৰিছিল। সেয়ে তেওঁ সাহিত্যৰ জোনাকী কলম হাতত লৈ নাটক, কবিতা, গীত, প্ৰবন্ধ, গল্প, সমালোচনা সাহিত্য, সাংবাদিকতা আদি বহুমুখী দিশত তেওঁ অমূল্য অৰিহনা যোগাইছিল। জ্যোতি প্ৰসাদ আছিল সংস্কৃতিৰ আলোকময় অভিযাত্ৰী যুগ স্ৰষ্টা। জ্যোতিয়ে ভাৰতৰ চিৰসুন্দৰ মানবীয় সংস্কৃতিক অসুন্দৰৰ কালিমানাশী বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাবে জনগণক আহ্বান জনাইছিল। সংস্কৃতৰ সংজ্ঞা নিৰূপণ কৰি জ্যোতিয়ে লিখিছিল— "সংস্কৃতি মানৱ জীৱনৰ পোহৰ, সৌন্দৰ্য্য আৰু আনন্দ।"

জ্যোতি প্ৰসাদ বিপ্লৱত বিশ্বাসী আছিল। বিপ্লৱৰ বাণীকেই তেওঁ জনগণৰ মাজত বিস্তাৰিত কৰিব বিচাৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে বিপ্লৱ আবিহনে কোনো জাতিয়ে কোনো ক্ষেত্ৰতে আগবাঢ়ি যাব নোৱাৰে। তেওঁৰ মতে বিপ্লৱেই উন্নতিৰ সিংহদ্বাৰ। এইজনা বিপ্লৱী মনীষাৰ প্ৰতীক আগৰৱালা দেৱে অসমীয়া সাহিত্যৰ প্ৰায়বোৰ দিশতে নিজৰ বলিষ্ঠ লেখনি আগবঢ়াই স্বাধীনোত্তৰ যুগৰ সময়তে অসমীয়া সাহিত্যক উন্নতিৰ বাটলৈ আগবঢ়াই লৈ যায়। তেওঁৰ বলিষ্ঠ হাতৰ পৰশত সাহিত্যৰ সকলোবোৰ দিশ জাতিষ্কাৰ হৈ পৰিছিল। তেওঁ ৰচনা কৰা গ্ৰন্থ সমূহত সাধাৰণতে তেওঁৰ বৈপ্লৱিক দিশটোহে অধিক বিকশিত

হৈছিল।

জ্যোতিয়ে অসংখ্য গীত ৰচনা কৰে। সেইবোৰক বৰ্তমানে একেলগে "জ্যোতি সংগীত" বুলি কোৱা হয়। এই গীতবোৰ তেওঁ নাটকৰ বাবে ৰচনা কৰিছিল। আগৰৱালা দেৱে ৰচনা কৰা গ্ৰন্থ সমূহৰ ভিতৰত প্ৰথম হ'ল "শোণিত কুৱৰী" নাট। এই নাট তেওঁ ছাত্ৰ জীৱনতে ৰচনা কৰিছিল। তেওঁৰ সৰ্বশ্ৰেষ্ঠ নাট "কাৰেঙৰ লিগিৰী"ৰ পটভূমি মধ্যযুগীয়া হলেও এই নাটৰ সুন্দৰ কোঁৱৰকে তেওঁ প্ৰতিবাৰে প্ৰগতিৰ প্ৰতীক ৰূপে চিত্ৰিত কৰিছে। নাটকখনৰ বিষয়বস্তু ৰচনা শৈলীত ৰোমান্টিক দৃষ্টিভংগীৰ প্ৰাধান্য আছে যদিও নিৰ্মাণ কৌশলৰ চাৰ্তুয্য পৰিলক্ষিত হয়। দ্বিতীয় মহাসমৰৰ পটভূমিত ৰচনা কৰা নাট 'লভিতা' তেওঁৰ তৃতীয় নাট। ১৯৪০ চনত ৰচনা কৰা 'ৰূপালীম' নাটকখনো তেওঁৰ উৎকৃষ্ট নাট। " খনিকৰ ", " নিমাতী কন্যা " আদি নাটকবোৰো সৃষ্টিৰ ফালৰ পৰা অপূৰ্ব। ইয়াৰ উপৰিও " সোণ পখিলি " নামৰ এখন নাট লিখে। এই নাটখন অসমাপ্ত হৈ থকাত সাহিত্যচাৰ্য্য অতুলচন্দ্ৰ হাজৰিকাদেৱে সমাপ্ত কৰে।

জ্যোতিৰ কবিতাবোৰ আছিল সুন্দৰ আৰু অপূৰ্ব। তেওঁৰ কবিতা সমূহ "লুইতৰ পাৰৰ অগ্নিসুৰ" নামৰ কবিতা পুথিখনত সন্নিবিষ্ট হৈ আছে। তেওঁৰ প্ৰায়বোৰ কবিতাই বিদ্ৰোহ ভাৱাপন্ন। জাতীয়তা বাদ বুৰঞ্জীৰ লগত একাত্মবোধ, জনতাৰ প্ৰতি দায়বদ্ধতা, পৌৰষতা, ভাষা আৰু শব্দ প্ৰয়োগৰ যৌৱন সুলভ দীপ্ততা কবিতাৰ বৈশিষ্ট্য। তেওঁৰ গীত সমূহত কোমল মধুৰ আৰু পৌৰষ দীপ্ত এই দুটা সুৰ ধ্বনিত হৈছে। গীতবোৰৰ সুৰ, ভাৱ আৰু অনুভূতিৰ অপূৰ্ব সমন্বয়। তেওঁৰ অপূৰ্ব কাব্য প্ৰতিভাৰ শ্ৰেষ্ঠ সৃষ্টি হয়— "নৱ বিপ্লৱী কবি জাগে", "জনতাৰ আহ্বান", মুক্তি লাচিতৰ আহ্বান", "জয়মতীৰ আত্মাৰ উক্তি", "কনকলতা", "কাঞ্চনজংঘা", "পোহৰৰ গান" ইত্যাদি।

তেওঁ লিখা প্ৰবন্ধ সমূহৰ ভিতৰত "স্থাপত্যৰ নৱৰূপ", "পোহৰলৈ", "নতুন দিনৰ কৃষ্টি", "শিল্পীৰ পৃথিৱী", "তৰুণ-তৰ্পন", "অসমৰ ফিল্ম-শিল্প" "ঢেঁকিয়াজুলিৰ বিয়াল্লিছৰ কাহিনী" আদিবোৰ উল্লেখযোগ্য। জ্যোতি প্ৰসাদ আগৰৱালা এগৰাকী সাংবাদিকো আছিল। ১৯৪৪ চনত তেওঁ "অসমীয়া" কাকতৰ সাত মাহৰ বাবে সম্পাদনাৰ দায়িত্ব পালন কৰিছিল। উক্ত কাকতৰ যোগেদি তেওঁ বিভিন্ন উন্নয়ণশীল কাম সমূহত জনমত গঠনৰ চেষ্টা কৰিছিল।

সাহিত্যৰ বিভিন্ন দিশত জ্যোতি প্ৰসাদ আগৰৱালাই এইদৰে বৰঙনি আগবঢ়ালেও জ্যোতি প্ৰসাদৰ প্ৰকৃত সাহিত্যিক বিশ্লেষণত তেওঁৰ ৰচিত নাটবোৰৰ কথাকেই আমি মুখ্যতঃ ল'ব লাগিব। জ্যোতি প্ৰসাদৰ নাটকেৰে আগৰ অসমীয়া নাটবোৰৰ গতানুগতিকতাৰ বন্ধন চিঙি দিয়ে আৰু নাট্য সাহিত্যলৈ নতুনত্ব কঢ়িয়াই আনিবলৈ সক্ষম হয়। সাহিত্যৰ সকলো গুণেৰে সমৃদ্ধ জ্যোতি প্ৰসাদক সেয়ে "ৰূপ কোঁৱৰ" আখ্যা দিয়া হয়।

এইজনা কবি, সাহিত্যিক, নাট্যকাৰ, সংগীতজ্ঞ, অসমীয়া বোলছবি জগতৰ পিতৃ, গীতিকাৰ, সুৰৰ যাদুকৰ, বিপ্লৱী বীৰ, স্বদেশ প্ৰেমিক ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ ১৯৫১ চনৰ ১৭ জানুৱাৰীত ৪৮ বছৰ বয়সত আজীৱন শিল্পী মৃত্যুৰ চিৰশান্তিৰ কোলাত চিৰদিনৰ বাবে টোপনি গ'ল। জননীৰ থাপনাৰ চিৰ জ্যোতিষ্মান বন্তি গছি নুমাই গ'ল। তেওঁৰ অকস্মাৎ মৃত্যুয়ে অসমীয়া সাহিত্যৰ জগতৰ এক অপূৰণীয় ক্ষতি কৰিলে। সেনাপতিৰ অভাৱত লুইতৰ পাৰৰ সংস্কৃতিৰ ৰনথলিৰ শত সহস্ৰ মানুহ, শিল্পীমনৰ মানুহ ক্ষন্তেকৰ বাবে স্তব্ধ হৈ গ'ল। তেওঁ মৃত্যুৰ লগতে অসমীয়া সাহিত্যৰ সোণালী ভৱিষ্যতৰ অৱসান ঘটিল।

গাঁৱৰ বাটেৰে, লুইতৰ ঘাটেৰে বিশ্ব চাবলৈ ওলোৱা এই শিল্পী গৰাকীয়ে দুষ্কৃতিৰ অন্ধকাৰ নাশি সংস্কৃতিৰ সুন্দৰ অসম, সুন্দৰ ভাৰত, সুন্দৰ বিশ্ব সৃষ্টিৰ সপোন দেখিছিল, সেয়েহে ব্যক্তিগত সুখ-স্বাচ্ছন্দ্য নেওচি, দুষ্কৃতিৰ বিপক্ষে লুইতৰ পাৰৰ মহাজনতাৰ আলোকময় সংস্কৃতিৰ নেতৃত্ব লৈছিল। জ্যোতিৰ চিৰসুন্দৰ অসম, চিৰসুন্দৰ ভাৰতৰ কল্পনা আজিও বাস্তৱত ৰূপায়িত নহ'ল। দৰিদ্ৰতা, সংকীণ গোষ্ঠী চিন্তা, সাম্প্ৰদায়িক ভেদাভেদ, সংঘৰ্ষ সন্ত্ৰাসবাদ আদিয়ে আজিও আমাৰ সমাজ তথা স্বদেশ কলুষিত কৰি ৰাখিছে। মহাজনতাৰ মাজৰ পৰা এইবোৰ কলুষ, কালিমা আঁতৰাই অসমৰ ভাৰতৰ নতুন পুৰুষৰ সোণৰ অসম গঢ়িবলৈ প্ৰয়াস কৰা এইজন সাহিত্যিক ব্যক্তিৰ ওচৰত আমি চিৰকৃতজ্ঞ। এইজনা মহান পুৰুষৰ সাধনাৰ আৰ্হি যাতে আমাৰ সকলোৰে আৰ্হি হওঁক।

প্ৰবন্ধ

# কুৰি শতিকাৰ বিজ্ঞান আৰু অন্ধবিশ্বাস

শ্ৰীউজ্জ্বল ফুকন
স্নাতক দ্বিতীয় বৰ্ষ

বিজ্ঞান হ'ল সত্য অন্বেষনৰ আহিলা। আধুনিক যুগৰ বাৰ্তাবাহক বিজ্ঞানৰ পৰা আহৰন কৰা জ্ঞান যুক্তিনিষ্ঠ, পৰীক্ষিত আৰু আবেগ বৰ্জিত। কুৰিশতিকাৰ অন্তিম ক্ষনত আৰু একবিংশ শতিকাৰ আৰম্ভনিৰ সময়ত আমাৰ আধুনিক সমাজখন যিমানেই প্ৰগতিৰ দিশত আগবাঢ়িছে তাৰ তুলনাত সমাজত বিজ্ঞানৰ পৰিবেশ এটা গঢ় লৈ উঠিছে বুলি ক'ব নোৱাৰি। আমাৰ বহুতে বিজ্ঞান লৈ পঢ়া শুনা কৰিলেও অথবা বিজ্ঞানৰ কোনো এটা বিভাগক পেছা হিচাপে গ্ৰহণ কৰিলেও মনে-প্ৰানে বৈজ্ঞানীক দৃষ্টিভংগী গ্ৰহণ কৰিব পৰা নাই। এইসকলে জানি-শুনিও যুক্তিহীন ধ্যানধাৰণাকে খামুচি ধৰি অন্ধবিশ্বাসক সাৰ পানী দি ৰাখিবলৈ যত্ন কৰে।

আজিৰ এই প্ৰতিযোগিতামূলক জটিল পৃথিৱীখনত প্ৰত্যেক বস্তুকে বৈজ্ঞানিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰি চাব লাগিব। ইয়াকে কৰোতে আমি প্ৰথমেই জানিব লাগিব বিজ্ঞান কি?

বিজ্ঞান বুলিলে আমি সকলো প্ৰকাৰৰ প্ৰনালীবদ্ধ অধ্যয়নকে বুজো। ঘটনা বা তত্বসমূহৰ উৎস অনুসন্ধান কৰি সত্য উৎঘাটন কৰা, শৃংখলাবদ্ধভাৱে সজোৱা আৰু শ্ৰেণীবিভাগ কৰাকেই বিজ্ঞান বোলে। বিজ্ঞান আৰু বৈজ্ঞানিক মানসিকতাৰ স্বৰূপ ৰাখ্যা কৰি ড° কুলেন্দু পাঠকদেৱে মন্তব্য কৰিছে, “সামন্তবাদী মধ্যযুগীয় সমাজ ব্যৱস্থাৰ লগত অসংগত বিশ্বাসতন্ত্ৰৰ সহ অৱস্থান স্বাভাৱিক ভাৱেই হৈ আছে। এনে বিশ্বাসতন্ত্ৰই শোষক শ্ৰেণীকহে সকলো সুবিধ ভোগ কৰাৰ সকলো বাট ওলিয়াই দিয়ে।” বিজ্ঞানৰ দৰ্শন বিশ্লেষণ কৰি তেওঁ উল্লেখ কৰিছে যে বিজ্ঞানত শেষ সত্য বোলা কথাযাৰ বৈজ্ঞানিক মানসিকতাৰ প্ৰতিফলন নহয়। বিজ্ঞানক আধুনিক মেজিকত পৰিণত কৰাৰ প্ৰচেষ্টা দৰাচলতে ক্ষতিকাৰক আৰু সি বিজ্ঞান দৰ্শনৰ পৰিপন্থী।

“অন্ধবিশ্বাস” ই আজি আমাৰ দেশতে নহয় পৃথিৱীৰ সকলো দেশতে কম-বেছি পৰিমানে মানুহৰ মন জয় কৰি আহিবলৈ সক্ষম হৈছে। প্ৰকৃততে অন্ধবিশ্বাসনো কি ইয়াৰ এটা সৰ্বজনবিদিত সংজ্ঞা দিয়া কঠিন। তথাপিও আমি এই বুলি ক'ব পাৰো, আমাৰ সমাজৰ এচামে এনেকুৱা কিছুমান কথাত বিশ্বাস কৰে যিবোৰৰ প্ৰকৃততে কোনো যুক্তিসংগত সত্যতা নাই। পৰ্য্যবেক্ষন আৰু পৰীক্ষাৰ চালনীৰে চালি-জাৰি নোচোৱাকৈ, যুক্তিৰ ভেটিত সযতনে তুলি নোলোৱাকৈ অন্ধভাৱে যি বিশ্বাস কৰা হয়, সিয়েই অন্ধবিশ্বাস। উদাহৰণ স্বৰূপে বৃহস্পতিবাৰে যাত্ৰা কৰা অমংগল, যাত্ৰাৰত অৱস্থাত বাহনৰ আগেদি মেকুৰী পাৰ হোৱা অমংগলীয়া। শালিকা চৰাইৰ লগতো দিনটোৰ শুভাশুভ নিৰ্ণয় কৰা হয়। কিশোৰ-কিশোৰী, ডেকা-গাভৰুৰ মাজত শালিকাক লৈ প্ৰচলিত অন্ধবিশ্বাস এনে ধৰণৰ—

One for Sorrow, two for joy,
Three for letter, four for better,
Five for health, six for health,

সংখ্যা সম্পৰ্কে তেৰ নম্বৰটো অশুভ (Unluckly thirteen)। এই সংখ্যাটোক খ্ৰীষ্টিয়ান সকলে এই কাৰণেই অশুভ বুলি ভাৱে— যীশুখ্ৰীষ্টৰ শেষ নৈশভোজত বাৰজন সদস্যৰ সৈতে মুঠ তেৰজন শিষ্য উপস্থিত আছিল। তেৰ নম্বৰৰ শিষ্যজন আছিল বিশ্বাসঘাটক জুদাছ ইছকেৰিয়েট। সেয়েহে খ্ৰীষ্টিয়ান সকলে তেৰ নম্বৰটোক অশুভ বুলি বিশ্বাস কৰে। ১৯৮৮ চনত ১৩ জুলাইত ভাৰতৰ শ্ৰীহৰিকোট্ৰৰ পৰা উৎক্ষেপন কৰা ভাৰতীয় উপগ্ৰস A.S.L.V.-D উৰা মৰাৰ ক্ষন্তেক পাছতেই বংগোপ সাগৰত পৰে। অসমৰ বাতৰি কাকত

এখনেওঁ ১৩ জুলাই তাৰিখে উৎক্ষেপন কৰাৰ বাবেহে এই পৰিণতি হোৱা বুলি সম্পাদকীয়ত লিখিছিল। মাৰ্কিন যুক্তৰাষ্টৰ এপ'লো ১৩ নামৰ মহাকাশ যানখনৰ অসফলতাৰ বাবে কাৰিকৰী ত্ৰুটিতকৈ নম্বৰটোকহে অশুভ বুলি বিশ্বৰ মুখ্য সংবাদ পত্ৰ সমূহৰ সম্পাদকীয়ত লিখিছিল। অৱশ্যে ভাৰতীয় বা মাৰ্কিন যুক্তৰাষ্ট্ৰ বিজ্ঞানীসকলে ইয়াক গুৰুত্ব নিদিয়াটো এক শুভ লক্ষন।

মাদলি, তাবিজ আদিৰ দ্বাৰাও বেমাৰ আজাৰ, ভূত-প্ৰেত আদিৰ পৰা ৰক্ষা পাব পাৰি বুলি শতকৰা নবৈ ভাগ মানুহে এতিয়াও বিশ্বাস কৰে।

এয়া মাত্ৰ আমাৰ সমাজত প্ৰচলিত অন্ধবিশ্বাসৰ এটা নমুনাহে। ইয়াৰ উপৰিও আমাৰ সমাজত থকা অন্ধবিশ্বাসৰ দৃষ্টান্ত লিখি বা কৈ অন্ত পেলাব নোৱাৰি।

আজি আমাৰ সমাজত অন্ধবিশ্বাসে বহুল ভাবে গা কৰি উঠাৰ মূলতে হ'ল বৈজ্ঞানিক দৃষ্টিভংগীৰে পৰ্য্যবেক্ষন কৰি চোৱা মানসিকতাৰ অভাৱ। আজিৰ মানুহে চন্দ্ৰত ভৰি দিয়াৰ যুগত বৃহস্পতিবাৰে যাত্ৰা কৰা অমংগলীয়া বুলি কোৱা চৰম পৰিতাপৰ কথা। যিটো যুগত চিকিৎসা বিজ্ঞানে টেষ্ট টিউবত সন্তান জন্ম দিব পাৰিছে, এতিয়া জানো মাদলি, তাবিজ পিন্ধি বেমাৰ উপশম কৰিব পাৰে বুলি বিশ্বাস কৰিব পাৰি। আমাৰ বিশেষকৈ গাঁও অঞ্চলত বসবাস কৰা লোকসকল এতিয়াওঁ এই বিজ্ঞানৰ যুগত ইমানেই হোজা হৈ আছে যে তেওঁলোকে যিকোনো এটা বিষয়ক যুক্তিৰ দ্বাৰা চালি-জাৰি সেইটো গ্ৰহনৰ যোগ্য নে অযোগ্য, সেইটো চোৱাৰ মানসিকতাৰ অভাব। তেওঁলোকে কেবল তেওঁলোকৰ পূৰ্ব পুৰুষসকলে প্ৰচলন কৰি থৈ যোৱা পুৰনিকলীয়া যুক্তিহীন নীতি-নিয়মকে মানি আহিছে। ফলত এফালে অন্ধবিশ্বাসে গা কৰি উঠিছে আৰু আনফালে বিজ্ঞানক একাষৰীয়াকৈ ৰাখিছে। লগে লগে বৈজ্ঞানিক দৃষ্টিভংগীৰে কোনো বিষয় চালি জাৰি চোৱা মানসিকতা লোপ পাইছে।

বিজ্ঞানৰ সত্যক বা বিজ্ঞান চেতনাক যুগে যুগে ঢাকি ৰখাৰ চেষ্টা কৰি অহা হৈছে। অযুক্তিবাদী অথবা ধৰ্ম বিশ্বাসীসকলে চলোৱা বিজ্ঞান বিৰোধী প্ৰচাৰ বা গ্ৰহন কৰা ব্যৱস্থাৰ উদাহৰণ ইতিহাসত অনেক পোৱা যায়।

গেলিলিউয়ে প্ৰমান কৰিছিল যে পৃথিৱীখন সূৰ্য্যৰ চাৰিওফালে ঘূৰে। গেলিলিউৰ এই ঘোষণা খ্ৰীষ্টধৰ্মৰ যাজক সকলে তেতিয়া অসত্য আৰু ঈশ্বৰ বিৰোধী অধাৰ্মিক বুলি প্ৰচাৰ চলাইছিল। আনকি ইয়াৰ বাবে তেওঁ জীৱনৰ বাকী কালছোৱা বন্দী জীৱন কটাব লগাত পৰিছিল। আনকি পবিত্ৰ বাইবেল স্পৰ্শ কৰি ঈশ্বৰৰ নামত শপতো খাব লগা হৈছিল। কিন্তু আজি প্ৰায় ৩৬০ বছৰৰ পাছতহে ধৰ্মযাজক সকলে গেলিলিউৰ আবিষ্কাৰ সত্য আছিল বুলি ক'বলৈ আহৰি পালে। উল্লেখ্য যে যোৱা ১৯৯২ চনৰ ১২ অক্টোবৰৰ দিনা ভেটিকান নগৰত বিজ্ঞানী, খৃষ্টিয় ধৰ্মপ্ৰান আৰু নবেল বঁটা বিজয়ী বিজ্ঞানীসকল সমবেত হোৱা এখন জনসভাত পোপ জন প'লে গেলিলিউৰ সূত্ৰ সঠিক বুলি ঘোষণা কৰে। তেওঁলোকে এই সিদ্ধান্তত উপনীত হ'বলৈ ১২ বছৰ ধৰি তদন্ত কৰিবলগীয়া হৈছিল।

ধৰ্মান্ধতাই দেশ আৰু সমাজক কিমান আপচু ৰূপত তুলি ধৰিব পাৰে অযোধ্যাৰ ঘটনাৱলীয়েই তাৰ প্ৰকৃষ্ট উদাহৰণ। এচাম লোকে ৰামৰ জন্মঠাই বুলি নিৰ্দিষ্ট এডোখৰ ঠাই চিহ্নিত কৰি বিবাদৰ সূত্ৰ ধৰিছে যিডোখৰ ঠাইত এটা মজজিদ আছে। অথচ ৰামৰ জন্মঠাই বুলি নিৰ্দিষ্টকৈ কোৱাৰ কোনো ঐতিহাসিক সাক্ষ্য প্ৰমান পাবলৈ নাই। প্ৰসিদ্ধ গৱেষক ডঃ সুমিতি কুমাৰ চট্টোপাধ্যায় দেৱে লিখিছে যে ৰামায়নৰ অন্তৰালত বা পাশ্চাৎপটত কোনো ঐতিহাসিক ভিত্তি আছে বুলি ধাৰণা কৰিব নোৱাৰি। সাম্পতিক কালৰ ভাৰতীয় ইতিহাসৰ কোনো পণ্ডিতে নেভাবে যে ৰামায়নৰ নায়ক ঐতিহাসিক ব্যক্তি আছিল যাক কোনো সময়ৰ বা বিশেষ কালৰ সীমাৰ ভিতৰত ধৰিব পাৰি। তেনে এক ভ্ৰান্ত ধাৰনাকে সৰোগত কৰি যোৱা ১৯৯২ চনৰ ৬ ডিচেম্বৰ দিনা এচাম লোকে অযোধ্যাৰ বাবৰি মজজিদটো ধ্বংস কৰি পেলালে। এই ঘটনাৰ লগে লগে ভাৰতব্যাপি সহস্ৰাধিক লোকৰ তেজৰ নৈ বৈ গ'ল আকৌ ইপিনে ঘটনাটোৰ পোতক তোলাৰ মানসৰে আন এচাম লোকে দেশে বিদেশে কিছুমান মন্দিৰৰ ওপৰত বৰ্বৰ আক্ৰমন চলাই ধৰ্ম প্ৰেমৰ, নমুনা দেখুৱালে।

এনেবোৰ নৃশংস ঘটনাৱলীক বিজ্ঞান চেতনাৰ প্ৰতিফলন বুলিব পাৰি জানো? ৰামৰ জন্মঠাই বুলি কিছুমানে বিশ্বাসক দোহাই দিয়ে। কিন্তু বিশ্বাসৰ পৰিনতি যদি এনেকুৱা ভয়ংকৰ হয়, বিজ্ঞানুৰাগী সকলে বাৰু কি পথ ল'ব?

"জ্যোতিষবিদ্যা আৰু হস্তৰেখাবিদ্যা" আমাৰ সমাজত জনপ্ৰিয় দুবিধ অন্ধবিশ্বাস। আমাৰ বিশ্বাস যাৰ

সহায়ত এই বিদ্যাৰ অধিকাৰীসকলে আমাৰ ভৱিষ্যত নিৰ্ণয় কৰিব পাৰে। আচলতে বৈজ্ঞানিক দৃষ্টিত এই দুইবিধ হ'ল এক ভ্ৰান্ত বিজ্ঞান।

জ্যোতিষবিদ্যাৰ মতে কোনো মানুহৰ ভৱিষ্যত তেওঁৰ জন্মৰ মুহূৰ্ত্ততে নিৰ্দ্ধাৰিত হৈ পৰে। তেওঁৰ স্বভাব চৰিত্ৰ, উন্নতি-অবনতি, বিবাহ-মৃত্যু নিৰ্ভৰ কৰে তেওঁৰ জন্ম মুহূৰ্ত্তত কোটি-কোটি কিলোমিটাৰ দূৰত থকা কেইটামান গ্ৰহ-নক্ষত্ৰৰ অৱস্থানৰ ওপৰত।

কিন্তু বিজ্ঞানীসকলে জ্যোতিবিদ্যাৰ এই তত্ব মানি নলয়। তেওঁলোকৰ মতে, গ্ৰহ-নক্ষত্ৰবিলাকৰ পৰা যি পৰিমানৰ বিকিৰণ পৃথিৱীত আহি পৰে সেইয়া অত্যন্ত ক্ষীন। এই গ্ৰহ-নক্ষত্ৰবিলাকৰ পৃথিবীৰ ওপৰত পৰা মহাকৰ্ষনজনিত প্ৰভাবো ইমান কম যে তাতকৈ বৰঞ্চ জাতকৰ আশে-পাশে থকা বহুতো বস্তুৰেই এনে প্ৰভাব বেছি। গতিকে গ্ৰহ-নক্ষত্ৰৰ ক্ৰিয়াই জাতকৰ ভৱিষ্যত নিয়ন্ত্ৰন কৰে বুলি ভবাৰ কোনো যুক্তি নাই। অলপ বিশ্লেষণ কৰি চালে দেখা যায় যে অকল গ্ৰহ-নক্ষত্ৰৰ প্ৰভাবেই নহয়, জ্যোতিষশাস্ত্ৰৰ অনান্য মূলতত্ব সমূহৰো কোনো বৈজ্ঞানিক ভিত্তি নাই।

জ্যোতিষশাস্ত্ৰৰ মতে পৃথিৱী স্থিৰ হৈ আছে আৰু সূৰ্য্য লগতে অন্য গ্ৰহবোৰ পৃথিৱীৰ চাৰিওফালে ঘূৰি আছে। কিন্তু দূৰবীক্ষন যন্ত্ৰ আবিষ্কাৰৰ পাছত এতিয়া এইয়া বৈজ্ঞানিকভাৱে সুপ্ৰতিস্থিত যে সূৰ্য্যহে স্থিৰে আছে আৰু ইয়াকে কেন্দ্ৰ কৰি পৃথিৱী আৰু অন্য গ্ৰহ-উপগ্ৰহবোৰ ইয়াৰ চাৰিওফালে ঘূৰি আছে। তদুপৰি জ্যোতিষশাস্ত্ৰত যি নবগ্ৰহৰ কথা কোৱা হয় তাৰ ভিতৰত বুধ, মংগল, বৃহস্পতি, শুক্ৰ আৰু শনি— এই পাঁচটা গ্ৰহৰহে অস্তিত্ব আছে। ৰাহু আৰু কেতু নামৰ কোনো গ্ৰহ নাই। অন্যহাতে সূৰ্য্য এটা নক্ষত্ৰ আৰু চন্দ্ৰ এটা উপগ্ৰহহে। এইখিনিতে আৰু এটা মনকৰিবলগীয়া কথা হ'ল জ্যোতিষীসকলৰ গননাৰ ভিত্তি আকাশৰ সমস্ত জ্যোতিস্ক নহয়। আনকি ইউৰেনাচ, নেপচুন প্লেটোৰ প্ৰভাবৰ বিষয়েও জ্যোতিষশাস্ত্ৰ নিমাত। বাছি বাছি মাত্ৰ কেইটামান গ্ৰহ-নক্ষত্ৰ লৈ বাকীবিলাক জ্যোতিস্কৰ প্ৰভাব জ্যোতিষীসকলে কিয় উপেক্ষা কৰিলে বিজ্ঞানীসকলৰ বাবে সেয়াও এক দুৰ্বোধ্য বিষয়।

জ্যোতিষশাস্ত্ৰৰ অন্য এক গুৰুত্বপূৰ্ণ স্থান হ'ল— পঞ্জিকাখন। পঞ্চাংগৰ পৰা পঞ্জিকাৰ উৎপত্তি। এই পঞ্চাংগ হ'ল, বাৰ, তিথি, নক্ষত্ৰ, কৰন আৰু যোগ। অথচ জ্যোতিষীসকল এই পঞ্জিকাখনৰ ক্ষেত্ৰটো এক নহয়। ফলত কেতিয়াবা বছৰত দুৰ্গাপূজা, শংকৰ জন্মোৎসৱ দুৱাৰ পৰে।

জ্যোতিষবিদ্যাৰ দৰে হস্তৰেখাবিদ্যাও এক ভ্ৰান্ত বিজ্ঞান। হস্তৰেখাবিদসকলে হাতৰ ৰেখা কেইডাল পৰীক্ষা কৰি ভাল-বেয়া, উন্নতি-অবনতি, দুৰ্ঘটনা-মৃত্যু আদি সম্পৰ্কে নিৰ্ণয় কৰে। বিজ্ঞানে অৱশ্যে হাতৰ ৰেখাৰ লগত ভাগ্যৰ কিবা যোগসূত্ৰ আছে বুলি মানি নলয়।

ভ্ৰুন অৱস্থা ৭/৮ সপ্তাহৰ ভিতৰ শিশুৰ চাল আৰু ১২/১৪ সপ্তাহৰ ভিতৰত ভাজ তৈয়াৰ হয় বুলি চিকিৎসাবিজ্ঞানীসকলে মন্তব্য কৰে। গৰ্ভস্থ সন্তানে মুঠিমাৰি থকাৰ ফলত হাতৰ তলুৱাত ৰেখাবোৰৰ সৃষ্টি হয়। হাতৰ বিভিন্ন ধৰনৰ সঞ্চালনৰ বাবে এই ভাজবিলাক অপৰিহাৰ্য্য। বয়সত পৰিনত হোৱাৰ পাছত হাতৰ প্ৰধান ৰেখা তিনিডালৰ কোনো পৰিবৰ্তন নহয়। অৱশ্যে ব্যক্তিৰ বিভিন্ন ধৰনৰ কামৰ ওপৰত নিৰ্ভৰ কৰি অৰ্থাৎ হাতৰ বিভিন্ন ধৰনৰ কামৰ ওপৰত নিৰ্ভৰ কৰি সৰু সৰু ৰেখাবোৰৰ উৎপত্তি বা বিলুপ্তি ঘটিব পাৰে। এইখিনিতে উল্লেখ কৰিব পাৰি যে মানুহৰ আঙুলিৰ মুৰত থকা 'ৰিজ' বা পেপিলাৰী ৰেখাবোৰ জন্মৰ পৰা মৃত্যু পৰ্যন্ত একে থাকে আৰু প্ৰতি ব্যক্তিৰ ক্ষেত্ৰত এই ৰেখাবোৰৰ পেৰ্টান বেলেগ হয়। সেয়েহে অপৰাধ বিজ্ঞানত আঙুলিৰ ছাপৰ পৰা অপৰাধী চিনাক্তকৰণ কৰা হয়। গতিকে দেখা গ'ল আঙুলিৰ ৰেখাবোৰৰ পৰা মানুহৰ ভাগ্য নিৰ্ণয় কৰা বা গননা কৰাৰ কোনো বৈজ্ঞানীক ভিত্তি নাই।

এবাৰ কলিকতাৰ পৰা প্ৰকাশিত বিজ্ঞান আৰু সমাজ বিষয়ক এখন পত্ৰিকাত এটা তথ্য প্ৰকাশ পাইছিল। তথ্যটো আছিল এনে ধৰণৰ— এজন ব্যক্তিৰ দুইখন হাতৰ ছাপ লৈ গননাৰ বাবে প্ৰখ্যাত হস্তৰেখাবিদ এজন ওচৰলৈ পথোৱা হ'ল। হস্তৰেখাবোৰ পৰীক্ষা কৰি হস্তৰেখাবিদজনে অনান্য তথ্যৰ লগতে জনাইছিল যে— ব্যক্তিজন মৃগীৰোগত আক্ৰান্ত পঢ়াশুনাত খুওব উন্নতি কৰিব পাৰি, ৬০/৬২ বছৰ জীয়াই থাকিব। কিন্তু আমোদজনক কথাটো হ'ল হাতৰ ছাপ দুটা কোনো মানুহৰ নাছিল, আছিল এটা

পোৱালী বান্দৰৰহে।

কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে আজীৱন নিৰবিছিন্ন কৰি যোৱা বিশ্ববৰেন্য সংগ্ৰামী পুৰুষ ডঃ আব্ৰাহাম থুম্মা কোভৰে বিশ্বৰ সকলো জ্যোতিষী আৰু হস্তৰেখাবিদৰ প্ৰতি এক প্ৰত্যাহ্বান জনাইছিল যে, যিসকল জ্যোতিষী আৰু হস্তৰেখাবিদে জ্যোতিষবিদ্যা আৰু হস্তৰেখাবিদ্যাক বিজ্ঞান বুলি দাবী কৰি সৰল সহজ মানুহক প্ৰতাৰণা কৰি আহিছে তেওঁলোকে যদি অতি বেছি পাঁচ ভাগ ভুল কৰি দহখন জন্ম-পত্ৰিকা আৰু দহটা হাতৰ চাপ চাই সেইবিলাক নাৰীৰ নে পুৰুষৰ আৰু তেওঁলোক জীৱিত নে মৃত সেইয়া ক'ব পাৰে তেন্তে তেনে ব্যক্তিক ডঃ কোভৰে এক লাখ টকা পুৰস্কাৰ দিম বুলি প্ৰতিশ্ৰুতি দিছিল।

উল্লেখ্য যে তেওঁৰ এই প্ৰত্যাহ্বানৰ সন্মুখীন হবলৈ পৃথিৱীৰ চুকে কোনে, ৰাষ্টাই ঘাটে বা সুসজ্জিত চেম্বাৰত মাত্ৰ কেইটামান টকাৰ বাবে বোন্দাপৰ দি বহি থকা কোনো জ্যোতিষী বা হস্তৰেখাবিদই আগবাঢ়ি নাহিল। যিবা এজন আহিল তেওঁ মাত্ৰ ত্ৰিশ শতাংশহে শুদ্ধকৈ ক'বলৈ সক্ষম হ'ল।

ভগৱানে আমাক পোহ-পাল নিদিয়ে। ল'ৰা-ছোৱালীৰ দায়িত্ব প্ৰথমতে মাক-বাপেকৰ পাছত নিজে নিজৰ দায়িত্ব বহন কৰিব লাগে। হাতে-কাজে নকৰিলে ভগৱানে নকয় "এইটো লোৱা" বুলি। কিন্তু ভগৱানৰ অস্তিত্ব পৃথিৱীত এই কাৰণেই আৰু থাকিব লাগে, পৃথিৱীখনত বিশেষকৈ হিংসাৰে জৰ্জৰিত যিবোৰ কাৰ্য্য সংঘটিত হৈ থাকে, যদিহে ভগৱান বোলা বস্তু এটা নাথাকিলেহেঁতেন বা ভগৱানৰ ওপৰত বিশ্বাস নাথাকিলেহেঁতেন হয়তো সেইবোৰৰ বৃদ্ধি আমি ভাবিব নোৱাৰা ধৰনে হ'ল হয়। "মানুহৰ ভাগ্য নিজৰ হাততেই।" **Man is the architect of his own fate.** জ্যোতিষবিদ্যা, হস্তৰেখাবিদ্যা আদি ভ্ৰান্ত ধাৰণাৰ পৰা মুক্ত হৈ আত্মবিশ্বাস, যুক্তিলব্ধ জ্ঞান আৰু কৰ্ম প্ৰেৰণাৰে আগবাঢ়িলেহে আমি উন্নতিৰ পথত আগবাঢ়িব পাৰিম অন্যথা আমি বৃহদুৰ পিছুৱাই যাব লাগিব।

## কৌতুকঃ

◆ এজন বিৰোধী পক্ষৰ নেতাই জনসভাত ভাষণ দিছে— "ভাইসকল, আজি-কালি সঘনাই ৰেল দুৰ্ঘটনা হ'ব ধৰিছে আৰু মৃতকৰ সংখ্যাও বাঢ়ি যাব লাগিছে, দুৰ্ঘটনা স্থলীত মৃতদেহৰ দ'ম হৈ গৈছে, ৰাইজ! আমাৰ দিনত এনে দুৰ্ঘটনা হোৱা হ'লে আমি শ্মশান বা কবৰস্থানলৈ ৰে'ল লাইন বহুৱাই দিলোঁ হয়, যাতে দুৰ্ঘটনাত মৃত্যু হোৱাৰ পাছতে পোনে পোনে শ্মশান বা কবৰস্থানলৈ নিব পাৰি। (পুনৰ কণ্ঠ পৰিস্কাৰ কৰি) সেয়ে ৰাইজক, মই প্ৰতিশ্ৰুতি দিছোঁ, আমাৰ দল ক্ষমতালৈ আহিলে ৰে'ল গাড়ী একেবাৰে শ্মশানলৈকে চলিব, তেতিয়া দুৰ্ঘটনাত মৃত্যু হোৱা সকলৰ সুবিধা হ'ব।"

◆ ভাষণ প্ৰসঙ্গত এক বক্তাই ক'লে-মূৰ্খামি হ'ল এক প্ৰকাৰ বেমাৰ। অইন কিছুমান বেমাৰৰ দৰে এই বেমাৰো বংশানুক্ৰমিক। মাক-দেউতাক মূৰ্খ হ'লে তেওঁলোকৰ ল'ৰা-ছোৱালীও মূৰ্খ হয়।

এজন শ্ৰোতা-কথাটো হয়। কিন্তু এনেদৰে ৰাজহুৱাভাৱে নিজৰ মাক-দেউতাকৰ নিন্দা কৰাটো অন্যায় হোৱা নাইনে?

◆ ৰোগীঃ ডাক্তৰ বাবু, মোৰ চুলিবোৰ বৰকৈ সৰিছে। ৰখাৰ ব্যৱস্থা নাইনে?

ডাক্তৰঃ আছে। এটা বাকচত জমা কৰি ৰাখক।

◆ যোৱা কালি মধুৰ জন্মদিন আছিল। বহুতে তাক কিবা-কিবি দিছে। দেউতাকেও তাক ঘড়ী এটা দিছে, মোমায়েকেও এটা দিছে। গতিকে দুয়োটা ঘড়ী দুখন হাতত পিন্ধি ঘূৰি ফুৰিছে। বাটতে ৰঞ্জনদাই সুধিলে, 'শঙ্ক, তুমি যে দুটা ঘড়ী পিন্ধি আছা, কথাটো কি?

শঙ্কঃ কথা একো নাই। মই মাত্ৰ চাব খুজিছো কোনটো ঘড়ী কিমান লাহে লাহে চলে।

প্ৰবন্ধ

# মনালিছা, তোমাৰ হাঁহিৰ নাই তুলনা

শ্ৰীজলি গোহাঁই
স্নাতক তৃতীয় বৰ্ষ

ল'ৰাটোৰ চকুহাল নীলা। ডিঙিলৈকে পৰা তাৰ কেঁকোৰা সোনালী চুলি। শাৰী-শাৰী পপাৰ গছৰ মাজে মাজে সি খেলি ফুৰিছে। হাতত এখন বহী আৰু ৰঙীন এডাল পেঞ্চিল, ছবি আঁকিছে, কেতিয়াবা ফুলৰ, কেতিয়াবা নদীৰ। মাজে মাজে চাইছে নদীখনলৈ, মাজে মাজে আকাশলৈ, শূণ্য বিশাল আকাশ আৰু আকাশেদি উৰি যোৱা নানা ধৰণৰ চৰাই দেখি ল'ৰাটোৱে পেঞ্চিল তুলি লৈ ছবি আঁকিছে আকাশ আৰু চৰাইৰ।

কোনে জানিছিল সেইজনেই যে এদিনাখন পৃথিৱী বিখ্যাত চিত্ৰশিল্পী হ'ব, দেশে-বিদেশে সমাদৰ পাব তেওঁৰ ছবিয়ে, সন্মানেৰে চুমা খাব অগনন মানুহে তেওঁৰ নামটোক। আজি কোনে নাজানে ইটালিৰ ফ্লোৰেন্সৰ "লিয়োনাৰ্ডো দ্য ভিঞ্চিক"? কোনে আজি নাজানে ইটালিৰ সেই "মনালিছাক"? কিয়নো 'মনালিছা'ৰ দৰে বিশ্বখ্যাতি পৃথিৱীৰ আন কোনো ছবিৰ ভাগ্যতে লিখা হোৱা নাই। তেওঁৰ আন দুখন বিখ্যাত ছবি হ'ল "চিচিলিয়া গেলেৰানিৰ" আৰু "জিনেভ্ৰাৰ"। মনালিছাৰ মুখত নিৰানন্দ অথচ কৌতুক পূৰ্ণ এক ৰহস্যময় হাঁহি, চিচিলিয়াৰ মুখত অপূৰ্ণ বাসনাৰ মৰ্মস্পৰ্শী আবেদন আৰু জিনেভ্ৰাৰ মুখত এক নিৰ্লিপ্ত, সংযোগ বিহীন বিষন্নতা। শান্ত সৌম্য স্বভাৱৰ এগৰাকী নাৰীৰ এখন সৰু ছবিৰ বিজ্ঞাপিত আকৰ্ষণৰ ৰহস্যই হ'ল ৰহস্যময়তা। যেন প্ৰতিলিপিবোৰ অনুবাদ সাহিত্যৰ দৰেই অনবদ্য সৌন্দৰ্য্যতা। যেনেকৈ আইনষ্টাইনে, যি অন্তৰ্দৃষ্টিৰে বিশ্ব ৰহস্যৰ উদঘাটনৰ বাবে আপেক্ষিকতাবাদ আবিস্কাৰ কৰিছিল, দ্য ভিঞ্চিয়েও সেই একে অন্তদৃষ্টিৰে মনালিছাৰ হাঁহিটো অঙ্কন কৰিছিল নাৰী ৰহস্যৰ সকলো উপাদান ফুটাই তুলিবলৈ। লিয়োনাৰ্ডোৰ অনুপম স্বাস্থ্যই ফ্লোৰেন্সৰ বহু নাৰী আকৰ্ষণৰ কাৰণ আছিল যদিও তেওঁ সকলোবোৰকে আওকান কৰি কেৱল ছবি আঁকাতেই নিজকে ব্যস্ত ৰাখিছিল। পৃথিৱীৰ সুদীৰ্ঘ ইতিহাসত এওঁৰ সমান বিশাল আৰু বহুমুখী প্ৰতিভাসম্পন্ন দ্বিতীয়জন নোলাব। তেওঁ একেধাৰে ভাস্কৰ, বিজ্ঞানী, সংগীতজ্ঞ, গৱেষক, কবি, সৰ্বোপৰী এগৰাকী শ্ৰেষ্ঠ চিত্ৰকৰ।

ইটালীৰ ফ্লোৰেন্স নগৰৰ ওচৰৰ এখন পাহাৰীয়া গাঁৱত ১৪৫২ খ্ৰীষ্টাব্দত তেওঁৰ জন্ম হয়। তেওঁৰ দেউতাক আছিল এগৰাকী আইনজীৱী। দেউতাকে লিওনাৰ্ডোৰ চিত্ৰকলাৰ প্ৰতি থকা গভীৰ আগ্ৰহৰ উমান পাই তেওঁক 'এন্দ্ৰিয়া ডেল ভেৰচিয়ৰ' অধীনত নামভৰ্তি কৰি দিয়ে। বাৰ বছৰকাল তেওঁ ভেৰচিয়ৰ ওচৰত শিল্পকলাৰ প্ৰশিক্ষণ লয়। ইতিমধ্যে এগৰাকী শক্তিশালী চিত্ৰকৰ হিচাপে লিওনাৰ্ডোৰ নাম চৌদিশে বৈ পৰে। কথাৰে হৃদয়ৰ সকলো অনুভূতি প্ৰকাশ কৰা সম্ভৱ জানো? কেতিয়াবা কিছুমান অনুভূতিয়ে মনৰ ভিতৰত এনেদৰে তোলপাৰ কৰে যে, উকা কাগজত সেই অনুভূতিক লিপিবদ্ধ নকৰালৈকে মন অশান্ত হৈ থাকে। পৃথিৱীৰ সকলো ৰসাল কাহিনী, অবিষ্মৰণীয় অনুভূতি, মৰমৰ চানেকি ইতিহাসৰ পাতত লিখা হৈ আছে, পৰম্পৰে পৰম্পৰলৈ পঠিওৱা বাৰ্তা বাহকৰ ৰূপত। কেতিয়াবা এই সূক্ষ্ম অনুভূতি এখন চিত্ৰৰ মাজতে আলফুলে সংৰক্ষিত হৈ যায় আজীৱন। এই সূক্ষ্ম অনুভূতিবোৰক বাস্তৱ ৰূপ দিবলৈ তেওঁ উঠি পৰি লাগিল, যেন শেষ নহয়।

লিয়োনাৰ্ডোৱে 'মনালিছা' ছবিখন আঁকে ১৫০৩

খ্ৰীষ্টাব্দৰ পৰা ১৫০৬ খ্ৰীষ্টাব্দৰ ভিতৰত। সেই হিচাপত 'মনালিছা'ৰ বয়স পাঁচশ বছৰ ওচৰ চাপিছে। ছবি আঁকাত ব্যস্ত মানুহ যদিও তেওঁৰ মন সদায় বহল, যাৰ মনৰ ঘৰৰ কোনো দুৱাৰ নাই। তাৰেই সুযোগ ল'লে ইচাবেলাই-ইচাবেলা ডেষ্টে। এই ইচাবেলা ডেষ্টেই লিয়োনাৰ্ডোৰ প্ৰথম প্ৰেমিকা। প্ৰেমৰ জালত লিয়োনাৰ্ডোক বান্ধি পেলালে। ডিউকৰ পত্নী ইচাবেলাৰ ৰূপ দেখি লিয়োনাৰ্ডোৰ মুখৰ পৰা হঠাৎ ওলায় আহিল একাঁকি বাক্য— "তুমি পৃথিৱীৰ প্ৰথমা নাৰী"। ইচাবেলাৰ ফালৰ পৰা অনুৰোধ আহিল— "লিওনাৰ্ডো তুমি মোৰ ছবি এখন আঁকিব পাৰিবানে?" লিয়োনাৰ্ডোৰ ইচ্ছা নাই। ইমান সহজতে হাৰমনা ছোৱালী নহয় ইচাবেল। অনুৰোধৰ পাছত অনুৰোধ; অৱশেষত তেওঁ ৰাজী হ'ল। ইচাবেলৰ মুখত তেওঁ দেখিলে প্ৰগাঢ় বুদ্ধিৰ ছাপ, গভীৰ আত্ম প্ৰত্যয়। হাতত তুলিকা তুলি ল'লে— ছবি আঁকিলে ইচাবেলাৰ। কিন্তু শেষ নকৰিলে। লিয়োনাৰ্ডোৰ স্বভাৱেই এনেকুৱা; ছবি আঁকিবলৈ আৰম্ভ কৰে ঠিকেই, কিন্তু শেষ নকৰে। ইচাবেলাৰ ছবি আধা আঁকি হঠাৎ এদিন অন্তৰ্ধান হ'ল লিয়োনাৰ্ডো। ইচাবেলাৰ হৃদয় ভাঙি গ'ল। সেই আধা অঁকা ছবিখনো এদিন হেৰায় গ'ল। তেওঁ গম পায় গ'ল। তাতেই বিচ্ছেদ। যেন ভবাৰো অতীত।

কিন্তু লিয়োনাৰ্ডোৰ চকুত এনে এক যাদু আছে যাৰ আকৰ্ষণে যিকোনো নাৰীক মুগ্ধ কৰি ৰাখিব পাৰে। তাতে আকৌ ঈশ্বৰ প্ৰদত্ত এক ৰঙীন তুলিকা।

এইবাৰ আকৌ লিয়োনাৰ্ডোৰ প্ৰেমিকা হ'ল বিয়েট্ৰিছ ডেষ্ট। ইচাবেলাতকৈ বহুত বেছি উজ্জ্বল বিয়েট্ৰিছৰ মুখ। যেন আবেলিৰ ৰ'দ পৰা হীৰা। চকু আৰু মুখে সমানে কথা কয়। বিয়েট্ৰিছৰ ফালৰ পৰা এক অদ্ভুত অনুৰোধ আহিল— "আপুনিতো বহু ধৰণৰ কামকে কৰে, পাৰে যদি মোৰ পিন্ধা কাপোৰৰ এটা নতুন ডিজাইন দিয়কচোন।" লিয়োনাৰ্ডো আচৰিত হ'ল, ই আকৌ কেনে ধৰণৰ অনুৰোধ। বিয়েট্ৰিছৰ অনুৰোধ প্ৰত্যাখ্যান কৰিবলৈ তেওঁ টান পালে। এটা মৃদু হাঁহি মাৰি তেওঁ উত্তৰ দিলে— চাওঁচোন, এইটো বোধকৰো পৰা যাব। শিল্পী হিচাপে তেওঁক বিয়েট্ৰিছে বেছি দাম দিব নিবিচাৰে। তাইৰ আকৰ্ষন কেৱল লিয়োনাৰ্ডোৰ নীলা চকু যুৰি আৰু তেওঁৰ সুঠাম দেহটো। লিয়োনাৰ্ডোৱে সদায় অপেক্ষা কৰি থাকে, বিয়েট্ৰিছৰ এটা অনুৰোধলৈ। কেতিয়ানো বিয়েট্ৰিছে তেওঁক অনুৰোধ কৰে তাইৰ নিজৰ এখন ছবি আঁকিবলৈ। এদিনাখন সঁচাকৈয়ে বিয়েট্ৰিছৰ ফালৰ পৰা তেনে এটা অনুৰোধ আহিল। — "তুমি মোৰ এনে এখন ছবি আঁকা যি এদিন বিশ্ব বিখ্যাত হ'ব।" অকনো দ্বিধা বোধ নকৰাকৈয়ে ৰং বুলালে। বিয়েট্ৰিছেও লাহে লাহে লিয়োনাৰ্ডোক নিজকে সমৰ্পণ কৰি দিলে। ছবি অঁকা শেষ হ'ল। আকৌ ঠাই সলনি কৰিলে লিয়োনাৰ্ডোৱে।

এইবাৰ পালেগৈ মিলান। তাতেই তেওঁ লগ পালে ডিউকৰ পত্নী চিচিলিয়াক। চিচিলিয়াক দেখি লিয়োনাৰ্ডোৰ ভাব হ'ল যেন এপাহ সজীৱ "গ্লাডিডলি ফুল"। সকলো সৌন্দৰ্য্য বতাহক চুবলৈ দিছে। চিচিলিয়াৰ পৰাও তেওঁ আশা কৰাৰ দৰেই অনুৰোধ আহিল— তেওঁৰ এখন ছবি অঁকাৰ বাবে। ছবি অঁকা শেষ হ'ল। চিচিলিয়াই নিজৰ পোট্ৰে'ট দেখি হতবাক। চিচিলিয়াই নিজেও ভবা নাছিল লিয়োনাৰ্ডোৰ হাতত তেওঁৰ ছবি এনে অন্যন্যা সুন্দৰ হৈ পৰিব বুলি। লিয়োনাৰ্ডোৱে ভাবিলে যে তেওঁৰ শিল্প জীৱন সাৰ্থক হ'ল। নিজৰ পোট্ৰেটখন চাই চিচিলিয়াই কৈ পেলালে— "আপুনি সঁচাকৈয়ে বৰ ডাঙৰ শিল্পী। এদিন গোটেই বিশ্বতে আপোনাৰ সুনাম বিয়পি পৰিব আৰু এই কথা যেতিয়া সঁচাকৈয়ে এদিনাখন সত্যত পৰিণত হ'ব, সেই দিনাখন হয়তো আপুনি মোক পাহৰি পেলাব।" সঁচাকৈয়ে এদিন চিচিলিয়াক পাহৰি পেলালে - লিয়োনাৰ্ডোৱে। কেৱল কাম আৰু কাম। স্থাপত্য ভাস্কৰ্য্য, ছবি অঁকা সকলোবোৰ সমানে চলিছে। আনকি নদীৰ পানীক সঠিক কামত লগোৱাৰ পৰিকল্পনা। ইয়াৰ মাজতেই হঠাৎ ধনী ব্যৱসায়ী গিওকোণ্ডাৰ সৈতে তেওঁৰ দেখা-দেখি হ'ল। লিয়োনাৰ্ডোৱে ইতিমধ্যে তেওঁ ষ্টুডিঅ'টো সুন্দৰকৈ সাজি উলিয়াইছে। তাতেই হাজিৰ হ'ল গিওবেনগো। নম্ৰভাৱে ক'লে— মোৰ স্ত্ৰীৰ বৰ চখ, আপুনি যদি তেওঁৰ এখন ছবি আঁকে, পৰিশ্ৰমিক হিচাপে যি লাগে দিয়া হ'ব। লিয়োনাৰ্ডোৱে ক'লে— কালিলৈ ৰাতিপুৱা আপোনাৰ স্ত্ৰীক ষ্টুডিঅ'লৈ লৈ আহিব দেখা যাওঁক— কথা কিন্তু দিয়া নাই।

পিছদিনাখন ৰাতিপুৱাই আহিল গিওকোণ্ডো আৰু

তেওঁৰ স্ত্রী-মনালিছা। মনালিছাক দেখি লিয়োনার্ডো জঠৰ হৈ গ'ল। কি অপৰূপ ৰূপ-লাৱণ্য। যেন সৌন্দৰ্য্য দিবলৈ ঈশ্বৰে কতো ত্রুটি কৰা নাই। লিয়োনার্ডোয়ে দেখিলে এক অদ্ভূত লাৱণ্যৰ ছাপ মনালিছাৰ মুখত বিদ্যমান। হাঁহিত এক অতীন্দ্রিয় ৰহস্য। লিয়োনার্ডোয়ে ক'লে— মই আপোনাৰ ছবি আঁকিম। কিন্তু বহুত সময় ল'ম; ৰাজী আছেতো? মিঠা হাঁহি এটা মাৰি মনালিছাই ক'লে— মোৰ কোনো আপত্তি নাই, কেৱল আঁকিলেই হ'ল। তাৰ পাছত আৰম্ভ হ'ল দুজনৰ মুখামুখি বহা, ঘন্টাৰ পিচত ঘন্টা, দিনৰ পাছত দিন, বেলি উদয় হৈছে আকৌ ডুবিছে। চৰাইবোৰে গান গাইছে, আকৌ গান গোৱা শেষ কৰিছে। ফুল ফুলিছে, আকৌ মৰহি গৈছে। সময় বাগৰি গৈ আছে আৰু ছবিৰ কামো লাহে লাহে আগবাঢ়ি গৈ আছে। মনালিছাৰ যাতে ক্লান্তি নাহে তাৰ বাবে নানা ধৰণৰ ব্যৱস্থা কৰা হৈছে। সন্মুখত ফোৱাৰা, মাজে মাজে সুৰৰ মুৰ্চ্ছনা, শাৰী-শাৰী ৰং বিৰঙৰ ফুল। এটা হৰিণাৰ পোৱালি বাগিচাত দৌৰি ফুৰিছে— মনালিছাই তাক কোলাত লৈছে, বাজনা বজোৱাই বাজনা বজাইছে গল্প শুনোৱাই গল্প শুনাইছে। মনালিছাৰ সঙ্গিনী চিষ্টাৰ ক্যমিলাই এটা কোনত বহি আপোন মনে কিতাপ পঢ়ি আছে।

ইফালে গিওকোণ্ডো মনালিছাক লৈ বিপাঙত পৰিল। তেওঁৰ সন্দেহ ক্রমে-ক্রমে বাঢ়িবলৈ আৰম্ভ কৰিছে। মনালিছাই বাৰু সঁচাকৈয়ে লিয়োনার্ডোক ভাল পায় পেলাইছে নেকি?

কিছুদিনৰ পাছত হঠাৎ দেখা গ'ল মনালিছা অকলে আহিছে। লিয়োনার্ডোয়ে মনালিছাৰ ফালে অপলক দৃষ্টিৰে চাই ৰ'ল। যিটো কথা ইমান দিনে মনে মনে ভাবি আছিল, সেইটো আজি সত্যত পৰিণত হোৱাত লিওনাডোৰ মুখ মণ্ডল আনন্দত উপচি পৰিল। মনালিছাৰ আৰু বুজিবৰ একো বাকী নাথাকিল। মনালিছাৰ বুকুৰ মাজৰ আধা জগা আটাইবোৰ লাইলাক ফুলেই সাৰ পাই উঠিল। তাৰ পাছত আৰম্ভ হ'ল দুয়োৰে মাজত দীঘলীয়া সংলাপ, মাজে মাজে দুয়ো বৈ গৈছে, কিন্তু তাৰ মাজতেই বহু কথা হৈ গৈছে। দুটা চৰিত্র যেন আলিঙ্গনৰ আশাত ক্রমে ক্রমে আগবাঢ়ি আহিছে। হঠাৎ এটা চৰিত্র মাজত বৈ গ'ল— লিয়োনার্ডো। এটা বিৰাট প্রশ্ন? কাক বিচাৰিছে তেওঁ? জীৱন্ত মনালিছাক নে, ছবিত প্রানবিচৰা মনালিছাক? এজনীক অন্য ভাবে পাব বিচৰা মানেই আনজনীক হেৰুওৱা। তিনি তিলকৈ গঢ় দিয়া ইমান দিনৰ সুখ নিমিষতেই হেৰাই যাব। তাতকৈ ভাল ফ্লোৰেন্স এৰি গুচি যোৱা। কিন্তু, সি জানো সঁচাকৈয়ে সম্ভৱ? ছবি আঁকাৰ মাজে মাজে সমানে কথা চলিছে। মনালিছাই নিজকে সমৰ্পন কৰি দিব বিচাৰিছে লিয়োনার্ডোক। কিন্তু লিয়োনার্ডো আকৌ বৈ গৈছে। তেওঁ যেন ভাল পায় ছবিৰ মনালিছাক। যিখন ছবিক তেওঁ বিশ্ব বিখ্যাত কৰিব বিচাৰিছে, আৰু ছবিত ধৰি ৰাখিব বিচাৰিছে, তেওঁৰ বিশ্ব বিখ্যাত অদ্ভূত ইঙ্গিতপূর্ণ হাঁহিটোক, সেই জীৱন্ত মনালিছাক তেওঁ ভাল পাব নোৱাৰিব; তেনে কৰিলে বৃথা হৈ যাব তেওঁৰ ইমান দিনৰ প্রচেষ্টা। তাতকৈ বিচ্ছেদেই ভাল। ফ্লোৰেন্স এৰি গুচি যোৱা।

দীৰ্ঘ নীৰৱতা ভাঙি মনালিছাই এটা প্রশ্ন কৰিলে— "কালিলৈতো আপুনি গুচি যাব?" কালি নহয় আজিয়েই। এটা ডাঙৰ কাম পাইছো। গতিকে মোৰ ছবিখন আৰু শেষ নহ'ব। শেষটো প্রায় হ'লেই, বাকী খিনি ঘুৰি আহি শেষ কৰিম। "মই জানো আপুনি কোনো কামেই শেষ নকৰে। এইখনো বোধহয় শেষ নহ'ব?"

"সেইটো নহয় তুমি চিন্তা নকৰিবা"। "তেতিয়া হ'লে উঠো। আপুনি যি কামত ওলাইছে সেই কাম যেন সফল হয় ইয়াকে কামনা কৰিলো!" উঠি যাবলৈ ওলাল মনালিছা। তেওঁৰ মুখৰ সেই একেই শান্ত উজ্জ্বল হাঁহি, আগবঢ়াই দিলে তেওঁৰ সোঁহাতখন, লিয়োনার্ডোয়ে চুমা খালে। এয়েই প্রথম স্পর্শ। মনালিছাই তাইৰ সুকোমল ওঠ দুটাৰে লিয়োনার্ডোৰ মুৰত চুমা খালে। তেতিয়া ক'ৰবাত গীৰ্জাৰ ঘন্টা বাজিছে।

তিনিমাহৰ পাছত লিয়োনার্ডো উভতি আহিল ফ্লোৰেন্সলৈ। ফ্লোৰেন্সৰ বাটেদি খোজ কাঢ়ি গৈ থাকোতে এজন মানুহ দৌৰি আহি লিয়োনার্ডোক উদ্দেশ্য কৰি ক'বলৈ ধৰিলে— আপুনি ছবিখন শেষ কৰিলেনে? সেই যে গিওকোণ্ডোৰ পত্নীৰ যে এখন ছবি আকিছিল? সেই ছবিখনৰ কথা কৈছো। লিয়োনার্ডোয়ে প্রায় খঙৰেই কৈ উঠিল— কওকচোন কোন সেই গৰাকী? "নাই মানে যদি ছবিখন শেষ কৰা নাই; তেনেহলে সেইখন আৰু শেষ নহ'ব। আপুনি বোধহয় নাজানে যে তেওঁ পত্নীহাৰা হ'ল"। লিয়োনার্ডোয়ে বেগাই খোজ দিলে। তেওঁ মুঠেই বিশ্বাস নকৰিলে সেই খবৰ। কিন্তু শেষত বিশ্বাস কৰিবলৈ বাধ্য

হ'ল। মনালিছা, সামান্য অসুখ, কিন্তু বচাব পৰা নগ'ল তাইক। বহুতে বিশ্বাস কৰে লিয়োনাৰ্ডো যাবৰ দিনৰ পৰাই মনালিছা লাহে লাহে অসুস্থ হৈ পৰিবলৈ ধৰে।

হঠাৎ শেষ। গোটেই জগতখনেই শূন্য হৈ পৰিল, দুভাৰ্গ্য নামি আহিল নিয়োনাৰ্ডোৰ জীৱনলৈ। কোনো কামতেই যেন তেওঁ সফল হ'ব নোৱাৰিব; সকলো কামেই হৈ পৰিছে অসম্পূৰ্ণ। এফালে মৃত মনালিছা আৰু আনফালে ছবিৰ মনালিছ। লিয়োনাৰ্ডোৰ মনত দুয়োটাই একেই।

কেনেকৈ ভাল পাওঁ বাৰু তোমাক? ৰ'বা মোক গনিবলৈ দিয়া।

মোৰ আত্মাই ঢুকি পাব পৰা গভীৰতা, উদাৰতা আৰু উচ্চতালৈ,......। (এলিজাবেথ বেৰেট ব্ৰাউনিং)

তোমাক ভালপাওঁ, দৃষ্টিৰ সিপাৰেও আনকি তুমি আৰু তুমি।।

লিয়োনাৰ্ডোৰ নামত এতিয়া বদনামৰ বাহিৰে আন একোৱেই নাই। তেওঁ অৰ্ধামিক, ৰাজদ্ৰোহী আৰু ক'ত যে কি? বন্ধু নাই, আত্মীয় নাই, নিসঙ্গ এক জীৱন!! এনে সময়তে নিমন্ত্ৰন আহিল ফ্ৰান্সৰ পৰা। লগে লগেই গ্ৰহন কৰিলে সেই নিমন্ত্ৰন। ফ্ৰান্সৰ সিংহাসনত তেতিয়া প্ৰথম ফ্ৰান্সিছ। লিয়োনাৰ্ডোৰ প্ৰতি তেওঁৰ গভীৰ শ্ৰদ্ধা। লিয়োনাৰ্ডোয়ে ফ্ৰোৰেন্স এৰি গুচি আহিল ফ্ৰান্সলৈ আৰু লগত লৈ আহিল তেওঁৰ সমগ্ৰ সৃষ্টি আৰু "মনালিছা" ছবিখন। ফ্ৰান্সিছ নিজেই আহিল লিয়োনাৰ্ডোৰ ওচৰলৈ। এখনৰ পাছত এখনকৈ তেওঁ ছবিবোৰ চাবলৈ ধৰিলে। ছবিবোৰ দেখি মুগ্ধ হৈ পৰিল ৰজা ফ্ৰান্সিছ। হঠাৎ তেওঁৰ চকু গল পৰ্দাৰে ঢাকি থোৱা এখন ছবিৰ ওপৰত। সেইখন কি ছবি পৰ্দাৰ আঁৰত? তেনে একো নহয়। পৰ্দাখন গুচাই দিলে, "মনালিছা"! ৰজা জঠৰ হৈ পৰিল, কেৱল অবাক হৈ ছবিখনৰ ফালে চাই থাকিল। "অপূৰ্ব" এনে ৰূপৱতী মই জীৱনত কেতিয়াওঁ দেখা নাই। কিমান সময় লাগিছে ছবিখন আঁকোতে? "পাঁচ বছৰ, এতিয়াওঁ শেষ হোৱা নাই।" ছবিখন মই কিনিব বিচাৰিছো। কিমান দিব লাগিব— চাৰি হেজাৰ ক্ৰাউন? লিয়োনাৰ্ডোয়ে কিবা এটা ভাবি ক'ব নোৱাৰকৈয়ে কৈ পেলালে— "দাম দিব নালাগে, কেৱল আপুনি মোৰ এটা অনুৰোধ ৰক্ষা কৰিব লাগিব। ছবিখন আপোনাৰেই হ'ব, কেৱল জীৱনৰ শেষ দিনটোৰলৈকে ছবিখন মোৰ লগতে থাকিবলৈ দিয়ক।"

অলপ আচৰিত হ'ল ফ্ৰান্সিছ। ঠিক আছে সেয়ে হ'ব। ৰজা ফ্ৰান্সিছ গুছি যোৱাৰ পাছত লিয়োনাৰ্ডো মনালিছাৰ কাষত আহি ৰ'লহি। সেই হাঁহি, সেই লাৱণ্য সজীৱ হৈ আছে। মনালিছা আজি বহুত দূৰৈত। তথাপিতো লিয়োনাৰ্ডোৰ যেন ভাব হ'ল, মনালিছা তেওঁৰ নিচেই কাষতেই আছে।

লিয়োনাৰ্ডোয়ে জীৱনত বিয়া নকৰালে। তেওঁ ভাবে প্ৰেমৰ পূৰ্ণতা দেহত নহয়। তেওঁৰ মতে প্ৰেম দেহাতীত মনালিছাৰ আত্মাৰ সৈতে মিলন হ'ল, লিয়োনাৰ্ডোৰ আৰু মনালিছাৰ সৌন্দৰ্য্যৰ সৈতে মিলন হ'ল বিশ্ববাসীৰ।

ছবিখন চাই চায়েই এদিনাখন লিয়োনাৰ্ডোৰ পৃথিৱীৰ পৰা বিদায় মাগিলে। পৃথিৱীয়ে এতিয়া লিয়োনাৰ্ডোক এৰি মনালিছাক ভাবিব নোৱাৰে অথবা মনালিছাক এৰি লিয়োনাৰ্ডোক ভাবিব নোৱাৰে।

শেষত মনকৰিবলগীয়া কথা যে "মনালিছা"ই হ'ল এতিয়ালৈ সৰ্বাধিক মূল্যত বীমা হোৱা শিল্পী সামগ্ৰী। পেৰিচৰ 'লুভৰ' নামৰ চিত্ৰশালাৰ পৰাই ১৯১১ চনত "মনালিছা" নামৰ ছবিখন কোনোবাই চুৰ কৰি নিছিল। সেই ঘটনাক লৈ বিশ্বৰ সকলো বাতৰি কাকতে হৈ চৈ লগাইছিল। ভাগ্যক্ৰমে ছবিখন ১৯১৩ চনত ফ্লোৰেন্সত অটুত অৱস্থাতে পোৱা গ'ল। ছবিখন পুনৰ উভতিল 'লুভৰলৈ'। এজন ইটালীৰ মানুহে ছবিখন চুৰ কৰিছিল। জেৰা কৰাত তেওঁ কলে যে ছবিখন চুৰি কৰি তেওঁ এশ বছৰৰ আগতে নেপোলিয়নে কৰা ইটালী আক্ৰমনৰ প্ৰতিশোধ ল'লে। কাৰণ, নেপোলিয়নে হেনো ইটালীৰ পৰা ছবিখন লুট কৰি লৈ গৈছিল। মজাৰ কথা যে— "মনালিছা" চুৰি হোৱাৰ পিচত কোনোৱে হেনো "মনালিছাৰ" দুখনকৈ প্ৰতিলিপি ছজন আমেৰিকাবাসীলৈ বিক্ৰী কৰিছিল। তেওঁলোক দুজনৰ প্ৰত্যেকজনে নিজৰ লগত থকাখনকে লিওনাৰ্ডোৰ মুল "মনালিছা" বুলি ভাবি আছিল। অথচ আচল "মনালিছা" আছিল ইটালীতে। সেই দুৰ্ঘটনাৰ পিচৰ পৰা লুভৰত "মনালিছা" মহামন্ত্ৰীৰ দৰে "বুলেট প্ৰুফ" আয়নাৰ মাজত আবদ্ধ হৈ আছে, "মনালিছা"ৰ ওঁঠৰ সেই ভুৱন ভুলোৱা হাঁহিটি বৰ্তমানৰলৈকে বছৰৰ দুয়োটি ঋতুতে বিৰিঙি আছে। "মনালিছা" তোমাৰ যে নাই তুলনা। (সহায় লৈ)

প্ৰবন্ধ

# চুটি গল্প ঃ এটি আলোচনা

শ্ৰীমীনাক্ষি শইকীয়া
স্নাতক তৃতীয় বাৰ্ষিক

বৰ্তমান যুগত সাহিত্যৰ বিভিন্ন অঙ্গৰ ভিতৰত সবাতোকৈ সমৃদ্ধিশালী হ'ল চুটিগল্প। বিভিন্ন কাৰণত চুটিগল্পৰ সমপ্ৰসাৰণ এনেভাবে বৃদ্ধিপ্ৰাপ্ত হৈছে যে ইয়াৰ প্ৰভাৱত সাহিত্বৰ অন্যান অঙ্গঁবোৰ নিস্প্ৰভ হৈ যোৱাৰ উপক্ৰম ঘটিছে। অৱশ্যে আধুনিক যুগত ই বিশেষ প্ৰাৰ্চুয্য লাভ কৰিছে, যদিও চুটিগল্প কিন্তু একান্তভাৱে আধুনিক যুগৰে বস্তু নহয়। প্ৰাচীন কালতো ভিন্ন নামত ইয়াৰ প্ৰচলন আছিল। ইটালীয় সাহিত্যৰ " Gesta Romanoram" বোক কাচিওৰ "Decameron", ছ'চাৰৰ "Canterbury Tales" আৰু অন্যানা সাধু, ঈচপৰ সাধু, সংস্কৃত হিতোপদেশ, পঞ্চতন্ত্ৰ, কথাসাৰিৎসাগৰ আৰু হৌদ্ধ জাতকত চুটিগল্পৰ নিদেৰ্শন পোৱা যায়। সাহিত্যৰথী বেজবৰুৱাইটো সাধু আৰু চুটিগল্পৰ মাজত কোনো পাৰ্থক্য দেখা নাছিল, সেই কাৰণে তেখেতে ইংৰাজী "Short story" শব্দটোৰ প্ৰতিশব্দ হিচাপে বঙলা 'গল্প' শব্দ ব্যৱহাৰ নকৰি 'সাধু' শব্দৰ প্ৰয়োগ কৰি গৈছে। অৱশ্যে বেজবৰুৱাই পাৰ্থক্য দেখা নাপালেও বিষয়বস্তু আৰু কলা কৌশলৰ ফালৰ পৰা সাধুকথা আৰু চুটিগল্পৰ মাজত যে ব্যৱধান অপৰিসীম, সেইকথা স্বীকাৰ্য্য। তেখেতৰ 'সাধুকথাৰ কুকি'ৰ অন্তৰ্ভূক্ত সাধুবোৰ চুটিগল্পৰ উৎকৃষ্ট নিদৰ্শন।

চুটি আৰু গল্প হ'লেই যে চুটিগল্প হ'ব তাৰ কোনো নিশ্চয়তা নাই। আয়তনৰ ক্ষুদ্ৰতাই যদি চুটিগল্পৰ অনিবাৰ্য্য লক্ষণ হ'লহেঁতেন তেনেহ'লে হয়তো এই গল্পটোকেই পৃথিৱীৰ শ্ৰেষ্ঠতম চুটিগল্প বুলি স্বীকাৰ কৰি ল'ব লাগিলহেঁতেন।

"মানুহজনে সুধিলে— তুমি ভূত বিশ্বাস কৰানে?
নকৰোঁ। মই উত্তৰ দিলোঁ।
লগে লগে মানুহজন অদৃশ্য হৈগ'ল।"

এইটো এটা গল্প নহয় বুলি কোনেও ক'ব নোৱাৰে আৰু গল্প হিচাপে ই অদ্ভূত চুটি। তথাপি ই চুটিগল্প নহয়। এটা মাথোন অঙ্ক থকা নাটকমাত্ৰেই যি দৰে অঙ্কীয়া নাট নহয়, চুটিকৈ লিখা গল্পমাত্ৰেই চুটিগল্প নহয়।

চুটিগল্প আপোন চৰিত্ৰ, বৈশিষ্ট্য অথবা স্বৰূপ উপলব্ধি কৰিবলৈ হ'লে ইয়াৰ লগত তুলনা কৰি চোৱাৰ প্ৰয়োজন উপন্যাসৰ, যিটো সাহিত্য ৰূপৰো উপকৰণ একেই গল্প। উপন্যাসৰ গল্প হ'ল জীৱনৰ বহু বিচিত্ৰ সৰ্ম্পৰ্কেৰে সম্পৰ্কিত এক বা একাধিক ব্যক্তিৰ পূৰ্ণ বৃত্ত কাহিনী; আৰু চুটিগল্পৰ অৱলম্বন হ'ল সেই বিস্তৃত জীৱনপ্ৰবাহত ভাঁহি উঠা এক স্বৰ্নিল মুহূৰ্ত অথবা এটা উজ্জ্বল ঘটনা। সেইবাবেই এটাৰ গতি শ্লথ অথবা মন্থৰ, আৰু আনটোৰ গতি খৰ আৰু চঞ্চল। ভাষাও সেইদৰে এটাৰ ক্ষেত্ৰত বৰ্নবহুল বৰ্ণনামুখৰ আৰু আনটোৰ কৃপন ব্যঞ্জনাময়।

নকলেও হ'ব, উপন্যাসত চৰিত্ৰ দীৰ্ঘপৰিক্ৰমা আৰু জটিল বিৱৰ্তনেই নহয়, আনেক সময়ত দৰ্শন, ইতিহাস আৰু মনঃস্তত্ব সম্পৰ্কীয় বহুবিচিত্ৰ বিষয়ৰো সমাবেশ পৰিলক্ষিত হয়। কাহিনীত সেইদৰে যথেষ্ট শাখা প্ৰশাখাৰে ভাৰাক্ৰান্ত আৰু অজস্ৰ পল্লৱেৰে পল্লাৱিত হৈ থাকে। কিন্তু চুটিগল্পৰ সংকীৰ্ণ পৰিসৰ ইমান অধিক বিভিন্ন গন্দী বিষয় আৰু জটিল বৈচিত্ৰ্যৰ বাবে ঠাই নাই। যি কোনো চুটিগল্পৰে অৱলম্বন মাথোন এটা, হওঁক সি তুচ্ছাতিতুচ্ছ, কোনো ক্ষতি নাই। এগৰাকী বিখ্যাত চুটিগল্পকাৰ এইচ. ই. কেটচৰ ভাষাত, "যি কোনো বস্তু এটা ঘোঁৰাৰ মৃত্যুৰ পৰা আৰম্ভ কৰি এগৰাকী গাভৰুৰ প্ৰথম প্ৰেমলৈকে, এটা ফুলৰ পাপৰি মেলখোৱাৰ পৰা আৰম্ভ কৰি এটা প্ৰচণ্ড ভূমিকম্পলৈকে- সূৰ্য্যৰ পোহৰত দেখা প্ৰতিটো বস্তুৰেই চুটিগল্পৰ বিষয় হ'ব পাৰে।" চৰ্ত বুলিবলৈ কেৱল এটা- চুটিগল্পৰ পখিলাটো মাথোন এটা ফুলতেই বহিব লাগিব। চুটিগল্পৰ আনন্দ মাথোন একেটি ফুলৰ মধুগ্ৰহণতেই শেষ। সেইবাবে, চুটিগল্পত উপন্যাসৰ পৰিপূৰ্ণ পৰিতৃপ্তি নাই; আছে অসম্পূৰ্ণ তৃপ্তিৰ ব্যাকুলতা

মিহলি স্মৃতি, ভিন্ন প্ৰসংগত ৰবীন্দ্ৰনাথে ক'বৰ দৰে- "শেষ কৰি ভাব হ'ব, শেষ হৈয়ে নহ'লে শেষ।"

চুটিগল্প বুলিলে গল্প সিমান দীঘল হোৱটো কোনেও প্ৰত্যাশা নকৰে, ঠিক যেনেকৈ কোনোও প্ৰত্যাশা নকৰে, বহুবোৰ দৃশ্য এটা মাত্ৰ অঙ্কৰ ভিতৰত সামৰি একাংকিকা বুলি পৰিবেশিত হ'ব। চুটিগল্পৰ এগৰাকী জনক স্বৰূপ এড্গাৰ এলেন পো-ৱে আয়তনৰ চাৰিসীমা এইদৰে বান্ধিব খুজিছিল, "A short story is a prose narrative requiring from half an hour to one or two hours in its persual" শিল্পবস্তুৰ সংজ্ঞা হিচাপে ঘড়ীৰ কাটাৰ ওপৰত নিৰ্ভৰশীল এনেকুৱা কটকটীয়া জোখ-মাখৰ বস্তু সমালোচক সকলে গ্ৰহণ কৰিবলৈ টান পায়। চমাৰছেটৰ মমৰ নিৰ্দেশ ইয়াতোকৈ কিছু স্পষ্ট আৰু নন্দতত্ত্ব সম্মত। তেওঁৰ মতে, "It should be something which can be finished reading in one single sitting" অৰ্থাৎ চুটিগল্প এবিধ সংক্ষিপ্ত স্বতঃ সম্পূৰ্ণ আৰ্ট। সেই কাৰণে চুটিগল্পত লেখকৰ বিশেষ সংযমৰ প্ৰয়োজন।

চুটিগল্পক চুটিকৈ ৰাখিবৰ বাবে নিৰ্মানিশৈলীৰ অন্তৰালত যি দুটা শিল্পাদৰ্শই কাম কৰি থাকে, সেই শিল্পাদৰ্শ দুটা হ'ল- লক্ষ্যৰ এক মুখিতা আৰু ফলশ্ৰুতিৰ একময়তা। ভাল চুটিগল্পৰ লক্ষ্য সদায় মাথোন এটা মানবীয় চৰিত্ৰ কোনো এক বিশেষ দিশৰ উন্মোচন, নহিবা কোনো বিশেষ ধৰণৰ এটা পৰিবেশ সৃষ্টি অথবা কোনো এক অবিস্মৰণীয় মুহূৰ্তৰ চিত্ৰন। আকৌ, চুটিগল্পৰ কাহিনীয়ে ধ্বনিত কৰে জীৱনৰ কোনো এক মুহূৰ্তৰ ঘনীভূত ইতিহাস। এই ইতিহাসৰ ওপৰত অধিক মনোযোগ দিয়া কাৰণে তাক এনেভাৱে উজলাই তোলা হয় যে তাৰ পোহৰতে ব্যক্তিৰ সমগ্ৰ জীৱনকে আগুৰি থকা কোনো অনাৱিস্কৃত বিশেষত্ব স্পষ্ট হৈ উঠে। চুটিগল্পৰ লেখক অত্যন্ত মিতভাষ হ'বলৈ বাধ্য— কিয়নো চুটিগল্পত অপ্ৰয়োজনীয় বৰ্ণনা, সকলো ঘটনা আৰু সকলো ভাৱনা পৰিহাৰ কৰি গল্পক তাৰ লক্ষ্যসন্ধানী পথেদি আগবঢ়াই লৈ যাব পাৰিব লাগিব আৰু তাতেই লিখকৰ সফলতা নিৰ্ভৰ কৰে। কেৱল ভাষাই নহয়, চৰিত্ৰৰ ৰূপায়ণ, কাহিনীৰ বিন্যাস, পাৰিপাৰ্শ্বিকতাৰ বৰ্ণনা— সকলোতে চুটিগল্প লেখকৰ প্ৰখৰ মাত্ৰাচেতনাই তেওঁৰ সফলতাৰ সাঁচাৰ কাঠি। একে আষাৰতে ক'বলৈ হ'লে এইদৰে ক'ব পাৰি— নিজৰ বিক্ষিপ্ত ভাৱ আৰু মনোবেগক সম্পূৰ্ণৰূপে আয়ত্বাধীন কৰি কম কথাতে মনোৰমকৈ চিত্ৰ সংযোগৰ মাজেদি চঞ্চল জীৱনৰ কোনো মুহূৰ্তৰ অৱলম্বনক উদ্ভাৱিত কৰি তোলা গল্প লিখকৰ প্ৰধান উদ্দেশ্য। এই বিষয়ে এড্গাৰ এলেন পোৱে কৈছে— "গোটেই গল্পটোত এনেকুৱা এটা শব্দত লিখিব নালাগে, যিটো শব্দ প্ৰত্যক্ষভাৱে হওঁক বা পৰোক্ষভাৱে হওঁক পূৰ্ব পৰিকল্পিত ৰূপকল্পৰ লগত সম্পৰ্কিত হোৱাৰ প্ৰতি অপ্ৰবন।" শ্ৰেষ্ঠ চুটিগল্প লিখক এই ক্ষেত্ৰত সজাগ; তেওঁ কেতিয়াও শব্দৰ ধোৱাখুলীয়া নহয়। বহু সময়ত দেখা যায় গোটেই গল্পটোৰ বীজ প্ৰথম বাক্যটোতে প্ৰছন্ন হৈ থাকে, আনকি কেতিয়াবা গল্পৰ শিৰোনামাতে সি লুকাই থাকে। যোগেশ দাসৰ "কলপটুৱাৰ মৃত্য"ও তেনে এটি গল্প। বৰ মানুহৰ ঘৰৰ লগুৱা বুলিয়েই ধনীৰামৰ ভাগ্যত ঘটিল জীৱনৰ কল পটুৱাত ৰৰবোপাৰ ভাগৰ চুৱা জলপান— গা জিলিকা ৰূপেশ্বৰী আৰু দুশ টকাৰ নিচুকনি বানচ।

চুটিগল্পৰ আনটো শিল্পাদৰ্শ ফলশ্ৰুতিৰ একময়তা। লক্ষ্যৰ এক মুকখতাৰে ই অনিবাৰ্য্য পৰিণতি। সকলোবোৰ ভাল চুটিগল্পৰে চুড়ান্ত ৰূপটো এটা নিটোল ফলৰ দৰে। যেন মাজত এটাবীজ আৰু তাৰ চাৰিওফালে আটিল এথোপা মঙহ। উপন্যাস যদি এটা সুমথিৰা; চুটিগল্প তেনেহ'লে এটা আপেল। কেইবাটাও ফুট লগ লাগিহে এটা সুমথিৰা আৰু তাক আলফুলকৈ ধৰি ৰাখে ওপৰৰ বাকলিটোৱে। কিন্তু চুটিগল্প নামৰ আপেলটো ওপৰৰ বাকলি, ভিতৰৰ মঙহ আৰু মঙহৰ মাজৰ গুটি গোটেইখিনি একেলগে খাঁজ খাই থকা বস্তু। ইয়াৰ চৰিত্ৰ, কাহিনী আৰু পৰিবেশ— কোনো কাৰো পৰা বিচ্ছিন্ন আৰু বিশ্লিষ্ট অৱস্থাত নাথাকে। অৱশ্যে ইবিলাকৰ কোনোবা এটা বিশেষ উপদানে প্ৰাধান্য লভিলেও লভিব পাৰে।

ব্ৰাণ্ডেৰ মেথ্যুজে তেওঁৰ– "The philosophy of short story" নামৰ গ্ৰন্থখনত প্ৰতীতিৰ ঐক্য ৰূপকেই চুটি গল্পৰ প্ৰাণ বুলি বৰ্ণনা কৰিছে। তেওঁৰ মতে, যি কোনো চুটিগল্প পঢ়ি উঠাৰ পাচত মন ভৰি উঠে, কিবা নহয় কিবা এটাৰ ছঁয়াময়া ধাৰণাৰে। মনটোত সাঁচ বহুৱাই থৈ যায় মাথোন এটা বিশেষ অনুভূতিয়ে। জীৱনৰ একাঁজলি ৰঙিয়াল হাঁহি, এটোপাল চকুৰ পানী, এমুঠি বিস্ময়ৰ জিলিঙনি, এচেৰেঙা সপোনৰ আভাস, অলপমান দোধোৰ-মোধোৰ— এইবোৰেই হ'ল একো একোটা চুটিগল্পৰ প্ৰাণ বস্তু। কিন্তু মানুহৰ জীৱনৰ আধ্যাত্মিক বিৱৰ্তনৰ ইতিহাস, গভীৰতম

বিষাদৰ অভিজ্ঞতা, জয় পৰাজয়ৰ গৌৰৱ আৰু গ্লানি— এইবোৰ বস্তু বিচাৰিবলৈ হ'লে উপন্যাসৰ ওচৰ চাপিব লাগিব। কঁতোল মেণ্ডিচৰ 'এ পেয়াৰ অব লষ্ট ষ্টাৰ্ছ' অথবা কালযেন মিক্সজাথৰ 'দ্য গ্ৰীণ ফ্লাই'ৰ দৰে চুটিগল্পই সেই বৈচিত্ৰ্য আৰু বিশালতাৰ আস্বাদ দিব নোৱাৰে, যাৰ আশ্বাদ পোৱা যায় টলষ্টয়ৰ "War and peace" নাইবা ৰোমা ৰোল্যাঁৰ জাঁ ক্ৰিষ্টফৰ দৰে বিপুলাতয়ন উপন্যাসত। চুটিগল্পক চুটি বুলি আখ্যা দিয়াৰ আচল কাৰণ এইটোৱেই। বিন্দুৰ বুকুত সিন্ধুৰ আভাস দিব পৰাতেই চুটি গল্পৰ চৰম সাৰ্থকতা।

আংগিকৰ ফালৰ পৰা বিশ্লেষণ কৰিলে দেখা যায়, চুটিগল্পৰ কাহিনী ৰূপায়ণৰ আৰু চৰিত্ৰাংকনৰ কিছুমান স্বতন্ত্ৰ বৈশিষ্ট্য আছে। চুটিগল্পৰ কাহিনী বিস্তাৰত যিটো বস্তুৱে পাঠকৰ মানসত প্ৰতীকতৰ ঐক্যৰূপ প্ৰদান কৰে, সেই বস্তুটো সম্পৰ্কে সমালোচকে আই. আৰ. চামাৰ্ছে কৈছে "চুটিগল্প বুলিলেই তাৎক্ষণিকতাৰ অনুভূতি এটা থাকিব লাগে। —তাৎক্ষণিকতা মানে সেই গুণটো, যি পাঠকক অনুভৱ কৰায় যে, তেওঁ নিজেও গল্পটোৰ মাজতে আছে— গল্পটো পঢ়া নাই। তাৎক্ষণিকতাৰ সঞ্চাৰ কৰিব পাৰি ঘটনা ৰাজিক 'ব্যক্তিকৃত' কৰি যেন সিবিলাকক ইতিপূৰ্বে পৰিচয় কৰি দিয়া ব্যক্তিৰ জীৱনটেই ঘটিবলৈ লৈছে। ইয়াক সঞ্চাৰ কৰিব পাৰি আনুপুংখিক বৰ্ণনাৰে, যেন সেইবিলাক সেই মুহূৰ্ততেই ঘটিছে।" অন্য ভাষাত ক'ব পাৰি চুটিগল্পৰ কাহিনীত এনে এক সন্মোহনৰ মায়াজাল থাকিব লাগে যেন পাঠকে কাহিনীৰ লগত এক সম্পূৰ্ণ একাত্মীয়তা গঢ়ি তুলিবলৈ বাধ্য হয়। সেয়ে পাঠকে মহিম বৰাৰ 'কাঠনিকৰী ঘাট পঢ়ি উঠি নিয়তিৰ পৰিহাসৰ কথা ভাবি থমকি ৰয়।

চুটিগল্পৰ কাহিনী বিন্যাসৰ আনটো বৈশিষ্ট্যৰ দিশ উদঙাই ধৰিছে, চমাৰচেট মমে এষাৰ ধুনীয়া কথাৰে, "মোৰ দৃষ্টিত পাৰ্থিৱ হওঁক অথবা আধ্যাত্মিক হওঁক এটা বিশেষ ঘটনাৰ বৰ্ণনাই চুটি গল্প। আৰু সেই ঘটনাক তাৰ বিস্তাৰৰ বাবে অপ্ৰয়োজনীয় অবান্তৰৰ অৱতাৰণা নকৰাকৈ নাটকীয় সংহতি দিব পৰাতেই চুটিগল্পৰ সফলতা।" কাহিনীৰ নাটকীয় সংহতি বুলিলেই গাঁঠনিৰ দৃঢ়তা আৰু প্ৰতিটো অংশৰ ঘন পাৰস্পৰিক নিৰ্ভৰশীলতাক বুজায়। যিহেতু চুটিগল্পত জীৱনৰ খণ্ডাংশই চিত্ৰিত হয়, সেইবাবে ইয়াৰ সূচনা আৰু সমাপ্তি অতি সুক্ষ্ম শিল্প বুদ্ধিৰ ওপৰত প্ৰতিষ্ঠিত হোৱা একান্ত প্ৰয়োজনীয়। চুটি গল্পৰ সূচনা উপন্যাসৰ প্ৰস্তাৱনাৰ দৰে মুঠেই পত্ৰ পুস্পক্ষোভিত ধৰণৰ নহয়। বৰং প্ৰথম বাক্যটোৱেই ,গোটেই গল্পটোৰ ৰসৰগাগৰি উজাৰি কৈ দিব খোজে। ঠিক সেইদৰে চুটিগল্পৰ সমাপ্তিও সমানে মৰ্মস্পৰ্শী।

চৰিত্ৰ অংকনৰ বৈশিষ্ট্য সম্পৰ্কে হেনৰী জেমছৰ অভিমত তাৎপৰ্য্যপূৰ্ণ। তেওঁৰ মতে, মানুহৰ চৰিত্ৰৰ জটিল মনঃ সমীক্ষণেই চুটিগল্পৰ প্ৰধান সামগ্ৰী। প্ৰশ্ন হৈছে, চুটিগল্পৰ চমু পৰিসৰত চৰিত্ৰ বিস্তাৰৰ সম্ভৱনাই বা কিমানখিনি? তথাপি, যিবোৰ গল্পৰ কাহিনী দুৰ্বল সেইবোৰ গল্পত চৰিত্ৰৰ মানসিক দ্বন্দ্ব সংঘাতৰ চিত্ৰনেৰেই ৰসৰ পোহাৰ মেলিবলগীয়া হয়। তদুপৰি সফল কথা শিল্পীয়ে চৰিত্ৰৰ সেই জটিল ৰূপটো আঁকি উলিয়ায়। চৰিত্ৰ বিশেষৰ আপোন মুখৰ ঘৰুৱা ভাষাৰ সংলাপৰ ব্যঞ্জনাৰে— লেখকৰ পৰিশীলিত ভাষাৰ ঘটনাৰ বৰ্ণনাৰে নহয়। মানুহৰ মনৰ গোপন প্ৰদেশৰ প্ৰতিটো বুদ্-বুদ কণিকা যেন পৃথিৱীৰ পোহৰলৈ ওলাই আহে সংক্ষিপ্ত সংলাপৰ সৰু সৰু উৰ্মিৰ ৰূপত। এইখিনিতে এটা কথা কৈ যাব পাৰি। ভাল চুটিগল্পৰ শ্ৰেষ্ঠত্ব বেছিকৈ নিৰ্ভৰ কৰে, ৰূপবস্তুৰ আধাৰতকৈয়ো সংলাপ ৰচনাৰ দক্ষতাৰ ওপৰতহে ।

এইদৰে বিভিন্ন উপাদান, বৈশিষ্ট্যৰে পৰিপূৰ্ণ হৈ জোনাকী যুগত বেজবৰুৱাৰ হাতত জন্ম হোৱা অসমীয়া চুটি গল্প নামৰ বৃক্ষজোপা বৰ্তমান যুগত বহু পত্ৰে পুস্পে বিকশিত হৈ উঠিছে। বৰ্তমান যুগত চুটিগল্পই বহু প্ৰসাৰ লাভ কৰিছে। এই প্ৰসাৰত কাৰক হিচাপে সহায় কৰিছে বৰ্তমান আধুনিক যুগৰ অৱসৰহীন ব্যস্ততাই আৰু সংবাদ সাহিত্যৰ ক্ৰমবৰ্দ্ধমানে। এই চুটিগল্পই অসমীয়া সাহিত্যত এক বিশাল ক্ষেত্ৰৰ সৃষ্টিৰ কৰি নিজৰ উপযুক্ত স্থান নিৰ্ণয় কৰি লৈছে।

(এই প্ৰবন্ধটো লিখোতে ৰামমল ঠাকুৰীয়াৰ 'সাহিত্য বিচাৰ' আৰু মহেন্দ্ৰ বৰাৰ 'সাহিত্য উপক্ৰমণিকা' এই গ্ৰন্থদুখনৰ সহায় লোৱা হৈছে।)

০০০

# কৌতুকঃ

- এগৰাকী ভদ্ৰমহিলা প্ৰথম প্ৰথম বেংকলৈ গৈছিল এখন চেক ভঙাবলৈ।

  ক্লাৰ্কঃ বাইদেউ, আপুনি এইখিনিত চহী কৰক।

  ভদ্ৰমহিলাঃ কিয়? এইখন মোৰ স্বামীৰহে চেক।

  ক্লাৰ্কঃ নিশ্চয়, কিন্তু আপোনাৰ চহী ইয়াত জৰুৰী।

  ভদ্ৰমহিলাঃ বাৰু, কি প্ৰকাৰে কৰো।

  ক্লাৰ্কঃ যি প্ৰকাৰে আপোনি আপোনাৰ স্বামীলৈ লিখা চিঠিত লিখে।

  ভদ্ৰমহিলাই চহী কৰিলে- 'আপোনাৰ প্ৰাণেশ্বৰী হেমা'।

- বুবুৱে বছৰে বছৰে পৰীক্ষাত ফেল কৰি থাকে। সিহঁতৰ ঘৰৰ ওচৰতে থকা বাবাজী এজনে মানুহৰ অপায়-অমংগল, অসুখ-বিসুখত তাবিজ মাদলী দিয়ে। বুবুৱেও পৰীক্ষাত পাছ কৰিবৰ বাবে তাৰে তাবিজ এটা আনিলে। তাবিজটো কঁকালত বান্ধি সি পৰীক্ষা দিবলৈ গ'ল। তাৰ পিছতো সি ফেল কৰি থাকিল। খঙতে এদিন সি তাবিজটো ভাঙি পেলালে। তাবিজটোৰ ভিতৰত সি এখন সৰু কাগজ পালে। তাত লিখা আছিল, মূৰ্খ পঢ়িলেহে পাছ কৰিবি।

- প্ৰথম ব্যক্তিঃ মই পৃথিৱীৰ বিভিন্ন অঞ্চল, বিভিন্ন দেশ ফুৰিছো। যেনে ধৰক আমেৰিকা, ৰাছিয়া, জাপান ইত্যাদি।

  দ্বিতীয় ব্যক্তিঃ অ' তেন্তে ভূগোল সম্পৰ্কত আপোনাৰ যথেষ্ট জ্ঞান আছে।

  প্ৰথম ব্যক্তিঃ অ' ভূগোল। অতি সুন্দৰ ঠাই। মই তাত তিনিদিন আছিলো।

- ৰাজুঃ এই সুন্দৰ মটৰ গাড়ীখন তোমাৰ নহয় জানো?

  বিজুঃ হয়ো-নহয়ো।

  ৰাজুঃ মানে?

  বিজুঃ মানে। যেতিয়া বজাৰ কৰিবৰ বাবে প্ৰয়োজন তেতিয়া এইখন মোৰ পত্নীৰ, যেতিয়া কোলো পাৰ্টিত যাব লগা হয় তেতিয়া এইখন মোৰ পুত্ৰৰ আৰু যেতিয়া এইখন তেল ভৰাব লগা হয় তেতিয়া মোৰ।

- এখন ৰে'লত সকলোতকৈ বেছি শব্দ ইঞ্জিনটোৱে পৰা আহে।

  কেতিয়াও নহয়। আপুনি তেনেহ'লে ৰে'লৰ মহিলা ডবাকেইটা দেখাই নাহি।

- এগৰাকী ভদ্ৰমহিলাৰ ব্যৱহাৰত দোকানৰ কৰ্মচাৰীজনৰ ধৈৰ্য্যচুতি ঘটিছিল–

  ভদ্ৰমহিলা– আপোনাৰ মূৰত তিলমাত্ৰ বুদ্ধিও নাই। হয়তু আপোনাৰ মালিকে মোৰ কথা বুজি পালেহেঁতেন। তেওঁকে মাতকচোন।

  কৰ্মচাৰী– ঠিক কৈছে। সেইবাবে আপুনি অহাৰ লগে লগে তেখেত দোকানৰ পৰা ওলাই গ'ল!

- অফিছৰ পৰা ঘূৰি আহি গিৰিয়েকে ঘৈণীয়েকক ক'লেহি– অফিছৰ পৰা আজি কেইজনমান বন্ধু চাহ খাবলৈ আহিব; তুমি এই বাচনখিনি লুকুৱাই থোৱা।

  ঘৈণীয়েকে সুধিলে– কিয়? তেওঁলোক চোৰ নেকি? জীৱন যাত্ৰৰে আগবাঢ়ি যাব লাগিব। তেতিয়াহে মানৱ সমাজৰ কল্যাণ হ'ব বুলি নিশ্চিত ধাৰনা এটা লব পাৰি।

  স্বামীয়ে উত্তৰ দিলে– তেওঁলোক চোৰ নহয় সচাঁ; পিচে এই কেইটা বাচন দেখা পালে নিশ্চয় তেওঁলোকৰ বস্তু বুলি চিনি পাব।

# কুইজ

## প্ৰশ্ন

(১) পৃথিৱীৰ কত ইতিহাসৰ সবাতোকৈ ডাঙৰ জাহাজ দুৰ্ঘটনা ঘটিছিল?

(২) প্ৰথম অসমীয়া উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ কোন?

(৩) অসমৰ প্ৰথম মহিলা বোলছবি অভিনেত্ৰী কোন আছিল?

(৪) লেখনিৰ জৰিয়তে পৰীক্ষা দিয়াৰ প্ৰথা কেতিয়াৰ পৰা প্ৰচলিত হয়?

(৫) কেতিয়া দিনৰ ভাগতো নক্ষত্ৰ দেখা যায়?

(৬) বিশ্ববিখ্যাত নাট্যকাৰ আৰু কবি শ্বেক্সপীয়েৰৰ ছদ্মনাম কি আছিল?

(৭) কোনো সৈন্য বা পুলিচ নথকা দেশ কি?

(৮) কোন চৰাইয়ে ফুলেৰে বাহ সাজে?

(৯) অন্ধকাৰত ভাল টোপনি হয় কিয়?

(১০) সূৰ্য্যৰ পোহৰ পৃথিৱীত পৰোঁতে কিমান সময় লাগে?

(১১) শৰাইঘাট দলংৰ দৈৰ্ঘ্য কিমান?

## উত্তৰ

(১) ১৮৯২ খ্ৰীঃ ১০ এপ্ৰিলৰ দিনা আটলাণ্টিক মহাসাগৰত টাইটানিক নামৰ যাত্ৰী জাহাজখন সাগৰত ভাহি থকা তুষাৰ পাহাৰৰ সৈতে ইমান জোৰেৰে খুন্দা খাইছিল যে জাহাজডুবাৰ ফলত সেই জাহাজখনৰ শত শত যাত্ৰী আৰু চালক সকলৰ সলিল সমাধি ঘটে। প্ৰসঙ্গত সেই যাত্ৰাটোৱে আছিল জাহাজখনৰ প্ৰথম সমুদ্ৰযাত্ৰা।

(২) হলিৰাম ডেকা।

(৩) আইদেউ সন্দিকৈ।

(৪) ১৭০২ খ্ৰীঃত ইংলেণ্ডৰ কেম্বিক ট্ৰিনিটি মহাবিদ্যালয়।

(৫) পূৰ্ণগ্ৰাস সূৰ্য্যগ্ৰহণৰ সময়ত।

(৬) বাৰ্ড অৱ এভন।

(৭) এন্তোৰা।

(৮) নিউগিনিৰ কাবতীয়া অৰণ্যত বাসকৰা মালীচৰাই নামৰ এবিধ চৰায়ে প্ৰায় বতাহ সোমাব নোৱাৰা ধৰাণ বৰ যত্নৰে বাহ সাজে। বাহৰ সন্মুখ ফালে ফুল আৰু শামুক বাগিছা তৈয়াৰ কৰাকে যেন দেখি।

(৯) আমাৰ স্নায়ুপেশী সমুহ যেতিয়া নিষ্ক্ৰিয় হৈ পৰে তেতিয়া আমাৰ টোপনি আহে। কিন্তু টোপনিৰ সময়ত চকুৰ সন্মুখত কোনো উজ্বল পোহৰ জ্বলি থাকিলে সেই পোহৰত মস্তিস্কৰ নিস্ক্ৰিয় স্নায়ুসমুহ সজাগ হৈ উঠে আৰু ইয়াৰ ফলতে টোপনিৰ ব্যাঘাট ঘটে। অন্ধকাৰত এই ধৰণৰ ব্যাঘাট নঘটে বাবেই ভাল টোপনি হয়।

(১০) ৮ মিনিট ১৮ চেকেণ্ড।

(১১) ৭০০০ মিটাৰ

*শ্ৰী মামনি ভূঞা*
স্নাতক ২য় বাৰ্ষিক।

The true history of the world must always be the history of the few; and the measure of the Himalaya by the height of Mount Everest; we must take the true measure of India from the poets of Vedas, the sages of the Upanisads, the founders of the Vedanta and Sankhya philosophies and the authors of the oldest law books, and not from the millions who are born and die in their villages, and who have never for one moment been roused out of their drowsy dream of life.

— Prof. Max Mueller, Germany.

We are vessels of a very limited content. Not all men can read all books; it is only in a chosen few that any man will find his appointed food.

— R.L.Stevenson.

A school or a college is a sanctuary, where there should be nothing that is base or unholy.

— Gandhiji.

# কবিতা

# নৃশংস বাস্তৱ

○ জোন হাজৰিকা
প্ৰাক্তন ছাত্ৰ

সুবিধাবাদী সেই বাদুলীবোৰে
নিশাৰ আন্ধাৰৰ সুযোগ লৈ
সিহঁতৰ স্বাৰ্থ পূৰণ কৰে।
নিশাৰ নিস্তব্ধ অন্ধকাৰত সিহঁতৰ গোপন পদক্ষেপ।
জাকে-জাকে, দলে-দলে পাল পাতি আহি
শাওঁণৰ ভৰপক দিয়া কলথোকত পৰে,
সিহঁতৰ হাঁহি-খিকিন্দালিত
কাণ তাল মাৰি ধৰে।
কিযে অদ্ভুত কণ্ঠস্বৰ সিহঁতৰ
কলৰ ছিৰিলি পাতত আজোঁৰ খাই পৰে
হিয়া বিদিৰ্ণ হয়, পৰি ৰয় এটি বাকলি,
তেজ, মঙহ শুহি লৈ যায়।

******

মুখেৰেই খায়, মুখেৰেই মলত্যাগ কৰে
বিচিত্ৰ চৰিত্ৰ সিহঁতৰ।
দিনৰ পোহৰত সিহঁতে লাজ পায়
অপবাদলৈকো সিহঁতে ভয় নকৰে,
গোটেই দিনটো ৰাজধানীতেই আসনত শুই থাকে
পুণৰ আন্ধাৰৰ সুবিধা লয়
বিয়পি পৰে মানৰ পৃথিৱীখনত।

******

আকৌ আৰম্ভ হয়
তেজ, মঙহ শোষণৰ প্ৰতিযোগিতা
হায় মনবৰ ককাই
অতি কষ্টেৰে হাড়-মুৰ ভাঙি এনেয়ে ৰুলি
এটি মৌটুপী কলৰ পুলি,
শাওঁণৰ ভৰপকতে আকৌ শুহি নিবহি
নাঙলৰ ফালেৰে বসুধা বিদাৰণ কৰাদি
তই জানো চাই থাকিব পাৰিবি ?
বিয়াল্লিশতেই ভঙাকামিহাড় যোৱা দি
কোনোমতে আকৌ তই থিয় দিছিলি
এতিয়াটো তই অন্তঃসাৰশূণ্য
এৰি যোৱা এটি ভীমকলৰ বাকলি।

******

মনতে ভাৰিছো, এদিন ফান্দ পাতিম
এটা-এটাকৈ সকলো বাদুলী মাৰিম
শুহি নিব নোঁৱাৰিব মনবৰহতঁৰ দৰে দুখীয়াৰ তেজ
আনিমগৈ মায়ঙৰ একুৰি বেজ,
উভালিম সিহঁতৰ শানিত নখ
ইতিহাসত ৰৈ যাব, য'ত-গুন-অপযশ।
মনবৰ কাই আৰু ভাৰি লাভ নাই
সিহঁতৰ কুটিল ৰাজনীতিৰ নাপাৰ তই "ভু"
চাওঁ, আঠুৰাখন মেলি দিও অকনমান তই "শু"।

❖❖❖

# " স্মৃতি "

○ শ্ৰী বৰ্ণালী মজুমদাৰ
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

স্মৃতি মোৰ যেন প্ৰভাস তীৰ্থ
সুন্দৰৰ দৰেই পৱিত্ৰ।
বতাহৰ সোঁতেত উৰুখে এই
স্মৃতিৰ সুবাস
হৈ যেন মোৰ এটি আধালিখা
কবিতাৰ আভাস।
নীৰমুখী বিহঙ্গৰ কাকলিত শুনো মই
শৈশৱৰ মিঠা স্মৃতি
ৰূঢ় বাস্তৱেও যেন নীৰৱে গায়
স্মৃতিৰে কোমল গীতটি।
যতবোৰ কথা মোৰ অতীত দিনৰ,
জয়-পৰাজয় আৰু সুখৰ দুঃখৰ।
সংঘাতেও দিয়ে জীৱনত
সৃষ্টিৰ মধুৰ প্ৰেৰণা,
নিয়মেৰে চলিছে বিশাল বিশ্ব নিতে
মানুহেই নোৱাৰে ক'ব মানুহৰ মনৰ বতৰা।
দুঃখভৰা জীৱনতো স্মৃতি হয়
দুচকুৰ ৰঙীন সপোন
" অতীত যিমানে কঠোৰ নহওক
স্মৃতি সদায় মধুৰ "।

❖❖❖



# মই আকৌ আহিছো

○ শ্ৰী মিতালী ...
একাদশ প্ৰথম বাৰ্ষিক (কলা বিভাগ)

মই এককুৰি বছৰীয়া দুৰন্ত তৰুণ কবি
দুচকুত জুইৰ শিখা লৈ,
মই আকৌ আহিছোঁ।
মোৰ বুকুত তেজ
আইয়ে দিয়া বিহবানেৰে গুলী খোৱা তেজমচি
মই আকৌ আহিছো।
মই থিয় দিছো মুখা পিন্ধা ৰাজনীতিজ্ঞৰ বিৰুদ্ধে
মোৰ বিপক্ষে চৰকাৰী ষড়যন্ত্ৰৰ গোন্ধ,
চৌদিশ মোৰ প্ৰদূষণময়।
মোৰ গাভৰু জনীৰ ধৰ্ষণকাৰীৰ বিৰুদ্ধে
প্ৰতিশোধ লব বিচৰা বাবে মই অপৰাধী
বজাৰত কৃত্ৰিম নাটনিৰ সৃষ্টিকৰা শোষণকাৰীক
গুলীয়াব খোজাৰ বাবে মই দায়ী
চৰকাৰৰ ভণ্ডামী দেখি
স্বাধীনতাৰ বিফলতা দেখি,
সৎ বিধানতো আস্থাহীনতা এতিয়া
জনসংযোগৰ ৰঙীন স্ক্ৰ'গানত শৱযাত্ৰা
মোৰ কণ্ঠস্বৰ উদ্দীপ্ত, মই স্পষ্টকৈ ক'ব খোজো।
মোৰ সমস্ত দেশৰ কলিয়া ডাৱৰে
আৱৰা আকাশত থিয় হৈ
মই এজন যুৱক।
সহস্ৰ টাডাকো নেওচি ৰক্তপান কৰি হলেও মই
আজি কঢ়িয়াই লৈ যাম, বিপ্লৱৰ তেজৰঙা পতাকা।
মোৰ গতিৰুদ্ধ কৰি দিলে
এই দেশৰ আৰু গতি নাথাকে,
সেয়ে মই আকৌ আহিছো, এবাৰ
দুচকুত জুইৰ ফিৰিঙতি লৈ।

❖❖❖

# “ ধনীৰাম দাইটি ”

○ শ্ৰী অনিত্য শইকীয়া
স্নাতক দ্বিতীয় বাৰ্ষিক

ধনীৰাম দাইটিলৈ মনত পৰিলেই
মোৰ সিৰে সিৰে পিৰ পিৰাই উঠে
সেই চিনাকী তেজৰ সোঁত
নাঙলৰ ফালেৰে কুমাৰী মাটিত গজে
লহ-পহ সেউজী সপোন।
দাইটি, তোমাৰ খোলৰ চেঁৰত
নাচি নাচি বধকাব্যৰ বকাসুৰ ভাগৰি পৰে;
আজিওঁ মনত পৰে মোৰ
তোমাৰ ভীমৰ গদাত
দুশাসন লুটিখাই পৰে
‘দুশাসনৰ ৰক্তপানত’ দৰ্শকৰ হাতচাপৰি।
দাইটি, তোমাৰ হাতৰ
গদাডাল মুঠি মাৰি ধৰা
চকুমেলি চোৰা সমাজৰ দুশাসনে
তোমাক কেনেদৰে খাই শেষ কৰিব ধৰিছে।
দাইটি যুদ্ধৰ চেওঁ মাৰা, মাৰিবলৈ আহিবা
আজি আমি দুশাসন বধ ভাওঁনা পাতিছো।

❖❖❖



# প্ৰেমৰ তৃষ্ণাত

○ শ্ৰী প্ৰকাশ বৰুৱা
স্নাতক প্ৰথম বাৰ্ষিক

জীৱন সংগ্ৰামত চৌদিশে ব্যাকুল হৈ
চটফটাই আছোঁ...... মই
এবুকু সচাঁ প্ৰেমৰ তৃষ্ণাত।
সন্ত্ৰাসিত সময়ৰ নিৰৱতা ভাঙি.......
আমন্ত্ৰণ কৰিছিলো......
লাহৰী, কেতেকী, মাধৈ-মালতী আৰু যে ক'ত......
ঠিকনা বিহীন সন্মোহীত প্ৰেমৰ ৰূপৱতীক।
হৃদয়ৰ আগচোতালত নেমাৰে কোনোৱে ভুমুকি,
তুমিয়েই আগবাঢ়ি আহিছা “ ৰিংকি ”
এটি নতুন চৰ্ত্তৰ প্ৰতিশ্ৰুতিৰে।
কোন ? মহাসাগৰ অথবা মহাসমুদ্ৰৰ নাজানো
পৰিচয়ৰ পাতনিতে.......
নিষ্ঠুৰ সময় সুঁতিয়ে.........
আতৰাই আনিলে মোক।
প্ৰতিটো উজাগৰী নিশাত........
প্ৰতিটো নিসংগতাৰ ক্ষণত............
হৃদয়ৰ সমস্ত দুৱাৰ-খিৰিকী খুলি..........
স্পন্দিত হৈছে..........
প্ৰতিটো ৰক্ত কণিকাত নদীৰ দৰে.........
তোমাৰ প্ৰতিচ্ছবি।।।
লুইতৰ বগা পানীৰ দৰে
উতলা যৌৱনৰ এছাটি পানীৰে
অপূৰ্ণ প্ৰেমৰ তৃষ্ণা.........
পূৰ্ণ কৰাৰ সংকল্প লৈছো।
তোমাৰ শৰীৰত দুহাত থৈ
প্ৰতিশ্ৰুতি দিছো
প্ৰকৃত প্ৰেমৰ যেন
কেতিয়াও যৱনিকা নপৰে।।



❖❖❖

# বিদায় পৰত

○ শ্ৰী প্ৰাঞ্জল লস্কৰ
(স্নাতক দ্বিতীয় বৰ্ষ)

তুমি ইয়াতেই থাকা
মই আজি দেশমাতৃৰ সুৰক্ষাৰ হেতু
প্ৰহৰীৰ বেশেৰে ওলাইছো,
হয়তু মই মৰিশালীও পাবগৈ পাৰো
তাৰবাবে তুমি নাকান্দিবা,
তাৰবাবে মোক ভুলো নুবুজিবা;
মোৰ কলিজা হঠাৎ
চিৰাচিৰ হৈ তেজ বলেও
তুমি ভয় নাখাবা.......

কাৰণ,
মোৰ আধৰুৱা সপোন হয়তু
তুমিয়েই পুৰাব লাগিব
মাত্ৰ বিদায় পৰত
এষাৰ কথা কৈ যাও..........
" মৰিশালীত মই যব সাজিলেও
তোমাৰ সেওঁতাৰ সীৰলুত
মোৰ সোঁহাতৰ অনামিৰে
পিন্ধাই দিয়া
তেজৰ ফোঁটটো নমচিবা" ।।

❖❖❖



# বিনিতাৰ চকু পানী

○ মিছু বৰ্ণালী লস্কৰ
(স্নাতক প্ৰথম বৰ্ষ)

দাপোণৰ সন্মুখত বিনিতাই থিয় হৈ,
হঠাতে তাই, চকুযোৰৰ পিনে চকু পৰিল।
তাই চকুযোৰ যেন ভৰ বাৰিষাৰ,
কলিয়া ডাৱৰে ঢাকি ৰখা এটা সূৰ্য্য।
তাই পৃথিৱীৰ সকলো বস্তুৱেই
ধুৱলী-কুঁৱলী দেখিছে।
এই ডাৱৰবোৰ বাৰু আঁতৰি যাবনে ?
দাপোণত প্ৰতিফলিত তাইৰ ছবিটোক প্ৰশ্ন কৰিলে,
তাইৰ, চকুত ভৰ বাৰিষাৰ দৰে থকা সেই
পানীবোৰ কাহানি নাইকিয়া হ'বনে ?
তাইৰ চকুযোৰে বসন্তৰ ফলে-ফুলে উপচি পৰা
সেই পৃথিৱীখন দেখিব পাবনে ?
তাই দাপোণক অনেক প্ৰশ্ন কৰিলে,
কিন্তু তাই উত্তৰ বিচাৰি নেপালে।
শেষত তাইৰ প্ৰশ্নৰ উত্তৰ দিলে ঋতুয়ে।
ঋতুয়ে যেনেকৈ গ্ৰীষ্মৰ গৰম, বৰ্ষাৰ বোকা-পানী,
শৰতৰ কুঁৱলী, শীতৰ হাড়কপাঁ ঠাণ্ডা,
সকলো অতিক্ৰম কৰি উপভোগ কৰে
বসন্তৰ ফৰকাল আকাশৰ মুক্ত সূৰুয।
ঠিক তেনেকৈ তাই , তাইৰ জীৱন
বসন্ত হেৰাই যাব নিদিয়ে।
তাইৰ চকুৰ পানীয়ে, তাই জীৱনৰ,
দুঃখ বেদনা সকলো ধুই,
তাই, তাইৰ জীৱন বসন্ত,
পুনৰ ঘূৰাই আনিব।

❖❖❖

# প্ৰেয়সী

○ মণি লস্কৰ
স্নাতক প্ৰথম বাৰ্ষিক(কলা)।



কলেজীয়া জীৱনৰ প্ৰথম দুৱাৰ দলিত
পাইছো তোমাক দেখা,
এই প্ৰথম দৰ্শনতে মই
কৰিছো কিছু আশা।।
নীৰৱে মই থাকিব বিচাৰো
দুৰৰি দলিচাত বহি,
তথাপিতো আহে তোমাৰ প্ৰতিচ্ছবি
মনলৈ ভাঁহি ভাঁহি।।
তোমাৰ চকুৰ হৰিণী চাৱনিয়ে
পেলায় মন মোৰ মোহি,
সৰ্ব্বস্ব শৰীৰ শিহৰি উঠে
মইহে পাঁও কেৱল বুজি।।
হৃদয়ত আশা, মনত তৃষ্ণালৈ,
আহিছো মই তোমাৰ কাষলৈ,
দিবা জানো মোক তোমাৰ হৃদয়ত
প্ৰেম পূঁজাৰ বন্তি জ্বলাবলৈ ?
বিশ্বাস মোৰ, মনৰ লগতে
সৰ্ব্বস্ব দিবা হিয়া উজাৰি,
দিবা মৰম, নিদিবা কলঙ্ক
তোমাৰ হিয়াৰ তলি উজাৰি।।
সঁচাকৈ প্ৰেয়সী তুমিয়ে মোৰ
মনৰ মাজৰ মনালিছা,
দৃঢ় মই, এই সকলোবোৰৰ
নহয় দিঠকৰ মৰীচিকা।।

❖❖❖

# শ'ৱদেহ

○ শ্ৰী জোন মণি বৰা
স্নাতকৰ দ্বিতীয় বৰ্ষ

পুৱাৰ বতাহৰ অস্থিৰ পৰশত
ঘ্ৰানিত হয় মানুহ পোৱাৰ গোন্ধ
নদীৰ পানীত উত্তি ভাঁহি ঘূৰে
আজি মানুহৰ শ'ৱদেহ ...........;

আকাশে বতাহে মাথো প্ৰতিধ্বনিত হয়
আজি মৃত্যুৰ হুংকাৰ........,
গনিছে মাথো মানৱে আজি
মৃত্যুৰ ক্ষন প্ৰতি পদে পদে!

সপোনৰ পৰীজনী পলাল কেনিবাদি
সপোন পুৰীৰ পৰা,
নিজৰ দেশতে নিজেই অচিন
পাহৰি নিজৰেই কায়া;

জ্ঞানীজনেও ভাবুক মনেৰে
গনিছে নিজৰ ক্ষন
দুষিত মনৰ দুষিত শ্বাসত
সকলো বুৰিছে জন......!

নিকৰুণ মনৰ কৰুণ ছবিবোৰ
ভাঁহি ঘূৰে মাথো আকাশে বতাহে
বিচাৰি নিজৰ প্ৰকৃত ৰূপ
নে সিও আজি এটি মাথো
শ'ৰদেহ............!!

❖❖❖

# আকস্মিক ' সুখ '

○ শ্ৰী অনন্ত কুমাৰ নাথ
উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ প্ৰথম বাৰ্ষিক (কলা)

ক্ষন্তেকীয়া এই
সুখৰ ছবি,
পাৰিম জানো ল'ব
ৰাখিব ধৰি ?
জানো। মই সুখ
নাপাই সহজতে,
সিও যে লুকাই থাকে
নিজৰ কাষতে।
দুদিনীয়া এই মোৰ
মানবী দেহা,
তাৰো নাই এটি ক্ষণো
স্থিতিৰ ভৰষা।
সহিলো মই জীৱনত
অজস্ৰ দুখ,
পামনে বাৰু কেতিয়াবা
এই ক্ষন্তেকীয়া সুখ।
পামনে নেপাম মই
তাকে থাকো ভাবি;
দিও নে নিদিও খুলি
মোৰ দুহাতৰ মুঠি।।

❖❖❖



# " বেলচিত প্ৰেম "

○ শ্ৰী অনিত্য শইকীয়া
স্নাতক প্ৰথম বাৰ্ষিক। (কলা বিভাগ)

বেলচিৰ পথাৰত মানুহ পোৱাৰ গোন্ধ
সভ্যতাৰ যজ্ঞত
মানুহৰ ৰঙা ৰঙা তেজ;
বুদ্ধিৰ জোলোঙাটো পিঠিত
আঁৰি লৈ আমি সপোন দেখিছো
ধৰ্মনিৰপেক্ষতাৰ আৰু শ্ৰেণীহীনতাৰ।
মুক্তিৰ শব্দশালেত
বক্ততাক শান দিছো
নিগ্ৰোৰ নিপীড়ন শুনি
আমি আতঙ্কত চিঞঁৰি উঠিছোঃ
বিশ্ৰামাপুৰৰ দুৱাৰে দুৱাৰে
কান্দোনৰ ৰোল
সভ্যতাৰ যজ্ঞত মানুহৰ তেজ।
তথাপিতো বুদ্ধিৰ জোলোঙা খুলি
আমি হোৱা দিওঁ
বিশ্বপ্ৰেম আৰু নগ্নসভ্যতাৰ।
বেলচিৰ দুৱাৰত কোনোৱাই
চিঞঁৰিছে সাম্য, মৈত্ৰী, একতাৰ গান;
ভিতৰত পুৰি পুৰি ছাই হোৱা
মৃত্যুৰ নিৰিড় মৌনতা;
কোনে শুনে বাৰু
জোলোঙাৰ সভ্যতাৰ গান ?
বেলচিৰ দুৱাৰত আমি শাৰি পাতি থিয় হওঁ,
উচ্ছাভিমানক কৰৰত পুতি
(আমি) জীয়াই থকাৰ গান গাওঁ।



❖❖❖

# গন-সংগ্ৰাম

○ শ্ৰী ধ্ৰুৱ কাকতি
স্নাতক দ্বিতীয় বাৰ্ষিক

শ্যামলী ধৰাৰ নিৰ্মল বতাহ
কলুষিত আজি ৰাজনীতিৰ মেৰপাকেৰে,
তথাপিও বৰ্ষাৰ লক্ষ্যবিহীন মেঘৰ দৰে
নিয়ম ভঙাৰ নিয়মকে লৈ
এনেদৰে কোলাহল কৰি থকা
কুকুৰজাঁক দেখিলে
মোৰ মনত জাগি উঠে সংগ্ৰাম।
সিহঁতে আজি দৰিদ্ৰ জনতাৰ
আকালৰ ভাতমুঠি কাঢ়ি
সোণৰ কাঁহীত খাইছে;
সিহঁতে আজি অনেক দুখিতৰ
চকুৰ টোপালেৰে
মুকুতাৰ মালা গাঁঠিছে।
হে আজিৰ নতুন পুৰুষ
তুমি আজি ভাবিবৰ হ'ল,
তুমি আজি জাগিবৰ হ'ল।
যি পথেৰে আমি উদ্ধাৰিব পাৰিম
চিৰ পূঁজিত দেশ মাতৃক,
যি পথেৰে আঁতৰাব পাৰিম
কলুষিত ৰাজনীতিক,
সেই পথ হ'ব গন-সংগ্ৰাম।।।







❖❖❖

# শ্ৰদ্ধাঞ্জলী

○ শ্ৰী তুলিকা শইকীয়া
স্নাতক প্ৰথম বাৰ্ষিক

হে অসমী আইৰ প্ৰকৃত বীৰ
তুমি তোমাৰ সাহস
অফুৰন্ত শক্তিৰে
তোমাৰ কৰ্মময় জীৱন
দেশ মাতৃৰ ৰক্ষাৰ নামত
কৰিলা অৰ্পন।
আজি তুমি যি আদৰ্শৰে
পৰিচালিত হৈ
হাঁহিমুখে কৰিলা
মৃত্যুবৰণ।
সেই আদৰ্শক আমাৰ মাজত
চিৰদিন জীয়াই ৰাখিম বুলি
আজিয়েই কৰিলো পণ।
তোমাৰ জ্যোতিৰে শাণিত হওঁক
নিস্পেষিত জনগণ।
তুমি হ'লা অক্লান্ত পথযাত্ৰী
উদ্ভাষিত হওঁক।
তোমাৰ প্ৰেৰণা আৰু কৰ্মৰাজি।
তুমি আজি জ্যোতিষ্মান।।



❖❖❖

# " শুনা মোৰ প্ৰাণৰ সখা "

○ শ্ৰী জোন মণি বৰা
স্নাতক তৃতীয় বৰ্ষ (কলা)

মন যদি ভাগি যায় ফাগুণৰ কোনোবা এটি
ধুসৰ নিশাত............,
মনত পেলাবা তোমাৰ স্মৃতিৰ এটি ক্ষন
জীৱনৰ পুৰতি নিশাৰ!
শুনা মোৰ প্ৰাণৰ সখা,
আছা যদি তুমি মোৰ প্ৰাণৰ কাষত
জুৰিটিৰ পানীত নিজকে মিলাই দিয়া
পানী হৈ বৈ যোৱা সময়ৰ সোঁতত।
ভাঁগি যোৱা হিয়াখনি পুনৰ জোৰা দিয়া
ছিগিব নোৱাৰা এক অচিন খুতাৰে,
আগবঢ়া আজি তুমি পোহৰৰ দেশলৈ
আন্ধাৰক কাহানিও নিদিবা প্ৰশ্ৰয়!
পানী হৈ ধুৱাই দিয়া তোমাৰ ৰুক্ষ হৃদয়
ফুল হৈ ফুলি উঠা তোমাৰ বাগিচাখনিত
অন্য এটি প্ৰজন্মৰ বাবে...........
অন্য এক পৃথিৱীৰ বাবে.........
অন্য এক সত্যৰ বাবে............
হোৱানে তুমি মোৰ প্ৰাণৰ সখা,
আছানে তুমি মোৰ প্ৰাণৰ কাষত
সুখৰ বাটত নুপুতিবা হুল তুমি
নিজেই নিজৰ বাবে
শুনা মোৰ প্ৰাণৰ সখা!!

❖❖❖

# মাদাৰ টেৰেছাৰ স্মৃতিত
## ১৯১০-১৯৯৭

○ শ্ৰী শৰৎ কুমাৰ নাথ
উ. মা.শ্ৰেণীৰ দ্বিতীয় বৰ্ষ

অ' মা।
তুমি বিংশ শতাব্দীৰ পুৱাতেই
ওলাইছিলা
ধ্ৰুৱ তৰাৰ দৰে
দিছিলা জ্যোতি নক্ষত্ৰৰ দৰে
শতাব্দীৰ প্ৰায় শেষলৈকে।
মই, মই কিন্তু তোমাক
দেখা পোৱা তোমাক
দেখা পোৱা নাছিলো।
কিয়নো মোৰ দূৰবীণ নাছিল।
আছিল মাথো ধ্যান
জ্যোতিৰ ফালে,
পাইছিলো কণমান পোহৰ
কাগজে কিতাপে।
মা
বৰ হাবিয়াস কৰিছিলো
তোমাৰ জ্যোতি পাম বুলি
যেতিয়া শুনিছিলো তুমি আহিবা
প্ৰদক্ষীণ কৰিবলৈ
আমাৰ জিলালৈ
কিন্তু! কিন্তু!
মা
তুমি ৫-৯-৯৭ ৰাতি
কিয় নিস্প্ৰভ হ'লা?
আমি যে অন্ধকাৰ দেখিছো মা!
তুমি বাৰু সন্যাসীনি নেকি?
মা
জানো ইয়েই সময়
প্ৰাৰ্থনা জনাইছো ভগৱানক (যীশুক)
তোমাৰ জ্যোতিয়ে
এই মৰতৰ
বিলুপ্ত হব খোজা মানৱতাক
মানৱতা জ্ঞানৰ জ্যোতি বিলাওক!!

# গল্প

গল্প

# অসহায়

শ্ৰীজৰা শইকীয়া
স্নাতক ৩য় বাৰ্ষিক

কুউ, কুউ, কুউ, কুউ কুলিটিৰ সু-মধুৰ ধ্বনিত সাৰ পাই উঠিল মনি ওৰফে জ্যোতিষ্মা শইকীয়া। উঠিয়েই তাই খিৰিকী খন খুলি অপলক নয়নেৰে চাই ৰ'ল কাষৰ বাৰীখনত থকা কৃষ্ণচুড়া জোপালৈ। ইমান সুন্দৰ কৈ ফুলি উঠিছে কৃষ্ণচুড়া জোপা। লাহে লাহে চকু গ'ল কাষৰ গছবোৰলৈ। প্ৰতি জোপা গছেই যেন তাইক হাঁহি মুখে সম্ভাষন জনাইছে সুন্দৰ পুৱাটোৰ বাবে। সচাঁকৈ বহাগ মাহটো অতি অপূৰ্ব। কেওফালৰ সেউজীয়া পৰিবেশে তাইৰ মনটো আনন্দত ৰঙীন কৰি তুলিলে। দুটামান কনমানি ঘৰচিৰিকাই কৃষ্ণচুড়া জোপাৰ ইটো ডালৰ পৰা সিটো ডাললৈ জপিয়াই ফুৰিছে। কি সুন্দৰ দেখিছে সিহঁতক। ইস্! তাইয়ো যদি কৃষ্ণচুড়া জোপাত উঠি সিহঁতৰ লগতে ইটো ডালৰ পৰা সিটো ডাললৈ জপিয়াই ফুৰিব পৰা হয়। তাই খিৰিকীৰ কাষৰ পৰা ঘুৰি আহি দৰ্জাখন খুলি কৃষ্ণচুড়া জোপাৰ তল পালেহি। কু-উ, কু-উ আকৌ কুলিটিৰ মাতত আনন্দত আত্মাহাৰা হৈ কৃষ্ণচুড়া জোপাৰ তলত থকা বাহৰ বেঞ্চখনতে তাই বহি পৰিল। সন্মুখৰ বননিত এজোৰ শালিকাই ইফালৰ পৰা সিফাললৈ জপিয়াই ফুৰিছে। তাই ভাবিলে সিহঁত বৰ সুখী। এনেতে অলপ দূৰৰপৰা ভাহি আহিল ৰাতি পুৱা ট্ৰেইনখনৰ বিকট শব্দটো। উচ্প খাই উঠিল জ্যোতিষ্মা। তাইৰ আগত দেখি থকা সুন্দৰ দৃশ্যৰ পৰিৱৰ্তে এইবাৰ চকুৰ আগত ভাঁহি উঠিল এখন করুণ মুখ। চলচলীয়া চকু যুৰিৰে যেন তাইলৈকে চাই আছে সেইখন মুখে। তাইৰ মনটো এইবাৰ ভৰি পৰিল আনন্দৰ পৰিৰ্ত্তে বিষাদেৰে। তাই ঘুৰি গ'ল যোৱাকালিৰ দিনটোলৈ। যোৱাকালি তাই কামপুৰৰ পৰা জাগীৰোডলৈ বায়েকৰ ঘৰলৈ আহি আছে। ট্ৰেইনৰ ডবাটোত তাই আৰু সিহঁতৰ চিনাকী এগৰাকী মহিলা আৰু তেওঁৰ ছয়বছৰীয়া জীয়েক। জ্যেতিষ্মাৰ কাষৰ চিটটোত এজন আদহীয়া ভদ্ৰলোক। তাই ৰঞ্জু হাজৰিকাৰ এখন সুন্দৰ কিতাপত মগ্ন হৈ আছিল।

যাঃ যাঃ আতৰ হ আৰু কিমান লাগে। গুচ আৰু এপইচাও নিদিও। হঠাৎ কোনোবাই কাৰোবাক চিঞৰি কোৱাত উচপ খাই মূৰ তুলি চালে জ্যোতিষ্মাই দেখিলে এটা সৰু ল'ৰাক আদহীয়া ভদ্ৰলোকজনে ডবিয়াইছে। ল'ৰাটোৱে সেমেনা-সেমেনি কৰি ভয়াতুৰ দৃষ্টিৰে ভদ্ৰলোকজনলৈ চাই কৈছে, বাবু, সকলোৰে পৰা এটকাকৈ লৈছো। আপুনি মোক ২৫ পইচা হে দিছে। আৰু ৭৫ পইচা দিয়ক। ভদ্ৰলোকজনে নুশুনাৰ ভাওধৰি বাতৰি কাকত চাই আছিল। এনেতে গাড়ীখন ৰৈ গৈছিল চাপৰ মুখ ষ্টেচনত। ভদ্ৰলোক জনে বেগটো লৈ ল'ৰালৰিকৈ নামিবলৈ ধৰাত ল'ৰাটোৱে আগভেটি ধৰি ক'লে-বাবু ৭৫ পইচা দিয়ক। ভদ্ৰলোকজনে ল'ৰাটোক চৰ এটা মাৰি গতিয়াই থৈ নামি গৈছিল ডবাটোৰ পৰা। সি ভাৰসাম্য ৰাখিব নোৱাৰি পৰি গৈছিল জ্যোতিস্মাৰ ভৰিৰ ওচৰত। লগে লগে তাই ল'ৰাটোক তুলি ধৰি বহুৱাই দিছিল সন্মুখৰ চিটটোত। চিনাকী মহিলা গৰাকীয়ে তেওঁৰ ছোৱালী জনীৰ

ওচৰত ল'ৰাটোক বহুওৱা কাৰণে ঘৃণাত নাক কোচাই ছোৱালীজনীক কাষলৈ চপাই নিছিল। ল'ৰাটোৱে চলচলীয়া চকু দুটিৰে তাইলৈ চাই আছিল। ল'ৰাটোলৈ তাইৰ বৰ বেয়া লাগিল গৈছিল। জ্যোতিষ্মাই থৰ লাগি চাইছিল ল'ৰাটোৰ মুখলৈ। বগা শেতা পৰা এখনি করুণ সুন্দৰ মুখ। চকুকেইটাও তাৰ বৰ মৰম লগা। বয়স ১২-১৩ বছৰমান হ'ব। লগে লগে তাইৰ চকুৰ পৰ্দাত ভাহি উঠিল আন এখন মুখ। অলপ বগা এখন উজ্বল মুখ। ঠিক এই ল'ৰাটোৰ বয়সৰ। হঠাৎ তাইৰ এনে লাগিল সন্মুখত বহি থকা ল'ৰাটো যেন গাড়ীৰ ডবায়ে ডবায়ে বুট - মগু বিক্রি কৰি ফুৰা ল'ৰাটো নহয়। সেইটো তাইৰ ভায়েকটোহে যেন। তাই আৰু বৈ থাকিব নোৱাৰিলে। ল'ৰাটোৰ বৈ পৰা চকু পানী খিনি মচি দিবৰ বাবে তাই হাত আগবঢ়ালে। হঠাৎ তাই সন্মুখত বহি থকা চিনাকী ভদ্রমহিলা গৰাকীয়ে হাতখন থাপ মাৰি ধৰি ক'লে - কি কৰিবলৈ ওলাইছা। চিঃ জাত পাত একো নোচোৱা। তাইৰ অকস্মাত বৰ খং উঠিল। মানুহ গৰাকীৰ মুখলৈ চাই খঙেৰে কৈ উঠিল - জাত পাত আপোনালোকৰ দৰে ভদ্রতাৰ মুখা পিন্ধা সকলেহে বিচাৰ কৰে। প্রকৃত মানুহে কেতিয়াও নকৰে। সেই সকলে টকা পইচাহে চিনি পায়, মানুহ চিনি নাপায়। এই সৰু ল'ৰাটো আপোনাৰ ঘৰত থৈ অহা ল'ৰাটোৰ দৰে নহয়নে? কোনে জানে! কিহৰ বাবে সি আজি এনেদৰে অবহেলিত হব লগা হৈছে। তাৰ এইটো কিহৰ বয়স ? পঢ়া শুনাৰহে বয়স। কিন্তু সি আজি তাই আৰু একো নকৈ মহিলা গৰাকীৰ ফালে চালে। তেওঁ তল মূৰ কৰিলে। জ্যোতিষ্মাৰ এইবাৰ ল'ৰাটোৰ মুখলৈ চালে। সি নিৰৱ দৃষ্টিৰে একে থৰে তাইৰ মুখলৈকে চাই আছে। জ্যোতিষ্মাৰ চকুয়ে চকুয়ে পৰাত সি তলমূৰ কৰিলে। তাই তাৰ মুখলৈ চাই সুধিলে-ভাইটি তোমাৰ নাম কি?

ঃ নয়ন। সি ক'লে।

ঃ বাঃ ধুনীয়া নাম। কোনে দিছিল তোমাক এই নামটো ? তাই সুধিলে।

ঃ দেউতাই। দেউতাই আমাক খুউব মৰম কৰিছিল। কৈয়েই সি উচুপি উঠিছিল। ল'ৰাটোৰ কথা শুনি কিয় জানো তাই তাৰ ঘৰৰ সকলো কথা জানিবলৈ মন গ'ল। তাই তাক পুনৰ সুধিলে-তোমাৰ ঘৰ ক'ত ?

ঃ গুৱাহাটী ষ্টেচনৰ ওচৰতে আমাৰ ঘৰ।

ঃ ঘৰত কোন কোন আছে ? জ্যোতিষ্মাই সুধিলে।

ঃ মা আৰু ভণ্টি নয়নী আছে। সি ক'লে।

ঃ তুমি পঢ়িছিলানে ?

ঃ পঢ়িছিলো সপ্তম মানলৈকে। তাৰ পিছত আৰু পঢ়িব নোৱাৰিলো।

ঃ কিয় নোৱাৰিলা। তোমাৰ দেউতা নাই জানো ?

ঃ দেউতা নাই। দেউতা মৰা ১ বছৰ হ'ল। সি ক'লে।

ঃ কি হৈ মৰিল তোমাৰ দেউতা ? সুধিলে তাই

ঃ মটৰ দুৰ্ঘটনাত। সি ক'লে।

ঃ মটৰ দুৰ্ঘটনাত! তাই তালৈ চালে। সি কৈ গ'ল সকলোবোৰ কথা এফালৰ পৰা।

সেইদিনা আছিল আমাৰ ৰিজাল্টৰ দিন। মই ষষ্ঠ মানৰ পৰা সপ্তমানলৈ প্ৰথম হৈ প্ৰমোচন পাইছিলো। মই ৰিজাল্ট পাই আনন্দত দৌৰি আহিছিলো মা-দেউতাক খবৰ দিবলৈ বুলি। কিন্তু আমাৰ ঘৰৰ চোতালত মানুহৰ ভিৰ দেখি মই থমকি ৰৈছিলো। মাৰ কান্দোন শুনিছিলো। গম পালো দেউতাৰ মটৰ দুৰ্ঘটনাত মৃত্যু হৈছে। মই দৌৰি গৈ মাক সাবতি ধৰি চিঞৰি চিঞৰি কান্দিছিলো। সেইদিনাৰ

পৰাই আমাৰ জীৱনলৈ নামি আহিছিল পৃথিৱীৰ সমস্ত দুখৰ বোজাবোৰ। দেউতা থাকোঁতে আমি বহুত সুখত আছিলো। অভাৱ কাকবোলে একো বুজি নাপাইছিলো। কিন্তু দেউতাৰ মৃত্যুত আমি এসাজ ভাতৰ কাৰনে হাহাকাৰ কৰিব লগা হ'ল। আমি আগতে থকা ঘৰটো ভাড়াঘৰ আছিল। সৰু তিনিটা কোঠালি। দুটা কোঠালিত আমি আছিলো। এটা কোঠাত দেউতাই গেলামালৰ দোকান দিছিল। দোকানখন ভাল চলিছিল। সেই কাৰণে দেউতাই আমাক সকলো যোগাৰ দিব পাৰিছিল। কিন্তু দেউতাৰ মৃত্যুৱে সকলো ওলট-পালট কৰি পেলালে। দেউতাৰ মৃত্যুৰ পিছত মা আৰু মই এমাহ অসীম ধৈৰ্য্যৰে দোকানখন চলাইছিলো আৰু আমিওঁ চলিছিলো। কিন্তু এমাহৰ পিছতে মালিকৰ কু-দৃষ্টি পৰিছিল আমাৰ ওপৰত। তেওঁ খুউৰ বেয়া মানুহ আছিল। দেউতাই এবছৰৰ ঘৰভড়া দিয়া নাই বুলি তেওঁ আমাৰ দোকান কাঢ়ি ললে। আমাক ঘৰৰ পৰা উলিয়াই দিয়ে। মায়ে উপায় নাপাই কান্দি কান্দি আমাক লৈ ওলাই আহিছিল ঘৰৰ পৰা। আমি চাৰিওফালে আন্ধাৰ দেখিছিলো। তিনিটাকৈ মানুহে আমি ক'ৰ পৰা খাম। মায়ে আমাক দুয়োটাকে কাষত লৈ গুৱাহাটি ষ্টেচনত বহি আছিল কান্দি কান্দি। এনেতে এগৰাকী মহিলাই মায়ে কান্দি থকা দেখি ওচৰ চাপি আহি সোধ-পোচ কৰি তেওঁলোকৰ ঘৰলৈ লৈ যায়। তেওঁলোকৰ ঘৰ ষ্টেচনৰ ওচৰতে।তেওঁলোকৰ ঘৰত আমি কেইদিনমান থাকো। তেওঁলোকৰ অৱস্থা বৰ ভাল নাছিল। মানুহ গৰাকীৰ গিৰিয়েকে স্কুল এখনত চকিদাৰ কৰি ৪টা ল'ৰা ছোৱালীৰ সৈতে কোনোমতে চলে। তেনেস্থলত তেওঁলোকে আমাৰ তিনিটা মানুহক পোহে কেনেকৈ ? সেই কাৰণে মানুহ গৰাকীয়ে মাক এদিন বুজাই ক'লে তোমাৰ ল'ৰাটো ডাঙৰ হৈছে। তাক আমাৰ ওচৰৰ বিতুহতৰ লগতে সিহঁতৰ দৰে গাড়ীৰ ডবায়ে ডবায়ে বুট-মুগু আদি বিক্ৰী কৰিবলৈ দিয়া। তেতিয়া তোমালোক তিনিটা চলিব পাৰিবা। থকাটো বাৰু চোতালৰ আগৰ ঘৰটোতে থাকিবা। ভাড়া দিব নালাগে। এই বুলি মানুহ গৰাকীয়ে ২০ টকা মাৰ হাতত দিছিল মই বেপাৰ ক ৰিবৰ বাবে। মায়ে সেইদিনা খুউ ৰ কান্দিছিল। মায়ে মই পঢ়া এৰি এইদৰে ঘৰ চলাব লাগিব বুলি ভবা নাছিল। তেওঁ বৰ আঘাত পাইছিল। মই মাৰ পৰা ২০ টকাটো লৈ সেইদিনাৰ পৰাই এইদৰে গাড়ীৰ ডবায়ে ডবায়ে চৰ-গতা খাই হ'লেও কোনোমতে দুবেলা দুমুঠি খাইছো। নয়নীক পঢ়াইছো নয়নী এতিয়া তৃতীয়মানত। দেউতা জীয়াই থাকোতে মাৰ মুখত সদায় হাঁহি দেখিছিলো। কিন্তু আমি আজিকালি মাৰ চকু পানীৰে গাল তিয়াই থকা মুখ খনহে দেখোঁ। দেউতা জীয়াই থাকোতে মা-দেউতাৰ একান্ত ইচ্ছা আছিল মোক ডাঙৰ হ'লে ডাক্তৰ পঢ়োৱা। মা-দেউতাৰ উৎসাহত মই ডাক্তৰ হোৱাৰ আশাৰে মন দি পঢ়ি প্ৰতি বছৰে প্ৰথম হৈ উৰ্ত্তীন হওঁ। এল, পি, বৃত্তিও পাইছিলো মই। মোৰ ৰিজাল্টে মা-দেউতাৰ মনত বৰ আনন্দ দিছিল। কিন্তু দেউতাৰ মৃত্যুয়ে সকলো ওলট-পালট কৰি দিলে। মই এতিয়া............

আৰু কিবা কব বিচাৰিছিল ল'ৰাটোয়ে। হুক হুকাই কান্দি দিলে সি। জ্যোতিষ্মাজনীয়েও ল'ৰাটোৰ লগতে উচুপি উঠিছিল। তাই দেখিলে তাই চিনাকী ভদ্ৰমহিলাইও ৰুমালেৰে চকুৰ পানী মচিছে। ল'ৰাটোয়ে উচুপি উচুপি পুনৰ কৈ গৈছিল- মোৰ পঢ়িবলৈ বৰ ইচ্ছা আছিল। বাইদেউ, মোৰ লগৰ ল'ৰাবোৰ দেখিলে বৰ বেয়া লাগে। মায়েতো সদায় কান্দে। মইয়ো কান্দো মনে

মনে। মই যদি আকৌ পঢ়িব পৰা হয়। কিন্তু......... আৰু একো কথা কব নোৱাৰিলে সি আকৌ কান্দি দিলে। জ্যোতিষ্মাৰ মনটোৱে হাহাঁকাৰ কৰি উঠিল। তাই ভাবিলে কোনে জানে এইদৰে আৰু কিমান শিশুৰ ভৱিষ্যত ধ্বংস হৈছে। কিমান ফুলিব ধৰা ফুলৰ কলি অকালতে মৰহি গৈছে। আমাৰ সমাজে কিয় ভাড়াঘৰৰ মালিকৰ দৰে মানুহ সকলক শাস্তি নিদিয়ে। তেওঁলোকক কিয় দুখীয়াৰ তেজ শোহাৰ সুবিধা দিয়ে। তাই উত্তেজনাত ঘামি উঠিল। তাই যেন ল'ৰাটোক ক'ব - ভাইটি তুমি নাকান্দিবা। মই দায়িত্ব লম তোমাৰ মা - ভনীৰ। তুমি আজিৰ পৰা এনেকৈ মুখা পিন্ধা ভদ্ৰলোক সকলৰ চৰ গতা খাব নালাগে। তুমি স্কুল যাবা। ডাঙৰ হ'লে পঢ়ি শুনি ডাক্তৰ হবা। কিন্তু পিচমুহুৰ্ত্ততে তাই মনটো মৰহি গ'ল। তাই চিন্তা কৰিলে তাইতো চাকৰি নকৰে। সৌদিনাখন তাই টিউচন কৰা টকা আৰু দেউতাকে দিয়া টকা মিলাইহে দেখোন টি.ডি.চি. পাৰ্ট - ওৱানৰ পৰীক্ষা দিয়াৰ সুবিধা কৰিব পাৰিছিল, তেনেস্থলত তাই তাক কেনেকৈ পঢ়াই ডাক্তৰ কৰিব। কেনেকৈ লব তাই তাৰ মাক ভনীয়েকৰ দায়িত্ব। তাই নিজকে বৰ অসহায় অনুভৱ কৰিলে।

ঃ বাইদেউ জাগীৰোড পালোহি। হঠাৎ ল'ৰাটোৰ মাততহে তাইৰ সম্বিত ঘুৰি আহিল। ল'ৰাটোৱে তাইৰ বেগটো নমাই দি তাইক সহায় কৰিলে। তাই নামি আহি হাতত থকা টকা কেইটা হিচাপ কৰি ঘুৰি যোৱা ভাড়াটো ৰাখি তাৰ হাতত ২০ টকা দি ক'লে ঘৰলৈ চাউল দালি নিবা। সি লৱলৈ অমান্তি হোৱাত তাই জোৰকৈ তাৰ হাতত সুমুৱাই দি অলপ আতৰত থকা ৰিক্সা খনৰ ফালে আগবাঢ়িল। অলপ তাই ঘুৰি চাই দেখিলে সি তাইৰ করুণ চকু যুৰিৰে তাইলৈকে চাই আছে। তাই তাৰ চকুত দেখা পালে সৰ্বহাৰাৰ দুখ বেদনা। তাই এটা দীঘল হুমুনীয়াহ কাঢ়িলে।

হঠাৎ তাই তাৰ কান্ধত কাৰোবাৰ স্পৰ্শ অনুভৱ কৰাত ঘুৰি চালে। সেইজনী তাইৰ বায়েক। তেতিয়াহে তাই বৰ্তমানলৈ ঘুৰি আহিল। অ' অথনিৰ পৰা কালিৰ কথাহে ভাবি আছিল তাই ঃ মনি কি ভাবি আচ অকলে অকলে। বল চাহ খাওঁগে। তাই বায়েকৰ চকুলৈ চাই লাহেকৈ ক'লে ব'লা বাইদেউ।

তাই বায়েকৰ পিছে পিছে গৈ আছিল যদিও মনে মনে আকৌ ভাবি গৈছিল সেই অসহায় ল'ৰাটোৰ কথা।

□□□

**যদি তোমাৰ নিজৰ ওপৰত বিশ্বাস নাই, তেনেহ'লে আনক বিশ্বাস কৰিবা কেনেকৈ?**
**আনক অবিশ্বাস কৰা মানেই নিজৰ ওপৰত বিশ্বাস হেৰুওৱা।**

গল্প

# অপেক্ষা

○ শ্ৰী অনিতা দেৱী
স্নাতকৰ ১ ম বাৰ্ষিক ( কলা)
কামপুৰ কলেজ

অজয়ৰ মৃত্যুয়ে গোটেই অঞ্চলটোতে দুখৰ ছাঁ পেলালে। মানুহে আলোচনা কৰিলে ইমান ভাল ল'ৰা এটাই কিয় এনে কাম কৰিলে। কিছুমানে মন্তব্য কৰিলে কোনোবাই চক্ৰান্ত কৰি অজয়ৰ মৃত্যু মাতি আনিলে পুলিচ চাব ইনচ্‌পেক্টৰ বি ৰহমান আহি ঘটনা স্থলীত উপস্থিত হল। তেওঁ অজয়ৰ মৃতদেহটো পৰীক্ষা কৰিবলৈ ধৰিলে। ইনচ্‌পেক্টৰ ৰহমানৰ মনটো বেয়া লাগি গল, ইমান ধুনীয়া লৰা জনৰ দৃশ্য দেখি। তেওঁ প্ৰথমে অজয়ৰ দেউতাকক প্ৰশ্ন কৰিলে। আপুনি অজয়ৰ কি হয়? চাৰ, মই অজয়ৰ দেউতাক। আপুনি কাৰোবাক সন্দেহ কৰে নেকি" নাই চাৰ, মোৰ কাৰো ওপৰত সন্দেহ নাই। অজয়ে বৰ্তমান কি কৰে? সি বৰ্তমান এইবাৰ বি,এ শেষ পৰীক্ষা দিছে। কোন কলেজৰ পৰা? গুৱাহাটী কটন কলেজৰ পৰা। আপুনি জানে নে তেওঁ গুৱাহাটীত পঢ়োতে ক'ত আছিল? হয়, জানো, সি কটন কলেজৰ ছাত্ৰ বাসত আছিল। বাৰু কওকচোন, ছাত্ৰবাসৰ কিমান নম্বৰ কোঠাত আছিল? অৱশ্যে নাজানো, ছাৰ।

ইয়াৰ পিছতে ইনচপেক্টৰ ৰহমানে প্ৰশ্ন কৰিলে পদুমনি গাৱঁৰ নেতৃস্থানীয় ব্যক্তি শ্ৰীবিনয় হাজৰিকাক। বাৰু, হাজৰিকা, আপুনি অজয়ক কেনেভাৱে জানে। মই জানো পদুমনি গাওঁখন বিৰাট অঞ্চলৰ দক্ষিণ পশ্চিম দিশত অৱস্থিত। ইয়াৰ মানুহৰ আৰ্থিক অৱস্থা একেবাৰে বেয়া মানে শোচনীয় হ'লেও মানুহৰ মনক সামাজিক মলিনতাই স্পৰ্শ কৰিব পৰা নাই। আমি প্ৰতি ঘৰ মানুহে পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰ কৰো। ইয়াৰ ধূলি বালিতে আজি কুৰি বছৰৰ আগতে গাঁৱৰ মানুহে তাক লৈ ৰঙীন সপোন দেখিছিল। শিক্ষা-দিক্ষা অৰ্জন কৰাৰ পিছত গাঁৱৰ উন্নতিৰ বাবে আশাৰ সমল হ'ল কেৱল মৃত অজয়। পুলিচ ইনচপেক্টৰ ৰহমানে পুনৰ প্ৰশ্ন কৰিলে— বাৰু, হাজৰিকা মৃত অজয় কাৰোবাৰ লগত আগতে মনোমালিন্য আছে নে? আপুনি অনুগ্ৰহ কৰি কওক; মিছা কথা, আজিলৈকে কোনো মানুহে কব নোৱাৰে সি তেনে ল'ৰা নহয়। ঠিক আছে তবে অজয়ৰ মৃত্যুক আপুনি কি বুলি ভাবে; মই ভাবো ইয়াক কোনোবাই চক্ৰান্ত কৰি হত্যা কৰিছে। ইয়াৰ পিছত মৃত অজয় হাজৰিকাৰ মৃতদেহটো মৰনোত্তৰ পৰীক্ষাৰ বাবে লক্ষীমপুৰ জিলাৰ চিভিল হস্পিতাললৈ পঠাই দিলে।

পুৱাৰ ৰ'দ কাচলিত বহি বহি বি, ৰহমানে মৃত

অজয়ৰ কেচটোৰ বিষয়ে ভাবিবলৈ ধৰিলে। মানুহে যদি জীয়াই থকাতো ঈশ্বৰৰ অবাঞ্চিত-ফল, তেনেহ'লে জীয়াই থকাৰ বা থাকিবলৈ কিয় সংগ্ৰাম কৰিব লাগে। মৃত অজয়ে ৰঙীন সংসাৰৰ কল্পনা কৰি এনে এটা পৰিবেশৰ পৰা কটন কলেজত ভৰি দিছিল। তাৰ এই সংসাৰত আপোন বুলিবলৈ একমাত্ৰ দেউতাক। সেই দিন ধৰি আজিলৈ গাব্বৰ ৰাইজ তথা দেউতাকে মৃত অজয়ৰ প্ৰকৃত মৃত্যুৰ কাৰণ জানিবলৈ আগ্ৰহী হৈ আছে। এনে সময়তে বি, ৰহমান ইনচপেক্টৰৰ সনমুখত উপস্থি ত হৈ এজন কনিষ্টবলে আগবঢ়ালে এখন কাকত। তেওঁ আগ্ৰহেৰে হাত পাতিলৈ খুলি চাই দেখে মৃত অজয়ৰ মৰনোত্তৰ পৰীক্ষাৰ ৰিপৰ্ট। তেওঁ আৰু বেছি সময় অপেক্ষা নকৰি পদুমনি গাওঁত উপস্থিত হৈ নেতৃস্থানীয় দুজন মান ব্যক্তিসহ মৃত অজয়ৰ দেউতাকক লগ ধৰে। বৰুৱা আপোনাক পুনৰ আমনি কৰিব আহিলো। আপুনি অনুগ্ৰহ কৰি মোক মৃত অজয়ৰ শোৱা কোঠাটো পৰীক্ষা কৰিবলৈ দিয়ক। মোৰ কোনো আপত্তি থাকিব নোৱাৰে, যিহেতু আপোনালোক পুলিচ মানুহ আপোনালোকৰ যি কতৰ্ব্য, দায়িত্ব কৰিবই, চাবই তাত মোৰ কোনো বাধা থাকিব নোৱাৰে। গতিকে প্ৰয়োজনীয় অনুসন্ধান চলাবই লাগিব যাওঁক চাওঁক গৈ। বি, ৰহমানে পুনতে ধুনীয়া ধুনীয়াকৈ সজাই থোৱা ফটোকেইখনলৈ মন কৰিলে। কটন কলেজত পঢ়ি থাকোতে বন্ধুবোৰৰ লগত উঠা ফটোবোৰ, নবাগতা আদৰণি উৎসৱ মঞ্চত গান গাই থকা এখনি ফটো দেখিবলৈ পালে। ইয়াৰ পাছত ধুনীয়াকৈ সজাই থোৱা কিতাপবোৰ নিৰীক্ষণ কৰিলে, যিবোৰ সি কলেজত ব্যৱহাৰ কৰিছিল। ইয়াৰ পাছত চকু ফুৰালে কোঠাটোত থকা বাকী বস্তুবোৰলৈ। পুলিচ ইনচপেক্টৰ বি ৰহমানে মৃত অজয়ৰ কলেজত ব্যৱহৃত ট্ৰাঙ্কটোত লিখি থোৱা আখৰ কেইটালৈ চাই পঢ়িলে। "মিঃ অজয় বৰুৱা, কটন কলেজ, গুৱাহাটী" ইয়াৰ পাছত ট্ৰাঙ্কটো খুলি ভিতৰত থকা সামগ্ৰীবোৰ পৰীক্ষা কৰি কেইখনমান ফটো আৰু প্ৰয়োজনীয় চিঠি সংগ্ৰহ কৰিলে। আবেলি ৩ মান বজাত পুলিচ ইনচপেক্টৰ বি, ৰহমানে এটা চিগাৰেট জ্বলাই লৈ মৃত অজয়ৰ কথা ভাবিবলৈ ধৰিলে আৰু চিঠিবোৰ পঢ়িবলৈ আৰম্ভ কৰিলে। প্ৰথম চিঠিখন আছিল—

মৰমৰ অজয়দা,

মৰমবোৰ লবা। আচৰিত হৈছে ছাগে ৰীমাই আকৌ কিয় এনেখন কৰিছে। তোমাক মোৰ বৰ আপোন আপোন লাগে। তোমাৰ মৰম লগা হাঁহি আৰু ধুনীয়া মুখখনে মোৰ হৃদয়ত জোৱাৰ সৃষ্টি কৰিছে। কলেজৰ নবাগতা আদৰণি উৎসৱ মঞ্চত তোমাক বৰ ভাল লাগিছিল, মই ভাষাৰে বুজাই ক'ব নোৱাৰো। মই জানো অজয়দা, মোৰ এই আকুল আহ্বানক তুমি কেতিয়াওঁ প্ৰত্যাখ্যান নকৰা। গুৱাহাটী মহানগৰীত তোমাৰ সৈতে ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে ঘূৰোতে মোৰ মনটো কেনেলাগে জানে? আমিও যেন জীৱন সমুদ্ৰত একে নাৱৰে যাত্ৰী হিচাপে যাত্ৰত আগবাঢ়ি যাওঁ। খং উঠিছে ছাগে নহয়? আজি কিয় পাগলীজনীয়ে এনেবোৰ কৰিছে। মই তোমাৰ বাহিৰে জীৱনত কাকো নিবিচাৰো কেতিয়াও জীয়াই থকাৰ কামনা নকৰো। মই সছাই কৈছো মই তোমাক ভাল পাওঁ অজয়দা মই তোমাক বিচাৰো উত্তৰ দিবা। সদৌ শেষত তোমাৰ অন্তৰত অকনমান মৰম বিচাৰি আজিলৈ আহোঁ।

ইতি

ৰীমা

একেৰাহে চিঠিবোৰ পঢ়ি গ'ল পুলিচ ইনচপেক্টৰ

বি, ৰহমানে। মৃত অজয়ে যদি ৰীমাক ভাল পাইছিল আৰু ৰীমাই যদি জীৱনৰ সঙ্গী হিচাপে তেওঁ ক বিচাৰিছিল তেন্তে কিয় জীৱনৰ শেষ দৃশ্যত উপনীত হ'ব লগা হ'ল। মৃত অজয়ে যদি আত্মহত্যা কৰিছিল তবে মৰনোত্তৰ পৰীক্ষাৰ লগত মিলা নাই। কেচটো বৰ জটিল। যদি হত্যাকৰাতো সঁচা হয় তেনে্ হত্যাকাৰী নিশ্চয় খুনী। মই বাৰে বাৰে পৰীক্ষা কৰাতো মৃতকৰ গাত কোনো খুনৰ চিন পোৱা নগল। বিনয় চৌধুৰীক নিশ্চয় লগ ধৰিব লাগিব। পিছদিনা ইনচপেক্টৰ বি, ৰহমানে যোৱাৰ সিদ্ধান্ত কৰিলে।

ৰতনপুৰ চাহবাগিছা লক্ষীমপুৰৰ এখন আগশাৰীৰ চাহ বাগিছা। উক্ত চাহবাগিছাৰ মেনেজাৰ হ'ল বিনয় চৌধুৰী। এওঁৰ দ্বীতিয়া কন্যা ৰীমাই এইবাৰ কটন কলেজৰ পৰা প্ৰাক বিশ্ববিদ্যালয় শেষ ফাইনেল দিছে। বিনয় চৌধুৰী ধনে জনে এজন নামজ্বলা ব্যক্তি। সেই অঞ্চলত বিনয় চৌধুৰীক ভয় নকৰা মানুহ নাই। হাকিম, মন্ত্ৰী, উকীল আদি বিনয় চৌধুৰীৰ ঘৰৰ নিয়মীয়া অতিথি। আভিজাত্যৰ গৌৰৱত গৌৰাবান্বিত বিনয় চৌধুৰী সদায় আত্মহাৰা হৈ থাকে। তেওঁৰ ওচৰত দুখীয়ৰ কোনো স্থান নাই। তেওঁ সদায় ধনৰ গৌৰৱত গৌৰাবান্বিত হৈ গোটেই বিশ্বখনকে নিজৰ কৰি ৰখাটোকে বিনয় চৌধুৰীৰৰ মূল উদ্দেশ্য। এনেতে কলিং বেলটো বাজি উঠিল। চৌধুৰীৰ কামকৰা ল'ৰা আবুয়ে দুৱাৰখন খুলি আচৰিত হয় ই কি! পুলিচ দেখোন, চাৰ আহক। বি, ৰহমান আৰু লগত যোৱা কানিষ্টবল কেইজন ড্ৰইং ৰুমত বহিল। এনেতে বিনয় চৌধুৰী ওলাই আহি ড্ৰইং ৰুমত উপস্থিত হোৱাৰ লগে লগে পুলিচ ইনচপেক্টৰ বি, ৰহমানে প্ৰশ্ন কৰিলে; চৌধুৰী আপোনালোকক অলপ আমনি কৰিবলৈ আহিছো, বৰু কওঁকছোন অহাৰ কাৰণ কি, আপোনাৰ ছোৱালী ৰীমা চৌধুৰীৰ পৰা কেইটামান কথা জানিব লাগে। বিনয় চৌধুৰী আচৰিত হৈ সুধিলে কি কাৰণত মি, ৰহমান? আপুনি সকলোবোৰ সময়ত জানিব। যদি প্ৰয়োজন হয় তৱে আৰু আগবাঢ়িব লাগিব। অনুগ্ৰহ কৰি ৰীমা চৌধুৰীক অলপমান লগ কৰিবলৈ দিয়ক। এনেতে ৰীমা চৌধুৰী আহি উপস্থিত হ'ল। ৰীমা চৌধুৰী উপস্তিত হোৱাৰ লগে লগে পুলিচ ইনচপেক্টৰ বি, ৰহমানে মাত লগালে মিচৌধুৰী আপুনি অলপ বাহিৰলৈ যাওঁক। ৰীমা চৌধুৰীক উদ্দেশ্য কৰি বি, ৰহমানে মাত লগালে। মিছ চৌধুৰী আপোনাক কেইটামান প্ৰশ্ন কৰিম অনুগ্ৰহ কৰি তাৰ উত্তৰ দিব। বাৰু চৌধুৰী আপুনি কোন কলেজত পঢ়িছিল? মই কটন কলেজত পঢ়িছিলোঁ। আপুনি অজয় বৰুৱাক চিনি পাইনে? অজয় বৰুৱা............. অজয় বৰুৱা অ, পদুমনিৰ আজয়দা হয় পাওঁ চিনি। আপুনি কলেজত পঢ়োতে ক'ত আছিল? হোষ্টেলত। কিমান নম্বৰ কোঠাত? বাৰ নম্বৰ কেঠাত। আপোনাৰ লগত বাৰু কোন আছিল? মোৰ লগত তেজপুৰৰ ইন্দিৰা দুৱাৰা আছিল। বাৰু কওঁকচোন আপুনি অজয় বৰুৱাক কেনেদৰে জানে? ই এটা জটিল প্ৰশ্ন। অজয়দাক মই ভালদৰে জানো। তেওঁ এজন ধুনীয়া ধীৰ স্থিৰ যুৱক। তেওঁ কলেজত সকলোবোৰৰে প্ৰিয় আছিল আৰু তেওঁ এজন ভাল গায়কো আছিল। প্ৰথম তেওঁক চিনি পাইছিলো আমাৰ নৱাগতা আদৰণি উৎসৱত। আপুনি এতিয়া অজয় বৰুৱাৰ বিষয়ে কিবা জানে? বৰ্তমান তেওঁ বি.এ শেষান্ত পৰীক্ষা দি ঘৰত আছে। বহুদিন দেখা নাই আৰু লগো পোৱা নাই। মিছ চৌদুৰী আপুনি তেওঁৰ মৃত্যুৰ বিষয়ে কিবা জানে? মিছা কথা, অজয়দাৰ মৃত্যু হৈছে ই কেতিয়াও সম্ভৱ হ'ব নোৱাৰে। আপুনি কি কৈছে

এইবোৰ মই কেতিয়াও নামানো বুলি ৰীমা চৌধুৰীয়ে কান্দিব ধৰিলে। তেওঁৰ উচুপনীত বাধা দিয়া অসম্ভৱ হৈছিল। শুনক মিছ চৌধুৰী মই ভাবো তেওঁক কোনোবাই হত্যা কৰিছে। হত্যা, কোনে, কোন সেই হত্যাকাৰী চাৰ অনুগ্ৰহ কৰি অজয়দাৰ হত্যাকাৰীকবিচাৰি উলিয়াবই লাগিব চাৰ। হয় আপোনাৰ পৰা যদি সহায় পাওঁ নিস্চয় হত্যাকাৰী ধৰা পৰিব। এতিয়া মই আপোনাৰ শোৱা কোঠাটো পৰীক্ষা কৰিম, বলক যাওঁ। বি, ৰহমানে কোঠাটো চাৰিওফালে পৰীক্ষা কৰিলে। কোঠাটোত থকা এলবাম কেইটাৰ পাত লুটিয়াই গ'ল। মনতে ভাবিলে ইয়াতটো কতা অজয় মৃতকৰ ফটো এখনো নাই। এনেতে পুলিচ ইনচপেক্টৰ বি, ৰহমানে প্ৰশ্ন কৰিলে- বাৰু মিছ চৌধুৰী, আপোনাৰ লগত অজয় বৰুৱাৰ কিবা অবৈধ সম্পৰ্ক গঢ়ি উঠিছিল নেকি? নাই চাৰ, মোৰ তেনে কোনো সম্পৰ্ক গঢ়ি উটা নাছিল। ঠিক আছে নিশ্চয় আপুনি কলেজত পঢ়োতে এই ট্ৰাঙ্কটো ব্যৱহাৰ কৰিছিল নহয়নে? হয়। ইয়াক মই পৰীক্ষা কৰিব লাগিব। এই বুলি বি, ৰহমানে ট্ৰাঙ্কৰ ভিতৰত থকা কাগজ পত্ৰবোৰ চাই কেইখনমান কাগজলৈ সেই দিনাৰ বাবে বিদায় ল'লে। ইপিনে চাহবাগানৰ মেনেজাৰ চৌধুৰীয়ে খঙত গৰজি উঠিল। পুলিচ ইনচপেক্টৰ দেখুৱাবলৈ আহিছে। তহঁতৰ নিচিনা বহুতো পুলিচ অফিচাৰ মোৰ ওচৰত নাহিলে মুক্তি নাপায় মোক আকৌ সি ভয় দেখুৱাবলৈ আহিছে। মোৰ ছোৱালীৰ লগত সামান্য এটা পুলিচ অফিচাৰে অনুসন্ধান চলাব আহিছে। মেনেজাৰ বিনয় চৌধুৰীৰ লগত খেলিব আহিব ইয়াক মই কেতিয়াও সহ্য কৰিব নোৱাৰো। ইফালে ৰীমা চৌধুৰীয়ে সকলোবোৰ জানিও মাত মতাৰ সাহস নাই। তাই মনে মনে কান্দিবলৈ ধৰিলে অজয়ৰ মৃত্যুত। তাইৰ কপি উঠিল হৃদয়। অসহ্য বেদনাত তাই দিনে দিনে শুকাই যাবলৈ ধৰিলে। অজয়ৰ মৃত্যুয়ে নমাই আনিলে দুচকুত ধাৰাসাৰ চকুলো। মনত পৰিল অতীতৰ সকলোবোৰ কাহানি, মনত পৰিল গুৱাহাটী মহানগৰীৰ নিয়ন চাকিৰ সন্ধ্যাবোৰলৈ মনত পৰিল বিশাল ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে ফুৰা দিনবোৰলৈ; মনত পৰিল কামৰূপেশ্বৰী কামাখ্যা মন্দিৰলৈ আৰু পৰীক্ষাৰ শেষৰ বিদায় দিনটোলৈ কোনে বাৰু আমাৰ জীৱনৰ প্ৰথম পথতে থিয় দিলে কন্টক স্বৰূপে। মন গ'ল চিঞৰি চিঞৰি কান্দিবলৈ। ৰীমাই প্ৰতিক্ষণে উপলব্ধি কৰিলে অসহ্য বেদনা। অজয়ৰ স্মৃতিয়ে তাইৰ মানস পটত ঘূৰ্ণীবতাহৰ দৰে ধ্বংসৰ লীলা আৰম্ভ কৰিলে। ৰীমাই ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনালে হে প্ৰভূ, ্জয়দাৰ হত্যাকাৰীক যেন বিচাৰ কৰা। ৰীমাই কান্দি কান্দি বিচনাত ঢলি পৰিল।

পুলিচ ইনচপেক্টৰ বি, ৰহমানে ৰীমা চৌধুৰীৰ পৰা কাগজ পত্ৰবোৰ পৰীক্ষা কৰিবলৈ ধৰিলে। পুলিচ ইনচপেক্টৰ বি, ৰহমানে ৰীমা চৌধুৰীৰ প্ৰথম চিঠিখনৰ লগত মৃত অজয়ৰ উত্তৰবোৰ মিলাই পঢ়িবলৈ ধৰিলে। ইফালে চি, আই, ডি সহকাৰী পৰিদৰ্শকৰ পৰা আজিলৈকে কোনো ৰিপৰ্ট পোৱা নাই । জয়ে প্ৰথম চিঠিখন লিখিছিল—

মৰমৰ ৰীমা,

মৰম ল'বা। মই সচাঁকৈ আচৰিত হৈ পৰিছো। তুমি কিয় বাৰু এনেকৈ ভাবিছা। শুনা, ৰীমা প্ৰেম হ'ল ঈশ্বৰৰ সৃষ্টি। তুমি বা মই ভাবিলে লকলোবোৰ বাস্তৱত পৰিনত কৰিব নোৱাৰো। যাক যুগ যুগ ধৰি অদৃশ্যৰ হাতত পৰাজয় বৰণ কৰিব লগা হয়। তোমাৰ আৰু মোৰ মাজত ব্যৱধান আছে। তুমি ৰতনপুৰ চাহ বাগিছাৰ মেনেজাৰৰ ছোৱালী। মোৰ দেউতা তোমালোকৰ তুলনাত

এজন দুখীয়া চহা। পদুমনি গাঁৱৰ প্ৰতিঘৰ মানুহৰ মৰম স্নেহত সহায় সহযোগত কটন কলেজত পঢ়িবলৈ সক্ষম হৈছো। তোমালোকৰ মৰম স্নেহ আমাৰ নিচিনা মানুহৰ ওচৰত কেতিয়াও স্থায়ী হ'ব নোৱাৰে। প্ৰেম হ'ল চিৰসত্য বস্তু যাক ধনেৰে কিনিব নোৱাৰি। আজি সকলো জানিও নিমাত হ'ব লগাত পৰিছো ৰীমা। তোমাৰ আকুল আহ্বানক মই কেতিয়াও প্ৰত্যাখ্যান কৰিব নোৱাৰো। বৰু এইবোৰ বাদ দিলো পৰীক্ষা নিচেই এচৰত গতিকে ভালকৈ পঢ়া। আমাৰ প্ৰতিজনৰ সন্মুখত আছে একোটাকৈ উজ্বল ভৱিষ্যত। প্ৰতিজন ছাত্ৰ ছাত্ৰীয়ে অনুজ্বল জীৱনক উজ্বল কৰাৰ মানসে ৰঙীন সপোন লৈ কলেজত ভৰি দিছে। সদৌ শেষত তেওঁৰ ওচৰত তোমাৰ কুশল কামনাৰে।

ইতি

তোমাৰ অজয়দা

চি, আই, দি সহ পৰিদৰ্শক এম শৰ্মাই ৰতনপুৰ চাহবাগিছাৰ পৰা গুৱাহটী কটন কলেজলৈকে মৃত অজয়ৰ বাবে অনুসন্ধান চলালে। মৰনোত্তৰ পৰীক্ষাৰ ফলাফলৰ পৰা নিশ্চিত যে হত্যাকাৰী নিশ্চয় চতুৰ ব্যক্তি। তেওঁলোকে মৃত অজয়ক এনেভাৱে হত্যা কৰিলে যে অকনো খুত উলিয়াব নোৱাৰি। এমাহ ধৰি অনুসন্ধান চলোৱাৰ পিছত পুলিচ ইনচপেক্টৰ বি, ৰহমানক নোট দিবলৈ সক্ষম হৈছিল। মৃত অজয় কটন কলেজৰ ২ নং ছাত্ৰ বাসৰ বাৰ নম্বৰ কোঠাত আছিল। তেওঁ কটন কলেজৰ সকলোৰে প্ৰিয় ছাত্ৰ আছিল।কলেজৰ অধ্যক্ষ তথা অধ্যাপিকাৰ পৰা সকলো ছাত্ৰ ছাত্ৰীয়ে প্ৰতি কামতে অজয়ৰ প্ৰয়োজন উপলব্ধি কৰিছিল। বাতৰি কাকতত অজয়ৰ মৃত্যুৰ বাতৰিয়ে গুৱাহাটীৰ কটন কলেজ তথা মহানগৰীৰ সকলোকে আচৰিত কৰি তুলিলে। ৰীমা চৌধুৰী কটন কলেজৰ ২য় বাৰ্ষিকৰ ছাত্ৰী। মেট্ৰিকত কেইবাৰো অকৃতকাৰ্য্য হোৱাৰ পিছত কোনোমতে পাচ কৰি কলেজত ভৰি দিছিল। ৰীমা চৌধুৰীয়ে নিজৰ জীৱনটোক বজাৰৰ সামগ্ৰী হিচাপে ব্যৱহাৰ কৰিছিল। তেওঁৰ মতে জীৱনত উপভোগ কৰাৰ বাহিৰে একো নাছিল। ৰীমাই মৃত অজয়ক ভাল পাইছিল। বিগত দুটা বছৰ গুৱাহাটী মহানগৰীত মৃত অজয়ৰ লগত আপোন পাহৰা হৈ অতিবাহিত কৰিছিল। ৰতনপুৰ চাহ বাগিছাৰ মেনেজাৰৰ দ্বীতিয় কন্যা ৰীমা চৌধুৰী. কালক্ৰমে এই কথা গৈ ৰতনপুৰ চাহ বাগিছাৰ মেনেজাৰৰ ওচৰত পৰিছিল। প্ৰাক বিশ্ববিদ্যালয় পৰীক্ষাৰ পিছত ৰীমা চৌধুৰীয়ে গুৱাহাটীৰ এখন হোটেলত আছিল। সেইবাবে এখন চিঠি দেউতাক বিনয় চৌধুৰীলৈ লিখিছিল। মোৰ পৰীক্ষা ভালেই গৈছে। পৰীক্ষা শেষ হোৱাৰ পাছত মই কিছুদিন গুৱাহাটীতে জিৰণী ল'বলৈ বিচাৰো। বিনয় চৌধুৰীয়ে নিজৰ কন্যা ৰীমাৰ প্ৰস্তাৱ মানি লৈছিল। তেওঁৰ ডাঙৰ ছোৱালীজনী মেট্ৰিক পাছ কৰিব নোৱাৰি ঘৰতে আছিল। সেইবাবে দ্বীতিয় কন্যা ৰীমাক কলেজীয়া ছোৱালী হিচাপে বৰ মৰম কৰিছিল। তেওঁ ৰীমাৰ বাবে মনে মনে এজন যুবক চাই থৈছিল। ৰীমা চৌধুৰী বা পৰিয়ালৰ অন্য কোনো মানুহে সেই কথাৰ সম্ভেদ পোৱা নাছিল। ইফালে মৃত অজয়ৰ বি, এ ফাইনেল পৰীক্ষা শেষ হ'ল। পৰীক্ষা শেষ কৰাৰ পাছত মৃত বৰুৱাই নিজৰ পদুমনি গাঁৱলৈ ঘূৰি আহি শিক্ষা দিক্ষাই পিছ পৰা অঞ্চলটোৰ উন্নতিৰ বাবে অনান্য ৰাজহুৱা কামৰ লগতে এখন স্কুল খোলাৰ সিদ্ধান্ত কৰিছিল। সেই বাবে দুয়ো বিদায় লোৱাৰ আগদিনা কামৰূপেশ্বৰী কামাখ্যা মন্দিৰত জীৱন সঙ্গী প্ৰতিশ্ৰুতিৰে শিৰত সেন্দুৰ লৈ আৰ্শীবাদ মাগিছিল। পিচ দিনা দুয়ো

নিজৰ ঘৰলৈ যত্ৰা কৰিছিল। ৰীমা চৌধুৰী ঘৰ পোৱাৰ পিছত মনত পৰিল বাৰে বাৰে অজয়লৈ. এদিন দেউতাকক তাই অজয় বৰুৱাৰ বিষয়ে জনালে। দেউতা, অদয়দাক এদিন আমাৰ ঘৰলৈ মাতিম। তেওঁ আমাক কলেজৰ পৰা এইবাব বি. এ. ফাইনেল দিছে। বৰ ধুনীয়া তেওঁ আমাক বৰ মৰম কৰিছিল। এইদৰে বহুত আলোচনাৰ অন্তত তাই দেউতাকক ক'লে— মই অজয়দাক মোৰ জীৱনত পাবলৈ বিচাৰো; তুমি কি কোৱা দেউতা? বিনয় চৌধুৰীয়ে কৈছিল ই কেতিয়াওঁ সম্ভৱ হ'ব নোৱাৰে বুলি খংৰে গৰ্জি দৃঢ়তাৰে কলে। ৰীমাৰ মন ভাঙি গ'ল। তেওজানে দেউতাক এক কথাৰ মানুহ। কোনোবা লাগে মৰি যাওঁক তেওঁ তথাপি দৃঢ়তাক লৰচৰ নকৰে। বিনয় চৌধুৰীৰ নিজৰ স্বাৰ্থ পূৰণ নহলে কেতিয়াও কাৰ্য্যত আগনাবাঢ়ে বিনয় চৌধুৰীয়ে মনে মনে ভাবিব ধৰিলে ইয়াৰ উপায়। ইফালে অজয়ে স্থানীয় মানুহৰ সহায়ত এখন হাইস্কুল খুলাৰ বাবে লাগি গ'ল। নেতৃস্থানীয় ব্যক্তি সকলৰ লগত আলোচনা কৰবিলৈ ধৰিলে। নিৰ্দিষ্ট দিনত স্কুলৰ দুৱাৰ মুকলি কৰিলে। উক্ত দুৱাৰ মুকলি অনুস্থানলৈ অসমৰ বিভিন্ন গন্যমান্য ব্যক্তিৰ লগতে আমন্ত্ৰণ কৰিলে বিনয় চৌধুৰীক। আমন্ত্ৰিত অতিথি তথা স্থানীয় ৰাইজৰ সহায়ত মুকলি হল পদুমনি গাঁও তথা বিৰাট অঞ্চলৰ নতুন সুৰুজ। এনেদৰে মৃত অজয়ে দিনবোৰ অতি বাহিত কৰিবলৈ ধৰিলে। ইফালে বিনয় চৌধুৰী বেচিকৈ জ্বলি উঠিল। প্ৰতিশোধৰ দাবালন মৃত অজয়ে এদিন স্কুলৰ কামত লক্ষীমপুৰলৈ গৈছিল। লক্ষীমপুৰ চহৰৰ আটক ধুনীয়াকৈ সজোৱা দিন হোটেলৰ ১২ নং ৰুমত দুদিনৰ বাবে থকাৰ সিদ্ধান্ত কৰিলে। সেই সুযোগতে বিনয় চৌধুৰীয়ে বাগানৰ ৰতন আৰু হিমুৰ সহযোগত অজয়ক হত্যা কৰে। সেই কথা ৰীমা বা আন কোনোবাই মুঠেই গম নাপাইছিল। নিসংগ ভাবে হত্যা কৰি বিনয় চৌধুৰী এটা ডাঙৰ বোজাৰ পৰা যেন হাত সাৰিল কিন্তু ৰীমাই সেই কথা নাজানে, তাই অজস্ৰ ধনীঘৰৰ ধন সম্পতিৰে গৌৰবান্বিতও আছিল যদিও অজয়ক লগ পোৱাৰ পাছৰে পৰা সকলো পাহৰি একমাত্ৰ অজয়কে মনৰ মাজত লৈছিল। কিন্তু দেউতাক বিনয় চৌধুৰীয়ে তাইৰ শান্তি সুখক ধ্বংস কৰি দিছিল। তাইৰ সেই অজয়দাৰ মৰম ভালপেৰাক চিৰকাল ৰাখিম বুলি বহু ভাব, কল্পনা বুকুৰ মাজত ৰাখি সপোন সাগৰত ডুবি আছিল। কিন্তু আজি তাই পালে কি? নিজৰ পিতৃৰ উপহাৰ তাইক দিব লগা এইয়ে নেকি? তাইৰ সকলো আশা আকাঙ্খা আশাতে গল; তাইৰ অজয় দা আজিও যেন জীয়াই আছে মাথো তাই ৰল অপেক্ষাতে কিবা পোৱাৰ আশাৰে......... অপেক্ষাতে........!!!

❑❑❑



গল্প

# হৃদয় দাপোনত তোমাৰ ছবি

শ্ৰীজোন হাজৰিকা
প্ৰাক্তন ছাত্ৰ

প্ৰথম বাৰৰ বাবে আজি তাই চকুৰ পানীৰে গাৰু তিয়াই কান্দিলে। কিন্তু চকুপানীয়েতো সকলোবোৰ বেদনা ধুই মচি নিব নোৱাৰে। পাৰহে অহা জীৱনত আজি এই প্ৰথম বাৰৰ বাবে তাই বৰ বেয়াকৈ উচপ খালে। বিবাহিত জীৱনৰ পাঁচোটা দীঘলীয়া বছৰ কেনো আউল নলগাকৈ পাৰহৈ নগলেও যি খুঁত ৰৈ গৈছিল সেইয়া কেৱল তাইৰ মনত আছিল মাথোন। দেখিবলৈকো সকলো ঠিকেই আছিল। কথাবোৰ ভাবি থাকোতেই সন্ধিয়াযে কেতিয়া লাগিলহি তাই ক'বই নোৱাৰিলে, কামকৰা ছোৱালীজনীৰ মাততহে তাই বাহিৰলৈ চালে, ঠিকেই ইতিমধ্যে সন্ধিয়া নামিল পৃথিৱীৰ বুকুলৈ। দূৰৈৰ কপিলী নদীখন, সমুখৰ ৰাস্তাটো, কাষৰে আঁতৰি যোৱা ৰেলৰ লাইনটো মনিব নোৱাৰা হৈ পৰিল। এৰা সময়বোৰ বৰ সোণকালেই পাৰ হ'ল। এনেকুৱা এটা সন্ধিয়াতেই তাই ৰভাতলত বহিছিল— এজাক বান্ধৱীৰে পৰিবেষ্টিত হৈ কইনাৰ সাজেৰে, কপাল আৰু নাকত বিন্দু বিন্দু ঘামৰ টোপালবোৰ মচি মচি তাই অযুত ব্যস্ততাৰে ইফাল-সিফাল কৰি থকা মাক-দেউতাক, ভায়েক, ভনীয়েক, বায়েকলৈ চাইছিল। দুয়োখন গালেৰে বৈ অহা চকুপানীবোৰ আকৌ এবাৰ মচি ল'লে পৰিধিয়ে। সিদিনাও এইদৰেই চকুপানী নামিছিল দুগালেৰে। অথচ দুয়োখিনি চকুপানী আৰু সময়ৰ মাজত আজি যেন বহুখিনি পাৰ্থক্য আহি পৰিল। নাভাৱো বুলিও তাই আকৌ এবাৰ পাৰহৈ যোৱা দিনবোৰৰ কথাকে ভাবি গ'ল।

কলেজৰ পৰা আহি ঘৰ সোমাইছিলহে পৰিধি। মাক হাঁহি হাঁহি তাইৰ কোঠালৈ সোমাই আহিল। মাকে কি কাৰণেনো হাঁহিছে সুধিবলৈ লওঁতেই মাকৰ কথাত আচৰিত হৈ গ'ল পৰিধি। কিতাপকিখন টেবুলত

থৈ তাই মাকৰ মুখলৈ চাইছিল।

"তই না নকৰিবি মাজনী, ভাগ্যৰ বলতহে এনেকুৱা এজন ল'ৰা পাইছ।" কিন্তু মা, "মোৰ পঢ়া, মোৰ কলেজ? পৰিধিৰ দুচকু ৰঙা পৰি আহিছিল। কিয় সাগৰে কৈছে তই ইচ্ছা কৰিলে বিয়াৰ পাচতো পঢ়িব পাৰিবি। মাকে তাইক শান্তনা দিছিল, দেউতাকে বুজাইছিল। তাৰ পিচত তাইৰ অমত হ'বলগীয়া কোনো কাৰণেই নাথাকিল। সিহঁতৰ বৰদেউতাকৰ সৰু পুতেক প্ৰীতমৰ বৰ মৰমৰ বন্ধু সাগৰ শইকীয়াৰ পৰা বিয়াৰ প্ৰস্তাৱ পাই পৰিধি আচৰিত হৈ গ'ল। সাগৰ মাজে সময়ে প্ৰীতমৰ সৈতে সিহঁতৰ ঘৰলৈ আহি থাকে। চিনাকি হোৱাৰ দিন ধৰি তাই তিনি চাৰিবাৰ মানহে সাগৰৰ সৈতে কথা পাতিছে। ল'ৰাজন ভদ্ৰ, অমায়িক কিন্তু তাইৰ সম্পূৰ্ণ বিপৰীত স্বভাৱৰ, চঞ্চল, ফুৰ্ত্তিবাজ। তাইৰ দৰে কম কথা কোৱা, উপযাচি এষাৰো কথা নপতা তাইৰ দৰে ছোৱালী এজনীলৈ সাগৰৰ পৰা বিয়াৰ প্ৰস্তাৱ পাই তাই সেয়েহে আচৰিত হৈ পৰিছিল। দেউতাকৰ চাকৰিৰ বয়সো কমি আহিছিল। ককায়েকৰো বিয়াৰ বয়স হৈছিল। সেয়েহে তাই মাক-দেউতাকৰ কথা ৰাখিবলৈ সাজু হ'ল। সাগৰ শইকীয়াই হওঁক বা আন কোনোবাই হওঁক এদিনটো বিয়া হ'বই লাগিব। গতিকে তাই মাক-দেউতাকৰ কথাত সন্মতি দিছিল। বিয়াখন সুকলমে হৈ গ'ল। পৰিধিয়ে বোৱাৰীৰ বেশেৰে সাগৰৰ ঘৰলৈ আহিল। বিয়াৰ তিনিবছৰৰ পাছতেই শাহুৱেক অৰ্থাৎ সাগৰৰ মাক ঢুকাল। সাগৰ ঘৰৰ একমাত্ৰ সন্তান আছিল সেয়েহে শাহুৱেক ঢুকুঁওৱাৰ পাছত তাই বৰ অকলশৰীয়া হৈ পৰিল। দিনবোৰ নিঃশঙ্কমনে উৰিছিল কোনোবা ৰূপহী চঞ্চলা যুৱতীৰ ৰঙীন আঁচল উৰি যোৱাদৰ দৰে। পৰিধিয়ে কলেজ এৰি দিয়া নাছিল। বি. এ. সুখ্যাতিৰে পাচ কৰাৰ পাছত তাই এম. এ. টোও পঢ়ি পেলালে। সাগৰৰ মৰমে তাইক আঁৱৰি ৰাখিছিল। তাই ভৱাই নাছিল— সাগৰৰ দৰে উচ্ছল, ৰঙীয়াল ল'ৰা এজনেওযে তাইৰ দৰে কথাক'ব নোৱাৰা, শান্ত ছোৱালী এজনীক ইমান ভাল পাব পাৰিব বুলি। নিভাঁজ, নিস্কলুষ, শুদ্ধ, অকৃত্ৰিম ভালপোৱা সাগৰৰ। তাৰ মাজতো যেন পৰিধিৰ অবাধ্য, উৰনীয়া মনটোৱে কিবা এক বিছাৰিছিল। কি বিচাৰি এই অঘৰী মনটোৱে সৰু, সৰল প্ৰাণজগতত অবোধ্য শিহঁৰণ তুলি উন্মনা কৰিছিল। সময়ে সময়ে অতীব চেষ্টা কৰিও তাই নিজকে বুজাব পৰা নাছিল। সকলো পাইও যেন তাই কিবা এটা পোৱা নাই আৰু সেই বিশেষ 'কিবা এটা' নোপোৱাৰ বেদনাই তাইৰ সৰু সংসাৰ খনলৈ মাজে মাজে আন্ধাৰ নমাই আনিছিল। পৰিধিয়ে বুজিছিল তাইৰ এই ৰহস্যময়ী, পিয়াসী আত্মাই কি বিচাৰে অথচ তেতিয়া উপায়ো নাই। কাৰো আগতেই মনৰ কথা খুলি নোকোৱা পৰিধিজনী নোপোৱাৰ যন্ত্ৰণাত কেকুঁৰি কেকুঁৰি আগবাঢ়িছিল সমুখৰ সোঁতত, সাগৰৰ মৰমত তাই অনুভৱ কৰে এক অনাবিল সুখ কিন্তু শান্তি তাই নাপায়। এই প্ৰাচুৰ্য্য ভৰা সংসাৰ, সাগৰৰ সকলোবোৰ মৰমলৈও তাই শান্তি বিচাৰে।

"এইয়া তুমি ইয়াত, আৰু মই তোমাক বিচাৰি গোটেইকন চলাথ কৰিছো।" পিছফালৰ পৰা তাইৰ মুৰত হাত থৈ সৰু ল'ৰাৰ দৰে কোৱা সাগৰৰ মাতত তাই পুনৰ এবাৰ উচপ খাই উঠিল। আন্ধাৰতে বৈ অহা চকুপানীবোৰ তাই লৰালৰিকৈ মোহাৰি ললে।

কেতিয়া আহিলা? তোমাৰতো আজি অহাৰ কথা নাছিল? তাই সহজ হ'ব চেষ্টা কৰিলে। সাগৰ

দুদিনৰ বাবে অফিচৰ কামত গৈছিল। হঠাৎ একেদিনাই ঘুৰি অহাত তাই কিছু আচৰিত হ'ল।

"কিয়? কাম হৈ গ'ল গুছি আহিলো, তোমাৰ চিন্তাও আছিল, এতিয়া চাহ একাপ দিয়াচোন।" চকীখন কাষ চপাই সাগৰ বহিল। তাই থিয় হ'ল, লাইটো জ্বলাই দিলে।

"তুমি বহাচোন মই লৈ আহো," এইবুলি তাই কোঠাটোৰ পৰা ওলাই আহিল। কিয় জানো সাগৰৰ লগত কথা পাতিবলৈ তাইৰ সমূলি মন যোৱা নাছিল। এই সন্ধিয়াটো একান্ত নিজকে লৈ ব্যস্ত থাকিবলৈ তাইৰ মন গৈছিল। হাতত চাহকাপ লৈ আহি তাই দেখিলে সাগৰ বহা ঠাইতে চকুমুদি শুই পৰিছে। ভাগৰত মুখখন নিষ্প্ৰভ হৈ পৰিছে।

"শুনিছা, উঠা চাহ খোৱা, ভাত হৈছেই, তুমি গাটো এবাৰ ধুই লবা, নহ'লে বেয়া লাগি থাকিব।" কৈ তাই ওলাই আহিল। ৰামু ৰান্ধনী ঘৰত ব্যস্ত। বাৰাণ্ডাখনৰ ৰেলিংডালত ধৰি তাই আকাশলৈ চালে। আকাশৰ বুকুত অলেখ তৰাই মিতিৰালি পাতিছে। ট'ট'কৈ জিলিকি একেথৰে চাই থকা জোনটোক তাই ফুচফুচাই ক'লে.......

"তুমিতো জানা, মই কিয় অশান্ত হৈ পৰিছো, এবাৰ বাৰু নিবানে মোক বিচৰাজনৰ কাষলৈ তুমি.....? জোনটোৰ জোনালী পোহৰত এখন ছবি প্ৰতিবিম্বিত হ'ল।

কোমল বিচনাখনত ইকাতি-সিকাতি কৰি আমনি লাগিল পৰিধিৰ। সাগৰে তাইৰ মুৰত হাত ফুৰাই ক'লে—

"পৰী,

"ওঁ,

"তোমাৰ কি হৈছে, এই অৱস্থাত চিন্তাত থকা বেয়া, কোৱানা কি হৈছে তোমাৰ?"

"নাই, এনেয়ে মনটো ভাল লগা নাই।" আজি তিনিমাহ হৈছে পৰিধিয়ে বুজিছে সিহঁতৰ দুজনীয়া সংসাৰখনলৈ কোনোবা অহাৰ বাতৰি। হঠাৎ মনত পৰাৰ দৰে পৰিধিয়ে কৈ উঠিল।

"ইচ্ পাহৰিয়েই গৈছিলো, মাৰ পৰা চিঠি এখন পাইছো, প্ৰশস্তিৰ বিয়া ঠিক হ'ল। দৰা উৰিয়া গাঁৱৰ। চিঠিৰ লগত ল'ৰাজনৰ ফটো এখনো দিছে, আঙুঠি পিন্ধোৱাৰ দিনাখন তোলা ফটো।"

— আঙুঠি পিন্ধোৱাও হৈ গ'ল অথচ, আমালৈ খবৰকে নিদিলে? ক্ষোভেৰে ক'লে সাগৰে।

"বৰ ল'ৰালৰিকৈ ঠিক হ'ল বোলে।" পৰিধিৰ মাতত স্পষ্ট কান্দোনৰ সুৰ।

— কি হ'ল তুমি কিয় কান্দিছা?

নাই বেয়া লাগিছে, প্ৰশস্তিজনীও ঘৰৰ পৰা যাবগৈ। সাগৰৰ ফালে পিঠি দি পৰিধিয়ে চকু মুদি দিলে। বাধা নমনা চকুপানীবোৰ সৰসৰকৈ ওলাই আহিল।

লাইটটো নুমুৱাই সাগৰ শুই পৰিল। সাগৰৰ গভীৰ নিশ্বাসৰ শব্দ তাইৰ কাণত পৰিল। পাৰহৈ যোৱা আবেলিটোলৈ পৰিধিৰ আকৌ মনত পৰিল। আবেলি তাই মাকৰ পৰা চিঠিখন পাইছিল। তাইতকৈ তিনি বছৰৰ সৰু ভনীয়েক জনীৰ বিয়াৰ খবৰ পাই তাই ভাল পাইছিল, আৰু ভাল লাগিছিল যেতিয়া তাই ফটোখনো মাকে পঠোৱা বুলি জানি। এনভেল্পটো লুটিয়াই তাই ফটোখন উলিয়াই আনিছিল। মাক-দেউতাক এহাল বয়সস্থ মানুহক লৈ মাজত প্ৰশস্তি আৰু ল'ৰাজন। ক'লা পেন্ট, গাঢ় ৰঙা স্পটিং

এটা পিন্ধি বহি থকা ল'ৰাজনলৈ চাই তাই উচপ খাই উঠিছিল। কাষতে বহি থকা গুলপীয়া সাজ পিন্ধা ধুনীয়া প্ৰশস্তি, ফটোখনৰ বাকীবোৰ মানুহ তাইৰ দুচকুত ক্ৰমে ক্ৰমে অস্পষ্ট হৈ আহিল। কাহানিবাই মনৰ গভীৰত হেৰাই যোৱা দিনবোৰ দুচকুলৈ ঘূৰি ঘূৰি আহিছিল। হেৰাই যোৱা কোহাল শান্তি এখন মুখ, এখিনি আঙ্কুচিত চুলি, গঢ়িত দুখনি ওঁঠ, আৰু গভীৰ মায়ালগা এহাল চকু। পৰিধিৰ অন্তৰখন ঠেকা খাই স্থবিৰ হৈ ৰৈ গৈছিল। যিখন মুখ, যিজুৰি চকুক লৈয়ে তাইৰ কুমাৰী জীৱনৰ প্ৰাণ নদীত শব্দহীন জোঁৱাৰ উঠিছিল, সপোনৰ বাটত কল্পনাৰে সোণৰ জয়দ'ল বান্ধিছিল, হেৰাই যোৱা জীৱনৰ সোঁতত সেই মুখখনকে ফটোত দেখি পৰিধিৰ চকুৱে বাধা মনা নাছিল।

শব্দ নকৰাকৈ তাই বিচনাৰ পৰা নামি আহিল। সাগৰে গাৰুৰ কাষতে থৈ দিয়া ফটোখন লাহেকৈ লৈ আনিলে। কাষৰ ৰুমটোলৈ আহি তাই লাইটটো জ্বলাই দিলে। পোহৰত তাই আকৌ এবাৰ প্ৰত্যক্ষ কৰিলে মৰম কোমল দৃষ্টিৰে সেই বিশেষ মুখখন।

"তুমি এনেভাৱে মোৰ কাষলৈ, মোৰ স্মৃতিলৈ আহিবা বুলি মই নাজানিছিলোঁ, জনা হ'লে তোমাক এনেভাৱে হেৰাই যাবলৈ নিদিলোহেঁতেন। তোমাক নিবিচাৰো অথচ নাপাওঁ বুলিও ভাবিবৰ মন নাযায়।" অবাধ্য মনটোৱে অসংলগ্ন কথাবোৰ কৈ গৈছিল। হৃদয়তন্ত্ৰীৰ অংশত এক অসহ্য বিষ অনুভৱ কৰিছিল। পৰিধিৰ বৰ মনত পৰিছিল কলেজীয়া দিনবোৰ, মনৰ মাজত সযতনে লুকাই ৰখা সেই বিশেষ সময়বোৰ।

কলেজত পৰিধিয়ে লগ পাইছিল শতাব্দীক। শতাব্দী ককায়েক-বৌৱেকৰ লগত নতুনকৈ পৰিধিহঁতৰ সৰু চহৰখনলৈ আহিছিল। সেই শতাব্দীয়েই চিনাকী কৰাই দিছিল পৰিধিক এই ল'ৰাজনৰ লগত।

ৰাতিপুৱা ৯ বজাত ক্লাচলৈ লৰালৰিকৈ পৰিধি ওলাই আহিছিল। বাটতে তাই শতাব্দীক লগ পালে। কাষতে এখন গাড়ীৰোৱাৰ শব্দত শতাব্দীয়ে পিছলৈ চাই উচ্ছাসত কৈ উঠিছিল— "প্ৰবীৰ দাদা তুমি ইয়াত? কেতিয়া আহিলা? দুয়োজনী গাড়ীত উঠিছিল। বাটতে শতাব্দীয়ে চিনাকী কৰি দিছিল প্ৰবীৰ বৰুৱা নামৰ বৌৱেকৰ দূৰ সম্পৰ্কীয় ভায়েক জনৰ লগত। মেডিকেল কলেজত পঢ়ি থকা ল'ৰাজনৰ চাৱনিটো বাৰে বাৰে তাইৰ মুখত ৰৈ যোৱা পৰিধিয়ে দেখিও নেদেখাৰ ভাও জুৰিছিল। কলেজৰ শেষ পৰীক্ষা দি দুদিনমানৰ বাবে প্ৰবীৰ বায়েকৰ ঘৰলৈ আহিছিল। তাৰ পাছত যিকেইদিন প্ৰবীৰ বায়েকৰ ঘৰত আছিল সদায়েই গাড়ীৰে পৰিধিহঁতক কলেজত থৈ গৈছিল। প্ৰবীৰ থাকোতেই সিহঁতৰ কলেজৰ "বাৰ্ষিক সপ্তাহ" আৰম্ভ হৈছিল। সাংস্কৃতিক সন্ধিয়াৰ দিনা পৰিধিৰ কলেজ পাওঁতে পলম হৈছিল। শতাব্দী ব্যস্ত সম্পাদিকা হিচাপে। কলেজৰ শ্বহীদ বেদীটোৰ ওচৰ পাওঁতেই তাই প্ৰবীৰক দেখিলে। তাইক দেখি সি আগবাঢ়ি আহিছিল।

"ফাংচন চাবা নহয়, ব'লা মইও চাম।" প্ৰবীৰৰ কথাত হতভম্ব হৈ গ'ল পৰিধি। তাই এনেয়ে কথা নকয়েই তাতে প্ৰবীৰে উপযাচি আহি ফাংচন তাইৰ লগতে চাব খোজা দেখি মুখৰ মাতেই নোহোৱা হৈ গৈছিল। ৰঙীন সন্ধিয়াটোত তাই প্ৰবীৰৰ সৈতে এচুকত থিয় হ'ল। ছোৱালীবোৰে যেন সিহঁতক নেদেখে তাকে গোপনে তাই ভগৱানক মিনতি জনাইছিল। এবাৰ প্ৰবীৰলৈ চাওঁতে তাই দেখিলে প্ৰবীৰে ষ্টেজলৈ নাচাই পলক নেপেলোৱাকৈ তাইলৈকে

চাই আছে। তাই হতবাক হৈ গ'ল। সমগ্ৰ দেহতে শিহঁৰণৰ চেঁচা সোঁত বৈ গ'ল। তাইলৈ চাই প্ৰবীৰে কোমলকৈ হাঁহিলে।

"পৰিধি তোমালৈ মই বস্তু এটা আনিছিলো, ল'বানে?" প্ৰবীৰে সুধিছিল। —মই বুজা নাই আপুনি কি ক'ব খুজিছে প্ৰবীৰ দা? তাই মুখত যি ওলাল তাকে কৈ দিছিল।

এতিয়া বুজিব নালাগে, ঘৰত গৈ বুজিলেও হ'ব। মাথোন কি বুজিলা কাইলৈ মোক উত্তৰটো দিবা। কথাখিনি কৈ প্ৰবীৰে এখন বগা জাপি থোৱা সৰু কাগজ তাইৰ সোঁহাতখনত গুজি দি খুউব সৰু অথচ মৰম লগাকৈ কৈছিল— "অন্যায়ভাৱে হাতত ধৰিছো, বেয়া নাপাবা। এতিয়া মই যাওঁ।" এইবুলি কৈ প্ৰবীৰ ফাংচন হলৰ পৰা ওলাই আহিল।

স্বৰগ পৰা মানুহৰ দৰে একেঠাইতে তাই বহুত সময় ৰৈ থাকিল। তাৰ পিচত..... তাই কলেজৰ বাথ্‌ৰুমলৈ গৈ কাগজখন দুচকুৰ সন্মুখত লৈ পঢ়িবলৈ ধৰিলে। কাগজখনৰ প্ৰতিটো শব্দই কঢ়িয়াই আনিছিল এজন যুৱকৰ আঙুৰমিঠা হৃদয়ৰ বাতৰি সংগোপনে তাইৰ কাষলৈ—

"পৰিধি

মোৰ,

'মোৰ' বুলি লিখাৰ অধিকাৰকণ দিবা, এই আশাতেই 'মোৰ' বুলি লিখিছো। তোমাক মই ভাল পাওঁ এই কথা মোৰ সমগ্ৰ শৰীৰতে প্ৰতিধ্বনিত হৈছে। তোমাৰ সোণালী মায়াই মোক বান্ধিছে। তোমাকে লৈ মোৰ হৃদয়ত প্ৰশান্তিৰ আলয় সাঁজিছো। তোমাক বিচাৰো মই, তুমি মোক নিৰাশ নকৰিবা। এইয়া মোৰ জীৱনৰ, যৌৱনৰ প্ৰথম সপোন। তোমাৰ উত্তৰলৈ বাট চাম।

তোমাৰ প্ৰবীৰ।"

চিঠিখন হাতত লৈ লাজত পৰিধিয়ে দুচকু মুদি দিছিল। কিন্তু যি কথা, যি উত্তৰৰ বাবে প্ৰবীৰ তাইৰ কাষলৈ আহিছিল........ সেই কথা তাই মুখলৈ আনিব পৰা নাছিল। কম, কম বুলিও, মাক-দেউতাক, সকলোৰে ভয়ত তাইৰ সংস্কাৰবদ্ধ মনটোৱে প্ৰবীৰক উত্তৰটোৱেই দিব নোৱাৰিলে। প্ৰবীৰক দেখিলেই লাজত বিমূঢ় হৈ পৰা পৰিধিয়ে একোৱেই তাক ক'ব নোৱাৰিলে। প্ৰবীৰক দেখিলেই তাইৰ মনত ভালপোৱাৰ তৃপ্তিৰ ঝংকাৰ উঠিছিল। তাই তাৰ দুচকুত দেখিছিল ভাষাভৰা বিহ্বল চাৱনি, এযোৰ মায়ালগাকৈ সুন্দৰ চকু। সেই প্ৰত্যয়দীপ্ত চকুত এসাগৰ নীলাভ চকুপানী। পৰিধিয়ে তাক ফুটাই একোৱেই ক'ব নোৱাৰিলে।

এদিন শতাব্দী কলেজলৈ অহা নাছিল। পৰিধি প্ৰবীৰৰ মুখামুখি হ'ল ৰাস্তাত। আপত্তি সত্বেও তাই গাড়ীত উঠিবলগীয়া হ'ল। কিছু দূৰৰ নিৰল ঠাই এডোখৰত গাড়ীখন ৰাখি প্ৰবীৰে পাচছিটত নিশ্চুপে বহি থকা পৰিধিলৈ চাইছিল।

"তুমি মোৰ চিঠিখন নপঢ়িলা?" আচৰিত গহীন আছিল প্ৰবীৰৰ মাতটো সিদিনা।

"পঢ়িছিলো।" শান্ত উত্তৰ পৰিধিৰ।

"তেনেহ'লে কিবা এটা নোকোৱা কিয়?" অধৈৰ্য্য হৈ পৰিছিল প্ৰবীৰ।

— মই কি কম? জীৱনৰ ইমান ডাঙৰ পদক্ষেপ এটা কিদৰে লম মই? কেনেকৈ তাইৰ মুখৰ পৰা কথাষাৰ ওলাইছিল পৰিধিয়ে আজিলৈকে নাজানিলে।

"তেনেহ'লে মই কি কৰিম, মইযে তোমাক

ভালপাওঁ পৰিধি।" এক আচৰিত ধৰণেৰে মনপ্ৰাণ কাঢ়ি নিয়া অভিমানী সুৰ বাজি উঠিছিল প্ৰবীৰৰ কণ্ঠত। তাই ক'ব খুজিছিল তাক কিবা। কিন্তু কোৱা নহ'ল। পৰিধিক কলেজৰ আগত নমাই দি প্ৰবীৰ গ'লগৈ। পিছদিনা কলেজলৈ যাওঁতে প্ৰবীৰৰ গাড়ী আহি তাইৰ কাষত নৰ'লহি। তাৰ পিচৰ দিনাও। দিন পাৰ হ'ল আৰু সংগোপনে প্ৰবীৰ পৰিধিৰ মনৰ মাজত বৈ গ'ল। পি, ইউ, ফাইনেল দি শতাব্দী গুছি গ'ল ককায়েকৰ বদলি হোৱাত। লাহে লাহে তাই বুজিছিল যে কি মহাভুল কৰিলে তাই। হাতত পাইও তাই এক অমূল্য সম্পদ হেৰুৱালে। ৰাতি, দিন একাকাৰ কৰি প্ৰবীৰৰ স্মৃতিয়ে তাইক আমনি কৰিবলৈ ধৰিলে, তাইৰ প্ৰাণে যেতিয়া প্ৰবীৰক বিচাৰিছিল তেতিয়া তাইৰ কাষত প্ৰবীৰৰ একমাত্ৰ যোগসূত্ৰ শতাব্দীও নাছিল। হৃদয়ত ভালপোৱাৰ শূণ্যতা গোটখাই কবৰ বান্ধিলে আৰু সেই নিৰ্জন কবৰৰ কাষত পৰিধিৰ আত্মাই নিতৌ চকুলো পেলালে নীৰৱে। ক্ষণিকৰ ভুল, সংকোচ জীৱনৰ বাবে অভিশাপ হ'ল। তেনেতে আহিল সাগৰ তাইৰ জীৱনলৈ। কুমাৰী জীৱনৰ কল্পনা শেষ হ'ল। সপোন ভাঙিল কিন্তু ক'ৰবাত ৰিণিকি-ৰিণিকি তাৰ স্মৃতি বৈ গ'ল। পৰিধি সুখি সাগৰৰ সৈতে, কিন্তু সেই ভালপোৱা য'ত জীৱনৰ মাধুৰিমা আছে, যিটো শব্দৰ উচ্চাৰণত জীৱনৰ সকলো ঐশ্বৰ্য্য ঢালি দি নিঃস্ব হৈ যাবৰ মন যায়, য'ত অভিমানে টানি অনা মৰমৰ সফুঁৰা আছে, সেই যাচি দিয়া ভালপোৱাৰ হেৰুওৱাৰ ক্ষোভ পৰিধিৰ মনৰ পৰা নগ'ল। হয়তো নাৰীৰ হৃদয় এইবাবেই বুজা টান। জীৱনৰ প্ৰথম পুৰুষজনক পাহৰি পেলোৱা একেবাৰেই অসম্ভৱ। ফটোখন তাই হাততেৰে মোহাৰি দিলে। অহাকালিলৈ প্ৰবীৰ আহিব সিহঁতৰ ঘৰলৈ। ইয়াত কিবা কাম আছে সেয়েহে মাকে ইয়াতো সোমাই যাবলৈ কোৱা বুলি লিখিছে চিঠিত। তাই কিদৰে মুখামুখি হ'ব সেইযোৰ চকুৰে ভাৱি নাপালে পৰিধিয়ে। ৰাতিটো শেষ হৈ আহিছিল। পৰিধিৰ চকুপানীও শুকাই আহিছিল। ফৰকাল ৰাতিপুৱাটোত নিষ্প্ৰভ মন এটা লৈ পৰিধিয়ে ইটো-সিটো কামৰ দিহা ৰামু আৰু কামকৰা ছোৱালীজনীক দি গ'ল। যিকোনো মুহূৰ্ততে প্ৰবীৰ পাবহি পাৰে। সাগৰো অফিচলৈ যোৱা নাই। তাই জানে প্ৰশস্তিৰ বায়েক হিচাপে তাই প্ৰবীৰক শোধপোছ কৰিব লাগিব। গাটো ধুই তাই মুগাৰ মেখেলাখন আৰু সেউজীয়া বুটাবছা চাদৰখন পিন্ধি ললে, দীঘল চুলিৰ নেঘেৰী খোপাটোত কলা ৰিংকমব এডাল মাৰি লৈ কপালত আনদিনাতকৈ বহল, উজ্বলকৈ ফোট এটা ল'লে ৰঙা সেন্দুৰৰ। সেন্দুৰৰ কোমল গোন্ধটোৱে শুকাই যোৱা প্ৰাণটোক যেন জীপাল কৰি তুলিছে। বাহিৰত সাগৰৰ মাত শুনি ল'ৰালৰিকৈ তাই বাহিৰলৈ ওলাই আহিল। প্ৰথমতে তাই থতমত খাই গ'ল সাগৰৰ লগত প্ৰবীৰক দেখি। এটা পাতল নীলা হাত দীঘল চাৰ্ট লগতে চফ্‌ট বগা জীন্‌ছ পেন্ট। চুলিখিনি কিছু পৰিমাণে বিশৃংখল। তাই তালৈ কিছুপৰ চাই ৰ'ল। সাগৰে প্ৰাথমিক চিনাকী খিনি কৰি দিয়াৰ পাছত পৰিধিয়ে প্ৰবীৰক ভিতৰলৈ মাতি আনিলে। কিছু সন্ত্ৰস্তভাৱে পৰিধিয়ে প্ৰবীৰক চাহ-জলপান দিলে, আদৰ-সাদৰ কৰিলে।

"পিছে প্ৰবীৰ মোৰ খুলশালীজনীক তোমাৰ কেনে লাগিছে?" সাগৰে চাহ খাই থকাৰ মাজতে সুধিলে। প্ৰবীৰে এবাৰ তাইলৈ মুৰ তুলি চালে। তাৰ দুচকুত সহস্ৰ অভিযোগ হাহাঁকাৰ কৰি উঠিল।

"ভাল লাগিছে, আৰু ভাল লাগিছে ঘৰখনক,

বাকী মানুহবোৰক।" প্ৰবীৰে হাঁহিৰে উত্তৰ দিলে। পৰিধিয়ে তাৰ দুচকুলৈ চালে। গভীৰ চাৱনিটো বয়স আৰু সময়ৰ ব্যৱধানে আৰু বেছি গভীৰ আৰু মনপৰশা কৰি তুলিছে। এনেয়ে এবাৰ তাই ভাবিলে।

প্ৰবীৰে গা-পা ধুই ড্ৰইংৰুমতে বহি আলোচনীৰ পাত লুটিয়াই আছে। সাগৰ বাথ্‌ৰুমলৈ গ'ল। পৰিধি ড্ৰইংৰুমলৈ ওলাই আহিল। ভিতৰত সোমাই থাকিলে দুৰ্বলতাহে দেখুওৱা হ'ব।

"পৰিধি" প্ৰবীৰে তাইক সৰুকৈ মাতিলে।

— কোৱা, কিবা ক'বা তুমি? নিৰ্ভীকভাৱে মুখামুখি হ'বলৈ সাজু হ'ল তাই প্ৰবীৰৰ সাম্ভাব্য প্ৰশ্নৰ।

"তোমাক এটা কথাই সুধিম, যদিওবা সোধাৰ অধিকাৰ নাই। তুমি আজি অন্ততঃ কোৱা, সাত বছৰে মই বুকুত এটা বোজা লৈ ফুৰিছো, মোক তুমি সঁচাকৈয়ে ভালপোৱা নাছিলা?" প্ৰবীৰৰ কণ্ঠত ব্যগ্ৰ, বিহ্বল সুৰ।

পৰিধি নিশ্চুপ হৈ ৰ'ল। তাইৰ আত্মাই ক'লে— যি ভালপোৱা তোমাৰ প্ৰাপ্য নহয়, সেইয়া আশা কৰাটোও পাপ, তুমি বিবাহিত। যি কথা সময়ত কোৱা নহ'ল সেইয়া আজি প্ৰকাশ কৰি এজনী সৰল, সুন্দৰ ছোৱালীৰ জীৱন ধ্বংস কৰাৰ কোনো যুক্তি নাই। নতুনকৈ জীৱন আৰম্ভ কৰিবলৈ ওলোৱা এই যুৱকক বিভ্ৰান্ত কৰাৰো কোনো অধিকাৰ নাই।" কিন্তু বলিয়া মনটোৱে সকলোবোৰ যুক্তিকে থানবান্ কৰি চিঞৰি উঠিল— "কৈ দিয়া, এয়েই অক্ষয় সময় কৈ দিয়া তোমাৰ হৃদয়ত লুকুৱাই থোৱা অমূল্য সত্যখিনি।" পৰিধিয়ে প্ৰবীৰৰ প্ৰশ্নৰ উত্তৰ দিবলৈ সাজু হ'ল।

"চোৱা প্ৰবীৰ তুমি অবুজ নোহোৱা, সকলো জনাবুজা শিক্ষিত ল'ৰা। শতাব্দীয়ে তোমাক যিদৰে দাদা বুলি ভাবিছিল মইও তোমাক দাদা হিচাপেই লৈছিলো। তেতিয়া মই তোমাৰ পৰা তেনেকুৱা এখন চিঠি পাম বুলি আশা কৰা নাছিলো। চিঠিখন পঢ়ি সঁচায়ে বৰ মৰ্মাহত হৈছিলো, অথচ বেয়াকৈ তোমাক আঘাত দিবলৈও অসুবিধা লাগিছিল। সেয়েহে মই মনে মনেই আছিলো। যিবোৰ কথা, সময় দিনৰ কোনো অৰ্থ নাছিল সেইবোৰ কথা আৰু কেতিয়াও নাভাবিবা। প্ৰশস্তি মোৰ বৰ মৰমৰ ভনী, তুমি তাইক সুখ আৰু শান্তিত ৰাখিবা। সাগৰক মই ভাল পাওঁ, তোমাক লগ পাওঁতেও সাগৰ মোৰেই আছিল। তুমি পুণৰ এনেকুৱা অৰ্থহীন কথাবোৰ ভাবি নিজৰ লগতে আনকো কষ্ট নিদিবা। সম্বন্ধত তুমি মোৰ ভনীজোঁৱাই হ'লা। গতিকে এনেবোৰ কথাই আমাৰ সম্পৰ্কক স্থায়ী কৰি ৰাখিব নোৱাৰিব। তুমি নিশ্চয় বুজিছা মই কোৱা কথাবোৰ।" ইমানবোৰ কথা তাই কিদৰে কৈ গ'ল তাই নিজেই ধৰিব নোৱাৰিলে।

প্ৰবীৰ বৈ গ'ল স্থানুৰ দৰে। কিছুপৰৰ পাছত ক'লে— "বেয়া নাপাবা, জীৱনৰ প্ৰথম ভালপোৱা আছিল সেয়েহে খোকোজা মাৰি ল'লো। আৰুতো তোমাক কেতিয়াওঁ আমনি নিদিওঁ। প্ৰশস্তিক মই কাহানিও প্ৰতাৰণা নকৰো এইখিনি অন্ততঃ বিশ্বাস ৰাখিবা।" তাই মন কৰিলে তাৰ হাত দুখন কঁপিছে। সি যেন ভিতৰি ভিতৰি অস্থিৰ হৈ পৰিছে। পৰিধিৰ বুকুৰ হুমুনিয়াহবোৰ গোটখাই বৰফ হৈ গ'ল।

প্ৰবীৰ গ'লগৈ। থৈ গ'ল গভীৰ দুচকুৰ চকুপানীসৰা এক নিস্পাপ চাৱনি, দুষাৰমান কথা। পৰিধিয়ে বাকচটো খুলি ইমানদিনে সাঁচি থোৱা সেই বিশেষ কাগজখন উলিয়াই আনিলে। এজন যুৱকৰ সপোনৰ কাৰেং ঘৰত সেই সৰু প্ৰতীক অৱয়ব

চিঠিখন তাই টুকুৰা-টুকুৰকৈ ফালি ড্ৰেইনটোত পেলাই দিলে। সৰু সৰু বগা টুকুৰাবোৰ সিঁচৰিত হৈ পৰিল। ভাগৰি পৰা মানুহৰ দৰে পৰিধিয়ে বিচনাখনত বহি দিলে। তাইৰ দুচকুৰ আগত নাচিছিল প্ৰশস্তিৰ মুখখনে। সেইখন অবোধ মুখক কষ্ট দিয়াৰ মোৰ কোনো অধিকাৰ নাই। ভগৱান শান্তি দিবা সিহঁতহালক। তাই ভাবিলে। আজি সাত বছৰৰ পাছত মনটো যেন মুকলি হ'ল।

তাইৰ দেহৰ ভিতৰত উম লৈ গা দাঙিছে এটি সৰু প্ৰাণে। পৰিধি উঠি ভিতৰৰ ৰুমলৈ গ'ল। সাগৰ বিচনাখনত শুই আছিল। তাই তাৰ কাষতে শুই পৰিল। সাগৰৰ নিশ্বাসৰ শব্দ শুনি শুনি তাই ভাবিলে— আজি অতদিনে তাই তাইৰ হৃদয় দাপোণত অন্য এজন যুৱকৰ প্ৰতিচ্ছবিলৈ, তাইৰ বাবেই নিজকে বিলাই দিয়া সাগৰক তাই মনে মনে প্ৰতাৰণা কৰিলে। তাই আৰু কেতিয়াও অনুভুতিৰ কাষত দুৰ্বল নহয়। "মোৰ সংসাৰ গঢ়িম ময়েই তাত আন কাৰো ভৰিৰ খোজ পৰিবলৈ নিদিওঁ।" নিজকে নিজেই ক'লে পৰিধিয়ে। সাগৰ নিশ্চিন্ত মনে শুই পৰিছিল। তাইও দুচকু মুদি দিলে। টোপনিয়ে তাইকো হেঁচি ধৰিছিল। ক'ৰবাত দূৰণিত বৈ প্ৰব্ৰীৰে যে এবাৰ পাছলৈ ঘূৰি চাইছিল, তালৈ ভাৱিবলৈ তাইৰ তেতিয়া অৱকাশ নাছিল। কিন্তু মনটো, যিটোক প্ৰকৃততে পৰিধিয়ে বান্ধিব পৰা নাছিল সেই মনটোৱে তেতিয়াও প্ৰব্ৰীৰৰ পাছে পাছে উৰা মাৰিছিল। ভালপোৱাকতো জোৰেৰে মচিব নোৱাৰি। পৰিধিৰ উশাহ লাহে লাহে স্পষ্ট আৰু গভীৰ হৈ আহিছিল।

❑❑❑



গল্প

# সপোন ছাঁয়া

শ্ৰীমতী নীলম জ্যোতি বৰদলৈ
একাদশ শ্ৰেণী প্ৰথম বাৰ্ষিক

মই এদিন এটা আচৰিত সপোন দেখিছিলো। সপোনতো বৰ ভয়াবহ আছিল। মাজ নিশা সাৰ পাই উঠি ভাবিবলৈ ধৰিলো। সপোনটো মই কিয় দেখিলো। এনেকুৱা সপোন মই কোনো দিনেই দেখা নাই। মানুহে সপোন কিয় দেখে, মই নাজানো। আৰু এটা কথা, ভগৱান নাই বুলি কোৱা মানুহ হয়তু নোলাবই। আমি সকলোৱে শ্ৰীকৃষ্ণক ভগৱান বুলি ভক্তি কৰো। কিন্তু আমি শিৱকো ভগৱান বুলি মানো। শিৱৰ ওঁম শক্তি অপাৰ। ওঁমৰ অৰ্থ কি মই নাজানো। হয়তু ওঁমৰ অৰ্থ শিৱক আৰাধনা কৰাই হব। সপোনটোৰ কথা মনত পৰিলে মোৰ আজিওঁ ভয় লগা যেন লাগে। সপোনৰ আৰাম্ভনি ঃ-

এখন ঘৰত পাঁচজন ভাই ককাই আছিল। পাঁচজন ভাই ককাইৰ মাজত সৰু জন ভায়েকৰ এমাহ মান আগত মৃত্যু হয়, ঘৰৰ মানুহে শ্ৰাদ্ধ কৰি শেষ কৰে। যি জন লৰাৰ মৃত্যু হয় আত্মা হিচাপে তেওঁ নিজৰ ঘৰতে থাকিবলৈ লয়। ঘৰত তেওঁ কোনো ধৰনৰ অসুবিধা দিয়া নাছিল। আৰু তেওঁক কোনেও দেখা পোৱা নাছিল। তেওঁৰ আত্মা হিচাপে বাটে ঘাটে ফুৰিবলৈ যায়, কেতিয়াবা বজাৰৰ ফালে ফুৰিবলৈ যায়। এদিন তেওঁ বজাৰৰ ফালে ফুৰিবলৈ যাওঁতে এখন দোকানৰ মুখত এজনী দিপলীপ সুন্দৰ ধুনীয়া ছোৱালী দেখিবলৈ পালে। আন কোনেও ল'ৰা জনক দেখা পোৱা নাছিল। কিন্তু ছোৱালী জনীয়ে ল'ৰা জনক দেখা পালে। দুয়োজনৰে চকু ইজনৰ ওপৰত সিজনৰ পৰিল। দুয়োজনৰ মাজত মৰমৰ ভাব উপজিল। ল'ৰা জনে ছোৱালী জনীৰ ওচৰলৈ আহি নাম ঠিকনা সুধিলে। ছোৱালী জনীয়ে কলে যে মামাৰ ঘৰলৈ ফুৰিবলৈ আহিছো বুলি। ছোৱালী জনী দূৰৰ পৰা আহিছে । এমাহ মান থাকিবৰ বাবে আহিছে। ছোৱালী জনীক ল'ৰাটোৱে ভাল পাওঁ বুলি কলে। দুয়োজনৰ মাজত এৰাব নোৱাৰা মৰমৰ বান্ধোন হ'ল। ইজনে সিজনক নেদেখিলে থাকিব নোৱাৰা হ'ল। প্ৰতিদিনেই ছোৱালী জনীয়ে ল'ৰাজনক লগ কৰিব আহে। এনেদৰে প্ৰায় এসপ্তাহ মান গ'ল। এদিন ল'ৰাটোৱে ছোৱালীজনীক নিজৰ ঘৰটো আৰু ভাই ককাইয়েক হতঁক বাটৰ পৰা দেখুৱাই দিয়ে। ছোৱালীজনীয়ে ল'ৰাটোৰ সৈতে হাহেঁ কথা পাতে। বাটৰ মানুহে দেখি তাইক পাগলী বুলি কয়। কাৰণ

অকলে অকলে মানুহে হাঁহিব আৰু কথা পাতিব নোৱাৰে। আৰু এদিনৰ কথা, ছোৱালী জনীয়ে ল'ৰা টোৰ সৈতে ফুলৰ বাগানত চকু মুদা খেল খেলে। চকু মুদা খেল খেলোতে ল'ৰা জনে ছোৱালীজনীৰ চকুলৈ হাত দুখন নিনি, যেন ডিঙিৰ ফালে নিছে। ছোৱালী জনীয়ে অসুবিধা পাই তৎক্ষনাতে হাত দুখন আতৰাই দিয়ে। আৰু এদিনৰ কথা, ছোৱালী জনীয়ে ওচৰতে থকা শিৱৰ মন্দিৰলৈ ল'ৰাটো সতে পুজা কৰিবলৈ যাবৰ বাবে ল'ৰাজনক লগ ধৰিলে। কিন্তু ল'ৰাজনে দেৰি হ'ল বুলি কৈ মন্দিৰলৈ নগৈ অইন ফালে ছোৱালীজনীক লৈ আহে। বাটৰ মানুহে অকলে অকলে ফুৰা দেখি অকলে হাঁহা আৰু কথা পতা দেখি ছোৱালীজনী পাগল হ'ল বুলি কয়। আৰু মোমায়েকক কৈ দিয়ে। মোমায়েকে ছোৱালীজনীক ঘৰলৈ লৈ যায়। ঘৰত গৈ ছোৱালী জনীয়ে ল'ৰাজনক বিচাৰি থাকে আৰু নাখাই নবই শুকাই খিনাই যাবলৈ ধৰিলে। ছোৱালী জনীয়ে ঘৰৰ মানুহক আপত্তি কৰিলে যে তাই ল'ৰাজনৰ সৈতে বিয়া হব। ঘৰৰ মানুহে ল'ৰা জনক চিনি নাপায়। গতিকে ছোৱালী জনীক পুনৰ লৈ আহে। ছোৱালী জনীয়ে ল'ৰাজনৰ ঘৰত সোমায় আৰু ল'ৰা জন কলৈ গল বুলি ঘৰৰ মানুহক সুধে। সেই সময়ত ল'ৰাজন ঘৰত নাছিল। ঘৰৰ মানুহে তাইক কলে যে, আজি এমাহ মানৰ আগত তেওঁৰ মৃত্যু হ'ল। ছোৱালীজনীয়ে কলে যে, তেওঁ মোক ভাল পায়। আজি দুদিনৰ আগত তেওঁ মোক বিয়া কৰাম বুলি কৈছে। ছোৱালীজনীয়ে কেতিয়াও বিশ্বাস কৰা নাছিল। বিশ্বাস নকৰা দেখি ঘৰৰ মানুহে তাইক ল'ৰা জনৰ ভেটিটো দেখুৱাই দিয়ে। তাৰ ওপৰিও ওচৰৰ মানুহে তাইক কলে যে তেওঁৰ মৃত্যু হ'ল। ইফালে ল'ৰাজনে ছোৱালীজনীকে বিচাৰি ফুৰিছিল। ছোৱালীজনীয়ে ক থাবোৰ বিশ্বাস কৰিবলৈ ধৰিলে। কাৰণ তাই চকু মুদা খেল খেলোতেই গম পাইছিল যে, ল'ৰাজনৰ হাত দুখন তাইৰ ডিঙিত চেপা মাৰিব বিচাৰিছিল। তাৰ বাদেওঁ শিৱৰ মন্দিৰলৈ নোযোৱা কাৰণ হ'ব পাৰে। হয়তু আত্মা মন্দিৰলৈ নাযাব পাৰে। এই সকলোবোৰ কথা ঘৰৰ মানুহে জানিব পাৰি ওচৰতে থকা শিৱ মন্দিৰলৈ ছোৱালীজনীক লৈ যায় পুজাৰীয়ে তাইক এটা ওঁম ৰ লকেত দিলে, আৰু এই ওঁম ৰ লকেতটো ল'ৰাজনৰ গাত পেলাই দিবলৈ কলে। এই সকলোবোৰ কথা জানিবপাৰি আত্মা ল'ৰাজনে তাইক টেটু চেপিবলৈ আহোতেই, ছোৱালীজনীয়ে পুজাৰীয়ে কোৱা মতে ওঁম ৰ লকেতটো ল'ৰাজনৰ গালৈ দলিয়াই দিয়ে। লগে লগে আত্মা ল'ৰাজন ভস্ম হৈ যায়। ভস্ম হোৱা ঠাই ডোখৰৰ পৰা এটা বেলুনৰ দৰে বা আমাৰ কিছুমান সৰু ল'ৰা-ছোৱালীয়ে ভতৰা গছৰ আঠাৰ পৰা মুখেৰে ফুকি বিন্দু উৰুৱাই দিয়ে, ঠিক সেই বিন্দুটোৰ দৰে এটা বিন্দু উৰি গৈ গৈ গৈ এখন বহল নদীত পৰে। পানীত পৰাৰ লগে লগে বিন্দুটো ফাটি নাইকিয়া হৈ যায়। ছোৱালীজনী বিপদৰ পৰা মুক্ত হয়। মোৰ সপোন ইমানতে সমাপ্ত হয়। এনেকুৱা ঘটনা কেতিয়াবা বাস্তৱত হ'ব পাৰে নেকি ?

□□□

গল্প

# অপ্ৰত্যাশিত বাস্তৱ

○ শ্ৰী মিংকুল মজুমদাৰ
স্নাতক দ্বিতীয় বাৰ্ষিক

আজি নিলীম খুওঁব অনুতপ্ত। আজি নিলীমৰ অকলশৰীয়া প্ৰতিটো ক্ষণে তাক মোহাৰি পেলাব বিচাৰিছে অতীতৰ প্ৰেয়সী প্ৰীতিস্মিতাৰ প্ৰেমৰ স্মৃতিয়ে। সি ৰাতিপুৱাই তাৰ কোঠাৰ পশ্চিম দিশৰ খিৰিকীখন খুলি দিলে। সিহঁতৰ বাৰীৰ সোণাৰুজোপাত এটা কপৌ চৰাইয়ে অকলশৰে গীত জুৰিছে। কপৌটোৰ সেই গীতত আছে কিছুমান নিৰস অভিব্যক্তি আৰু বিচ্ছেদৰ বেদনা যাক অনুভৱ সহজতে কৰিব পাৰে নিলীমৰ দৰে ভোক্তভোগীসকলে। যি অনুভৱ কৰিলে হা-হুতাশৰ বাহিৰে কোনো আশাৰ সঞ্চাৰ নহয়। যিহেতু সি এতিয়া বহু অভিজ্ঞ। যি কোনো কথা সহজতে পাতলাই উৰুৱাই দিবলৈ তাৰ বিবেকে নকয়। তাৰ যুক্তিবাদী মনটো বেছি যুক্তিবাদী হৈ উঠিছে শিক্ষাগত অৰ্হতা বৃদ্ধিৰ লগে লগে। সি (বি.এ.) স্নাতকৰ তৃতীয় বাৰ্ষিকত ভাল ৰিজাল্ট কৰিছিল। সি সিহঁতৰ যি কণ খেতি মাটি আছিল তাক বন্ধকত দি এখন উচ্চ মাধ্যমিক বিদ্যালয়ত সোমাইছিল।

০০০

নিলীম বৰুৱা এটা গাঁৱলীয়া পৰিয়ালৰ দিনেশ বৰুৱাৰ একমাত্ৰ পুত্ৰ সন্তান। তাৰ ভনী দুজনী পিতু আৰু ৰিণি। মাক সিহঁতৰ নিচেই সৰুতে ঢুকাইছিল। ভাবিলে ঘটনাটো কথাছবি কথাছবি যেন লাগে। কিন্তু ইয়েইটো বাস্তৱত ঘটি গ'ল। নিলীমৰ মাক সেইদিনা গাঁৱৰ ধনী মহাজন বলিন হাজৰিকাৰ ঘৰত কাম কৰিবলৈ ওলাই গৈছিল নিচেই পুৱাতে। আৰু ৰাজপথেৰে চিন্তাত বিভুৰ হৈ গৈ থকা অৱস্থাত এক প্ৰকাণ্ড ট্ৰাকে খুন্দা মাৰিলে আৰু সেই খুন্দাৰ প্ৰত্যুত্তৰ দিবলৈ কোনেও সুবিধা পোৱা নাছিল কাৰণ তেতিয়ালৈ নিলীমৰ মাকে এই সংসাৰৰ পৰা মেলানি মাগিলে। নিলীমৰ দেউতাক উপান্ত খেতিয়ক আছিল আৰু সেইদিনা গাটো জ্বৰ জ্বৰ ভাৱ আহি থকাৰ কাৰণে ঘৈণীয়েকৰ অনুৰোধ মৰ্মে ঘৰতে বিশ্ৰাম লোৱাৰ সিদ্ধান্ত কৰিছিল। মাকৰ মৃত্যুত নিলীম দুখত মৰ্মাহিত হৈছিল আৰু আস্থা হেৰুৱাইছিল ভগৱানৰ ওপৰত। সি দুখীয়া শ্ৰেণীটো ভগৱানৰ অভিশাপ বুলি ভাবিছিল। সি সিহঁতৰ গোঁসাই ঘৰটোলৈ ক্ষোভেৰে চাইছিল আৰু গোঁসাই ঘৰটোৱেও যেন তাক উপহাস কৰিছিল আৰু সেই কাৰণে তাৰ গোঁসাই ঘৰটো জুই জ্বলাই দিবৰ মন গৈছিল কিন্তু তাৰ বিবেক সংযম হৈছিল বাবে মনৰ ক্ষোভ মাৰ গ'ল। সিহঁতৰ ককাই-ভনীহঁতৰ পঢ়া-শুনা, খাদ্য, বস্ত্ৰৰ প্ৰয়োজনীয়তাৰ বিপৰীতে বাপেকৰ উপৰ্জন নগণ্য আছিল। আৰু এই অভাৱেই নিষ্ঠুৰভাৱে পিতু আৰু ৰিণিক শিক্ষা জগতৰ পৰা অনিচ্ছা সত্বেও ঠেলি পঠালে। নিলীমে কঠোৰ সংগ্ৰামৰ মাজেৰে তেতিয়া মেট্ৰিকৰ দেওনাখন দ্বিতীয় বিভাগত পাৰ হৈছিল। সি তাৰ মেধা গুণৰ বাবে কিছু টিউছনো অতি কম সময়তে পালে। সি বয়সস্থ দেউতাকৰ বেমাৰী দেহাটোৰ বাবে কোনো ত্যাগৰ বিনিময়ত সুখ দিবলৈ প্ৰস্তুত।

প্ৰীতিস্মিতা ফুকন হ'ল নিলীমহঁতৰ গাঁৱৰে এজন বিখ্যাত প্ৰৱক্তা ড০ সমীৰণ ফুকনৰ একমাত্ৰ দোহিতা। দেউতাকৰ চাকৰি চহৰৰ এখন নামী কলেজত আৰু জীয়েকৰ সুখকে নিজৰ সুখ গণ্য কৰিছিল। তাইক সকলো সময়তে দেউতাকে চকুৰ আগত থকাটো বিচাৰিছিল। নিলীম আৰু প্ৰীতিস্মিতাই একে স্কুলৰে পৰা

মেট্ৰিক দি দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছিল। সিহঁত দুয়োটাই প্ৰাথমিক পৰ্য্যায়ৰে পৰা একে লগে পঢ়ি গৈ মেট্ৰিকতো সমানে উত্তীৰ্ণ হৈছিল। দুয়োটাই দুয়োটাকে খুওঁব মৰম কৰিছিল আৰু ইয়েই হয়তো কৈশোৰ অৱস্থাত সিহঁতে ভালপোৱা বুলি জানিছিল। সিহঁত দুয়োটাই এটা সাধাৰণ সমস্যাতো পৃথক পৃথক সিদ্ধান্ত প্ৰকাশ নকৰিছিল বৰঞ্চ দুয়োটাৰ সহযোগিতাত হোৱা সিদ্ধান্তই চুড়ান্ত আৰু সকলোতকৈ উৰ্ধত বুলি গণ্য কৰিছিল।

০০০

আজিৰ এই পুৱাৰ মধুৰ ক্ষণত নিলীমে স্মৃতিৰ ভৰাল জোকাৰি স্মৰণ কৰিছে মৰমৰ প্ৰেয়সী প্ৰীতিস্মিতাই দশম মান শ্ৰেণীত কৰা প্ৰতিজ্ঞাৰ কথা। সেইদিনা আছিল সোমবাৰ। ভাদ মাহৰ সেই দিনটোত স্কুলৰ জিৰণীৰ সময়ত লগৰ বন্ধু বৰ্গৰ সৈতে স্কুলৰ চৌহদৰ গছৰ ছাঁত আড্ডা পিটি আছিল। সকলোকে উপেক্ষা কৰি প্ৰীতিস্মিতাই তাক তাইৰ বান্ধৱী পম্পীক লগাই মতাই নিলে। কিছু আতৰত প্ৰীতিস্মিতাই নিৰিবিলি পৰিবেশত তাইৰ মনৰ কথা নীলিমক কলে। নিলীমে এনেকুৱা অনুভৱ কৰিলে যেন সি উৰা মাৰি আকাশলৈহে গতি কৰিছে। প্ৰীতিস্মিতাই নিলীমক দিয়া প্ৰস্তাৱত সি বুজি পাইছিল গভীৰ বিশ্বাস আৰু সফল প্ৰেমিকা কি। এনেকৈয়ে স্কুলৰ মধুৰ ক্ষণবোৰ পাৰ কৰিছিল প্ৰেম ভালপোৱাৰ মিঠা আলাপেৰে। নিলীমে স্কুলত কোনো বেলেগ ছোৱালীৰ লগত কথা পাতিলে প্ৰীতিস্মিতাৰ অন্তৰৰ কোনোবা ঠাইত এটা কামোৰ আৰম্ভ হয় যাক প্ৰীতিস্মিতাই প্ৰকাশ কৰে কিছুমান আওপকীয়া বাক্যবাণেৰে। তাই নিলীমক ভৱিষ্যতৰ ৰঙীন কল্পনাক বাস্তৱত ৰূপায়িত কৰিবৰ বাবে সহযোগ কৰাৰ প্ৰতিশ্ৰুতিক বিকলাঙ্গ কৰি আতৰি যোৱাত নিলীম আজি মানসিক বিকাৰগ্ৰস্ততাৰ বলি হোৱাৰ উপক্ৰম হৈছে। সি আজি অনুভৱ কৰিছে কোনো মহান ব্যক্তিৰ মহানবাণী যে পাই হেৰুৱা বেদনা নোপোৱাতকৈ কিমান গভীৰ। বেচেৰী প্ৰীতিস্মিতাই কিহৰ বাবে তাক বিশ্বাসঘাটকতা কৰিলে সি ভাবি নাপায়। তাইয়ো যে বাধ্য বাপেকক সন্তুষ্ট কৰিবলৈ। একমাত্ৰ ছোৱালীৰ বিশ্বাসঘাটকতা যে কোনো পধেই বাপেকে মানি নলব তাই ভালকৈয়ে জানে আৰু এইটোও জানেযে বাপেকে তাইৰ মতক প্ৰাধান্য নিদিব বৰঞ্চ নিলীমৰে ক্ষতি সাধন কৰিব। কাৰণ নিলীমৰ গাত সামান্য আচোৰ এটা পৰাও তাইৰ সহ্য নহয়। ইফালে নিলীমৰ লগৰবোৰেও এই বিশ্বাসঘাটকতাক হজম কৰিব পৰা নাই। যি জনী ছোৱালীয়ে নিলীমক প্ৰথমে প্ৰাণভৰি ভালপোৱাৰ প্ৰপজেল আগবঢ়ায় তাই আকৌ তাক ঠেলি দিয়ে অনিশ্চয়তাৰ গৰাহলৈ। তাৰ লগৰবোৰে সহ্য নকৰে বন্ধুক কৰা চৰম অৱহেলা আৰু বিশ্বাসঘাটকতা। নিলীমৰ দৰে এজন সহজ সৰল ল'ৰাৰ অন্তৰ বুজাত বন্ধুৰ কোনো কষ্ট নহৈছিল কাৰণ নিলীমে এই বিশ্বাসঘাটকতাক কেনেভাৱে লৈছে তাৰ মতিগতি দেখিয়ে বন্ধুবৰ্গ মহা চিন্তিত হৈছে। নিলীমৰ দৰে সুবিচাৰ বুদ্ধি সম্পন্ন ল'ৰা এজন বিচাৰ বুদ্ধিৰ নিস্প্ৰভ হোৱাটো বাৰু কেনেকৈ সহ্য কৰে। লগৰবোৰে তাৰ এই পৰিবৰ্তন সাধাৰন ভাৱে লব পৰা নাই কাৰণ আৰু সিহঁতে তাক বুজনি দিয়ে যে তোৰ এই মানসিক অৱস্থাই পিতু আৰু ৰিণিৰ জীৱনলৈকো অন্ধকাৰ নমাত সহায় কৰিব। নিলীমে এই উপদেশত নিজৰ বৰ্তমান কৰ্তব্য কি এই বিষয়ে সজাগ হৈ নিজৰ জীৱনৰ গতি সলনি কৰিব বিচাৰিলে। কিন্তু কেতিয়াবা থমকি ৰয় সি স্মৃতিৰ হেচাত যিটো বৰ্তমান ভাবিলে ক্ষতি হ'ব বুলি ভয় কৰে। কিন্তু সি নিৰুপায় আৰু নিজকে প্ৰত্যয় নিয়াই এই বুলি, প্ৰথমে প্ৰেম জীৱনৰ প্ৰকৃত প্ৰেম যাক স্মৰণ নকৰিলেও মাজে সময়ে মগজুত স্থান লয়। সেইবোৰ কথা ভাৱি থাকোতেই সি খকা-মকাকৈ কাৰোবাৰ মাতত ঘূৰি চাই দেখিলে ভনীয়েক ৰিণি চাহ লৈ উপস্থিত। সি তাইক এলোটা পানী আনিবলৈ কৈ বাৰাণ্ডা পালেগৈ। ঠিক সেই মূহুৰ্ততে তাৰ প্ৰিয় বন্ধু বনিজ আহি ওলাল আৰু ক'লৈ প্ৰীতিস্মিতাৰ স্বামী মাতাল হৈ মটৰ চাইকেল চলাই আহি

থকা অৱস্থাত এক বিজুলী খুটাত খুন্দা মাৰি শেষ নিশ্বাস ত্যাগ কৰিছে। নিলীমে দুৰ্ঘটনাটোৰ বিষয়ে শুনি একে ঠাইতে স্থবিৰ হৈ ৰ'ল আৰু কিমান সময় তেনেদৰে ৰৈ আছিল গম নাপায়। ভনীয়েক ৰিণিয়ে পানীঘটি দি যোৱাতহে সি সক্ষম হ'ল আৰু বনিজৰ লগত সেই ঠাই পালেগৈ। নিলীমক দেখি প্ৰীতিস্মিতাই বৰকৈ কান্দিবলৈ ধৰিলে ইয়াকে দেখি বনিজ আৰু নিলীমে তাইক সান্ত্বনা দিবলৈ ধৰিলে। আৰু প্ৰীতিস্মিতাৰ মাক-দেউতাকো নিজৰ জোৱায়েকৰ এক্সিডেন্টৰ বিষয়ে গম পাই উধাতু খাই লৰি গৈছিল আৰু নিলীমক পাই তাইৰ মাক-বাপেকে তাৰ ওচৰত কৰা ভুলৰ বাবে ক্ষমা বিচাৰিবলৈ ধৰিলে। নিলীমেও দুখত ম্ৰিয়মান হৈছিল তথাপিও সি বুজিছিল এনেদৰে ধৈৰ্য্য পৰীক্ষা হয় গতিকে সি প্ৰকৃত কৰ্তব্যৰ বিষয়ে সজাগ হ'ল। নিলীম তাৰ পৰা উভতি অহাৰ পিছত গম পালে যে প্ৰীতিস্মিতাক মাক-বাপেকে নিজৰ ঘৰলৈ লৈ আহিল আৰু এদিন বনিজৰ সৈতে সি তাইৰ খবৰ লবলৈ গ'ল আৰু বাপেকে সিহঁতক যিখিনি কথা ক'লে সিহঁতে বুজিলে তাই কেতিয়াবা আত্মহত্যা কৰিব। তাইৰ চেহেৰা দেখি সিহঁতে বুজিলে তাই ভাত-পানী যে বহুদিন খোৱা নাই। চকুৰ গুৰিবোৰো ক'লা পৰিছে। বনিজে ঘূৰি আহোতে বাটত নিলীমক ক'লে যে সি যদি মনোযোগ দিয়ে তেন্তে প্ৰীতিস্মিতা জীয়াই থাকিব পাৰে অৱশ্যে এই কথা প্ৰীতিস্মিতাৰ বাপেকেও তাক অনুৰোধ কৰিছে। নিলীমে তেতিয়াহে ভাৰিছিল মানুহ জাতি কেনে স্বাৰ্থপৰ। এই আকাশ সম ওপৰত আৰু পাচ মূহুৰ্ততে পাতাল সম অৱস্থান কৰে। অৱশ্যে নিলীমেও এই কথা নভৱা নহয়। কিন্তু ইমান খৰটকীয়াকৈ এই সিদ্ধান্ত কিমান ভয়াৱহ হ'ব সি ভালদৰে জানে। তথাপিও সি বনিজক লৈ প্ৰীতিস্মিতাৰ ঘৰ পালেগৈ আৰু সিহঁতে ঘৰখন মৰুভূমিৰ দৰে আৱিস্কাৰ কৰিলে। নিলীম আৰু বনিজক প্ৰীতিস্মিতাৰ বাপেকে বাৰাণ্ডাৰ পৰা আদৰি নিয়াৰ দৰে নিলে। নিলীমে তাইৰ বাপেকৰ লগত আছুতীয়া কোঠাত বহিলেগৈ আৰু বনিজে মাকৰ সৈতে তাইৰ ৰোম পালেগৈ। কিছু সময় বনিজে প্ৰীতিস্মিতাৰ সৈতে গভীৰ ভাৱে কথা পতাৰ পিছত নিলীমো ওলালগৈ আৰু বনিজ লাহেকৈ বাহিৰলৈ উঠি আহিল। দুয়োৰো মাজত মাতবোল নাই। মাজে মাজে নিলীমে তাইক কিবা সুধিলে তাই মাত্ৰ মূৰ লৰাইছিল। যেতিয়া সি তাইক বিয়াৰ প্ৰস্তাৱ আগবঢ়ালে তেতিয়া তাই একেবাৰে নিমাত হ'ল আৰু বহু সময়ৰ অন্তত তাই কান্দি কান্দি ক'লে, তুমি মোক আৰু কিমান সৰু কৰিবা; তুমি মোক দয়া কৰিবলৈ কিয় আগবাঢ়িছা; তোমাক সমাজে স্বীকৃতি দিবলৈ কিয় সুবিধাকণ হেৰুৱাবলৈ আহিছা, মই কোনোপধ্যে এই বিষয়ত মান্তি হ'ব নোৱাৰো, তুমি যোৱাগৈ ইয়াৰপৰা, আৰু কোনোদিন এনে প্ৰস্তাৱলৈ নাহিবা বুলি তাই কান্দি পেলালে। এনেদৰে তাইক বাপেক-মাক আৰু বনিজে লাগি থকাত এদিন তাই নিজেই এই বিয়াত মত দিলে। নিলীমৰ বন্ধু বনিজে তাৰ বন্ধুত্বৰ সাৰ্থকতা উপলব্ধি কৰি তড়িত গতিৰে নিলীমৰ ঘৰ পালেগৈ আৰু নিলীমক সকলো কথা বৰ্ণনা কৰিলে। নিলীমৰ তেতিয়াও বাৰীৰ সোণাৰুজোপাত দৃষ্টি নিবদ্ধ। কাৰণ সেইদিনা বাৰীৰ সোণাৰুজোপাত আৰু এটা কপৌৰ আগমন হৈছিল আৰু সিহঁত দুয়োটাই যুগ্ম কোলাহলেৰে পৰিৱেশটো গমগমীয়া কৰি তুলিছিল। বনিজে তাৰ বাউসীত ধৰি জোকাৰি দিয়াত সি ঘুৰি চালে আৰু বনিজে তাক মাত লগাই ঘৰলৈ উভতিলে। নিলীমে ভিতৰলৈ গৈ তাৰ প্ৰয়োজনীয় কেইপদমান বস্তু আনি টেবুলত থলে। গা-পা ধুই সাজি-কাছি স্কুললৈ ওলাই গ'ল। সেইদিনা সি খুওঁব ফুৰ্তি মনেৰে ওলাই গৈছিল। ৰিণি আৰু পিতুৱেও এই পৰিৱৰ্তনত আনন্দ উপভোগ কৰিছিল।

□□□

গল্প

# মাধুৰীৰ জৰ্জৰিত জীৱন

○ শ্ৰীমৃদুস্মীতা গগৈ
উঃ মাঃ প্ৰথম বাৰ্ষিক

বেৰত ওলমি থকা ৱালক্লকটোৱে নিশা এক বজাৰ সংকেত দিলে। সেই সংকেত শুনি ডাক্তৰ প্ৰণৱজ্যোতি দুৱৰা উচপ খাই উঠিল। ইমান গভীৰ নিশালৈকে বিভিন্নভাৱে থকা ডাক্তৰ মানুহৰ বাবে একো আচৰিত কথা নহয়। বহু নিশা তেওঁ এইদৰে অতিবাহিত কৰিছে, নিশাৰ সৈতে তেওঁ মিতিৰালি কৰিছে। কিন্তু আজিৰ নিশাটো তেওঁৰ বাবে কিবা অস্বাভাৱিক যেন লাগিছে। টোপনি যাবলৈ বহুবাৰ চেষ্টা কৰিও তেওঁ বিফল হৈ বাৰে বাৰে উভতি আহি তেওঁ বৰ অস্থিৰ হৈ পৰিছে। কিবা এটা অজান সংশয়ে তেওঁৰ দেহ মন অৱশ কৰি পেলাইছে। বিছনাৰপৰা উঠি আহি তেওঁ বিছনাৰ কাষতে থকা চিয়াৰখনত বহি পৰিল, গাৰ সমস্ত ভাৰ চিয়াৰখনত এৰি দিলে, এবাৰ বেকা কৰি ওচৰতে থকা টেবুলখন তেওঁ চালে। টেবুলৰ ওপৰত পৰি থকা কাগজৰ মাজৰ ৰঙা ফাইলটো তাৰ ভিতৰত থকা ৰিপৰ্টটোৰ কথা দুগুণে তেওঁক সাংঘাতিক ধৰণে দুৰ্বল কৰি পেলাইছে। এই ৰঙা ফাইলটোৱে যেন তেওঁলৈ কটাক্ষণতে কৰিলে। তেওঁ আৰু বেছি সময় টেবুলখন চাব নোৱাৰিলে। ডাক্তৰ দুৱৰাই টেবুলখনৰ পৰা চকু ঘূৰাই আনি খোলা খিৰিকীৰে বাহিৰৰ আকাশখনলৈ চাই পঠিয়ালে। শীতৰ আকাশৰ পঞ্চমী জোনটিৰে গতি কৰিছে অসীম দিক্ দিগন্তলৈ। আকাশখন কুৱলীয়ে আচন্নাই আছে। জোনৰ কোমল ৰশ্মিয়ে কুৱলী ভেদ কৰি ধৰা পোহৰ কৰিবলৈ অক্ষম হলেও, চেষ্টা এৰি দিয়া নাই। কুৱলীৰ মাজেৰে অলপ উজ্জ্বল নক্ষত্ৰ এটাই অপলক নেত্ৰৰে চাই আছে পৃথিৱীলৈ। কুৱলীৰ মাজতো সেই তৰাটো কিছু সজল যেন লাগিল ডাক্তৰ দুৱৰাৰ। বাহিৰত নিস্তব্ধ নিৰৱতা বিৰাজ কৰিছে ওচৰৰ আম গছজোপাৰ পৰা নিৰৱতা ভেদ কৰি এটা ফেঁচাৰ টু হুইট, টু হুইচ শব্দ সময়ে সময়ে ভাহি আহিছিল। ফেঁচাৰ মাতে গভীৰ নিশাটো আৰু বেছি গভীৰ কৰিহে তুলিলে। সেই নিৰৱতাৰ সুযোগ লৈয়ে ডাঃ দুৱৰাক বাৰে বাৰে আমনি কৰিছে কিছুমান জীৱন্ত স্মৃতি আৰু নিষ্ঠুৰ ৰিপটটোৱে। কথাবোৰ পাতলভাৱে লবলৈ তেওঁ বাৰে বাৰে চেষ্টা কৰিছে, আকৌ পাতল ভাৱে ল'লেও তেওঁ নিজকে নিষ্ঠুৰ যেনহে অনুভৱ হয়। আনহাতে তাৰ কথা ভাবিও কোনো উপায় উলিয়াব নোৱাৰে, এৰা এনে কিছুমান বেসুৰিক মুহূৰ্তই মানুহক বৰ দুৰ্বল কৰি তোলে, কিন্তু তাৰ প্ৰতিকাৰৰ পথ ৰুদ্ধ। তেতিয়াই মানুহে 'ভাগ্য' বা 'নিয়তিক' বিশ্বাস কৰে। 'ভাগ্য' বা নিয়তি যিয়ে নহওঁক ই মাথো শান্তনাৰ পথ। ডাঃ দুৱৰাই আজি সকলো ভগৱানৰ ওপৰত পেলাই দিবলৈ চেষ্টা কৰিছে। তেওঁ ৰিৰ্পটতো লিখিম বুলি উলিয়াই ল'লে। তেওঁ অনুভৱ কৰিছে তেওঁৰ হাতৰ মাংস পেশীবোৰ যেন জথৰ হৈ গৈছে। ক'লমটো ধৰিবলৈও যেন আঙুলিবোৰ অসমৰ্থ আজি। এৰা এনেকুৱা ৰিপট

তেওঁ বহুবাৰ লিখিছে কেতিয়াও এনে হোৱা নাছিল। আজি কিয় তেওঁ থমকি ৰ'ব লগা হৈছে? উদাসভাৱে তেওঁ পুনৰ কুৱলীয়ে আবৃত আকাশখনলৈ চাই পঠিয়ালে। উজ্জ্বল তৰাটোৱে তেওঁক মনত পেলাই দিলে এখন মুখ, 'মাধুৰীৰ মুখ'। মাধুৰী! মাধুৰীয়ে আজি বিচলিত কৰি তুলিছে তেওঁৰ দেহ-মন। দুৰবাৰ অৱচেতন মনে কেতিয়াবা মাধুৰীৰ স্মৃতি অন্তৰত ৰাখিলেও সচেতন অৱস্থাত তেওঁ মাধুৰীক পাহৰি যাব খোজে।

আজি প্ৰায় ৭ বছৰ হ'ল ডাঃ দুৰবাৰ মাধুৰীক লগ নোপোৱা। সেয়েহে মাধুৰীৰ প্ৰতিচ্ছবিখন দুৰবাৰ মনৰ পৰা লাহে লাহে হেৰাই যাবলৈ ধৰিছিল; কিন্তু আজি মাধুৰীক লগ পোৱাৰ পিচত দুৰবাৰ মানসপটত মাধুৰীৰ প্ৰতিচ্ছবিৰ ওপৰত ঢাকি থোৱা বগা কাগজখন হঠাৎ ফালি চিৰা-চিৰ হৈ গ'ল। নতুনকৈ তেওঁ সোৱৰণিৰ মাজ-মজিয়াত সোমাই পৰিল।

প্ৰণৱ দুৰাৰ তেতিয়া প্ৰাক্ বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাৰ ২য় বাৰ্ষিকৰ ছাত্ৰ। মাধুৰীহত আহিছিল দেউতাকৰ চাকৰি বদলি হৈ প্ৰণৱহঁতৰ ঘৰৰ ওচৰলৈকে। সেই সময়ত মাধুৰী আছিল প্ৰথম বাৰ্ষিকৰ ছাত্ৰী। মাধুৰীয়ে আহি প্ৰণৱহঁতৰ কলেজতে নামভৰ্ত্তি কৰিছিল। মাধুৰীহত আহি প্ৰণৱহঁতৰ ঘৰৰ ওচৰতে থাকিব লৈছিল যদিও প্ৰথম অৱস্থাত কিন্তু সিহঁত ঘৰুৱা হিচাপে চিনাকী হোৱা নাছিল, চিনাকী হৈছিল নামভৰ্ত্তিৰ দিনা। সেইদিনা মাথো পৰিচয় লৈছিল প্ৰণৱে। পিচত এই পৰিচয়ে সিহঁত দুয়োজনকে ওচৰ চপাই আনিছিল আৰু দুটা কাৰণত দুয়ো ওচৰ চাপি যাবলৈ সুবিধা হৈছিল প্ৰণৱ বিজ্ঞানৰ ছাত্ৰ আছিল আৰু মাধুৰীও। আনহাতে মাধুৰী আৰু প্ৰণৱহঁতৰ ঘৰ দুখনৰ মাজত ওচৰ চুবুৰীয়া হিচাপে ভাল সম্পৰ্ক গঢ়ি উঠাৰ লগতে প্ৰণৱৰ ভনীয়েক স্নিগ্ধা, মাধুৰীৰ ক্লাচ ফেইণ্ড। মাধুৰী প্ৰায়ে আহিছিল প্ৰণৱহঁতৰ ঘৰলৈ কেতিয়াবা কিতাপ নিবলৈ কেতিয়াবা অঙ্ক শিকিবলৈ আৰু কেতিয়াবা এনেই। প্ৰণৱৰ মাকক তাই জেঠাইদেউ বুলি মাতিছিল। মাধুৰীক সিহঁতৰ ঘৰখনে বৰ মৰম কৰিছিল। লাজ-সলাজ দুচকু আৰু মিঠা মাতেৰে তাই সিহঁতৰ ঘৰখনক অতি কম দিনতে আপোন কৰি লৈছিল। মাধুৰী আহিলে প্ৰণৱৰ অজানিতে দেহত এক শিহৰণ জাগি উঠে। ভিতৰত তাই যেতিয়া মাক ভনীয়েকৰ লগত কথা পাতে কাষৰ কমত পঢ়ি থকা প্ৰণৱ স্থিৰেৰে থাকিব নোৱাৰে। বহুত কথাই ভাবি পেলাইছিল প্ৰণৱে। বহুত দিন সি এনেকৈ অস্থিৰতাত ভুগিছে। মাজে মাজে প্ৰণৱো গৈছিল মাধুৰীহঁতৰ ঘৰলৈ। মাধুৰীৰ প্ৰতি প্ৰণৱৰ আকৰ্ষণ দিনে দিনে বাঢ়ি যাব ধৰিলে। এনে পৰিবৰ্তন কিয় হ'ল প্ৰণৱে নিজেই ক'ব নোৱাৰে। তেওঁ বাৰু মাধুৰীৰ প্ৰতি বেছি দুৰ্বল হৈ পৰিছে নেকি? আৰু মাধুৰী? মাধুৰীজনী বৰ চতুৰ। তাইৰ মুখলৈ চালে একো ধৰিব নোৱাৰি কি সুন্দৰভাৱে মনৰ ভাৱবোৰ লুকুৱাই থ'ব পাৰে। যেন ডাৱৰৰ মাজত হঠাৎ উজ্বলি উঠা এডাল বিজুলি ৰেখাহে অস্তিত্ব বিছাৰি গলেই সকলো শেষ, কিন্তু দৃষ্টি নিবন্ধনত বৈ যোৱা পোহৰ কনেই যেন প্ৰণৱক মনে মনে কিবা এটা কৈ যায়, যিটো প্ৰণৱে লাজ আৰু সংশয়ৰ বাবে কওঁ বুলিও মাধুৰীক ক'ব পৰা নাই। কথাবোৰ ভাবিলে এটা স্নিগ্ধ অশান্তিয়ে প্ৰণৱৰ মন ভবাই তোলে।

সেইদিনাও বাৰু প্ৰণৱে মাধুৰীৰ দুচকুত সেই ভাব দেখিছিল নেকি যিদিনা তেওঁলোক ক'লেজৰ পৰা এটা এছকাৰচনত গৈছিল। সঁচাকৈ সেইদিনা ছাত্ৰ-ছাত্ৰী সকলৰ মাজত আনন্দৰ সীমা নাছিল। কিবা এটা মিঠা সম্ভাৱনাই প্ৰণৱৰ মন চুই গৈছিল। নিৰ্দিষ্ট স্থান পোৱাৰ লগে লগে সকলো ল'ৰা-ছোৱালী জপিয়াই জপিয়াই নামি পৰিল। হাঁহি আনন্দৰে গোটেই পৰিবেশটো মুখৰিত হৈ পৰিছিল।

সিহঁত দুয়ো তাৰ ব্যতিক্ৰম ন'হ'ল। দুয়োৰে দেহত একেই উদ্যম ও চঞ্চলতা। এবিধ পাতল আহাৰ খাই লৈ সকলোৰে ঠাইডোখৰ চাবলৈ গ'ল। বহু সময় ইটো-সিটো চোৱাৰ পিচত মাধুৰী ক্লান্ত হৈ পৰিছিল। তাতে পাহাৰৰ ওখৰা মোখৰা পথ। অলপো ভয় নকৰাকৈ কেনেকৈ যে ইমান ওখ পাহাৰবোৰ বগালে মাধুৰীয়ে পিছতহে অনুভৱ কৰিব পাৰিলে। ভাগৰত তাই ওচৰৰ জুৰি এটাৰ পাৰতে কিছু সময় জিৰণি লোৱাৰ প্ৰয়াসেৰে অকলে অকলে তাই শিল এটাত বহি পৰিল। পাহাৰৰ মাজেৰে ওপৰৰ পৰা শীতল ফটফটীয়া পানীবোৰ বৈ আহিছিল, কুল কুলু সুৰেৰে অহৰহ নিৰবিছিন্নভাৱে। সেই সময়ত জুৰিটো ওলাই অহা দীঘল পথটো ৰূপালী ৰঙেৰে সজাই থোৱা এটি পথ যেন লাগিছিল মাধুৰীৰ। ঠিক সেই সময়তে প্ৰণৱো গৈ মাধুৰীৰ কাষতে থকা শিলটোত বহি পৰিল প্ৰণৱে গৈ চাৰিওফালে এবাৰ ছাই পঠিয়ালে। প্ৰকৃতিত ৰূপৰ কি সমাবেশ। তাতে বসন্তৰ আগমন। পাহাৰৰ গাত বিভিন্ন ধৰণৰ গছ আৰু ফুলৰ মেলা। জুৰিটোৰ কাষতে পৰি আছে মশৃন আৰু অমশৃন আৰু ডাঙৰ বিভিন্ন ধৰণৰ শিল। মলয়া বতাহে কঢ়িয়াই আনিছে বনৰীয়া ফুলৰ মৃদু সুবাস। তাৰপৰা দৃষ্টি আঁতৰাই আনি প্ৰণৱে এবাৰ মাধুৰীলৈ চালে। মাধুৰীৰ হাততো কিছুমান ফুলৰ থোপা। তাইৰ লিহিৰি আঙুলিবোৰ ফুলৰ পাহিৰ মাজেৰে ওলাই আছে। প্ৰণৱে মাধুৰীৰ মুখলৈ ছোৱাত মাধুৰীৰ চকুৰে চকুৰে পৰিল, দুয়ো লাজত ৰঙা পৰি গ'ল। মাধুৰীয়ে তললৈ চকু নমাই দিলে। প্ৰণৱ পৰিল, দুয়ো লাজত ৰঙা পৰি গ'ল। মাধুৰীয়ে তললৈ চকু নমাই দিলে। প্ৰণৱ আৰু কাষ চাপি গ'ল, সি মাধুৰী হাতৰপৰা এপাহ ফুল লৈ মাধুৰীৰ বেণীডালত গুজি দিব খোজোতেই মাধুৰী আতৰি গৈ অলপ দূৰত থকা শিলটোত বহিলগৈ। প্ৰণৱো উঠি গৈ মাধুৰীৰ কাষতে থকা শিলটোত বহাৰ ইচ্ছা আছিল যদিও সি সেইটো নকৰি একে ঠাইতে বহি ৰ'ল। প্ৰণৱে দেখিলে যে মাধুৰী আগতকৈ গহীন হৈ পৰিছে যদিও দুচকুত যেন কিবা বুজি পোৱাৰ আনন্দ। তাৰ পিচত কিয় জানো প্ৰণৱ মাধুৰীৰ ওচৰত সহজ হ'ব নোৱাৰিলে। সি দিনটো কি দৰে পাৰ কৰিলে নিজেই ক'ব নোৱাৰিলে। মাধুৰী কিন্তু আগৰ দৰেই সহজ হৈয়েই থাকিল। আহোতে প্ৰণৱ মাধুৰীৰ পিচৰ চিটতে বহিছিল। মাধুৰীয়ে হয়তু ভালকৈ অনুভৱ কৰিব পাৰিছিল প্ৰণৱৰ অৱস্থাতো। তাই ইটো-সিটো কথা কৈ প্ৰণৱক সহজ কৰিবলৈ চেষ্টা কৰিলে। তাইৰ পিছফালে দি থোৱা প্ৰণৱৰ হাতখন আলফুলে থৈ মাধুৰীয়ে প্ৰণৱক সুধিছিল তুমি দেখোন অকস্মতে বৰ গহীন হৈ পৰিলা, কাৰণটো কি? প্ৰণৱে মনত পেলাব ধৰিলে— কিমান উত্তাপ আছিল সেই স্পৰ্শত। প্ৰণৱৰ গাৰ মাজেৰে এটা অনামী তৰঙ্গ বৈ গৈছিল। প্ৰণৱে মাধুৰীৰ প্ৰশ্নৰ কেনো উত্তৰ দিয়া নাছিল যদিও তেওঁ বুজি পাইছিল মাধুৰীৰ অন্তৰৰ উত্তৰবোৰ। তাই তাক বেয়া পোৱা নাই, সেয়া নাৰীৰ মাজত লুকাই থকা লাজহে আছিল। নহলে তাই প্ৰণৱৰ প্ৰতি এনে ব্যৱহাৰ নকৰিলে হয়।

দুদিনৰ পাছত মাধুৰীয়ে হাতত বিভিন্ন প্ৰজাতিৰ উদ্ভিদ লৈ আৰু কেইখিলামান বহীপাত লৈ প্ৰণৱৰ ঘৰলৈ আহিছিল। তাই প্ৰণৱক এটা ফিল্ড ৰিৰ্পট লিখি দিবলৈ অনুৰোধ কৰিলে। সেইদিনাও প্ৰণৱে মাধুৰীক অকল শৰে পাইছিল, ভাবিছিল আজি সি মাধুৰীক মনৰ বহুতো কথাই ক'ব। এই ভাবটো তাৰ মনৰ ওচৰত যিমানেই পৰিস্কাৰ হৈ পৰিল সিমানেই লাজে তাক আকূল কৰি তুলিলে। সি মাধুৰীয়ে দিয়া উদ্ভিদখিনি লিৰিকি বিদাৰি থাকোতেই বহু সময় গ'ল। হঠাৎ মাধুৰী যাব ওলোৱাত সি মাত্ৰ লাহেকৈ— মাধুৰী মই বাৰু তোমাক ৰিৰ্পটটো লিখি দিম;

মোক ৰিৰ্পট কেতিয়া দিবা? কথাযাৰ কওঁতে প্ৰণৱৰ মাতটো কিছু কপি গৈছিল? মাধুৰীয়ে মাত্ৰ অবাক হৈ প্ৰণৱৰ মুখলৈ চাই সুধিছিল কিহৰ ৰিৰ্পট? প্ৰণৱে একে উশাহতে কৈ পেলালে 'মনৰ'। মাধুৰী ৰঙা পৰি গৈছিল। তাইৰ ৰঙা গাল দুখন আৰু বেছি ৰঙা পৰি তাইক বৰ ধুনীয়া দেখা গৈছিল, কিন্তু মুখৰ এটি মিচিকি হাঁহিৰে তাইৰ অন্তৰৰ আনন্দৰ বতৰা প্ৰকাশ নকৰাকৈ নাথাকিল। দিনে দিনে তেওঁলোক দুয়োৱে অনুভৱ কৰিলে যে তেওঁলোকৰ জীৱনৰ লগ হঠাৎ বৰ নৃত্যময় হৈ উঠিছে। ইয়াৰ মাজত সিহঁতৰ পৰীক্ষাও হৈ গ'ল। ৰিজাল্টৰ পিচত প্ৰণৱ মেডিকেল কলেজত পঢ়িবলৈ বুলি ঘৰৰ বাহিৰলৈ যাব লগীয়া হ'ল। মাধুৰীও ফাইনেলৰ পিচত আন এখন চহৰলৈ বদলি হৈ গ'ল। প্ৰণৱে পঢ়ি থকা অৱস্থাতে এদিন মাধুৰীৰ পৰা এখন চিঠি পালে যে দেউতাকে তাইৰ বিয়া ঠিক কৰিছে। প্ৰণৱে তাইক কিবা এটা কৰিব লাগে, নহ'লে তাইৰ মৰমে পূৰ্ণতা নাপাব, কিন্তু সেই সময়ত প্ৰণৱ আছিল একেবাৰে নিঃসহায়। সি মাধুৰীক উদ্ধাৰ কৰিবলৈ অসমৰ্থ হ'ল। মাধুৰীৰ বিয়া হৈ গ'ল আৰু সেইদিনা ধৰি স্তব্ধ হ'ল তেওঁলোকৰ নৃত্যময় গতি।

কিন্তু। আজি হঠাৎতে মাধুৰী আহি ওলালহি প্ৰণৱৰ ক্লিনিকত, লগত তেওঁৰ স্বামী আৰু ৫ বছৰীয়া একমাত্ৰ কন্যা সন্তানজনী। আজি প্ৰায় এবছৰ মানেই হ'ল হেনো এইখন চহৰতে থকা। মাধুৰীক দেখিয়ে প্ৰণৱ দুৱৰাৰ চিনি পাবলৈ টান ন'হল। কিছু সময় কথা বতৰা হোৱাৰ পাছত তাইৰ স্বামীয়ে আৰম্ভ কৰিলে যে আচলতে তেওঁলোকে মাধুৰীৰ চিকিৎসাৰ কাৰণে তেওঁৰ ওচৰলৈ আহিছে। ডাঃ প্ৰণৱ দুৱৰাই বিভিন্ন পৰীক্ষা নিৰীক্ষা কৰি পাছত মাধুৰীক আৰোগ্য কৰাৰ আশ্বাস দি লগতে ৰিৰ্পটটো পিছদিনা দিয়াৰ প্ৰতিশ্ৰুতি দি তেওঁলোকক বিদায় দিলে, কিন্তু ই কেনেকৈ সম্ভৱ হ'ল মাধুৰীৰ ব্লাড টেষ্ট কৰি তেওঁ চমকি উঠিল। ই কি! মাধুৰীৰ তেজত শ্বেতৰক্ত কণিকাবোৰ অসাধাৰণ ৰূপে বৃদ্ধি পাইছে।

খোলা খিৰিকীৰে এজাক চেঁচা বতাহ আহি দুৱৰাৰ গাত স্পৰ্শ কৰাতহে তেওঁ সম্বিত ঘূৰাই পালে। ৰিৰ্পট লিখাৰ আশা বাদ দি তেওঁ শুবলৈ বুলি বেডৰূম পালেহি। বেডৰূম সোমায়ে তেওঁ ডিমলাইটৰ পোহৰতে দেখিলে যে তেওঁৰ পত্নী কাকলি টোপনিত লালকাল। কাষতে শুই থকা ডেৰ বছৰীয়া সন্তান পিংকুৱে মাকৰ বুকুত মুখ গুজি নিৰ্ভয়ে টোপনি গৈছে। তাৰ শুভ্ৰ কোমল ধুনীয়া হাত দুখনে মাকৰ ডিঙিত সাৱটি ধৰি আছে যেন তাৰ হাতৰ পৰা কোনেও মাকক কাঢ়ি আনিব নোৱাৰে। দুৱৰাই লাইটটো জ্বলাই দিলে। তেওঁ গৈ পিংকুৰ কাষতে বহিলগৈ। তাৰ মুখখন মৰমেৰে হাত বুলালে উজ্জ্বল লাইটৰ পোহৰত তাৰ বগা মুখখন আৰু বেছি ধুনীয়া কৰি তুলিছে। বাঢ়ি অহা ক'লা কোমল চুলি কেইডালমান তাৰ কপালত আহি পৰি থকাত তেওঁ এহাতেৰে আতৰাই দিলে। পিংকুৰ মুখখন চাই থাকোতেই তেওঁৰ আন এখন মুখ মনত পৰি গ'ল— মাধুৰীৰ ছোৱালীজনীৰ মুখ 'ববীৰ'। পাছ বছৰীয়া ববী দেখিবলৈ মামটোৰ দৰেই ধুনীয়া। তাইৰ কথাকেইটা বৰ মৰমলগা, ববীৰ কথা মনত পৰাৰ লগে লগে ডাঃ দুৱৰাৰ অন্তৰৰপৰা এটা গধুৰ হুমুনিয়াহ ওলাই আহিল। ইমান নিস্পাপ অথচ দুৰ্ভগীয়া। তাইয়ো ছাগে এতিয়া মাকৰ ডিঙিত সাৱটি শুই আছে। তাইৰে বিশ্বাস তাইৰ হাতৰ পৰা মাকক কোনেও কাঢ়ি নিব নোৱাৰে। মাধুৰী আৰু তেওঁৰ পত্নী কাকলিৰ দৰে নিশ্চিন্তভাৱে শুৱ পাৰিছেনে? নে তেওঁৰ দৰে সন্তানটোৰ কাষত বহি উজাগৰী ৰাতি অতিবাহিত কৰিছে। নাই, মাধুৰীয়ে এতিয়াও নাজানে যে তাইৰ ব্লাড কেন্সাৰ হৈছে। দুৱৰাৰ পুনৰ

